# গোৱালপাৰা মহাবিদ্যালয় আলোচনী



সোণালী জয়ন্তী বৰ্ষ

সম্পাদক ঃ ধননজ্যোতি বৰ্মন



বেটুপাতৰ শিল্পী ঃ
ধননজ্যোতি বৰ্মন

অলংকৰণ ঃ
ধননজ্যোতি বৰ্মন, মৃণাল পদ্ম দাস, গৌতম সিংহ (চানু), মুবীন ৰাভা

অংগসজ্জা ঃ
অভিনৱ প্ৰিণ্টাৰ্ছ

মুদ্ৰণ ঃ অভিনৱ প্ৰিণ্টাৰ্ছ
নতুন বজাৰ, গোৱালপাৰা
দূৰভাষ ঃ ৯৪৩৫৩-২৩৬১৮

## ২০০৪-০৫ বৰ্ষৰ মহাবিদ্যালয় আলোচনীৰ সম্পাদনা সমিতি ঃ



ভাঃ অধ্যক্ষ
ড° আবুল মাছুম
সভাপতি



উপাধ্যক্ষ
এ.এছ্.আৰ.আহমেদ
সদস্য



শ্ৰী ৰতন চন্দ্ৰ ভট্টাচাৰ্য
তত্বাবধায়ক



শ্ৰী সন্তোষ কুমাৰ মিশ্ৰ
সদস্য



শ্ৰী ৰঞ্জিত চৌধুৰী
সদস্য



শ্ৰী মন্টু কুমাৰ দাস
সদস্য



শ্ৰী খৰ্গেশ্বৰ নায়ক
সদস্য



শ্ৰী ধননজ্যোতি বৰ্মন
সম্পাদক

राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद
विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान
**NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL**
*An Autonomous Institution of the University Grants Commission*

# Certificate of Accreditation

The Executive Committee of the National Assessment and Accreditation Council on the recommendation of the duly appointed Peer Team is pleased to declare the

**Goalpara College**

Goalpara, affiliated to Gauhati University, Assam as

**Accredited**

at the $B^{+}$ level.

Date : November 04, 2004

Director

- This certification is valid for a period of *Five* years with effect from November 04, 2004
- An institutional score (%) in the range of 55-60 denotes C grade, 60-65-$C^{+}$ grade, 65-70-$C^{++}$ grade, 70-75- B grade, 75-80- $B^{+}$ grade, 80-85-$B^{++}$ grade, 85-90- A grade, 90-95-$A^{+}$ grade, 95-100-$A^{++}$ grade (upper limits exclusive)

## ঃ কৃতজ্ঞতা ঃ

আলোচনীখনত প্ৰকাশ হোৱা গল্প, কবিতা, প্ৰৱন্ধ আদি শিতানবোৰৰ সমূহ লেখক-লেখিকালৈ তথা আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত উপদেশ আৰু সহায়-সহযোগিতা আগবঢ়োৱা প্ৰতিগৰাকী ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পোন প্ৰথমে অধ্যক্ষ ড° কাছিম আলী আহমেদ ছাৰ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আবুল মাছুম ছাৰ, অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ ক্ৰমে এ.এছ. আৰ. আহমেদ ছাৰ আৰু ৰঞ্জু চৌধুৰী বাইদেউ, তত্বাবধায়ক অধ্যাপক শ্ৰী ৰতন চন্দ্ৰ ভট্টাচাৰ্য্য ছাৰ, ৰঞ্জিত চৌধুৰী ছাৰ, সন্তোষ কুঃ মিশ্ৰ ছাৰ, খৰ্গেশ্বৰ নায়ক ছাৰ, মন্টু কুমাৰ দাস ছাৰ আৰু ভাতৃ প্ৰতিম দিবাকৰ মেধী, হৃদয় দাস, সৌৰভ কুঃ নাথ লগতে বন্ধু মৃণাল পদ্ম, জ্যোৰ্তিময়, মৃগাংক, গৌতম, মাণিক, অভিনৱ প্ৰিন্টাৰ্ছৰ পংকজ দা আৰু প্ৰদীপ দালৈও মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও মই বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিলো- মাননীয় শ্ৰীযুত দুলাল চন্দ্ৰ ঘোষ ডাঙৰীয়া (সভাপতি, গোৱালপাৰা মহাবিদ্যালয় পৰিচালনা সমিতি), অধ্যাপক ক্ৰমে ধৰ্মেন্দ্ৰ নাথ ছাৰ, ৰমেশ চন্দ্ৰ বৰ্মন ছাৰ, সিদ্ধিনাথ শৰ্মা ছাৰ, গোকুল চন্দ্ৰ দেৱ গোস্বামী ছাৰ আৰু জানমণি হাজৰিকা বাইদেউলৈ।

- সম্পাদক।

**সম্পাদকৰ টোকা ঃ**

আলোচনীখনত প্ৰকাশিত লিখনি সমূহ প্ৰয়োজন অনুসৰি সম্পাদনা সমিতিয়ে সংশোধন কৰিছে। বিভিন্ন প্ৰতিবন্ধকতাৰ মাজত আলোচনীখন ছপা কৰি উলিয়াবলগীয়া হোৱাত কোনো লেখক-লেখিকাই যদি অইনৰ লিখনি নকল কৰি প্ৰকাশ কৰিছে, তেন্তে সেয়া হৈছে সম্পাদকৰ সম্পূৰ্ণ অজ্ঞাতবশতঃ আৰু ইয়াৰ বাবে সম্পাদকৰ লগতে সম্পাদনা সমিতি দায়বদ্ধ নহয়।



## শুভেচ্ছাবাণী

শ্ৰীমান ধীৰজ্যোতি বৰ্মন
সম্পাদক 'গোৱালপাৰা মহাবিদ্যালয় আলোচনী'।
তোমালোকৰ কলেজীয়া আলোচনীখনলৈ
মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ

ইতি
[illegible]

আলোচনীৰ বাবে লিখনি বিচাৰি কেইবাবাৰো জাননী দিয়াৰ পিচতো ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ লিখনি সমূহ জমা নিদিয়াৰ ফলত আলোচনী এখন সময়মতে উলিওৱাতো কষ্ট সাধ্য হৈ পৰে। বহুৰত দুবাৰকৈ প্ৰকাশ হোৱা প্ৰাচীৰ পত্ৰিকাখনতো সেই একে অসুবিধাৰ সন্মুখীন হওঁ, তাৰোপৰি প্ৰাচীৰ পত্ৰিকা খনত আমি দীৰ্ঘদিনৰপৰা এটা নিৰ্দিষ্ট নামৰ অভাৱ দেখি আহিছো আৰু সেয়েহে নৱাগত আদৰণি সভাত 'দাপোন' নামেৰে নামাকৰণ কৰি উপাধ্যক্ষ এ.এছ.আৰ আহমেদ ছাৰৰ হতুৱাই প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰা হয়। সেই একেদৰে গোৱালপাৰা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনিতো এটা নিৰ্দিষ্ট নামৰ অভাৱ উপলব্ধি নোহোৱা নহয় আৰু আলোচনীখনৰ নাম এটা দিয়াৰ বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় ডং আবুল মাছুম ছাৰ আৰু তত্বাৱধায়ক ৰতন চন্দ্ৰ ভট্টাচাৰ্য্য চাৰৰ লগত আলোচনা কৰিছিলো আৰু তেওঁলোকে মোৰ এই প্ৰস্তাৱত সন্মতিও দিছিল। আলোচনীখনৰ বাবে পৰ্য্যাপ্ত লিখনিও গোটাইছিলো। কিন্তু কিছুদিন পিচতে ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় ডং আবুল মাছুম ছাৰে মহাবিদ্যালয়ৰ কাৰ্যকালৰ পৰা অৱসৰ গ্ৰহণ কৰাত আলোচনীখনৰ প্ৰকাশ প্ৰক্ৰিয়া লেহেম হ'ল। এনেকৈ বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ অবাঞ্চিত কিছুমান ঘটনা, সামাজিক প্ৰতিবন্ধকতা তথা সোণালী জয়ন্তী সামৰণি উৎসৱত বিশেষ ব্যস্ততা আদি কাৰণত এই সংখ্যাৰ আলোচনীখন যথেষ্ট পলমকৈ আপোনালোকৰ হাতত তুলি দিব লগা হোৱাত মই অত্যন্ত দুঃখিত। এই সংখ্যাৰ আলোচনীখন সোণালী জয়ন্তী বৰ্ষ ৰূপে প্ৰকাশ পালে যদিও মনত এটা দুখ থাকি গ'ল যে, আলোচনীখনৰ এটা নিৰ্দিষ্ট নাম দিব পৰা নগ'ল লগতে ইয়াকো আশা ৰাখিলো যাতে পিচৰ আলোচনী সম্পাদক/সম্পাদিকাই আলোচনীখনৰ এই অভাৱ দূৰ কৰাত আগভাগ লয়।

মানুহ মাত্ৰেই ভুল হয়। একেদৰে সকলোৰে সামৰ্থও একে নহয়। আলোচনীখনৰ মানদণ্ড সম্পৰ্কে বিচাৰ বিশ্লেষণৰ ভাৰ আপোনালোকৰ হাতত এৰি দি মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে আপোনালোকৰ পৰা মাৰ্জনা বিচাৰিলো।

শেষত আলোচনীখন প্ৰকাশ কৰিবলৈ সন্মতি দিয়া বাবে মই বৰ্তমানৰ অধ্যক্ষ ডং কাছিম আলী আহমেদ দেৱৰ ওচৰত চিৰ কৃতজ্ঞ। তাৰোপৰি তত্বাৱধায়ক শ্ৰীযুত ৰতন চন্দ্ৰ ভট্টাচাৰ্য দেৱৰ মোৰ ওপৰত থকা বিশ্বাসৰ বাবে মই সঁচাকৈ ধন্য, তেওঁৰ সহায়-সহযোগ অবিহনে আলোচনীখন প্ৰকাশ কৰিব পৰা নগ'লহেঁতেন। আলোচনীখনৰ লিখনিবোৰ যুগুতোৱাৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে নিষ্ঠা সহকাৰে নিজা স্বাৰ্থ ত্যাগ কৰি পৰীক্ষাৰ ব্যস্ততা থকা স্বত্বেও সহায়ৰ হাত আগবঢ়োৱা বন্ধু মৃণাল পদ্ম দাসৰ অপৰিসীম আন্তৰিকতাকো মই কোনো দিনেই পাহৰিব নোৱাৰিম।

সদৌ শেষত নতুন উদ্যম, নতুন আশাৰে ছাত্ৰ-ছাত্ৰীসকলে গোৱালপাৰা মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰোজ্জ্বল ভৱিষ্যতৰ বাবে আগবাঢ়ি আহক যাতে গোৱালপাৰা মহাবিদ্যালয়খন চিৰজ্যোতিষ্মান হৈ ৰয় আৰু মহাবিদ্যালয়ৰ মুখপত্ৰখনিও অধিক উন্নত আৰু সৰ্বাংগ সুন্দৰ হোৱাৰ কামনাৰে মই মোৰ সম্পাদকীয়ৰ ইয়াতে মোখনি মাৰিছো।

জয় আই অসম
জয়তু গোৱালপাৰা মহাবিদ্যালয়

সম্পাদক

## From the Principal's Desk ...




*It gives me immense pleasure to write a few lines in the Goalpara College Magazine 2004-05. This magazine is considered as a mouth piece of the institution especially to the Goalpara college fraternity and the society at large. It reflects the performances of the college, its successes and failures, and also focuses on the academic and other activities throughout the year. Through this college Magazine students can also express their thoughts and felings through their writings, which will encourage them and enhance their creative talents.*

*Besides the academic pursuit, the College encourages and promotes sports activities, seminars,workshops, study tours and other co-curricular activities. The College provides opportunities to participate in NCC, NSS and Scouts & Guides programmes. The students have participated in many activities and programmes and have brought laurels to this glorious institution.*

*Goalpara College, established in 1955, has celebrated its Golden Jubilee recently with full enthusiasm. This is a milestone in the history of Goalpara College. A year-long programme in connection with the Golden Jubilee Celebration had been organized in a befitting manner. A Souvenir was also published during this celebration, wherein various activities and glorious achievements of the college have been fairly reflected.*

*This is absolutely true that without fullest co-operation of the Governing Body, Teaching and non-Teaching staff, the students as well as the benevolent public, it is not possible for a Principal to do the best for the overall development of the College. I hope, time has come to take a bold step for the speedy development of this College in all sides including its infrastructure inculcating the innovation for its perfection. Those who love this College from the core of their heart and soul can never be far behind for its magnificant infrastructural development including its good academic atmosphere as well as to achieve the best. Surely, Goalpara College will proceed towards a new horizon of its prosperity.*

*At last but not the least I would like to express my sincere thanks to all the members of the Editorial Board, teaching and non-teaching staff, as well as the students of this College for their co-operation in the publication of the Magazine.*

*I wish everybody all the best, May God Bless you.*

Dr. K.A. Ahmed
6th May, 2007




Dr. K. A. Ahmed
Principal



Dr. A. Masum
Former Principal




Dr. M. Ahmed
Vice-Principal



Mr. A. S. R. Ahmed
Former Vice-Principal



Editorial Board of 2004-05
with Present Principal and Vice-Principal

## Photo Features of different moments ...


















# আলোচনীৰ ভিতৰ চ'ৰাত

অসমীয়া শিতান

## চিন্তাৰ ঢৌ ....


■ সাম্প্ৰতিক পৰিৱৰ্ত্তিত পাঠ্যক্ৰমৰ উপযোগিতা ঃ
- এক বিহঙ্গম দৃষ্টি - ০১



■ ড° ভবেন্দ্ৰনাথ শইকীয়া
- ব্যক্তি আৰু ব্যক্তিত্ব
০৪

■ নাৰী নিৰ্যাতন ঃ
- এক ঐতিহাসিক কু-সংস্কাৰ - ০৬

■ বৰ্তমান গোৱালপাৰা জিলাৰ পৰিৱেশ্য কলা - ০৮

■ বৰ্তমান অসমৰ শৈক্ষিক পৰিৱেশ - ১২



■ হুলুকান্দা পাহাৰ ঃ
- এক সংক্ষিপ্ত আলোচনা
১৬

■ ভগৱান আৰু আমি - ১৯

■ যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতা - ২২

■ হালধি - ২৫





■ গোৱালপৰীয়া লোকগীতত পৰিস্ফুট তিনিটি সামাজিক প্ৰতিচ্ছৱি - বিয়া, ঘটক আৰু তন্ত্ৰ-মন্ত্ৰ ২৭

■ আধুনিক অসমীয়া উপন্যাসৰ কেইটিমান দিশ ...... - ৩২

■ মানৱতা উদ্ধাৰৰ বাবে ...... - ৩৫



■ প্ৰেম
এক অনন্য অনুভৱ
৩৭


## গল্পৰে এবেলা ...




■ ক্লিনিকেল
ডিপ্ৰেচন
৩৯

■ জীৱনৰ দোমোজা - ৪১

■ আইৰ মৰম - ৪৪

■ বেদনা ... - ৪৭



■ টেলিফোনত দুটা জীৱনৰ অনুভৱ
৪৯

■ প্ৰতিবন্ধী - ৫৩

■ প্ৰেমানন্দৰ প্ৰেম - ৫৯


## এমুঠি কবিতাৰে .....


■ গীত - ৬১

■ মোৰ হৃদয়ৰ আচ্ছাদন খোলোনে ? - ৬২

■ কবিতা - ৬২

■ হৃদয় যদি নাথাকিলেহেঁতেন - ৬৩

■ ৰজনীগন্ধা - ৬৩

■ তেওঁৰ দৰে - ৬৪

■ শোক - ৬৪

■ মোৰ চহৰলৈ পূৰ্ণিমা আহিব - ৬৫

■ নিঃ সংগতা - ৬৬

■ বিপন্ন সময় - ৬৭

■ কবিতা - ৬৭

■ যদি অনুৰঞ্জিত কৰিব পাৰিলোহেঁতেন - ৬৮

■ যুগ - ৬৮

■ জোনাকী দিনৰ কথা - ৬৯

■ এন্ধাৰতে পাইছিলো এটি সৰু দ্বীপ - ৭০




- এটা নিৰিবিলি সন্ধিয়াত - ৭০
- এবাৰ সময় হ'লে এখন চিঠি দিবা ...... - ৭১
- ফাগুনৰ পচোৱা - ৭১
- আমনিদায়ক দেওবাৰবোৰ - ৭২
- বৰষুণ - ৭৩
- অনুসন্ধান - ৭৩
- শব্দ - ৭৪
- নৈশব্দতাৰ ক'ৰাচ্ - ৭৫
- জোনাক - ৭৫
- স্মৃতিৰ কেঁকুৰিত এদিন - ৭৬
- আচল ঠিকনা - ৭৭




## অনুবাদৰ জুতি


- বসন্তৰ আগমনত লিখা কবিতাশাৰী - ৭৮
- সপোন - ৭৮


## অন্য ভাষাৰ মাণিক বুটলি




- চিঠি একটি তোমাৰ জন্য - ৭৯
- বাৰিছানি ক্ৰোমিচি - ৮০
- বাছাকালি ... - ৮০
- নাং ৰি'বানো ই'নে ...... - ৮১







- খিঁছান্তি ৮২


## অতিথিৰ কলম


- কোঠা - ৮৫
- ঐয়া, তোমাৰ ঘৰলৈ আকৌ যাম - ৮৬
- ৰত্নাকৰে নোকোৱা কথাষাৰ - ৮৭
- মোৰ তেজৰ পৰা - ৮৮





- বৰষুণ আৰু সূৰ্যোদয়ৰ ঠিকনা - ৮৯


## ভিন্নসুৰী ৰচনা




- একান্ত ব্যক্তিগত ৯৩
- সমালোচনা - ৯৫
- বেগিঙক আদৰো আহা ..... - ৯৬
- UFO Unidentified Flying Objects - ৯৭
- স্বাস্থ্য চিন্তন ... - ৯৯
- সমকালীন স্বেচ্ছাসেৱা আৰু স্বেচ্ছাসেৱী সংগঠন - ১০১





- এইডচ্ আৰু ড্ৰাগচ্ ১০৩ - এক যুগ্ম বিভীষিকা
- সোণালী দিনৰ অনুভৱ - ১০৫





- দুই পৃষ্ঠা কাৰ্টুন ১০৯


চিন্তাৰ ঢৌ ....



সাম্প্ৰতিক

# পৰিৱৰ্ত্তিত পাঠ্যক্ৰমৰ উপযোগিতা ঃ

## -এক বিহঙ্গম দৃষ্টি

নিতুল নাথ



"Curriculum is the outward expression of ideas and aspirations of a community, not of an individual and the community has the right to lay down the broad outlines which instruction shall follow in its schools with due difference to the opinion of the professional elements as to what constitutes suitable mental food for children."- T. Raymont (Principles of Education)

পৰিৱৰ্তনশীলতা কাৰনো ভাল নালাগে! গতানুগতিকতাৰ আৰেষ্টনীৰপৰা মুক্ত হৈ জীৱনে, সদায়েইতো বিচাৰে নতুনত্বৰ ভিন্নৰঙী স্বাদ! আকৌ, কালচক্ৰওটো পৰিৱৰ্তনশীল। এই চক্ৰই সাঙুৰি লয় জগৎ, জীৱন, দৰ্শন আদি সকলোবোৰ। সেইদৰেইমানৱজীৱনো পৰিৱৰ্তনশীল। এই পৰিৱৰ্তনশীল সময়ত মানৱ অভিজ্ঞতা তথা দৰ্শনো ন ন জ্ঞানৰ বোঁৱতী সুঁতিৰ সোঁতত পৰিৱৰ্ত্তিত হৈ থাকে। গতিকে, এক উদাৰ দৃষ্টিত - 'Life itself is education and education is preparation for life' - বুলি ধৰিলে শিক্ষণ প্ৰক্ৰিয়া তথা শিক্ষা-ব্যৱস্থাৰ ক্ষেত্ৰতো সময়-সাপেক্ষে পৰিৱৰ্ত্তনৰ প্ৰয়োজনীয়তাই দেখা দিয়ে। এই প্ৰয়োজনীয়তাৰ শিহৰণ বিশ্বজনীন। এনেবোৰ মানসিকতাৰ প্ৰভাৱতে শিক্ষা প্ৰক্ৰিয়া বৰ্ত্তমান পৰিৱৰ্ত্তনশীল হৈ পৰিছে বা পৰিবলগীয়া হৈছে। গতিকে, সাধাৰণ অৰ্থত শিক্ষাক পাঠ্যক্ৰমৰ পৰিগণ্ডীত আৱদ্ধ কৰিলে; পাঠ্যক্ৰমৰ পৰিৱৰ্ত্তনে শিক্ষা-প্ৰক্ৰিয়াৰ পৰিৱৰ্ত্তন আনয়ন কৰিব। সেই গতিকে, এনেকুৱা মানসিকতাৰ পৰিপ্ৰেক্ষিততেই, সঘনাই পৰিৱৰ্ত্তিত হৈছে শিক্ষা প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰৰ পাঠ্যক্ৰম। কিন্তু, এই পৰিৱৰ্ত্তন ফলপ্ৰসু তেতিয়াহে হ'ব; যেতিয়া এই পৰিৱৰ্ত্তনে বিদ্যাৰ্থীৰ উপকাৰ সাধিব। সাম্প্ৰতিকৰ পৰিৱৰ্ত্তিত পাঠ্যক্ৰমৰ উপকাৰিতা সম্পৰ্কে আমাৰ মানস-দৃষ্টিত ধৰা দিয়া কেতবোৰ সাধাৰণ দিশ তলত দিয়া ধৰণে উনুকিয়াব পাৰোঁ। —

পাঠ্যক্ৰমৰ পৰিৱৰ্ত্তন সাধনৰ ফলত, পৰিৱৰ্ত্তিত পাঠ্যক্ৰমৰ আধুনিকীকৰণ বা Modernization হোৱাৰ উপৰিও কলা, বিজ্ঞান, বাণিজ্য ইত্যাদি বিভিন্ন ক্ষেত্ৰত লাভ কৰা ন

ন অভিজ্ঞতা তথা জ্ঞান কিছুদূৰলৈ হ'লেও সাঙুৰি লৈ শিক্ষাৰ্থীক যথাসম্ভৱ Up-to-date কৰি ৰখাৰ প্ৰচেষ্টা চলাব পৰা হৈছে।

উচ্চ মাধ্যমিক বিদ্যালয় পৰ্য্যায়ত শিক্ষান্ত পৰীক্ষাৰ পাঠ্যক্ৰমৰ দ্ৰুত সালসলনিয়ে শিক্ষাৰ্থী মহলত, উদ্বিগ্নতা তথা অনিশ্চয়তাৰ জোকাৰণিয়ে কিছু বেমেজালিৰ সৃষ্টি কৰিলেও, এই পৰিৱৰ্ত্তনে প্ৰত্যাশী আৰু প্ৰতিভাধৰ শিক্ষাৰ্থীৰ প্ৰতিভা আৰু আশাক নতুন ৰূপ দিয়াৰ উপৰিও, ৰাষ্ট্ৰীয় স্তৰত উক্ত পৰীক্ষাৰ ফলাফলৰ মানদণ্ড উন্নীতকৰণত সাহায্য কৰিব যেন বোধ হয়।

পৰিৱৰ্ত্তিত পাঠ্যক্ৰমে গতানুগতিক পাঠ্যক্ৰমত কিছুদূৰলৈ হ'লেও নতুনত্ব আনিছে আৰু ইয়ে বিদ্যাৰ্থীৰ অভিৰোচনত এক সুষম মনস্তাত্বিক (Psychological) প্ৰভাৱ পেলাইছে যেন মন হয়।

বৰ্ত্তমানে Degree level ত পাঠ্যক্ৰম (মেজৰ আৰু সাধাৰণ দুয়ো ক্ষেত্ৰতে) তিনিটা শাখাত বিভাজিত কৰাৰ ফলত আৰু Major বিষয়ৰ কেতবোৰ Unit হ্ৰাসকৰণৰ (10-12 টা Unit ৰ ঠাইত 7-8 টা Unit প্ৰচলন) ফলত পাঠ্যক্ৰমৰ গধুৰতাও আনুপাতিকভাৱে বিভাজিত হৈছে। আকৌ, সময় সাপেক্ষে উক্ত level ত শিক্ষান্ত পৰীক্ষাৰ প্ৰৱৰ্ত্তনে বিদ্যাৰ্থীক প্ৰতি স্তৰতে পঢ়া শুনাৰ প্ৰতি উত্তৰদায়ী বা দায়বদ্ধ কৰি তোলাৰ প্ৰচেষ্টা কৰিব পৰা হৈছে। এই পৰিৱৰ্ত্তনে উক্ত level ৰ পৰীক্ষা আৰু ফলাফলৰ মানদণ্ড (Standard) অধিক জীৱন্ত আৰু বিকশিত কৰিব যেন লাগে। উল্লেখযোগ্য যে, এই পৰিৱৰ্ত্তনৰ প্ৰতি ছাত্ৰ সমাজো ক্ৰিয়াশীল।

বৰ্ত্তমানে, পাৰিবেশিক Global Warming ৰ দৰে ভয়াবহতালৈ লক্ষ্য ৰাখি বিদ্যালয় পৰ্য্যায়ৰ পৰা প্ৰচলন কৰা, পাঠ্যক্ৰমৰ পৰিৱেশ সম্বন্ধীয় বিশেষ শাখাটোৱে, শিক্ষাৰ্থীক পৰিৱেশ সম্পৰ্কে সচেতন কৰি গঢ়ি তোলাৰ এক সপোন গঢ়ি তুলিছে। ই শিক্ষাৰ্থীৰ পাৰিৱেশিক জ্ঞানৰ পৰিসৰো বহলাই পেলাব।

বৰ্ত্তমানে Degree স্তৰত Core subject - Assameseত সাহিত্য-সংস্কৃতি সম্বন্ধীয় নতুন নতুন মননশীল প্ৰৱন্ধ আৰু নাট্যশাখাৰ সময়ক্ৰমিক গাঁঠনিৰ ঠাঁচত গঢ়ি তোলা পাঠ্যক্ৰমে, শিক্ষাৰ্থীক নিজ স্থানীয় সমাজ আৰু সংস্কৃতিৰ প্ৰতি ক্ৰিয়াশীল কৰাৰ উপৰিও, উক্ত দিশত জ্ঞানদায়ী প্ৰভাৱ পেলাব; যিটো দিশ, এই বৈষয়িক যুগত প্ৰায়ে আওকাণ কৰা হয়। কিন্তু, সমাজজীৱনক বাদ দি, দিয়া শিক্ষা জানো সম্পূৰ্ণ শিক্ষা! - কেতিয়াও হ'ব নোৱাৰে; কাৰণ বহল দৃষ্টিত Curriculum is but the epitomized representation to the child of the cultural inheritance of the race". - Monroe

বিজ্ঞান শাখাত প্ৰায়োগিকীকৰণ দিশটোৱে (Practical) এই শিক্ষা বিদ্যাৰ্থীৰ বাবে যথাসম্ভৱ বাস্তৱধৰ্মী (Real) কৰি তোলে আৰু বিষয়বস্তুৰ সহজ বোধগম্যতাত সহায় কৰে। কিন্তু, কলা আদি শাখাত এই সুবিধা নাই। তথাপিও, পৰিৱৰ্ত্তিত পাঠ্যক্ৰমে কেতবোৰ দিশত এই সুবিধা কিছুদূৰ আনয়ন কৰা যেন পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে, Economics (Major) ৰ ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে — নতুনকৈ হোৱা পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা "Computer analysis in Economics", "Mathematical Economics" আদিবোৰ dimension ত tough theoritical subject matter বোৰ Computer আৰু Mathematics ৰ সহায়ত সমাধানৰ পথ প্ৰশস্ত হোৱাত ই interesting আৰু বাস্তৱধৰ্মী হৈ উঠিছে।

Degree major পাঠ্যক্ৰমত কিছুমান ক্ষেত্ৰত Optional Paper ৰ অন্তৰ্ভূক্তিয়ে, শিক্ষাৰ্থীৰ নিজস্ব Aptitude আৰু Capacity অনুসৰি নিজস্ব ক্ষেত্ৰত বিভিন্ন দিশ নিৰ্বাচনত সুবিধা আনয়ন কৰিছে। এই দিশৰপৰা, বিদ্যাৰ্থীৰ Psychological Nature ক গুৰুত্ব দিব পৰা হৈছে।

Higher Secondary level ত প্ৰথম বাৰ্ষিকৰ পৰিৱৰ্ত্তিত পাঠ্যক্ৰম আগতকৈ কম মাত্ৰাত বা স্বল্প পৰিসৰতহে পৃথকীকৃত। তথাপিও, উক্ত পৰিৱৰ্ত্তনে শিক্ষাৰ্থীৰ চিন্তাশক্তি আৰু মেধাক এক নতুন দিশলৈ লৈ যোৱাৰ উপৰিও, পৰৱৰ্ত্তী ক্ষেত্ৰত এওঁলোক আগৰচাম বিদ্যাৰ্থীতকৈ কিছু পৰিমানে হ'লেও Advanced হৈ পৰিব বুলি অনুমান কৰিব পাৰি।

আমাৰ দৃষ্টি, কোনো এক নিৰ্দিষ্ট ক্ষেত্ৰত আৱদ্ধ নহয় যদিও, বিজ্ঞান পাঠ্যক্ৰমৰ (Science-curriculum) সাল-সলনিয়ে উক্ত



ক্ষেত্ৰৰ শিক্ষাৰ্থীক বিজ্ঞানৰ প্ৰগতিশীল (Progressive) বিভিন্ন দিশৰ সতে সমসাময়িকভাৱে খাপ খুৱাই ৰখাত কিছু মাত্ৰালৈ হ'লেও বৰঙণি যোগাব বুলি উল্লেখ কৰাটো সমীচিন হ'ব।

পৰিৱৰ্ত্তিত পাঠ্যক্ৰমৰ এটা মূল উপকাৰিতা হ'ল এয়ে যে- নতুন নতুন বিষয়বস্তু বা subject-matter সাঙুৰি লৈ যুগুত কৰা পাঠ্যক্ৰমৰ শিক্ষণৰ দ্বাৰা বৰ্ত্তমান বিভিন্ন স্তৰৰ বিদ্যাৰ্থীচাম আগৰ চামতকৈ উল্লেখনীয়ভাৱে Advanced কৰি তোলাত আৰু তেওঁলোকৰ মগজ তথা capacity ও আগতকৈ শ্ৰীবৃদ্ধি হোৱাত যথাসম্ভৱ সাহায্য কৰিব পৰা হৈছে।

উক্ত দিশবোৰৰ অধ্যয়নৰপৰা প্ৰতীয়মান হয় যে - বৰ্ত্তমান সালসলনি হৈ থকা পাঠ্যক্ৰমে ছাত্ৰ সমাজক, কিছুমান multi-dimensional দিশত, কেতবোৰ সুবিধা আদায় দিছে আৰু ওপৰোক্ত ধৰণে উপকৃতও কৰিছে। স্পষ্টতঃ (বহল অৰ্থত) শিক্ষাই শিক্ষাৰ্থীৰ মানসিক জগত তথা মানসিক চৰিত্ৰৰ (Mental condition or system) সৰ্বতোপ্ৰকাৰ উন্নতি সাধিব লাগে আৰু এই কাৰ্য্য শিক্ষাই তথা পাঠ্যক্ৰমিক পৰিগণ্ডীয়ে আৱহমান কালজুৰি পালন কৰি আহিছে আৰু কৰি থাকিবও। গতিকে, পাঠ্যক্ৰমৰ পৰিৱৰ্ত্তনে শিক্ষাৰ উক্ত কাৰ্য্য অধিক গতিশীল কৰি তুলিব। কিন্তু, পৰীক্ষা ব্যৱস্থাৰ অনমনীয়তা উক্ত ক্ষেত্ৰত এক অন্তৰায় ৰূপে ধৰা হয়। গতিকে, পাঠ্যক্ৰম সংস্কাৰৰ সুদূৰ প্ৰসাৰী আৰু প্ৰভাৱদায়ী ফল লাভৰ বাবে পৰীক্ষা ব্যৱস্থা সংস্কাৰৰ (Examination-Reformation) কথাও চিন্তনীয়। তথাপিও, নিজৰ স্থিতিত "পাঠ্যক্ৰমৰ পৰিৱৰ্ত্তন" - উপযোগী; আৰু প্ৰয়োজনীয়, কাৰণ - "দ্ৰুতগতিত অগ্ৰসৰ হোৱা পৃথিৱীৰ সমাজ আৰু সভ্যতাৰ লগত আমাৰ দেশ তথা সমাজে খোজ মিলাই চলিবলৈ, বিশ্ব প্ৰগতিৰ লগত সামঞ্জস্য ৰাখি শিক্ষাৰ আধুনিকীকৰণ ৰ লগতে পাঠ্যক্ৰম, পৰীক্ষা পদ্ধতি আদিবোৰৰ আমূল পৰিৱৰ্ত্তন সাধনৰ বিশেষ প্ৰয়োজন।"
- Kothari Commission (1964)

লেখক স্নাতক তৃতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ।

**ছদ্ম নামত কেইগৰাকীমান অসমীয়া সাহিত্যিক ঃ**

| প্ৰকৃত নাম | ছদ্ম নাম |
|---|---|
| লক্ষ্মীনাথ বেজবৰুৱা | কৃপাবৰ বৰুৱা |
| গুণাভিৰাম বৰুৱা | গুৰু দত্ত |
| নৱকান্ত বৰুৱা | এখুদ ককাইদেউ |
| ড° বিৰিঞ্চি কুমাৰ বৰুৱা | বীণা বৰুৱা |
| | ৰাস্না বৰুৱা |
| ড° নিৰ্মল প্ৰভা বৰদলৈ | নীলা বাইদেউ |
| চৈয়দ আব্দুল মালিক | অজগৰ |
| | স্বামী অভঙানন্দ |
| ড° ইন্দিৰা গোস্বামী | মামণি ৰয়চম গোস্বামী |
| ৰেৱতী মোহন দত্ত চৌধুৰী | শীলভদ্ৰ |
| ভুৱনমোহন বৰুৱা | কাঞ্চন বৰুৱা |

সংগ্ৰহক - মাইকেল মেচ
উঃমাঃ প্ৰথম বৰ্ষ

# নাৰী নিৰ্যাতনঃ

*এক ঐতিহাসিক কু-সংস্কাৰ*

আতিকুৰ ৰহমান মল্লিক



নাৰী নিৰ্যাতন। এয়া কোনো নতুন কথা নহয়। এক স্বাভাৱিক পৰিঘটনা। আমাৰ পূৰ্বপুৰুষসকলে কৰি আহিছে, আমিও কৰিব লাগিব। সংস্কাৰৰ কোনো প্ৰয়োজন নাই। যি চলি আহিছে সেয়া চলি থাকিব। এয়াই যেন আমাৰ মনোভাৱ। নহ'লেনো যুগ যুগ ধৰি বিষয়টোৱে কাকত-আলোচনীৰ শিৰোনামা দখল কৰি থাকিব পাৰেনে? থাউকতে প্ৰশ্ন হয়, নাৰীয়েনো কিটো দোষ কৰিছে? নে নাৰী হৈ জন্মাটোৱে এটা অপৰাধ?

নাৰীক অতীতৰে পৰা নিৰ্যাতন কৰি অহা হৈছে আৰু এই নিৰ্যাতনৰ ধাৰা বৰ্তমানো বৰ্তি আছে। যিটো আমাৰ আধুনিক সমাজৰ বাবে এক অভিশাপৰূপে থিয় দিছে। আমি বৰ্তমান শিক্ষাৰ উচ্চ শিখৰত আৰোহণ কৰিছো। বিজ্ঞানৰ বলত সাগৰৰ তলি-মহাশূণ্য পৰিভ্ৰমণ কৰিছো। কিন্তু এটা সৰু কথাই আমাৰ মূৰত সোমোৱা নাই যে, নাৰীও মানুহ।

নাৰীক অতীতৰেপৰা নিৰ্যাতন কৰি অহা বুলি কিয় কোৱা হৈছে, তাৰো অনেক যুক্তি আছে। প্ৰাচীন কালৰ সতীদাহ প্ৰথাৰ বিষয়ে নিশ্চয় জানে। স্বামীৰ মৃত্যু হ'লে স্বামীৰ চিতাত স্ত্ৰীয়ে জীৱন্ত অৱস্থাত দেহ বিসৰ্জন দিব লাগিছিল। স্বেচ্ছাই সন্মতি নিদিলে ধৰি-বান্ধি জলন্ত চিতাত দলিয়াই দিয়া হৈছিল। এয়া আছিল সেই সময়ৰ এটা সামাজিক প্ৰথা। সমাজৰ এয়া কু-সংস্কাৰ নাছিলনে? এইটো আছিল সামাজিক বান্ধোনৰ মাজেৰে নাৰী নিৰ্যাতন। আপোনাৰ স্ত্ৰী মৰিলে আপুনি স্ত্ৰীৰ জলন্ত-চিতাত জপিয়াবনে? এগৰাকি স্বামী হ'লে স্ত্ৰীৰ দৰে আপোনাকে ধৰি-বান্ধি জলন্ত চিতাত যেতিয় দলিওৱা হ'ব আপুনি তেতিয়া কি কৰিব? আপোনাৰ অৱস্থাটো কি হ' পাৰে আপুনি সেয়া নিশ্চয় বুজি পাইছে।

তদুপৰি প্ৰাচীন সমাজত স্বামীৰ মৃত্যু হ'লে নাৰীয়ে দ্বিতী বিবাহ কৰিব নোৱাৰিছিল। ভৰ যৌৱন এগৰাকী নাৰীয়ে তিল-তিলকৈ মৃত্যু ক্ষণ গণি থাকিব লগা হৈছিল এনেদৰে নাৰীসকলক চেঁপি চোঁ মাৰি পেলোৱা হৈছিল। এয়াও এ অমানুষিক নাৰী নিৰ্যাতন। বাল বিবাহৰ অভিশাপে জাতিটোৰে অপমান কৰিছিল সেইকালত আ কোনো কোনো সমাজত এতিয়া সেই প্ৰথা বিদ্যমান। ফলত গাভ নৌহওঁতেই অকাল বৈধৱ আকোৱালি ল'বলগীয়া হৈ আছে।

Mitchinson Joad তেওঁৰ "How Science ha changed our lives" ত উল্লে কৰিছে যে যুগ যুগ ধ তিৰোতাসকলে নাকত লোৰ আঙুঠি আৰু কাণত গধুৰ ওজনৰ বস্তু (অলংকাৰ) আঁৰি ল'ব লগা হৈছিল। পৃথিৱীৰ সু-সভ্য তথা অগ্ৰগণ্য দেশ হিচাপে খ্যাত চীনদেশ আৰু সেই সময়ত ৰাজতন্ত্ৰ কৰা চতুৰ্থ লুইৰ ফৰাচী দেশতো এনে কিছুমান কাম কৰা হৈছিল যে তিৰোতাবিলাকে ভৰিৰ বুঢ়া আঙুলি মুচৰি ভৰিৰ তলত লুকাই থ'ব লগা হৈছিল। যাৰ ফলত তেওঁলোকৰ বুঢ়া আঙুলিবোৰ শেষত এনেকুৱা হৈছিল যে তেওঁলোকে ভৰিৰ ওপৰত খোজ নাকাঢ়ি দুটা ঘূৰণীয়া মাংসপিণ্ডৰ ওপৰতহে খোজ কাঢ়িছিল। ষোড়শ শতিকাত ইটালী দেশৰ ৰাজদৰবাৰত বনুৱা হিচাপে কাম কৰা মহিলা বিলাকক এনেকুৱা নিৰ্দেশ দিয়া হৈছিল যে তেওঁলোকে টান কাঠৰ বেষ্টনী পিন্ধি নিজৰ কঁকালৰ বেৰ তেৰ ইঞ্চি পৰিমাণৰহে কৰি ৰাখিব লগা হৈছিল। ফলত কাঠৰ বেষ্টনীয়ে কঁকালৰ মাংস চিঙি উঠাই নিছিল। লাহে লাহে কাঠৰ টুকুৰাবোৰ মাংসপেশীত সোমাইছিল আৰু মহিলা বিলাকৰ কামিহাড়বোৰ কোঁচমোচ খাই ইফালৰটো সিফালে গৈছিল। মধ্যযুগীয়া মহিলাসকলে প্ৰকাণ্ড আকৃতিৰ শিৰস্ত্ৰাণ পিন্ধিছিল আৰু সেইবোৰক 'হেনিন্‌চ' বোলা হৈছিল। সেইবোৰ ইমান গধুৰ আছিল যে তেনে বস্ত্ৰ পৰিধান কৰি হতভাগিনীহঁতে খুব বেছি এঘন্টা বা ডেৰঘন্টা একেৰাহে মূৰ তুলি ৰাখিব পাৰিছিল। ওঠৰশ শতিকাত মহিলাসকলে 'প্যানিয়াৰচ' নামৰ ডাঙৰ ডাঙৰ খৰাহীপাচিৰ দৰে বস্ত্ৰ কঁকালত আঁৰি ল'ব লগা হৈছিল। ফলত তেওঁলোকে বহিব নোৱাৰিছিল। ৰাণী এলিজাবেথৰ দিনতো নাৰীসকলে 'ৰাফ' নামৰ এবিধ বস্ত্ৰ ডিঙিত মেৰিয়াই ল'ব লগা হৈছিল। যাৰ ফলত তেওঁলোকে কোনো জুলীয়া খাদ্য খাব নোৱাৰিছিল।

এইবোৰে এইটোৱে ইংগিত দিয়ে যে আগৰ ৰজা-মহাৰাজসকলেও নিজৰ সুবিধাৰ্থে নাৰীসকলক বিভিন্ন ধৰণে শাৰীৰিক-মানসিক নিৰ্যাতন কৰিছিল। অৱশ্যে লেখক Joad য়ে কৈছে যে বিজ্ঞানৰ বলতহে এইবোৰৰ পৰিবৰ্তন সম্ভৱ হৈছে।

এই বোৰ জানো নাৰী নিৰ্যাতনৰ ইতিহাস নহয়? আমাৰ আজিৰ এই শিক্ষিত সমাজতো নাৰীক বিভিন্ন ধৰণে উৎপীড়ন কৰা হয়। শাৰীৰিক, মানসিক, যৌন নিৰ্যাতন .... ইত্যাদি। যৌতুকৰ বাবেও নাৰীক বিয়াৰ পিছত নিৰ্যাতন কৰা হয়। ইয়ে পুৰুষৰ কৰ্মদক্ষতাহীনতাৰহে পৰিচয় দিয়ে। নহ'লে বিয়ে শহুৰ-শাহুয়েকৰ ঘৰৰ পৰা সম্পত্তি পোৱাৰ (অনায়সে) আশা কৰিব পাৰে, তাৰনো কৰ্মশক্তি কিমান থাকিব পাৰে?

আপুনি ছোৱালী এজনীক বিয়া কৰাই আনিলে। কিন্তু তাইৰো মা-দেউতা, ভাই-ভনীৰে সৈতে এখন সুখৰ পৰিয়াল আছিল। মৰমৰ সেই সংসাৰখন এৰি আপোনাৰ সংসাৰখন সাৰটি লৈছে নিশ্চয় কিবা আশাৰে। কিন্তু তাৰ প্ৰতিদান স্বৰূপে আপুনি তাইক কি দিছে - লাঠি-গোৰ, দুখ-যন্ত্ৰণা। আপুনি নাৰীবিহীন এখন সমাজ আৰু জীৱনৰ কথা কল্পনা কৰকচোন! জীৱনটো মৰুভূমি যেন নালাগিবনে? আপোনাৰ অস্তিত্ব থাকিবনে? পৃথিৱীখনৰ কোনো মূল্য থাকিব নে? সকলো বুজিও আমি আৰু অন্ধ সমাজ এখনত বাস কৰি থকা নাইনে? ভাল-বেয়াৰ বিচাৰ শক্তি আমি যেন হেৰুৱাই পেলাইছো। আমাৰ সমাজখন এনে বহু আৱৰ্জনাৰে ভৰি আছে। ইয়াক পৰিষ্কাৰ কৰি নতুনকৈ এখন সমাজ গঢ়িব লাগিব। গঢ়িব লাগিব বুলি ক'লেই নহ'ব সকলোৱে আগবাঢ়ি আহিব লাগিব। নাৰী-পুৰুষৰ সন্মিলিত প্ৰচেষ্টাৰেহে এখন নিকা সমাজ গঢ়ি তোলা সম্ভৱ।

লেখক উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ।

"সোণালী জিভা সৌভাগ্যৱানৰ মুখতহে থাকে"
- ওৱেলচ দেশীয় প্ৰবাদ

"কুকুৰ নেচীয়াৰ সংগত থাকিলে হুঁকৰিবলৈ শিকিবই"
- স্পেইন দেশীয় জন বিশ্বাস

সংগ্ৰাহক - প্ৰশান্ত বৰা
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)

# বৰ্তমান গোৱালপাৰা জিলাৰ পৰিবেশ্য কলা

ভানু বেজবৰা কলিতা

লোক পৰিবেশ্য কলা লোক সংস্কৃতিৰ চতুৰ্থ উপাদান। পৰিবেশ্য কলা গীত, নৃত্য আৰু অভিনয়ৰ সমষ্টি। এই তিনিটা উপাদানৰ সংমিশ্ৰণত অৰ্ধ নাটকীয় পৰিবেশ্য কলাই সাহিত্যত নিজৰ স্থান দখল কৰি আহিছে। পৰিবেশ্য কলাৰ জৰিয়তে গীত-পদ, প্ৰবচন-লোকোক্তি, পুৰাণ-কথা, জনশ্ৰুতি, মালিতা বা কাহিনী গীত আদিয়ে নৃত্য-গীত, বাদ্য-বাজনা অভিনয় আদিৰ মাধ্যমেৰে দৃশ্য-শ্ৰব্যৰূপ পৰিগ্ৰহ কৰে। লোক পৰিবেশ্য কলাই লোক সংস্কৃতিৰ আন তিনিটা ক্ষেত্ৰ বা দিশৰ সৈতে অংগাংগী সম্পৰ্ক ৰক্ষা কৰি আহিছে।

পৰিৱেশ্য কলাক লোক নাট্য বুলিও কোৱা হয়। লোক-নাট্য লোক সাহিত্যৰ অন্যতম অংগ। অন্যান্য লোক সাহিত্যৰ যেনেকৈ ৰচক আৰু ৰচনা কাল অজ্ঞাত, পৰম্পৰা অনুসৰি ই কেৱল মানুহৰ মুখ বাগৰি প্ৰবাহিত হৈ থাকে, লোকনাট্যবো তেনেকৈ ৰচক আৰু ৰচনা কাল জনা অসম্ভৱ। ইও মানুহৰ মুখে মুখে বাগৰি পৰম্পৰাগত ভাৱে প্ৰবাহিত হয়। লোকনাট্যৰো ৰচক লোকসমাজ, অভিনয়ো কৰে লোক সমাজেই।

পৰিবেশ্য কলাৰ বিষয়ে - T.F. Ordis ৰ মন্তব্য এটি মনকৰিবলগীয়া "The shaping factor in folk drama was the sword dance with its circle, chorus and carefully concerted movements".

লোক সমাজৰ নাট্য অনুষ্ঠানকে যে লোক নাট্য বা পৰিবেশ্য কলা আখ্যা দিব পাৰি। এই বিষয়ে ড° শৈলেন ভৰালী দেৱে এনেদৰে উল্লেখ কৰিছে -- "লোক সংস্কৃতিৰ লগত জড়িত নাট্য ধৰ্মী অনুষ্ঠানকেই লোকনাট্য ৰূপে অভিহিত কৰা হয়। প্ৰাচীন সমাজৰ উৎসৱ অনুষ্ঠানত প্ৰচলিত নৃত্য গীতৰ সৈতে নাটকীয় উপাদান সংযুক্ত হোৱাত লোক-নাট্যই জন্ম লাভ কৰে।"

বৰ্তমান গোৱালপাৰা জিলাৰ পৰিবেশ্য কলাৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে জিলাখনৰ ইতিহাসৰ বিষয়ে চমুকৈ পৰিচয় দাঙি ধৰিবলৈ যত্ন কৰা হৈছে। অসমৰ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত গোৱালপাৰা জিলা। গোৱালপাৰা জিলা বুলিলে সাধাৰণতে অবিভক্ত গোৱালপাৰা জিলাখনৰ কথাই মনলৈ আহে। অবিভক্ত গোৱালপাৰা জিলা পুৰণি কালৰ প্ৰাগজ্যোতিষপুৰ আৰু মধ্যযুগৰ 'কামৰূপ'ৰ অংশ বিশেষ বুলি পণ্ডিত সকলে মতপোষণ কৰিছে। সেয়ে গোৱালপাৰা জিলাৰ ইতিহাসৰ লগত কামৰূপ আৰু প্ৰাগজ্যোতিষপুৰৰ ইতিহাসো সাঙোৰ খাই আছে। পুৰণি গোৱালপাৰা জিলাক ৰাজনৈতিক ভাৱে চাৰিখন জিলালৈ ৰূপান্তৰিত কৰা হ'ল। যেনে - ধুবুৰী জিলা, কোকৰাঝাৰ জিলা, গোৱালপাৰা জিলা আৰু বঙ্গাইগাওঁ জিলা।

অবিভক্ত গোৱালপাৰা জিলা অসমৰ আটাইকেইখন জিলাৰ ভিতৰতে এখন সাংস্কৃতিক ঐতিহ্যমণ্ডিত জিলা। এই জিলাৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু ধৰ্মীয় তথা সাংস্কৃতিক বৈশিষ্ট্যই এই অঞ্চলত বসবাস কৰা মানুহবোৰক একতাৰ দোলেৰে বান্ধি ৰাখিছে। আজিৰ আলোচ্য বিষয় অৱশ্যে বিভাজনৰ পিচৰ বৰ্তমান গোৱালপাৰা জিলাৰ পৰিবেশ্য কলাহে।

অবিভক্ত গোৱালপাৰা জিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে পশ্চিমৰ পৰা পূৱলৈ অৱস্থিত কৰাইবাৰী, জমিৰপাৰা, মেচপাৰা আৰু হাব্ৰাঘাট পৰগণাক সামৰি লোৱা এই বিস্তীৰ্ণ অঞ্চলটোৱেই পুৰণি গোৱালপাৰাৰ দক্ষিণপাৰ; যাক মোগল সকলে 'দক্ষিণ কোণ' নামেৰে অভিহিত কৰিছিল আৰু তাতেই বৰ্তমানৰ গোৱালপাৰা জিলা অৱস্থিত। বৰ্তমানৰ গোৱালপাৰা জিলাৰ উত্তৰে আছে বঙ্গাইগাওঁ জিলা, দক্ষিণত মেঘালয়, পূৱত কামৰূপ আৰু পশ্চিমত ধুবুৰী জিলা।

ভাৰতীয় ধ্ৰুপদী আৰু লোক পৰিবেশ্য কলাই যিদৰে অসমীয়া সাহিত্য সংস্কৃতিত অভূতপূৰ্ব বৰঙণি আগবঢ়াই আহিছে, ঠিক তেনেদৰে গোৱালপাৰা জিলাত বৰ্তমানেও প্ৰচলিত হৈ থকা পৰিৱেশ্য কলাবোৰেও অসমীয়া সাহিত্য আৰু সংস্কৃতিত সমানে অৱদান আগবঢ়াই আহিছে। বিশেষকৈ নৃত্য-গীত, অভিনয় সম্বলিত এই অৰ্ধ নাটকীয় পৰিৱেশ্য কলাবোৰে ইয়াৰ জনজীৱনৰ লগত সংস্কৃতিৰ বৰপেৰা অক্ষুন্ন ৰাখিছে। পঞ্চৰত্ন মন্দিৰৰ এটা পুৰণি ভাস্কৰ্য আৰু বৰ্তমানে গোৱালপাৰাৰ হিন্দুৰ পৱিত্ৰ তীৰ্থ বুলি খ্যাত বুঢ়া-বুঢ়ীৰ মন্দিৰৰ শিলত কটা বিভিন্ন চিত্ৰ তথা ভাস্কৰ্য্যই আজিৰ গীত-নৃত্য অভিনয়ৰ প্ৰাচীন পৰম্পৰা সাঁৰৰাই দিয়ে। এইবোৰৰ উপৰি অবিভক্ত গোৱালপাৰা জিলাত অৱস্থিত পুৰণি সত্ৰবোৰত বিভিন্ন কাৰু-কাৰ্য খচিত গীত-নৃত্য, বাদ্য অভিনয় সম্বলিত বিভিন্ন ভাস্কৰ্য তথা চিত্ৰ আজিও সজীৱ ৰূপত দেখিবলৈ পোৱা যায়। সত্ৰবোৰৰ দৰে গোৱালপাৰা মন্দিৰ আৰু থানবোৰো অতি পুৰণি। এই থানবোৰত গধূলি সময়ত সদায় দেৱীৰ সন্মুখত আৰাধনা তথা নৃত্য প্ৰদৰ্শিত হৈছিল।

অতীজৰপৰা সমগ্ৰ গোৱালপাৰা অঞ্চলত বিবিধ গীত-পদ প্ৰচলিত হৈ আহিছে। এই গীত পদ সমূহ বিশেষ বিশেষ এক প্ৰসংগত পুৰুষ মহিলা, ডেকা-গাভৰু, ল'ৰা-ছোৱালী অথবা একক ভাবে অথবা বহুজনে মিলি পৰম্পৰাগত পোছাক-পৰিচ্ছদ, অয়-অলঙ্কাৰ আদি পৰিধান কৰি পৰিৱেশন কৰে। এনেধৰণৰ বহু গীত-মাতৰ লগত নৃত্যও জড়িত হৈ আছে। গতিকে উপৰোক্ত গীত-মাত-নৃত্য সমূহকো পৰিৱেশ্য কলাৰ অন্তৰ্ভূক্ত কৰিব পৰা যায়। এনে ধৰণৰ গীত-মাত-নৃত্য; ভাসান যাত্ৰা, মাৰে গান, গীতালু-গাহান, কুশান গান, পূজা, কাতি পূজা, ফাৰাকান্তি নৃত্য ইত্যাদি।

১) **পদ্মাপুৰাণৰ গান ঃ**

সৰ্পদেৱী পদ্মাৱতী বা পদ্মাৱতী পূজাৰ সৈতে জড়িত গীত-নৃত্য কলাসমূহৰ ভিতৰত গোৱালপাৰা জিলাত প্ৰচলিত পদ্দপুৰাণৰ গান নিশ্চিত ভাৱে উল্লেখযোগ্য। পদ্মাপুৰাণৰ গান গীত-পদ, নৃত্য, অভিনয়ৰ সমষ্টি। এই বিধ ওজাপালিৰ দল একোটিত এজন মূল গায়ক বা গীদাল (ওজা) আৰু কেইজনমান পাইল (পালি) থাকে। পদ্মা-পুৰাণৰ গানত ডাইনা পালিৰ সমপৰ্যায়ৰ দোহাৰি নামৰ এটি চৰিত্ৰ থাকে। দলটোত দুজন বাইন অৰ্থাৎ খোল-বাদক থাকে। গীত আৰু অভিনয় পৰিৱেশনৰ সময়ত মূল বা গীদালে হাতত চোঁৱৰ লৈ মুদ্ৰাসহ নৃত্য ভংগী প্ৰদৰ্শন কৰে। পাইলসকলে খুতি তাল বজায়। বিষহৰি বা পদ্মাপুৰাণৰ গানৰ লগত অভিনয়ো সংযোজিত হোৱা দেখা যায়। গীদাল আৰু পাইলৰ গীত-পদৰ লগে লগে পদৰ বিষয় বস্তুৰ লগত সংগতি ৰাখি পদ্মা, শিৱ, চান্দো, বেউলা, লখিন্দাৰ আদিৰ চৰিত্ৰ পূজাখলাত বা উৎসৱ স্থলীত প্ৰৱেশ কৰোৱা হয়। সাধাৰণতে লখিন্দাৰ জন্মৰপৰা আৰম্ভ কৰি তেওঁ পূৰ্ণজীৱন পোৱালৈকে এই সুদীৰ্ঘ কাহিনী অংশৰ নাট্যৰূপ পদ্মাপুৰাণৰ গানৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। নাট্যৰূপ প্ৰদৰ্শনৰ প্ৰসংগত সাপ আৰু পদ্মাৰ বিভিন্ন ৰূপৰ মুখা আদি ব্যৱহাৰ কৰা দেখা যায়। পদৰ মাজে মাজে অভিনয় চলে। অভিনয় চলি থকা অৱস্থাত গীদাল আৰু পাইলসকলে গীত-পদ নাগায়। এইফালৰপৰা পদ্মা-পুৰাণৰ গান বা বিষহৰি গানক লোক-নাটক বুলিব পাৰি।

২) **কুশান গান ঃ**

গোৱালপৰীয়া লোকসংস্কৃতিৰ অন্তৰ্গত পৰিবেশ্য কলা সমূহৰ ভিতৰত কুশানগান উল্লেখযোগ্য। কুশান গান পদটো দুটা শব্দৰ সমষ্টি কুশ আৰু গান। কুশ শব্দটো ৰামৰ পুত্ৰ কুশৰপৰা আহিব পাৰে। পৰম্পৰা মতে ৰামৰ পুত্ৰ লৱ-কুশে জয় জয়তে ৰামায়ণৰ গীত আবৃত্তি কৰিছিল। কুশান গান অকল গোৱালপাৰা জিলাৰে নহয়, পশ্চিমবঙ্গ, উত্তৰবঙ্গ, বিহাৰৰ পূৰ্ণিয়া জিলা আৰু বাংলাদেশৰ মৈমনসিং আদি জিলালৈকে ই এক সু-বৃহৎ ভূ-খণ্ডৰ এক ঐতিহ্যবাহী লোকনাট্যানুষ্ঠান।

ৰামায়ণৰ কাহিনীৰ আধাৰত ৰচিত কুশান গানত প্ৰথমেই গীদাল গৰাকীয়ে হাতত বেনা লৈ ৰাইজক প্ৰণাম কৰি সৰস্বতী দেৱীৰ বন্দনাৰে গীত আৰম্ভ কৰে আৰু গীতত হোৱা অজানিতে ভুল-ভ্ৰান্তিবোৰ ৰাইজে যাতে ক্ষমা কৰে তাক তেওঁ গীতৰ

মাজেদি গাই দিয়ে। কুশান গানৰ গৰাকীয়ে গীত আৰম্ভ কৰাৰ লগে লগে দোৱাৰীজনে তেওঁক অনুসৰণ কৰে আৰু তেওঁ গোৱা গীতত সহযোগ কৰে। লগে লগে নাচনী ছোৱালী সমূহে মূল বা গীদালৰ গীতত নাচি নাচি পূৰ্ণ সহযোগ কৰে। আদিতে নাচনী ছোৱালীৰ পৰিবৰ্তে ল'ৰাক ছোৱালীৰ পোছাক পিন্ধাই নচুওৱা হৈছিল। বোৱাৰী আৰু ছোৱালীবোৰে গীত গাই নাচিবলৈ আৰু গীতৰ ছন্দে ছন্দে নাচিবলৈ ধৰে। প্ৰথমতে নাচনীসকলে লাহে লাহে নাচে, এটা সময়ত তেওঁলোকে তীব্ৰগতিত অৰ্থাৎ ভয়ানক ভাবে নাচে। অৱশ্যে বাইন আৰু পালিকসকলে গীতৰ তালে তালে খোল সংগত কৰাৰ লগতে গীতৰ সমানে অংশ গ্ৰহণ কৰা দেখা যায়। নৃত্য-গীতৰ জৰিয়তে যিহেতু কুশান-গান অনুষ্ঠিত কৰা হয় সেয়ে কুশান গান গোৱালপাৰা জিলাৰ আন এটা পৰিৱেশ্য কলাৰ উদাহৰণ।

৩) **মাৰে গান ঃ**

গোৱালপাৰা জিলাৰ পাতিৰাভা সকলৰ মাজত প্ৰচলিত মাৰে গানত পৰিৱেশ্য কলাৰ উপাদান প্ৰচুৰ ভাবে পৰিলক্ষিত হয়। মাৰে গানৰ দেওধনীয়ে নৃত্য-ভঙ্গীমাৰ জৰিয়তে অৰ্ধ-নাটকীয় অভিব্যক্তি প্ৰদৰ্শন কৰে। লগতে সময় বিশেষে দেওধনীৰ উপৰিও দলৰ আন আন লোকৰ ভূমিকা গ্ৰহণৰ সময়ত প্ৰায় নিয়মীয়া অভিনয়ো প্ৰদৰ্শন কৰা হয়।

মাৰে গানৰ পৰিবেশনৰ দলত থাকে এজন ওজা আৰু ৪/৫ জন পালি। তদুপৰি ইয়াত কেইজনীমান দেধানী বা দেওধনীও থাকে। মাৰে গানত মনকৰ, দুৰ্গাবৰ, সু-কবি নাৰায়ণদেৱ আৰু বংগীয় মনসা কবিৰ গীত-পদ পৰিবেশন কৰা হয়। গীত পদৰ প্ৰসংগ বিশেষেও দেওধনীয়ে অনুকৰণাত্মক অভিনয় প্ৰদৰ্শন কৰে। ওজা আৰু পালি সকলে হৰ-গৌৰীৰ বিবাহ উদ্যোগৰ গীত-পদ গোৱা অৱস্থাত মাৰেঘৰ, কৌতুকপূৰ্ণ অভিনয়, চান্দোসদাগৰৰ বণিজ যাত্ৰাৰ পৰা আৰম্ভ কৰি বিভিন্ন ঘটনা আৰু স্বগৃহলৈ ঘূৰি অহালৈকে গীত-পদত বৰ্ণিত পৰিস্থিতি সমূহ দেধানী আৰু আন আন নিৰ্বাক চৰিত্ৰৰ সহায়ত ওজাপালিয়ে সুন্দৰকৈ পৰিস্ফুট কৰে। উদাহৰণ স্বৰূপে চান্দো সদাগৰৰ মধুকৰ ডিঙাৰ প্ৰতীক স্বৰূপে চাৰিটা চকা যুক্ত এখন কাঠৰ সৰু নাও ওজাপালি উঠা খলা বা মঞ্চলৈ টানি অনা হয়, পিছে পিছে এজন মানুহ চান্দোৰ ভাওলৈ মঞ্চলৈ আহে। এজনী দেধানীয়ে সোনেকাৰ ভাও লয়। দাঢ়ি গোফেৰে ভোবোকাৰ আৰু জীৰ্ণ-শীৰ্ণ পোছাক-পৰিচ্ছদেৰে অহা চান্দোক চিনিব নোৱাৰি পত্নী সোনেকাই নিজৰ স্বামীকেই নানা লঘু লাঞ্ছনা কৰে। এনেদৰে গীত, নৃত্য, অভিনয়ৰ জৰিয়তে অনুষ্ঠিত হোৱা মাৰেগান আন এক পৰিৱেশ্য কলাৰ উদাহৰণ।

৪) **গীতালু গীত বা গীতলু গাহান ঃ**

গোৱালপাৰা জিলাত বসবাস কৰা জনজাতীয় হাজং লোকসকলৰ সমাজত বিষহৰী বা পদ্মা পূজাৰ প্ৰসংগত গীতালু গীত বা গীতালু গাহান নামৰ লোকনাট্য ধৰ্মী অনুষ্ঠান এটি প্ৰচলিত আছে। গীতালু গাহান ওজাপালি ধৰ্মী পৰিৱেশ্য কলা। গীতালু বা ঘীতালু অৰ্থাৎ ওজা আৰু ওজাৰ সহায়কাৰী কেইজনমান পালি নামেৰে পৰিচিত। গীতালুৱে এখন হাতেৰে চৌঁৰৰ ঘূৰাই আনখন হাতেৰে সাধাৰণভাৱে মুদ্ৰাভংগী প্ৰদৰ্শন কৰি মজুৰ চাৰিওফালে ঘূৰি ঘূৰি নাচি তেওঁলোকৰ সমাজত মুখ পৰম্পৰাত প্ৰচলিত পদ্মা বা বিষহৰি বিষয়ক গীত-পদ লগাই দিয়ে আৰু পালি সকলে খোল-তাল আদি বাদ্য-যন্ত্ৰ সংগত কৰি সেই গীতবোৰ গীতালুৰ পৰা কিছুদূৰত থাকি নৃত্যসহ দোহাৰে। পঞ্চতী আয়তীয়ে (দেধানী অৰ্থাৎ দেওধনীৰ দৰে সু-সজ্জিতা পাঁচজনী আয়তী) ইয়াত অংশ গ্ৰহণ কৰে। তেওঁলোকেও গীতালৰ লগে লগে মজুৰৰ চাৰিওফালে ঘূৰি ঘূৰি নাচে। মাৰেগানৰ দৰে গীতালু গীত বা গীতালু গাহান অনুষ্ঠানো অৰ্ধনাটকীয় অভিনয়ৰ সমষ্টি। গীত-পদ বিষয় বস্তুৰ লগত সংগতি ৰাখি পালিসকলে চন্দ্ৰধৰৰ ডিঙা টনা, লখিন্দাৰৰ মৰাশ নিয়া আদি পৰিস্থিতিবোৰক চাক্ষুস ৰূপ দিয়ে। কাহিনী আৰু অনুষ্ঠানৰ শেষ পৰ্যায়ত পঞ্চতী আয়তীৰ মাজেৰে এগৰাকী দেধানী বা দেওধনী নৃত্য প্ৰদৰ্শন কৰি নৃত্যৰ চূড়ান্ত অৱস্থাত অচেতন হৈ মাটিত বাগৰি পৰে।

৫) **ভাৰীগান বা ভাওগান ঃ**

গোৱালপাৰা জিলাৰ আন এটি পৰিৱেশ্য কলা হ'ল 'ভাৰীগান' বা 'ভাওগান'। পাতিৰাভা সকলৰ মাজত বিশেষ ভাৱে এই অনুষ্ঠানটি প্ৰচলিত। দৰং জিলাৰ খুলীয়া ভাওৰীয়াৰ সৈতে ভাৰী-গান বা ভাও গানৰ সাদৃশ্য দেখা যায়।



ভাৰীগানৰ দল একোটি মূল বা গাওনা (গায়ক), পাইলা নাইবা দোহাৰীয়ে আৰু ভাৱৰীয়া কেইজনমানৰ সমষ্টি। ভাৱৰীয়া বিলাকে কাঠৰ মুখা ব্যৱহাৰ কৰে। মূল গায়কে সোঁহাতত এডাল চোঁৱৰলৈ অংগী-ভংগী আৰু নৃত্যসহ গীত-পদ পৰিবেশন কৰে আৰু পালি সকলে খোল আৰু তাল সংগত কৰি মূলে লগাই দিয়া গীত-পদ দোহাৰে। গীত-পদৰ লগত সম্পৰ্ক থকা চৰিত্ৰবোৰে অভিনয় প্ৰদৰ্শন কৰে। চৰিত্ৰৰ মুখত সংলাপো দিয়া হয়। অভিনয়ৰ মাজে মাজে কেতুৱা নামৰ চৰিত্ৰটোৱে দৰ্শকক হাঁহিৰ খোৰাক যোগায়। এনেধৰণৰ হাস্যৰস প্ৰধান পৰিস্থিতিৰ লগত মূল নাট্যকাহিনী ভাগৰ ওতঃপ্ৰোত সম্পৰ্ক নাথাকে। ৰাম-লক্ষ্মণ আৰু সীতাৰ বাহিৰে আন চৰিত্ৰ বিলাকে কাঠৰ সুগঢ়ী মুখাৰ ব্যৱহাৰ কৰে। কেতুৱাই অসংগতি পূৰ্ণ মুখা এখন পিন্ধি হাঁহিৰ খোৰাক যোগায়।

বৰ্তমানৰ গোৱালপাৰা জিলাত প্ৰচলিত আন আন পৰিৱেশ্য কলাসমূহৰ ভিতৰত গোৱালনী যাত্ৰা, নয়ানস্বৰী যাত্ৰা, হুদুম পূজাৰ নৃত্য, কাতি পূজাৰ নৃত্য, মইনামতীৰ যাত্ৰা, সত্যপীৰৰ পালা ইত্যাদি উল্লেখযোগ্য।

গোৱালপৰীয়া পৰিৱেশ্য কলা এক সুদীৰ্ঘ পৰম্পৰাৰ ধাৰক আৰু বাহক। গোৱালপৰীয়া পৰিৱেশ্য কলাসমূহৰ প্ৰায়বোৰেই বৰ্তমান পৰম্পৰাৰ পৰা আঁতৰি আহি কলাৰূপত বৰ্তি আছে।

এই পৰিৱেশ্য কলা সমূহেহে গোৱালপৰীয়া লোকসংস্কৃতিৰ ঐতিহ্য অক্ষুন্ন ৰাখিছে আৰু লোক সংস্কৃতিৰ ভঁৰাল সমৃদ্ধিশালী কৰিছে। গতিকে এই সমূহৰ অধ্যয়ন কৰি আৰু কাৰ্যকৰী ৰূপ দি পাশ্চাত্য সংস্কৃতিৰ পয়োভৰত যাতে হেৰাই নাযায় তাৰ যত্ন কৰা নিতান্ত প্ৰয়োজন।

লেখিকা গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা।

ৰবীন্দ্ৰ নাথ ঠাকুৰৰ লেখাত চুটি গল্পৰ বৈশিষ্ট্যৰ কথা এনেদৰে প্ৰকাশ পাইছে ঃ

"ছোট প্ৰাণ, ছোট ব্যথা
ছোট ছোট দুখ কথা
নিতান্তই সহজ সৰল, সহজ বিস্মৃতিৰাশি
প্ৰত্যহ ঘেতেছে ভাসি
তাৰই দু চাৰটি অশ্ৰুজল।
নাহি বৰ্ণনাৰ ছটা
ঘটনাৰ ঘনঘটা
নাহি তত্ত্ব, নাহি উপদেশ;
অন্তৰে অতৃপ্তি ৰবে
সাঙ্গ কৰে মনে হবে
শেষ হয়ে না হইল শেষ।"

(সূত্ৰ ঃ অসম সাহিত্য সভা প্ৰকাশিত বিশ্বকোষ পঞ্চম খণ্ড)

# বৰ্তমান অসমৰ শৈক্ষিক পৰিৱেশ

প্ৰকাশজ্যোতি দাস

'শিক্ষা' শব্দটোৰ প্ৰসাৰতা ইমানেই বেচি যে ইয়াক কোনো এক তথাকথিত সংজ্ঞাৰে সামৰিব নোৱাৰি। বিশ্ব-বিশ্ৰুত পণ্ডিত সকলে শিক্ষাৰ বিভিন্ন সংজ্ঞা আগবঢ়াইছে। স্বামী বিবেকানন্দৰ মতে - "শিশুৰ পুৰ্নতা সম্ভূত সম্ভাৱনীয়ময় শক্তিসমূহৰ পূৰ্ণ বিকাশেই শিক্ষা"। ডঃ সৰ্ব্বপল্লী ৰাধা কৃষ্ণণৰ মতে শিক্ষা হ'ল সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিবৰ্তনৰ মাধ্যম। শিক্ষাৰ যোগেদি ব্যক্তিয়ে 'দ্বিজত্ব' অৰ্থাৎ দ্বিতীয় জন্ম লাভ কৰে বুলি ৰাধাকৃষ্ণণে অভিমত দিছে। কাৰণ শিক্ষাৰ বলত শিকাৰুৱে আপোন সত্ত্বা উদ্‌ঘাটন কৰে। উদ্‌ঘাটন উপলব্ধিয়েই হ'ল ব্যক্তিৰ দ্বিতীয় জন্ম। সামগ্ৰীকভাৱে শিক্ষা হ'ল এনে এক অন্তহীন প্ৰক্ৰিয়া যিটো শিশু এটা ভূমিস্থ হোৱাৰ লগে লগে আৰম্ভ হয় আৰু মৃত্যুৰ লগে লগে ইয়াৰ সামৰণি পৰে।

"শিক্ষা আৰু পৰিৱেশ' এই দুয়োটা একেটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে। উপযুক্ত আহাৰ নাপালে এটা মানৱ শিশুৱে যিদৰে বিকাশ লাভ কৰিব নোৱাৰে, ঠিক তেনেদৰে উপযুক্ত পৰিৱেশ অবিহনে শিক্ষাই ইয়াৰ মূল লক্ষ্যত উপনীত হ'ব নোৱাৰে। প্ৰকৃততে শিক্ষা এনে এক কাৰ্য প্ৰণালী যি মানুহক নিজৰ সুপ্ত গুণখিনি বিকশিত কৰি নিজকে পাৰিপাৰ্শ্বিকতাৰ লগত খাপ খোৱাকৈ গঢ়ি তুলিবলৈ শিকায়। গতিকে পাৰিপাৰ্শ্বিক প্ৰদূষণে শিক্ষাত কেনে প্ৰভাৱ পেলাব পাৰে সি সহজেই অনুমেয়।

প্ৰৱন্ধৰ বিষয় যিহেতু 'বৰ্তমান অসমৰ শৈক্ষিক পৰিৱেশ" গতিকে নিৰ্দিষ্ট ৰূপে অসমৰ শৈক্ষিক পৰিৱেশৰ ওপৰতহে ইয়াত আলোকপাত কৰিম।

পৰিৱেশ, পৰিস্থিতি আৰু মানসিক প্ৰৱনতাই শিক্ষাৰ বিকাশ তথা সাফল্যতাৰ মূল পাথেয়। এই দৃষ্টিৰে বৰ্তমান অসমৰ শৈক্ষিক জগতলৈ লক্ষ্য কৰিলে হতাশাৰ হুমুনিয়াহ এৰিব লাগে। বৰ্তমান এটা কথা সঘনে উচ্চাৰিত হৈছে যে - অসমত এক সুস্থ শৈক্ষিক পৰিৱেশৰ অভাৱ, ইয়াক লৈ নানা আলোচনা বিলোচনা হৈছে। আন্দোলনকাৰী কোনো সংগঠনে শৈক্ষিক পৰিৱেশ ঘুৰাই দিয়াৰ বাবে দাবী কৰিছে। এই কথা সকলোৰে জ্ঞাত হোৱা উচিত যে পৰিৱেশ এটা বিক্ৰীজাত দ্ৰব্য নহয় যাক প্ৰয়োজন সাপেক্ষে কোনোবাই যোগান ধৰিব আৰু কোনোবাই ইয়াক ক্ৰয় কৰিব। ইয়াক আমি পৰস্পৰ সহায়-সহযোগিতাৰ মাধ্যমেৰে নিজেই সৃষ্টি কৰিব লাগিব। তাৰ বাবে প্ৰয়োজন হ'ব বৰ্তমান অসমৰ শৈক্ষিক পৰিবেশনো কিয় বিধ্বস্ত হৈছে তাক বিশ্লেষণ কৰি এই বিষয় সমূহৰ সমাধানৰ প্ৰচেষ্টা চলোৱা। বৰ্তমান অসমৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ কাৰণ সমূহ এনেধৰণৰ ঃ

**শিক্ষা ব্যৱস্থাৰ আসোঁৱাহ ঃ**

বৃটিছৰ পৃষ্ঠপোষকতাত বংগদেশৰ "জেনেৰেল কমিটি অৱ পাৱলিক ইনষ্ট্ৰাকচন"ৰ তত্বাৱধানত অসমত প্ৰথমে আনুষ্ঠানিক ভাবে শিক্ষা বিস্তাৰৰ কাম আৰম্ভ হ'ল। বৃটিছে কেৰাণীগিৰিৰ বাবে প্ৰস্তুত কৰা শিক্ষাৰ ছাপ বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থাটোত ৰৈ গৈছে। এক সু-সংহত, সু-নিয়ন্ত্ৰিত কৰ্ম্মমূখী শৈক্ষিক পাঠ্যক্ৰমৰ অভাৱ, পাঠ্যক্ৰমৰ সঘনে হোৱা পৰিবৰ্তন ইত্যাদি এশ-এবুৰি সমস্যাই আজি অসমৰ ছাত্ৰ সম্প্ৰদায়ক গিনিপিগত পৰিণত কৰিছে। ১৯৯১ চনৰ এক পৰিসংখ্যাৰ মতে অসমত মুঠ জনসংখ্যাৰ মাত্ৰ ৫৪.৪২ শতাংশহে শিক্ষিত। অথচ আজি অসমত প্ৰায় দুই লাখ শিক্ষিত নিবনুৱা। ইয়াৰে ব্যৱহাৰিক বিষয়ৰ শিক্ষা লোৱা - বিশেষকৈ অভিযন্তা কাৰিকৰী প্ৰতিষ্ঠানৰ ডিপ্লোমাধাৰী সকলৰ পৰিমানেই প্ৰায় বিশ হাজাৰ। ব্যৱহাৰিক শিক্ষাৰ নাম হ'লেও ই ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতাৰ্থত ব্যৱহাৰিক কৰি তুলিব পৰা নাই। কিয়নো অসমত ব্যৱহাৰিক শিক্ষাৰ স্ব-নিয়োজনৰ বহুত সুবিধা আছে। অৱশ্যে শিকাৰুসকলৰ অমনোযোগিতাও এইক্ষেত্ৰত সমানে গুৰুত্বপূৰ্ণ। তদুপৰি উপযুক্ত সুবিধাৰ অভাৱত বহুত সৃষ্টিবান মগজুৰ বৰ্হিদেশলৈ প্ৰব্ৰজন বা 'ব্ৰেইন ড্ৰেইন' হৈছে। অনিশ্চয়তাৰ আশংকাত বহুতো ছাত্ৰ-ছাত্ৰী হতাশাত ভূগিছে আৰু যি কোনো বিপথগামী পথকো বাচি ল'বলৈ কুণ্ঠিত হোৱা নাই। "পঢ়ি শুনি কি লাভ হ'ব?" এনে এটা মনোভাৱৰ সৃষ্টি হৈছে। শিক্ষা জগতৰ সামুহিক সমস্যা সমূহেই মূলতঃ বৰ্তমান অসমৰ শৈক্ষিক পৰিৱেশ নষ্ট হোৱাত বহু পৰিমানে দায়ী, কিয়নো বাহ্যিক আৰু আভ্যন্তৰীণ সুস্থিৰতা তথা সুস্থতাৰ ওপৰতহে পৰিৱেশৰ সুস্থতা বহু পৰিমানে নিৰ্ভৰ কৰে।



**ছাত্ৰ সম্প্ৰদায়ৰ সামাজিক দায়বদ্ধতাৰ অভাৱ আৰু উচ্ছৃঙ্খল যুৱ মানসিকতা ঃ**

আজি অসমৰ ছাত্ৰ সম্প্ৰদায় গোষ্ঠীগত প্ৰৱণতাৰ বাবেই হওঁক বা আন কাৰণতেই হওঁক বিভিন্ন ছাত্ৰ সংগঠনত বিভক্ত। কিন্তু প্ৰায় বিলাক ছাত্ৰ সংগঠনৰ সামাজিক দায়বদ্ধতাৰ অভাৱে শিক্ষা জগতত বেয়াকৈ প্ৰভাৱ পেলাইছে। ক্ষমতাৰ জোৰ দেখুওৱাতো ছাত্ৰ-সংগঠনবোৰৰ চখত পৰিণত হৈছে। প্ৰতিবাদ সাব্যস্তৰ বাবে 'বন্ধ'কে একমাত্ৰ উপায় বুলি প্ৰায়বিলাক ছাত্ৰ সংগঠনৰ এক বদ্ধমূল ধাৰণা হৈছে। ১৯৮৯ চনৰ এক পৰিসংখ্যা মতে সেই বছৰটোত মুঠ অসম বন্ধই আছিল ১৬৫২ ঘন্টা, অৰ্থাৎ ৬৮ দিন ২০ ঘন্টা। ইয়াৰ উপৰিও অন্যান্য চৰকাৰী বন্ধবিলাক, শিক্ষানুষ্ঠানৰ গৰম বন্ধ, পৰীক্ষাৰ বন্ধ ইত্যাদি বন্ধ বিলাক আছেই। সেই বছৰটোত মুঠ ৫২ টা দেওবাৰ। অৰ্থাৎ ১৯৮৯ চনত মাত্ৰ দুমাহমানহে শিক্ষানুষ্ঠান বিলাকত পাঠদান অনুষ্ঠিত হৈছিল। বৰ্তমানলৈকে চলি থকা এই ব্যৱস্থাৰ ফলত নিৰ্দিষ্ট সময়ত পাঠদান শেষ নহয়। ইফালে পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকল অৱতীৰ্ণ হ'বই লাগিব। গতিকে 'প্ৰাইভেট টিউচন'ৰ সমান্তৰাল শিক্ষা আৰম্ভ হৈছে। শিক্ষা ব্যৱস্থা লাহে লাহে ব্যৱসায়লৈ পৰিণত হৈছে আৰু লগতে ছাত্ৰ শিক্ষকৰ মধুৰ সম্পৰ্ক ক্ৰেতা আৰু বিক্ৰেতাৰ সম্পৰ্কলৈ পৰ্যবসিত হৈছে।

অন্য দিশত লক্ষ্য কৰিলে দেখা যায় অসমৰ বিভিন্ন ছাত্ৰ সংগঠনবোৰৰ ৰাজনৈতিক চৰিত্ৰই ৰাজনীতিত পৰোক্ষভাৱে অংশ গ্ৰহণ কৰিছে। এনে ছাত্ৰ সংগঠনবিলাকৰ নিজস্ব কোনো ৰাজনৈতিক চৰিত্ৰ নাই। সেয়ে শাসক শ্ৰেণীৰ চৰিত্ৰই এই ছাত্ৰ সংগঠনবিলাকৰ চৰিত্ৰ হৈছে। ফলত প্ৰায়বিলাক ছাত্ৰ সংগঠনেই স্থিতাৱস্থাৰ সমৰ্থক হৈ পৰিছে। সুবিধাবাদী শ্ৰেণীৰ মুনাফা লাভৰ যুঁজত অসমৰ ছাত্ৰ সম্প্ৰদায় আজি শিখণ্ডীৰূপে নাচিআছে। এই সংগঠনবোৰে সমাজৰ মূল শত্ৰুক চিন্নাক্ত নকৰি, শোষণভিত্তিক সমাজ ব্যৱস্থাৰ পৰিবৰ্তন নিবিচাৰি, ছাত্ৰৰ সু-শৃংখল ৰাজনৈতিক দৃষ্টিভংগী লগতে ছাত্ৰৰ প্ৰকৃত কৰ্তব্যক আওকান কৰি সমগ্ৰ ছাত্ৰ সম্প্ৰদায়টোকে এক অনিশ্চিত ভৱিষ্যতৰ ফালে ঠেলি দিছে। ছাত্ৰৰ মনত এক বেপৰোৱা মানসিকতা, ছাত্ৰ সংগঠনৰ মুৰব্বীসকলৰ নিজকে নেতা বোলোৱাৰ প্ৰৱণতা আৰু এক 'হিৰ' হোন্দা' কালচাৰৰ সৃষ্টি হৈছে। ফলত পৰীক্ষাৰ ফলাফল বেয়াৰ পৰা অতি বেয়ালৈ ঢাল খাইছে। পৰীক্ষাগৃহত নকলৰ পৰিসৰ বৃদ্ধি হৈছে। সৰ্বভাৰতীয় পৰীক্ষাত অসমৰ ছাত্ৰৰ কৃতকাৰ্যতা আঙুলিৰ মুৰত লেখিবলৈ নাইকীয়া হৈছে। তদুপৰি উচ্ছৃংখল যুৱ মানসিকতাৰ দৌৰাত্ম্যত সকলো ত্ৰস্তমান আৰু এই সকলোবিলাকৰ সামুহিক প্ৰভাৱে অসমৰ শৈক্ষিক পৰিৱেশ বৰ বেয়াকৈ প্ৰদূষিত কৰিছে।

আজি অসমৰ ছাত্ৰ সমাজৰ মূল সমস্যা কি আৰু এই সমস্যাক লৈ ছাত্ৰ সম্প্ৰদায় কিমান সচেতন ই বিচাৰ্যৰ বিষয়। এই চেতনাহীনতা আৰু দুৰ্বলতাৰ সুযোগ লৈ সুবিধাবাদী চক্ৰটোৱে ছাত্ৰ সংগঠনবোৰক হাতৰ পুতলা কৰি তেওঁলোকৰ মাজত থকা দ্বন্দ্বক স্বাৰ্থপূৰণৰ বাসনাত জাতিগত, সম্প্ৰদায়গত দ্বন্দ্বলৈ পৰিণত কৰিছে। প্ৰায় বিলাক ছাত্ৰ সংগঠনেই উগ্ৰ জাতীয়তাবাদত লিপ্ত হৈছে। সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ আদিৰ কবলত পৰি ছাত্ৰৰ মূল দায়িত্বৰ প্ৰতি পিঠি দিছে। তেওঁলোকৰ সামাজিক নৈতিকতাৰ ধাৰণা সলনি হৈছে আৰু গণতান্ত্ৰিক মূল্যবোধৰ অৱক্ষয় হৈছে। অসমৰ ছাত্ৰ সম্প্ৰদায়ৰ এনে অধঃপতন দেখি প্ৰত্যেকজন চিন্তাশীল লোকেই দুঃ চিন্তাত ভুগিছে।

**ৰাজনৈতিক সন্ত্ৰাস ঃ**

সাম্প্ৰতিক অসমৰ সন্ত্ৰাসবাদ নিৰ্ম্মূলৰ নামত যি ৰাজনৈতিক সন্ত্ৰাস চলোৱা হৈছে তাৰ ফলতো অসমৰ বৰ্তমান শৈক্ষিক পৰিৱেশ নষ্ট হৈছে। নিৰীহ, নিৰ্দোষী ছাত্ৰ, শিক্ষকৰ ওপৰত চলা অত্যাচাৰ, শিক্ষানুষ্ঠানত, শিক্ষাৰ্থী আৱাস আদিত চলোৱা তালাচী, অনাহকত পৰীক্ষা গৃহলৈ অহা পৰীক্ষাৰ্থীক আটক কৰা আদি কাৰ্যই শৈক্ষিক বাতাবৰণ নষ্ট কৰিছে।

উপৰোক্ত দিশসমূহে অসমৰ শৈক্ষিক জগতৰ পৰিৱেশ কিদৰে বিনষ্ট কৰিছে সেই কথা স্পষ্ট কৰিছে। অৱশ্যে ইয়াৰ লগতে আনুসঙ্গিক আৰু বহুতো বিষয় জড়িত হৈ আছে যিবিলাক সুকীয়াকৈ আলোচনা কৰাৰ অৱকাশ আছে।

অসমৰ শৈক্ষিক পৰিৱেশ সুস্থিৰ কৰাৰ উপায় ঃ

**প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঃ**

অসমৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ বাবে এক সু-সংহত শিক্ষানীতি এনেদৰে প্ৰস্তুত কৰিব লাগিব যি শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলক শ্ৰমমুখী কৰি আত্ম-সংস্থানৰ উপায় দিব পাৰে। 'পঢ়িলে শুনিলে কি হ'ব ?' এই বদ্ধমূল ধাৰণাৰ সৃষ্টিকাৰী ডিগ্ৰীৰ বোজা কঢ়িওৱা কৰ্ম্ম বিমুখ জ্ঞানগৰ্বী ৰবট কিছুমান নিবিচাৰি শিক্ষাৰ জৰিয়তে বিচাৰিব লগিব অনুগত দিশত অৰ্হতা সম্পন্ন সুস্থ মূল্যবোধৰ অধিকাৰী আৰু বিশ্ব ভাতৃত্বৰ বিশ্বাসী মানুহ। শিক্ষাবিদ ৰমেন চন্দ্ৰ দাসে কোৱাৰ দৰে নতুন শতিকাৰ লগত তিষ্ঠি থাকিবলৈ মাথো বিদ্যায়তনিক অৰ্হতাৰ মান উন্নত কৰাটোৱেই শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য হ'ব নালাগিব। বৰং আৱশ্যক হ'ব শিক্ষাৰ্থী সমাজৰ মাজত মনোজাগতিক পৰিৱৰ্তন আৰু সুযোগমুখী দৃষ্টিভংগী গ্ৰহণ কৰি নতুন বিশ্ব সংস্কৃতিৰ লগত খাপ খাব পৰাকৈ জীৱন দৰ্শনৰ বিকাশ সাধন কৰা।

**ছাত্ৰ সমাজৰ সামাজিক দায়বদ্ধতা ঃ**

এক সুস্থ শৈক্ষিক পৰিৱেশ তেতিয়াহে সৃষ্টি হ'ব যেতিয়া ছাত্ৰ সমাজে তেওঁলোকৰ দায়িত্ব তথা কৰ্তব্যৰ প্ৰতি সচেতন হ'ব। ছাত্ৰ সংগঠনবিলাকে শৈক্ষিক সমস্যাৰাজি সমাধানৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা চলাব লাগিব। প্ৰয়োজন হ'লে ছাত্ৰ সমাজৰ সাম্প্ৰতিক সমস্যাকৈলে ছাত্ৰ সংগঠন সমূহে সুস্থ ৰাজনৈতিক ধ্যান ধাৰণা বিকাশৰ বাবে নিজস্ব প্ৰচেষ্টা চলাব পাৰে। কিন্তু তাকে কৰিবলৈ যাওঁতে ক্ষমতাৰ ৰাজনীতিত লেটি পেট হ'লে হিতে বিপৰীত হ'ব। তদুপৰি তেওঁলোকৰ মাজত গোষ্ঠীগত, সম্প্ৰদায়কেন্দ্ৰিক মনোভাৱে যাতে গা কৰি উঠি নোৱাৰে, তাৰ প্ৰচেষ্টা চলাব লাগিব। আলাপ আলোচনাৰ জৰিয়তে ইতিমধ্যে বিপথে পৰিচালিত হোৱা সকলকো যাতে সুপথলৈ ঘুৰাই আনি পাৰি তাৰ প্ৰচেষ্টা চলাব লাগিব। নিজস্ব দাবী সাব্যস্ত কৰিবলৈ চলোৱা আন্দোলনৰ কাৰ্যসূচীবিলাক সু চিন্তিত, সু-পৰিচালিত হ'ব লাগিব।

**সমাজৰ দায়বদ্ধতা ঃ**

এক সুস্থ শৈক্ষিক পৰিৱে কেতিয়াও এক পক্ষীয় নহয় আৰু সমাজৰ এই ক্ষেত্ৰত বহুতো কৰণী আছে। পাহৰিলে নচলিব যে ঘৰখন আৰু সমাজখনেই শিক্ষা কঠিয়াতলী। সংস্কাৰৰ নিমিত্তেই হওঁক বা বিপ্লৱৰ নিমিত্তেই হওঁক তাৰবাবে প্ৰয়োজনীয় অন্তৰ্নিহিত শক্তি আমাৰ নতুন চামৰ আছে। মাথো তাক নৈতিক চৰিত্ৰৰ অধঃ পতনেৰে নষ্ট হ'বলৈ এৰি নিদি সুস্থ জনমত আৰু পাৰস্পৰিক সহযোগিতাৰে সমাজে ছাত্ৰ সকলৰ সময় গঢ়াৰ প্ৰক্ৰিয়াত মূৰ্ত্তিমান কৰি তুলিব লাগিব।

**শিক্ষাত শোষণৰ ব্যাপকতা কমা লাগিব ঃ**

শোষণৰ বিভীষিকাই বৰ্তমান অসমৰ শিক্ষা বিভাগকো কলংকিত কৰি তুলিছে। টকাৰ ক্ষমতাৰ দ্বাৰা কোনো কোনো ক্ষেত্ৰত আনুষ্ঠানিক শিক্ষা বিক্ৰীজাত পন্য দ্ৰব্যলৈ পৰিণত হৈছে। শিক্ষাৰ এনে শোষনে জীৱন



মূল্যবোধ আৰু ধ্যান ধাৰণাত আঘাত হানিছে। গতিকে এই ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ লৈ এই বিভীষিকা আঁতৰাব লাগিব। শিক্ষাৰ প্ৰশাসন ব্যৱস্থা কটকটীয়া কৰি এনে ধৰণৰ সকলো আসোঁৱাহ আঁতৰাব পাৰিলেহে এক সুস্থিৰ পৰিৱেশ সৃষ্টি হ'ব।

**ৰাজনৈতিক সন্ত্ৰাস উঠাই লোৱা ঃ**

ন্যায় প্ৰতিষ্ঠাৰ নামত চলি থকা ৰাজনৈতিক বিভীষিকা আঁতৰাই নিৰপৰাধী ছাত্ৰ শিক্ষকৰ ওপৰত চলোৱা অত্যাচাৰ, শিক্ষানুষ্ঠান আদিত শিক্ষাদান চলি থকা অৱস্থাতে চলোৱা তালাচী আদি সকলো অমানবীয় কাৰ্যকে আঁতৰাবৰ বাবে প্ৰশাসনীয় কৰ্তৃপক্ষই যথোপযুক্ত পদক্ষেপ ল'ব লাগিব।

উপৰোক্ত দিশ সমূহত মনোনিবেশ কৰি পৰস্পৰ সহযোগিতাৰে আগবাঢ়িলেহে শৈক্ষিক পৰিৱেশ সুস্থিৰ হোৱাৰ আশা আছে। সামৰণিত এটা কথা কৈ থোৱা ভাল হ'ব যে বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থাটো আমাৰ কৌশলত গতিশীল সমাজৰ প্ৰকৃত জীৱন ধাৰণৰ পৰা শিক্ষা গ্ৰহণ কৰা এক প্ৰক্ৰিয়া হ'ব লাগিব। শিক্ষাই সমাজৰ মূলৰ পৰা ওলাই সমাজৰ অৱস্থা আৰু সমস্যাত ভাগ লোৱাৰ উপৰিও লক্ষ্য আৰু আশা-আকাংক্ষা পূৰণৰ উদ্দেশ্যে অগ্ৰসৰ হ'ব লাগিব।

লেখক স্নাতক তৃতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ।

বিশ্ববিখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে সৰু ল'ৰা-ছোৱালীৰ লগত সময় কটাই আৰু তেওঁলোকৰ লগত ধেমালি কৰি ভাল পাইছিল। এদিন তেওঁ সান্ধ্যভ্ৰমণ কৰিবলৈ যাওঁতে কেইজনমান নিগ্ৰো ল'ৰাই খেলি থকা দেখি তেওঁলোকৰ খেল চাবলৈ বুলি তাত অকণমান থিয় হ'ল। খেল শেষ হোৱাত ল'ৰাবোৰ তাৰ পৰা যাবলৈ ওলোৱাত এজন ল'ৰাক তেওঁ তেওঁৰ ওচৰলৈ মাতিলে। খেল-খেলি মুখত বোকা-পানী লাগি থকা ল'ৰাটোলৈ চাই আইনষ্টাইনে ক'লে, 'তুমি যদি তোমাৰ মুখখন এবাৰ ধুই অহা, মই তোমাক পাঁচ চেণ্ট দিম।' ল'ৰাজনে তেওঁৰ কথা শুনি সোনকালে গৈ নিজৰ মুখখন ধুই উভতি আহিল। আইনষ্টাইনে ল'ৰাটোক সুধিলে ঃ 'মই দিয়া পইচাখিনিৰে তুমি কি কৰিবা ?' মুখত ধূৰ্ততালিৰ হাঁহি বিৰিঙাই নিগ্ৰো ল'ৰাজনে লগে লগে উত্তৰ দিলে আপুনি যদি নিজৰ চুলিখিনি কাটি মোৰ ওচৰলৈ ততাতৈয়াকৈ ঘূৰি আহে, মই সেইখিনি আপোনাক স্বচ্ছন্দে ওভতাই দিম।' আইনষ্টাইনে 'হ'ব বাৰু' বুলি কৈ তাৰপৰা গুচি গ'ল কিন্তু সেই ঠাইলৈ আৰু উভতি নাহিল।

সংগ্ৰাহক - ভাস্বতী দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

# হুলুকান্দা পাহাৰ ঃ

*এক সংক্ষিপ্ত আলোচনা*



ঐতিহ্যপূৰ্ণ গোৱালপাৰা নগৰখনৰ উত্তৰ সীমাইদি মহাবাহু ব্ৰহ্মপুত্ৰ নদীখনে পূবৰপৰা পশ্চিমলৈ প্ৰবাহিত হৈছে। নদীখনৰ গাতে লাগি থকা প্ৰাক্ কেম্ব্ৰিয়ান শিলাখণ্ডৰে গঠিত সমুদ্ৰ পৃষ্ঠৰ পৰা ১৩১ মিটাৰ উচ্চতাৰ হুলুকান্দা পাহাৰে গোৱালপাৰা নগৰখনৰ প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰি আহিছে। পাহাৰটোৰ ভৌগলিক অৱস্থানৰ উপৰিও জৈৱ বৈচিত্ৰ্যৰ লগতে গোৱালপাৰা জিলাৰ ঐতিহ্যও বহন কৰি আহিছে। গোৱালপাৰা নগৰৰ চিৰ প্ৰহৰী হিচাপে মূৰ দাঙি থকা হুলুকান্দা পাহাৰখনৰ পূব পিনে ব্ৰহ্মপুত্ৰ নদী, পশ্চিমত অৱস্থিত ঐতিহ্যমণ্ডিত এচ.এচ.ৰোড, জে. এন. ৰোড

মৃণাল পদ্ম দাস
ধননজ্যোতি বৰ্মন

আৰু ১৮৬৮ চনত স্থাপিত পি.আৰ.চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমূখী বিদ্যালয়। উত্তৰত ব্ৰহ্মপুত্ৰ নদী, কাছাৰী ঘাট আৰু দক্ষিণপিনে এক ঘণ জনবসতিৰে চন্দৰীয়া আৰু টিলাপাৰা গাওঁ দুখন অৱস্থিত। পাহাৰখন আগ্নেয় শিলাৰে গঠিত যদিও ইয়াত দেখিবলৈ পোৱা মাইকাই ৰাসায়নিক বিক্ৰিয়াৰ ফলত ৰূপান্তৰিত শিলালৈ পৰিণত হোৱাৰ প্ৰমান দিয়ে। ৯০°.৪১′ পূৱ দ্ৰাঘিমাংশ আৰু ২৬°.১১′ উত্তৰ অক্ষাংশত অৱস্থিত পাহাৰখনৰ জলবায়ু গোৱালপাৰা জিলা তথা অসমৰ মৌচুমী জলবায়ুৰ লগত সামঞ্জস্যতা আছে।ব্ৰহ্মপুত্ৰৰ পাৰত আৰু উচ্চতাৰ কাৰণে গ্ৰীষ্মকালত ইয়াৰ জলবায়ু কিছু সেমেকা অনুভৱ হয়। ইয়াত গোটেই বছৰ জুৰি বৈ থকা পাচটা সৰু সৰু নিজৰাই দাঁতিকাষৰীয়া অঞ্চলৰ লোকসকলক পানীৰ অভাৱৰ পৰা কিছু সকাহ দিছে। পাহাৰখনৰ একেবাৰে ওপৰৰ পৰা পৰ্য্যবেক্ষণ কৰিলে প্ৰকৃতিৰ সৃষ্টিৰ এক মনোমোহা দৃশ্য উপভোগ কৰিব পাৰি। পাহাৰখনৰ পূৱ পিনে চকু ফুৰালে ব্ৰহ্মপুত্ৰৰ বুকুত পৰা বালি চাপৰিৰে নদীৰ সিটো পাৰে বৰপেটা জিলাৰ বাঘবৰ পাহাৰ আৰু বুৰঞ্জী বিখ্যাত ফুলৰা-চতলা পাহাৰ দুখনৰ সৌন্দৰ্য দেখিবলৈ পোৱাৰ লগতে পশ্চিমৰ গোৱালপাৰা নগৰ, হাসিলা বিল আৰু তাৰ শেষত পঞ্চৰত্ন পাহাৰৰ সৈতে এক অপূৰ্ব সৌন্দৰ্য্যৰ সমাহাৰ ঘটিছে। পাহাৰখনৰ একেবাৰে উত্তৰ কোণৰ পৰা বঙাইগাওঁ জিলাৰ মহাদেৱ পাহাৰ, যোগীঘোপা পাহাৰৰ সৈতে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে সৌন্দৰ্য্যৰ সৈতে গোৱালপাৰা আৰু বঙাইগাওঁ জিলাৰ মাজত সংযোগৰ যোগসূত্ৰ স্থাপন কৰা মানৱ সৃষ্ট নৰনাৰায়ণ সেঁতুখনে যি সৌন্দৰ্য্যৰ সৃষ্টি কৰিছে সি স্বচক্ষুৰে নেদেখিলে বিশ্বাস কৰাটো অসম্ভৱ।

'হুলুকান্দা পাহাৰ', এই নামটো হ'ল কেনেকৈ সেইটো সন্দেহৰ আৱৰ্তত। এই বিষয়ে গোৱালপাৰা নগৰৰ পুৰণি বাসিন্দা তথা পাহাৰখনৰ ওচৰে পাজৰে থকা বিশিষ্ট ব্যক্তি সকলৰপৰা জনা যায় যে এসময়ত পাহাৰখনত 'হুলু' বা 'হলৌ' (Hullock gibbon) নামৰ বান্দৰ আছিল আৰু সিহঁতৰ চিঞৰৰ বাখৰৰ শব্দ দাঁতিকাষৰীয়া অঞ্চলৰ মানুহবোৰে শুনিছিল আৰু পাহাৰখনৰ নাম দিছিল 'হুলুকান্দা পাহাৰ'। এক কথাত ক'বলৈ গ'লে তাত হুলু বান্দৰে কন্দা কাৰণে পাহাৰখনৰ নাম হ'ল হুলুকান্দা। কিন্তু কিছু সংখ্যক ব্যক্তিয়ে বৈজ্ঞানিক দৃষ্টিভংগীৰে ক'ব খোজে যে তাত থকা ঘণ অৰণ্যত পূৱ দিশৰ পৰা ব্ৰহ্মপুত্ৰৰ ওপৰেৰে বৈ অহা বতাহে মৃদু কম্পন শব্দৰ সৃষ্টি কৰি এক জয়াল পৰিৱেশৰ সৃষ্টি কৰিছিল আৰু সেই শব্দ তৰঙ্গকে হুলু বান্দৰে কন্দা বুলি মানুহে ধাৰণা কৰিছিল বাবে এই পাহাৰৰ নাম হুলুকন্দা। এয়াই পাহাৰখনৰ নামটোৰ জন্ম ৰহস্য।

জৈৱ বৈচিত্ৰ্যৰ ইতিহাস বহন কৰা হুলুকান্দা নামটোৱে ইয়াৰ পৰিচয়। এসময়ত এই পাহাৰখনতেই বিৰাজ কৰিছিল প্ৰাকৃতিক সৌন্দৰ্যৰ এক মনোমোহা পৰিৱেশ আৰু পৰিপূৰ্ণ আছিল জৈৱ বৈচিত্ৰ্যৰে। সেই প্ৰাকৃতিক সৌন্দৰ্য্যৰ প্ৰেমত আপ্লুত





ৰাউচৰ সমাধি ক্ষেত্ৰ

হৈয়েই সম্ভৱতঃ ১৮শ শতাব্দীত অহা বৃটিছ সকলে তাত তেওঁলোকৰ মুখ্য কাৰ্য্যালয় স্থাপনৰ বাবে ঠিৰাং কৰিছিল। কিন্তু কালৰ পৰিহাসত হুলুকান্দা পাহাৰৰ জৈৱ বৈচিত্ৰ্যৰ কলংকিত অধ্যায় স্বৰূপে পৰিগণিত হৈছে ৮০ৰ দশকত হোৱা বন ধ্বংসীকৰণ। এই বন ধ্বংসী কৰণে ইয়াৰ ওচৰে পাজৰে থকা বাসিন্দা তথা চোৰাং বেপাৰীক গছ-গছনিবোৰ কাটিবলৈ ইন্ধন যোগালে আৰু ইয়াৰ পৰিণতি স্বৰূপে এসময়ত বনজ সম্পদত চহকী পাহাৰ খনৰ ডাঙৰ গছ-গছনি, চৰাই-চিৰিকটিবোৰ ক্ৰমান্বয়ে বিলুপ্তিৰ ফালে অগ্ৰসৰ হ'বলৈ ধৰিলে। উদাহৰণ স্বৰূপে দেখা যায় যে বৰ্তমান নগৰৰ বিভিন্ন ঠাইত বিচৰণ কৰি ফুৰা বান্দৰবোৰৰ এসময়ত পাহাৰখন বাসস্থান আছিল।

হুলুকান্দা পাহাৰৰ বন্ধুৰতা, ইয়াৰ জলবায়ু আৰু মাটিৰ উৰ্বৰতাৰ ওপৰত নিৰ্ভৰ কৰি সৃষ্টি হোৱা বৰ্তমান জীৱ বিচিত্ৰ্যতাৰ কিছু খতিয়ান -

গছ-গছনি আৰু ফল-মূলৰ ভিতৰত চেগুন, গমাৰি, শিমলু, নিম, চাইথান, শাল, ৰঙা চন্দন, বনৰীয়া কল, আম, কঠাল, জাম, বগৰী, লেচু, বেল, খেজুৰ, নাৰিকল, তামোল, অমিতা আদি পোৱাৰ লগতে বিভিন্ন ঔষধী গুণ সম্পন্ন উদ্ভিদো পোৱা যায়। যেনে - চিৰতা তিতা, পিপলী, জাপৰী বিহ, মিচিমি তিতা, অশ্বগন্ধা, সৰ্পগন্ধা আৰু বিভিন্ন জীৱ-জন্তুৰ ভিতৰত, বান্দৰ, জহামাল, শিয়াল, হাপা, নেউল, কেৰ্কেটুৱা আদি দেখিবলৈ পোৱা যায়। গছ-গছনি আৰু জীৱজন্তুৰ লগতে ইয়াত বিভিন্ন প্ৰজাতিৰ স্থানীয় আৰু পৰিভ্ৰমী চৰাই-চিৰিকটিৰ আগমন লক্ষণীয়। সেই বোৰৰ ভিতৰত, পাতসিয়া,



গো-মুখ

টোকোৰা, বাঢ়ৈটোকা, পাতমাদৈ, দহিকতৰা, শ্যামা, মৌপিয়া, সাতভনী, কুকুহা, ভাটো, কেতেকী, কয়ৰা চৰাই, বতা চৰাই, ভুৰুং চৰাই বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী পাৰ চৰাই, বিভিন্ন প্ৰজাতিৰ কপৌ আদি উল্লেখনীয়।

যদিও পাহাৰখনত বিভিন্ন সময়ত বিভিন্ন ধৰণৰ গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটি পোৱা যায় তথাপি ইয়াৰ সংখ্যা যথেষ্ট তাকৰ আৰু মানুহৰ হিংস্ৰতাৰ ফলত ইয়াৰ সংখ্যা দিনক দিনে কমি আহিছে। পাহাৰখনৰ একেবাৰে দক্ষিণ কোণত অৱস্থিত প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা গুহাটোত বাদুলীৰ অৱস্থিতি পৰিলক্ষিত হয়।

হুলুকান্দা পাহাৰখন অসমৰ আন আন সৰু বৰ পাহাৰতকৈ যথেষ্ট সৰু যদিও গোৱালপাৰা নগৰখনৰ বাবে ইয়াৰ যথেষ্ট উপযোগীতা আছে। বিশেষকৈ ইয়াৰ উচ্চ সমতল ভূমিৰ ওপৰত নিৰ্ভৰ কৰি ১৯৮৩ চনত দূৰ সঞ্চাৰ বিভাগৰ মাইক্ৰ'ৱেভ ট্ৰেঞ্চমিটাৰ টাৱাৰ (Microwave Transmeter Tower) টো স্থাপন কৰা হয়। পাহাৰখনৰ উচ্চতাৰ লগত সামঞ্জস্যতা ৰাখি ৮৫ মিটাৰ উচ্চতাৰে এইটাৱাৰটো স্থাপন কৰাত টেলিফোনৰ STD আৰু ISD ক'ল সমূহ Transmit কৰাত গোৱালপাৰাবাসী ৰাইজে যোগাযোগৰ সু-সুবিধা উপভোগ কৰিব পাৰিছে। পাহাৰখনৰ উচ্চতাৰ ওপৰত নিৰ্ভৰ কৰি এটা বৃহৎ অৰ্ধচৰকাৰী গোৱালপাৰা নগৰ পানী যোগান আঁচনি স্থাপন কৰা হয়। এই আঁচনিখন Goalpara Town Water Supply Scheme, Assam Urban and Sewrage Board, Dhubri Division, Dhubri ৰ অন্তৰ্গত। ১৯৯৫



বৃটিছৰ কাৰ্যালয়ৰ ধ্বংসাৱশেষ

চনতে ইয়াৰ স্থাপন হয় যদিও যথেষ্ট বিজুলী শক্তিৰ খৰচ আৰু সেই খৰছ কম সংখ্যক গ্ৰাহকৰ পৰা আদায় কৰিব নোৱাৰাত ২০০৪ চনৰ প্ৰথমভাগৰপৰা এটা সামান্য ভেকুৱাম পাম্প বেয়া হৈ থকাত বৰ্তমান আঁচনিখন বিকল অৱস্থাত। ৪ মিটাৰ দ'আৰু ৪.২ নিযুত টন আয়তনৰ এটা চৌবাচ্চাৰ সৈতে ইয়াৰ কাৰ্য্যালয়

পাহাৰৰ উচ্চ সমতল ভূমিত ৭ বিঘা মাটিৰে আবৰি আছে। ইয়াৰ দ্বাৰা গোৱালপাৰা নগৰৰ বাসিন্দা সকলে দৈনন্দিন জীৱনত ব্যৱহৃত পানীৰ সুবিধা উপভোগ কৰিব পাৰে। কিন্তু পাহাৰৰ দাঁতিত কিছুলোকে মাটি কাটি ঘৰ সজাত যি কোনো সময়ত ভূমি স্খলন হৈ নতুবা কোনো ভূ-জাগতিক ক্ৰিয়াৰ ফলত বৃহৎ চৌবাচ্চাটোৰ বিস্ফোৰণ ঘটিলে পাহাৰৰ দাঁতিত থকা ধন-জনৰ যথেষ্ট ক্ষতি হোৱাৰ সম্ভাৱনা দেখা যায়।

পাহাৰখনৰ পাঁচ শতাধিক বছৰৰ অজ্ঞাত ইতিহাসৰ সভ্যতা বহন কৰি আহিছে নৰসিংহবাৰী মন্দিৰ আৰু তাৰ নিলগৰ বঙ্কটবাৰী শিৱ মন্দিৰটোৱে। জনশ্ৰুতি মতে এই মন্দিৰটো হেনো পাহাৰৰ বুকু ভেদ কৰি উঠিছিল। এই অঞ্চলৰ নৃপতিয়ে মন্দিৰৰ নামত ৭ বিঘা মাটি দান কৰি পূজা অৰ্চনা কৰিবলৈ আহিছিল। এই মন্দিৰটো গোৱালপাৰা নগৰৰ আটাইতকৈ পুৰণি মন্দিৰ হিচাপে পৰিচিত। ইয়াৰ কীৰ্তিচিহ্ন সমূহৰ যথেষ্ট নিদৰ্শন থাকিলেও সেইবোৰ কিমান পুৰণি তাক এতিয়ালৈকে অনুমান কৰা হোৱা নাই। চৰম অৱহেলা তথা সংৰক্ষণৰ অভাৱত কীৰ্তি চিহ্ন সমূহ জহি-খহি যাবলৈ ধৰিছে আৰু বহুতো উৎঘাটন নোহোৱাকৈ ৰৈ গৈছে। সেই সকলোবোৰ হতাশা আঁতৰত থৈ ইয়াৰ ওচৰৰ বাসিন্দা সকলে প্ৰতিবছৰে শিৱ চতুৰ্দশীত শিৱৰাত্ৰি আৰু বসন্ত কালত বাসন্তী পূজা উৎসৱ বৰ উলহ-মালহৰে পালন কৰি আহিছে। নৰসিংহবাৰী মন্দিৰতকৈ যথেষ্ট পিছত উদ্‌ঘাটন হোৱা পাহাৰতলিৰ দ্বিতীয়টো নিজৰা 'গোমুখ' উপযুক্ত সংৰক্ষণৰ অভাৱত গৰুৰ মুখৰ আকৃতিৰ শিলাখণ্ডৰ মাজেৰে নিৰ্গত হোৱা নিজৰাটো বৰ্ত্তমান নিচিহ্ন প্ৰায়। তথাপি ইয়াৰ কাষত পবিত্ৰ গীতাৰ শ্লোক এটি এতিয়াও খোদিত হৈ আছে। জনশ্ৰুতিমতে, 'গো-মুখ' আগমণিৰ এজন অন্ধমুণিয়ে খোদিত কৰিছিল।

তাৰ পিছৰ কালছোৱাত বৃটিছৰ ৰাজত্ব কালত পাহাৰখনত মূখ্য কাৰ্য্যালয় স্থাপন কৰি শাসন কাৰ্য্য চলাইছিল। ইংৰাজ সকলে গোটেই পাহাৰখনৰ বিভিন্ন স্থানত তেওঁলোকৰ নিৰ্মাণ কৰা কাৰ্য্যালয়, বাসভৱন আৰু আমোদ উদ্যানৰ ধ্বংসাৱশেষ বৰ্ত্তমানো বিদ্যমান। বিভিন্ন ঠাইত থকা তেওঁলোকৰ বাসভৱনৰ খটখটিবোৰে তেওঁলোকৰ অৱস্থিতিৰ প্ৰমান দিয়ে। পাহাৰখনৰ একেবাৰে উত্তৰ কোনত থকা দুখন পকী আসনত বহি তেওঁলোকে ব্ৰহ্মপুত্ৰ নদীৰ স'তে অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ মনোমোহা দৃশ্য উপভোগ কৰাৰ কথা সহজেই অনুমেয়। পাহাৰৰ ওপৰৰ সমতল ভূমিত তেওঁলোকৰ আমোদ উদ্যানখন আছিল। বৃটিছ সকল গোৱালপাৰা জিলাত কিমান দিন ৰাজত্ব কৰিছিল। তাৰ কথা পাহাৰখনৰ বিভিন্ন স্থানত থকা ধ্বংসাৱশেষ সমাধি ক্ষেত্ৰৰপৰা অনুমান কৰিব পাৰি। বিভিন্ন স্থানৰ ৩০ টা মান ধ্বংসাৱশেষ সমাধি ক্ষেত্ৰৰ ভিতৰত ৬ টা সমাধি ক্ষেত্ৰ ভালদৰে চিনাক্ত কৰিব পাৰি। তাৰ ভিতৰত ৰাউচৰ (Rausch) সমাধি ক্ষেত্ৰখন চিনাক্ত কৰি নামতহে সংৰক্ষণ কৰি থোৱা হৈছে আৰু কাষত এখন জাননীৰে সৈতে লিখা আছে "ৰাউচৰ সমাধি ক্ষেত্ৰ"। এই স্মৃতি সৌধ ডেনিয়েল আৰু মাৰ্থা ৰাউচৰ যজা সন্তান জোহান আৰু ডেনিয়েলৰ সমাধি স্থান। দুয়োৰে জন্মৰ কিছু বছৰ পিছত ১৭৮৩ চনৰ ২৪ জুনত মৃত্যু হয়। বৃটিছপ্ৰশাসনীয় বিষয়া আৰু কলিকতাৰ ব্যৱসায়ী ডেভিড কিলিচেনৰ এজেন্ট হিচাপে ডেনিয়েল ৰাউচে গোৱালপাৰাত থাকি অসমৰ লগত ব্যৱসায় কৰিছিল। ১৭৯৬ চনৰ জানুৱাৰী মাহত দন্দুৱা দ্ৰোহৰ সময়ত দুৰ্বৃত্তৰ হাতত দৰং জিলাত ডেনিয়েল ৰাউচ নিহত হয়। (উৎস - সঞ্চালক - প্ৰত্নতত্ত্ব সঞ্চালকালয়, অসম, গুৱাহাটী)

গোৱালপাৰা চহৰৰ অতীত গৌৰৱ কঢ়িয়াই অহা হুলুকান্দা পাহাৰখন যাতে বিলুপ্ত হৈ নাযায় তাৰ কাৰণে চৰকাৰ তথা গোৱালপাৰাবাসী সচেতন মহলে একত্ৰিত হৈ ইয়াত চলি থকা বনধ্বংসকৰণ, মাটি কটা, বেদখলকৰণ আৰু পুৰণি কীৰ্তি চিহ্ন ধ্বংসীকৰণ ৰোধ কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। তাৰোপৰি ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু জলবায়ৱিক অৱস্থানৰ প্ৰতি লক্ষ্য কৰিলে ইয়াত পৰ্য্যটন থলী ৰূপে বিকশিত কৰি স্থানীয় ৰাইজৰ কৰ্মসংস্থাপনৰ পথ মুকলিৰ যথেষ্ট সম্ভাৱনা আছে। সেয়েহে সময় থাকোতেই ইয়াৰ উচিত ব্যৱস্থা গ্ৰহণ নকৰিলে ভৱিষ্যত প্ৰজন্মই বিপৰ্যয়ৰ সন্মুখীন হোৱাটো নিশ্চিত।

---

লেখকদ্বয় স্নাতক দ্বিতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ।



হে ভগৱান ! মোক মাৰি নিনিয়া কিয়; কিমান সহিম এই জ্বালা-যন্ত্ৰনা, অত্যাচাৰ; ভগৱান তুমিহে একমাত্ৰ সাৰথি। ভগৱান ইমান নিষ্ঠুৰ নে ? ভাল ভাল মানুহবোৰক মাৰি নিয়ে আৰু তেওঁৰ চকুৰ আগতে চোৰ, ডকাইত, দুৰ্নীতি পৰায়ণবোৰে তিঘিল-ঘিলাই ৰাজ সুখ ভোগ কৰে। ভগৱান অন্ধ, নিৰ্দয়, আমাৰ এই দুখৰ জীৱন দেখা নাপায়! জীয়াই থাকিবলৈ কিমান যে কষ্ট! কি বা ৰং চাইছে ওপৰৰ জনাই; ইত্যাদি ধৰণে বেছি সংখ্যক মানুহে বিশ্লেষণ, তিৰস্কাৰ আদিৰে ভগৱানৰ অস্তিত্বক সদৰ্থক বা নঞাৰ্থকভাৱে স্বীকাৰ কৰিব বিচাৰে। মুঠতে আমি এটা নগন্য সংখ্যক মানুহক বাদ দিলেও ভগৱানৰ অস্তিত্ব স্বীকাৰ কৰিব লগা হয়।

# ভগৱান আৰু আমি

হেমন্ত কুমাৰ কলিতা

অতীজৰেপৰাই 'ভগৱান' বা ইংৰাজী 'God' অথবা আল্লাৰ নিৰ্বিচাৰে (Dogmatic) অস্তিত্বৰ বাবে এই বোৰ শব্দৰ প্ৰভাৱে মানুহক মানসিকভাৱে আৱিষ্ট কৰি তোলাইছে। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি ৰহস্যৰ পম খেদি বৈজ্ঞানিক সাফল্যতাই আংশিক স্বীকৃতি লাভ কৰিলেও; তাৰ হয় যেন এয়া এক অৰ্দ্ধসমাপ্ত প্ৰতীক্ষা আৰু প্ৰত্যাহ্বান। তৰ্কীয় যুক্তিৰ অৱতাৰণাৰ উৰ্দ্ধত আধ্যাত্মিকভাৱে প্ৰতিপন্ন হোৱা ঈশ্বৰীয় ধাৰণাৰ যুক্তি অখণ্ড। এই বিশ্বব্ৰহ্মাণ্ডৰ বিষয়ে আমি যিমানখিনি জানিছো তাতোকৈ অধিক সংখ্যক অজ্ঞাত হৈয়ে আছে তাক বিজ্ঞানে স্বীকাৰ কৰি লৈছে। মুক্ত আকাশৰ তলত বহি ওপৰত তিৰ্বিবাই উজ্জ্বলি থকা তৰা-নক্ষত্ৰৰে ভৰি থকা মহাবিশ্বৰ অনন্ত ৰহস্যৰ গভীৰতালৈ মন নিক্ষেপ কৰিলে বোধহয় যে, উন্মিলিত বৈজ্ঞানিক নয়নেও বিস্ময়তাৰে ভৰি পৰিব। এই মহাবিশ্বৰ অপাৰ বিস্ময় ৰাশিৰ মাজত আমি ডুব গৈ আছো; তাত বৈজ্ঞানিক অনুসন্ধানে কাৰ্য-কাৰণ নিত্য-নতুন বিস্ময়ৰ সন্মুখীন হৈ গৈ আছে। কাৰ্য-কাৰণৰ ওৰ বিচাৰিবলৈ যাওঁতে আমি এক অসীম অনন্ত সত্বাত উপনীত হ'বলৈ বাধ্য, যাক ইংৰাজীত ad-infinitum বুলি জনা যায়। এই অসীম অনন্ত সত্বা জৈৱিক নে, পাৰমাৰ্থিক নে, পদাৰ্থিক ? বিভিন্নজনৰ চিন্তাত ই বিভিন্নৰূপত প্ৰকাশ পায়। জীৱবিদসকলে মতপোষণ কৰে যে, বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি জৈৱিক, আধ্যাত্মবাদী সকলৰ মতে ই পাৰমাৰ্থিক আৰু পদাৰ্থবিদসকলৰ মতে এই সৃষ্টি বস্তুগত। যি কি নহওঁক সকলোৱে এটা অনন্ত শক্তি সম্পন্ন সত্বাক সাকাৰিক ৰূপতেই হওঁক বা নিৰাকাৰিক ৰূপতেই হওঁক স্বীকাৰ কৰি ল'বলৈ বাধ্য হৈ পৰিছে। আৰু ইয়াকেই যদি শাব্দিক ৰূপত বিভিন্নজনে বিভিন্নৰূপত নামকৰণ কৰি এক ঐশ্বৰীক চেতনা (Divine Consciousness) জাগ্ৰত কৰি জনমানসত যান্মাসিক ৰূপত উন্মিলীত কৰিছে তেনেহ'লে তাত কোনো ধৰণৰ ভৌতিক উন্নতিৰ প্ৰতিবন্ধকতা থাকিব নোৱাৰে। আৰু এই নামৰূপেই হৈছে ঈশ্বৰ, আল্লা, গ'ড্।

ধৰ্ম আৰু ঈশ্বৰৰ ধাৰণাও এই প্ৰসঙ্গত অঙ্গাঙ্গী হিচাপে পৰিগণিত হয়। ধৰ্মৰ উৎপত্তিৰ প্ৰাৰম্ভিক পৰ্যায়ত কোনো বিশেষ ঈশ্বৰৰ বা দেৱ-দেৱতাৰ ধাৰণাৰ ইঙ্গিত পোৱা নাযায় যদিও প্ৰাকৃতিক অথবা নৈসৰ্গিক অৱস্থাৰ ধাৰণাৰ পৰা ঈশ্বৰ ধাৰণাৰ উন্মেষ হ'ব পাৰে। প্ৰকৃতিৰ ৰাজ্যত সংঘটিত বিস্ময়াভূত ঘটনাবোৰে মানুহক ভাবিবলৈ বাধ্য কৰাব পাৰে যে এই ঘটনাৰ অন্তৰালত এক পৰম সৰ্বশক্তিমান সত্বা আছে। বিখ্যাত ধৰ্মীয় দাৰ্শনিক জেমছ্ মাৰ্টিনিউয়ে ধৰ্মৰ লগত ঈশ্বৰৰ প্ৰসঙ্গ টানি আনি

ধৰ্মৰ সংজ্ঞাত কৈছে যে, "যি চিৰন্তন ঈশ্বৰ বা দৈৱীসন আৰু ইচ্ছাই বিশ্বজগতৰ নিয়ন্তা আৰু যি মনুষ্য জাতিৰ সৈতে নৈতিক সম্বন্ধৰে জড়িত তেওঁৰ অৰ্চনা আৰু অস্তিত্বৰ ওপৰত থকা অগাধ বিশ্বাস আৰু তাৰ পৰা কেন্দ্ৰীভূত হোৱা বিভিন্ন আনুসংগীক ধাৰণা"। ঈশ্বৰবিহীনভাৱে থকা ধৰ্মীয় বিশ্বাস কেৱল ধাৰণা বিহীনভাৱে কৰা প্ৰত্যক্ষ মাথোন। বস্তুবাদী চিন্তাবিদসকলে অথবা নিৰীশ্বৰবাদীসকলে যদিও ঈশ্বৰ বিহীনভাৱে ধৰ্মৰ প্ৰাসংগিকতাৰ কথা অৱতাৰণা কৰে, তাত ভক্তি আৰু আনুগত্যৰ প্ৰাবল্য ধূসৰ হৈ পৰাৰ সম্ভাৱনীয়তা বেছি। ধৰ্ম যদিও এক সামগ্ৰীক (Comprehensive) প্ৰৱণতা তথাপিও ইয়াৰ মাজত এক সামাজিক উমৈহতীয়া বান্ধোন পৰিলক্ষিত হয়। ধৰ্মৰ বৈশিষ্ট্যই হৈছে বিপৰ্যস্ত মানসিকতাক এডাল সূতাৰে বান্ধি সামগ্ৰীক উন্নয়ণৰ বাট মুকলি কৰি দিয়া। সমাজত বসবাস কৰা লোকসকলৰ বিভিন্ন ভাষা, বিভিন্ন গোষ্ঠীৰ ধনী-নিধনীৰ মাজত একমাত্ৰ ধৰ্মইহে সমন্বয়ৰ সেঁতু হিচাপে থিয় দিব পাৰে। আৰু এই ধৰ্মীয় ঐক্যই নিৰ্দিষ্টভাৱে গতি সম্পন্ন হৈ উঠে তৎকালীনভাৱে লাভ কৰা নৈব্যক্তিৰ ঈশ্বৰৰ ধাৰণাৰে। এই ধাৰণা কোনো অভিজ্ঞতা সাপেক্ষিক অথবা বৌদ্ধিক দিশেৰে প্ৰতিভাত নহয় মাত্ৰ অন্তঃ প্ৰজ্ঞাৰ এক পৱিত্ৰ জিলিকনিৰ দ্বাৰাহে চমকিত হৈ উঠে। গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল "মত্তঃ পৰতৰং নানিৎ কিঞ্চিদাস্তি ধনঞ্জয়, ময়ি প্ৰতঃসুত্ৰে মনিগনা ইবঃ", অৰ্থাৎ মই প্ৰত্যেকজন ব্যক্তিৰ, প্ৰাণীৰ অন্তৰত নিবিড়ভাৱে আড়ষ্ট হৈ আছো, যেনেকৈ সূতাত মণিবোৰ লগলাগি থাকে। ধৰ্মই কেতিয়াও বিভাজন নিবিচাৰে; ইয়াৰ প্ৰকৃতি অনুযায়ী এক বিশেষ চেতনাৰ দ্বাৰা মানুহৰ লগত সমস্ত প্ৰকৃতি জগতখনক সনাতন সূত্ৰৰ দ্বাৰা বান্ধি ৰাখিব বিচাৰে। "একম সৎ বিপ্ৰাঃ বহুৰ্ব্বদন্তি", পৰিবৰ্তনশীলতা স্থায়ীত্ব আৰু বাহুত্বৰ মাজত এক নিবিড় শৃঙ্খলে ঐক্য প্ৰতিষ্ঠা কৰে আৰু ইয়েই ধৰ্মৰ সত্ত্বা (Religious essence) হিচাপে পৰিগণিত হয়। আনুষ্ঠানিক ধৰ্মৰ ভাষা অথবা পদ্ধতিগত ভিন্নতাই মানুহৰ আন্তৰিক ভিন্নতাৰ কাৰণ হ'ব নোৱাৰে। এইটো ঠিক যে এজন হিন্দুৰ অস্তিত্বৰ বাবে যি নিয়ম, ধাৰণা বা আচাৰ ব্যৱহাৰ অথবা সামাজিক, জৈৱিক আৰু মানসিক উদ্যোগৰ প্ৰয়োজন, ঠিক তেনেকৈ এজন মুছলমানৰ, এজন খৃষ্টানৰ, এজন শিখৰ ক্ষেত্ৰতো অপৰিহাৰ্য। ঈশ্বৰ, আল্লা, গড় যি নামেৰেই নুবুজাও কিয় এজন ধাৰ্মিক চৈতন্যসম্পন্ন ব্যক্তিৰ বাবে সি অভিন্ন আৰু পৰম। আনকি এই নূন্যতম জ্ঞানকণ প্ৰত্যেকজন হোজাৰ সৰল অন্তৰত অতি সৰলভাৱে প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ আন্তৰিকতাৰে ভ্ৰমণ কৰিলে এনেকুৱা মোল্লা নাইবা পণ্ডিত নাইবা ধৰ্মযাজক নোলাব যিয়ে আমাৰ আল্লা, আমাৰ ঈশ্বৰ, আমাৰ গড় সম্পৰ্কে ভিন্নমুখী মতবাদ আগবঢ়াব আৰু সমগ্ৰ মানৱীয় সত্বাক বিভাজনৰ গতিলৈ প্ৰক্ষেপ কৰিব।

প্ৰযুক্তিবিদ্যা আৰু বৈজ্ঞানিক ক্ষেত্ৰখনত বৰ্তমান বিজ্ঞানে যি ধৰণ সফলতা অৰ্জন কৰিছে, তালৈ চা এনে অনুমান হয় যে সমস্ত বিশ্ব ব্ৰহ্মাণ্ডখন বিজ্ঞানীৰ হাতৰ মুঠি সোমাই পৰিব। দৰাচলতে আমা সম্পৰ্ক এটা দিশত পৰম্পৰে যিমা ওচৰ চাপি গৈছে বা আহিছে; সিমা আন এটা দিশত ব্যক্তি-সত্তা পাৰস্পৰিক ব্যৱধান বাঢ়ি গৈ আছে শাৰীৰিক আসক্তি বা আয়বিক উন্ন বৃদ্ধি পালেও আন্তৰিক গাঁঠি সোলোক-ঢোলোক হৈ পৰিছে; এ মানসিক শংকা-ভয়ৰ ধাৰণাই আমা নিয়তভাৱে খেদি ফুৰিছে। সেয়ে মানুহৰ আন্তঃ গাঁঠনিটোক কি প্ৰকাৰে যদি সলনি কৰিব পৰা যা অথবা এক উমৈহতীয়া ধৰ্মী বান্ধোনৰ দ্বাৰা সৰ্ব্ব-চৈতন্য জাগৰ কৰিব পৰা যায়, তেতিয়াহে নিশ্চয়কৈ বিভিন্ন মতাৱলম্বী ব্যক্তিসকলক ধৰ্মভিৰুতাৰ পৰা ধৰ্মীয় গোড়ামীৰ পৰা মানুহক মুক্ত কৰি সমগ্ৰ মানৱ জাতিৰ হ'কে এ সুসংহত আঁচনি প্ৰস্তুত কৰিব পৰা যা বুলি ভাবিবৰ থল আছে। ধৰ্মীয় সম্প্ৰা আৰু ধৰ্মীয় বৰ্বৰতাৰ দপ্-দপনি দোদুল্যমান হোৱা মানৱ সভ্যতা যাত্ৰা পঙ্কিলময় হোৱাৰ সম্ভাৱন বৰ্তমান জাজ্বল্যমান হৈ পৰিছে। ধৰ্মী বিষয় সাংঘাতিকভাৱে স্পৰ্শকাত আৰু যথেষ্ট সংবেদনময়ী আৰু ইয়া পূৰ্ণ সুযোগ গ্ৰহণ কৰে ভণ্ড তথাকথিত ধাৰ্মিক ব্যক্তিয়ে। অৱশ্যে ইয়াক কিছু পৰিমানে ইন্ধন যোগাই আহিছে কিছুমান সংকীৰ্ণমনা ৰাজনীতিকে। মধ্য প্ৰাচ্যত বৃদ্ধি পোৱা এই ধৰণৰ সংঘাতে সমগ্ৰ বিশ্বমানৱ



চকু উন্মিলীত কৰি তুলিছে। অৱশ্যে ধৰ্মীয় বিশ্বাসকে ৰাজনৈতিক মুনাফা লাভ কৰাৰ ক্ষেত্ৰত পুৰাদমে প্ৰয়োগ কৰাৰ দৃষ্টান্ত আমাৰ ভাৰতবৰ্ষতো কম নহয়। এই বিষয়ে বৰ্তমান সমাজত সৰৱ আলোচনা অব্যাহত থাকিলেও ধৰ্মীয় সংখ্যালঘু অথবা ভাষিক সংখ্যালঘু বুলি ভোট বেঙ্কৰ ৰাজনীতিত সিদ্ধহস্ত ৰাজনীতিকৰ বাবে ধৰ্মীয় মানদণ্ডৰ অথবা নৈতিক দৰ্শনৰ শব্দাৰ্থ মথোন এক অলীক অমূৰ্ত্ত ধাৰণা। "Why I am not Christian" নামৰ গ্ৰন্থখনত বিখ্যাত দাৰ্শনিক বাট্ৰাণ্ড ৰাছেলে কৈছিল যে কোনো কোনো ক্ষেত্ৰত ঈশ্বৰ বিশ্বাসে আমাৰ সমস্যা লাঘৱ কৰিব নোৱাৰে অথবা নৈতিক মানদণ্ডৰ লগত সময় বিশেষে ধৰ্মীয় অন্ধতাৰ ব্যাপক ব্যৱধান সকলো দিশতে সাফল্যমণ্ডিত হোৱাৰ নিশ্চয়কৈ বাধাৰ প্ৰাচীৰ থিয় কৰাব। এইটো ঠিক যে এজন মানুহ ধাৰ্মিক নোহোৱাকৈও জ্ঞানী বা সম্ভাবান (সৎ) পুৰুষ হিচাপে স্বীকৃত হ'ব পাৰে। জলন্ত উদাহৰণ হিচাপে ৰাছেল আৰু ৰাধাকৃষ্ণণৰ নাম উল্লেখ কৰিব পাৰি। ৰাছেলক যদিও খৃষ্টান ধৰ্ম বিদ্বেষী বুলি অভিহিত কৰা হয়; দৰাচলতে সেই সময়ৰ ধৰ্মীয় অনুশাসক সকলৰ আধিপত্যত গা কৰি উঠা কিছুমান অসামাজিক নীতিক (যিবোৰক খৃষ্টান প'প, বিছপ্ সকলে ৰক্ষণা বেক্ষণ দিছিল) ঈশ্বৰৰ দোহাই দি সমাজত ধৰ্মীয় স্বৈৰাতন্ত্ৰৰ শিপা মেলি দিছিল আৰু ৰাছেলে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল। প্ৰকৃত ধৰ্মৰ লগত ঈশ্বৰৰ সম্পৰ্ক, সত্বা আৰু বিবেকৰ সম্পৰ্কৰ দৰে। ৰাছেলৰ দৰে ৰাধাকৃষ্ণণে অৱশ্যে ঈশ্বৰ সম্পৰ্কে কোনো বিৰূপ মত প্ৰকাশ কৰা নাই বৰং ধৰ্ম্মীয় পৱিত্ৰতাৰ কাঠামোটোক সজল সবল কৰি তোলাত ঈশ্বৰৰ অস্তিত্বৰ দিশটোক সদৰ্থকভাৱে উত্থাপন কৰিছিল। তথাপিতো তেওঁক যথাৰ্থ অৰ্থত ধাৰ্মিক বুলি কোৱাৰ পৰিৱৰ্তে এক দাৰ্শনিক বুলিহে ভবা হয়। জৰ্জ শান্তয়ানাই তেওঁৰ "Life of Reason" নামৰ গ্ৰন্থখনত ধৰ্ম্মীয় অনুশাসনৰ গতিতেই যুক্তিৰ সৱল প্ৰক্ষেপণৰ ফলতহে সত্যক অসত্যৰ পৰা পৃথক কৰি ৰাখিব পৰা যায়। আনকি এই যুক্তি নিৰুপাধিক, যি যুক্তিয়ে বৌদ্ধিক জীৱনৰ জলগুৱাইদি এক উমৈহতীয়া মানৱীয় প্ৰমূল্যক চিৰন্তন শান্তিৰ বাবে আহ্বান জনাব পাৰে।

লেখক ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰৱক্তা।

## বিচিত্ৰ পৃথিৱী

সংগীত জগতৰ এটি চিৰ জ্যোতিষ্মান তৰা হ'ল লাডউইগভন বিথোভেন। তেওঁৰ ছিম্ফনীৰে সমৃদ্ধ হৈ আছে ৱেষ্টাৰ্ণ ক্লাছিকেল সংগীত। অপূৰ্ব সংগীত সৃষ্টিকাৰী বিথোভেন কিন্তু নিজৰ শৰীৰ সম্বন্ধে একেবাৰেই উদাসীন আছিল। তেওঁৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ 'লেতেৰা' শব্দটোৱে যথেষ্ট হয়। দিনৰ পিছত দিন ধৰি তেওঁ গা ধোৱাতো নাছিলেই; একেবোৰ কাপোৰ-কানিয়েই পিন্ধি আছিল। তেওঁ যেতিয়া শুই পৰে তেওঁৰ বন্ধুসকলে কানি-কাপোৰবোৰ মনে মনে আঁতৰাই নি ধুই দিছিল।

***********

চেয়াৰমেন মাওৱে জীৱনৰ আধাভাগ সময়ত গা-ধোৱাতো নাছিলেই আনকি দাঁতো ব্ৰাছ কৰা নাছিল। মাওৰ মতে, বাঘে যিহেতু কোনোকালেই দাঁত পৰিষ্কাৰ কৰিব লগা নহয়, গতিকে তেৱোঁ দাঁত ব্ৰাছ নকৰে। পিছে বয়স হৈ অহাৰ লগে লগে তেওঁৰ এই স্বভাৱৰ বাবেই শৰীৰত ৰোগে বাহ পাতিছিল।

সংগ্ৰাহক - জীয়াউৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

# যতীন্দ্ৰ নাথ দুৰৰাৰ কবিতা



জয়শ্ৰী সিন্‌হা

নৱন্যাস যুগৰ দ্বিতীয় প্ৰহৰৰ অন্যতম কবি যতীন্দ্ৰ নাথ দুৰৰা অসমীয়া কাব্য-মন্দিৰৰ "নিবাত নিষ্কম্প ইৱ প্ৰদীপঃ" সদৃশ্য উজ্জ্বল প্ৰদীপ। প্ৰায় দুকুৰি বছৰকাল দুৰৰাদেৱে অকলে আপোন মনে নিৰলাত বহি অসমীয়া কাব্য-কাননলৈ পুষ্পাঞ্জলি যাচিয়েই শান্ত থকা নাই, 'নিজানত গান ৰচি ৰচি নিজৰ জীৱনটোকো এটা' পূৰ্ণাঙ্গ কবিতাৰ ৰূপ দি গৈছে। কাব্য চৰ্চাৰ কাল অনুপাতে দুৰৰাৰ কবিতা সংখ্যাত তাকৰ। 'ওমৰতীৰ্থ', 'আপোন সুৰ', 'বনফুল' আৰু 'মিলনৰ সুৰ' এই চাৰিখনেই তেওঁৰ কবিতাপুথি। সংখ্যাত তাকৰীয়া হ'লেও কাব্যিক সৌন্দৰ্যৰ পিনৰপৰা অসমীয়া সাহিত্যত দুৰৰাৰ কবিতা এখনি আচুতীয়া আসনৰ যোগ্য। কবিয়ে ব্যক্তিগত অধ্যয়ন আৰু ৰসাস্বাদনৰ দ্বাৰা অসমীয়া কাব্যত প্ৰভাৱৰ পৰিধি বঢ়োৱাৰ লগে লগে সঙ্গীত আৰু কোমলতাৰ মাধুৰ্য বিস্তাৰিত ৰহন সানি অসমীয়া ৰোমান্তিক কবিতাক ন-আভৰণেৰে সুসজ্জিত কৰি গৈছে। সেইকাৰণেই দুৰৰাৰ কবিতা পাশ্চাত্য কাব্যলোকৰ দ্বাৰা আলোকিত। দুৰৰাই নিজেও স্বীকাৰ কৰি গৈছে যে তেওঁ প্ৰায়খিনি কবিতাৰ মূল বিষয়বস্তু আহৰণ কৰিছে প্ৰখ্যাত বিদেশী কবিতাৰ ভাৱাদৰ্শ আৰু কবিতাৰ পৰা। তদুপৰি সেইবোৰক তেওঁ নিজস্ব অভিজ্ঞতাৰে ৰহণাই তুলিবলৈ চেষ্টা কৰিছে। ব্যক্তিগত হা-হুমুনিয়াহেৰে উপচি পৰা শ্যেলীৰ হৃদয়ৰ বিষণ্ণ কাতৰ অনুভূতি, হাফেজৰ ছায়াবাদী চুফীপ্ৰেমৰ কাৰুণ্য আৰু ওমৰৰ বিশ্বমানৱৰ সহানুভূতিৰ ভাৱাবেগৰ দ্বাৰা দুৰৰাৰ কবিতা সমৃদ্ধ। তদুপৰি জীৱনৰ হা-হুমুনিয়াহ, শূণ্যতা আৰু ব্যৰ্থ প্ৰেমৰ কৰুণ স্মৃতিয়ে কবিৰ কবিতাত বাৰে বাৰে ভুমুকি মাৰিছেহি। বিভীষিকাপূৰ্ণ তিক্ততাৰ কৱলৰ পৰা আত্মৰক্ষা বিচাৰি কবিয়ে বিস্মৰণৰ আশ্ৰয় ল'বলৈ প্ৰয়াস কৰিছে।

দুৰৰাৰ জীৱনত কবিতাই আকস্মিক ভাৱে ধৰা দিয়েহি জগতৰ কোনোবা এটি শুভ মুহূৰ্ত্তত এদিনাখন কোনোবা জোনাক নিশা সাগৰৰ পাৰ কিম্বা জুৰিৰ কাষত প্ৰেমে শৰীৰী ৰূপ লৈ আকস্মিকভাৱে কবিৰ ওচৰত প্ৰতিভাত হৈ পৰে। সেই অপূৰ্ব ক্ষণৰ মধুৰ প্ৰেম আৰু সৌন্দৰ্য্যক চিৰস্থায়ী কৰিবলৈ কবি কৃত সংকল্প হ'ল সঁচা, কিন্তু তাক ধৰি ৰাখিব নোৱাৰিলে; ক্ষন্তেকীয়া সপোনৰ দৰে নাইকীয়া হৈ পৰিল ঃ

"সাৰ পাই উঠি দেখো হঠাতে হেৰাল
কেনিবাদি কবিতা কুঁৱৰী।।"

সেই মধুমিলনৰ অপূৰ্ব স্মৃতিয়েই কবিৰ কবিতাৰ প্ৰথম উঁহ। সৌন্দৰ্য-উপাসক দুৰৰা আচলতে প্ৰেমৰহে কবি; তেওঁৰ চকুৰ আগত কেৱল প্ৰেমৰ সপোন, প্ৰেমৰ আদৰ্শ আৰু প্ৰেমৰ কবিতাহে দোদুল্যমান। ব্যৰ্থতাময় প্ৰেম-প্ৰণয় আৰু সাংসাৰিক বিষাদ-বিনিনি তথা বিষণ্ণতা তেওঁৰ কবিতাৰ অন্যতম বিশেষত্ব।

স্কুলীয়া কালতে দুৰৰাই কবিতা লিখাৰ অনুশীলন কৰিছিল। ইংৰাজী পাঠ্যপুথিৰ "Twinkle, Twinkle, Little Star......" কবিতাটি অসমীয়ালৈ অনুবাদ কৰিলে -

'চিকিমিকি চিকিমিকি সৰু তৰাটি
কেনেকৈ শোভা কৰে ওখ আকাশত,
চিকিমিকি কৰি কৰি হীৰাৰ দৰে জ্বলি
লাহে লাহে পৃথিৱীক দিছেহি পোহৰ,
যেতিয়াই সূৰ্যদেৱ পশ্চিমলৈ যায়
চিক্‌মিক্ কৰি থকা গোটেই ৰাতিটি।

এই ফাঁকিয়েই আছিল দুৰৰাৰ প্ৰথম কবিতা, ইয়ে তেওঁৰ কবি জীৱনৰ প্ৰথম প্ৰকাশ। বেণুধৰ ৰাজখোৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা দুৰৰাই কাব্য চৰ্চাৰ প্ৰেৰণা পাইছিল।

দুৰৰা আছিল সৌন্দৰ্যৰ উপাসক, প্ৰেমৰ কবি। তেওঁৰ ভাব সমুদ্ৰ প্ৰেম সোঁতৰ দ্বাৰা উদ্বেলিত, তেওঁ দেখে কেৱল প্ৰেমৰেই সপোন আৰু লিখেও কেৱল প্ৰেমৰেই কবিতা। প্ৰেম য'ত সৌন্দৰ্যও ত'ত বিৰাজমান। দুৰৰাৰ দৃষ্টিত প্ৰেম আৰু সৌন্দৰ্য একে পাহি ফুলৰে দুটি সম্পদ, বৰ্ণ আৰু সৌৰভ। স্বৰ্গীয় প্ৰেম পৃথিৱীত অতি বিৰল। বিৰহ-বেদনা-শোক-যন্ত্ৰণা ক্লিষ্ট জীৱনত পাৰ্থিৱ প্ৰেম সপ্তবৰ্ণৰঞ্জিত ইন্দ্ৰধনু সদৃশ।

"বিৰহ সোঁতত পৰি
প্ৰেমৰ মন্দিৰ ভাগে
জীৱন সাধনা উটি যায়,
খন্তেকীয়া পোহৰ পেলায়।

পাৰ্থিৱ জীৱনৰ ভাৱ বৈচিত্ৰ্যৰে দুৰৰাৰ কাব্য-সম্ভাৰ উপচি পৰিছে। কোনো কবিতাত মিলন আকাংখাৰ হৰ্ষোল্লাস, আন কেইটামানত নিষ্ঠুৰ প্ৰত্যাখ্যানৰ গভীৰ বেদনা, কিছুমানত আকৌ ব্যৰ্থ জীৱনৰ ক্ষত-বিক্ষত হিয়াৰ হা-হুতাশ আৰু আন কিছুমানত অতৃপ্তিৰ বিষণ্ণতাৰ ভাৱাবেগৰ প্ৰতিধ্বনি ঝংকাৰিত হৈছে। প্ৰকৃতিত উদাৰ আত্ম প্ৰকাশ লাভ কৰা বিবিধ সৌন্দৰ্যই কবিৰ অন্তৰত এক অতীন্দ্ৰিয় প্ৰেমৰ পৰিস্ফুৰণ ঘটাইছে। প্ৰেম বিচ্ছুৰিত নৈৰাশ্য আৰু কাৰুণ্য প্ৰকাশত দুৰৰা অন্যতম নিপুন শিল্পী। তেওঁৰ নৈৰাশ্যৰ সুৰ সুকীয়া, তদুপৰি অসমীয়া সাহিত্যত ই বহুলাংশে নতুন। কবিৰ মন জগতখন অতি আপোন। জগতৰ নানা কাৰ্যকলাপে কবিৰ মনত বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কবি দুৰৰা নিৰাশাৰ মাজতো সীমাবদ্ধ অৱশ্যে আনক সেই নৈৰাশ্যৰ মেৰঘৰলৈ টানি নিয়া নাই। 'আপোন সুৰ' আৰু 'বনফুলত' দুৰৰাৰ শোকৰ বিননিৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়।

হাফিজৰ চুফীপ্ৰেমে কবিক চুফী কবিতা ৰচনা কৰিবলৈ প্ৰেৰণা যোগাইছিল। হাফিজৰ ইংৰাজী সংস্কৰণ আৰু চুফীতত্ব সম্পৰ্কীয় গভীৰ অধ্যয়নৰ সুফল 'মিলনৰ সুৰ'। চুফীতত্বৰ সম্বন্ধ আচলতে অতীন্দ্ৰিয়বাদৰ লগত। 'God and I are one in the act of my perceiving him.' বোলা চুফীকাব্যৰ লক্ষণটো 'মিলনৰ সুৰ'ত সুস্পষ্ট। পাৰমাৰ্থিক দৃষ্টিত ব্ৰহ্ম আৰু ব্ৰহ্মাণ্ডৰ ঈশ্বৰ আৰু জীৱ স্ৰষ্টা আৰু সৃষ্টিৰ অভেদেই চুফীবাদৰ কেন্দ্ৰবিন্দু। ওমৰৰ জীৱন দৰ্শনে কবিৰ মনত নতুন আলোকপাত কৰিছে। ওমৰৰ বিশ্বজনীন ভাবাদৰ্শৰ প্ৰতি আকৃষ্ট হৈয়ে কবিয়ে 'ৰুবায়েতৰ' ভাঙনি 'ওমৰতীৰ্থ' প্ৰকাশ কৰে। ওমৰ তীৰ্থৰ প্ৰতিটো স্তৱকেই স্বয়ং সম্পূৰ্ণ অৰ্থব্যঞ্জক তথাপি তাৰ মাজতো এটা ভাৱৰ ঐক্য সংৰক্ষিত হৈছে। মনুষ্য জীৱন স্থায়িত্বহীন। অন্ধকাৰ আৰু ভৱিষ্যতৰ দুৰ্ভেদ্য প্ৰাচীৰেৰে আবৰা আমাৰ জীৱন। সেইবাবে ওমৰে বৰ্তমানকে সম্পূৰ্ণ উপভোগ কৰি ল'বলৈ বিচাৰিছে।

হাফেজৰ চুফীতত্ব আৰু খায়ামৰ দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত আৰু অনুপ্ৰাণিত হৈয়ে কবিয়ে তেওঁৰ মনৰ মাজত বিচাৰি পাইছিল সৰগ নৰক। সেয়ে হিয়াৰ আন্ধাৰ গুচাবলৈ তেওঁ অনন্ত জ্যোতিৰ এটি ক্ষুদ্ৰকণা বিচাৰিছিল।

দুৰৰাৰ কবিতাৰ জনপ্ৰিয়তাৰ ঘাই কাৰণ ইয়াৰ ভাষা আৰু ছন্দ। তেওঁৰ ভাষা সম্পূৰ্ণৰূপে জটিলতাহীন শব্দৰ দুৰ্বোধ্যতা আৰু অৰ্থৰ অস্পষ্টতাও তাত নাই। শিশুৰ দৰে সৰল, আৰু স্বভাৱ-সুন্দৰী নাৰীৰ দৰে নিৰলঙ্কাৰ তেওঁৰ ভাষা। বছা বছা উপমা আৰু ৰূপৰ প্ৰয়োগতো কবি সিদ্ধহস্ত। তদুপৰি কবিতাৰ চিত্ৰকল্প সমূহেও কবিৰ শিল্পী প্ৰতিভাৰ পৰিচয় দিয়ে —

'কঁপি থকা ওঁঠ দুটি নোৱাৰে ফুটাব
যাওঁ বোলা বিদায়ৰ বাণী
দুগালে বাগৰি যায় চকুলো দুধাৰি
মাগো মাথো শেষৰ মেলানি।'

দুৰৰাই পুৰণি ছন্দেৰে পৰ্ব, চৰণ আদি সজাই ছন্দৰ নতুন ৰূপ দিলে। শ্বাসাঘাত তেওঁৰ কবিতাৰ ঘাই বস্তু নহয়। থলুৱা বনগীত, বিহুগীতৰ লেঠাৰি নিছিগা সুৰ তেওঁৰ কবিতাৰ স্নায়ুকেন্দ্ৰ। বনগীতৰ সুৰেই দুৰৰাৰ কবিতাত নতুন ৰূপ ল'লে। গীতিধৰ্মিতাই তেওঁৰ কাব্যক জনপ্ৰিয় কৰি তোলে।

কুৰি শতিকাৰ নানা বৰণীয়া ভাৱৰ সমাবেশেৰে পৰিপুষ্ট আদৰ্শক সৌন্দৰ্যৰ মাজেৰে আমাৰ আগত দাঙি ধৰা কবিসকলৰ ভিতৰত যতীন্দ্ৰনাথ দুৰৰাও এগৰাকী আগশাৰীৰ কবি। ৰোমান্তিক ভাবাদৰ্শৰ বন্তি জ্বলাই লৈ

নৱন্যাসৰ কুসুম কাননত প্ৰবেশ কৰি সৌন্দৰ্যৰ উপাসনা কৰিবলৈ লওঁতে দুৰৰাই বিদেশী কবিতাকো অসমীয়া ছন্দেৰে সজ্জিত কৰি সাহিত্য মন্দিৰত প্ৰতিষ্ঠা কৰি গ'ল। সুদূৰ আঙুৰৰ দেশ পাৰস্যৰ ওমৰ খায়ামাৰ হাফেজ; শ্ব্লেলী, কীট্‌ছ আদি পাশ্চাত্যৰ কবিসকলৰ স্বদেশী সাজপাৰ গুচাই অসমীয়া সাজপাৰেৰে সজ্জিত কৰি পাটৰ খনীয়া কাপোৰেৰে টঙালি আঁটি দি বিহুগীতৰ সুৰত দিখৌৰ পাৰৰ ৰংঘৰত নচুৱালে। প্ৰচুৰ অধ্যয়ন, নানাবিধ সাধনাৰে প্ৰাচ্য আৰু পাশ্চাত্যক একেডাল সূতাৰে বান্ধি পেলালে আৰু এইদৰেই কবি দুৰৰাৰ হাতত সৃষ্টি হ'ল পৰম্পৰাৰ সাৰ্থক সম্বন্ধ।

লেখিকা স্নাতক প্ৰথম বৰ্ষৰ কলা শাখাৰ ছাত্ৰী।

পুৰণি পাতৰ পৰা ঃ

## সামাজিক অৱক্ষয় ৰোধ কৰাত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

.......... ছাত্ৰ সমাজৰ প্ৰথম কাম হৈছে নানা 'ism' বা মতাদৰ্শৰ ভিত্তিত বহুধাবিভক্ত ছাত্ৰসমাজক সংগঠিত কৰা। সমাজৰ বৃহৎ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰসমাজ একত্ৰিত হোৱাটো অতীব প্ৰয়োজন। বৰ্তমান শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন ঘটাবলৈ তেওঁলোকে চেষ্টা কৰিব লাগিব। আমাৰ পাঠ্যক্ৰমে দেশ তথা জাতিৰ প্ৰতি আমাৰ কৰ্তব্যবোধ জগাই তুলিব পাৰিব লাগিব। আকৌ আমোলামুখী শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাই পৰিৱৰ্তিত সময়ৰ লগত খাপ-খোৱাকৈ নতুন শিক্ষাব্যৱস্থাৰ প্ৰবৰ্তন কৰিব লাগিব।

ছাত্ৰ সমাজে প্ৰতিজন মানুহকে সামাজিক দায়বদ্ধতা সম্পৰ্কে সচেতন কৰিব লাগিব। প্ৰতিজন মানুহৰে যে দেশ তথা জাতিৰ বাবে কৰণীয় আছে আৰু প্ৰতিজন ব্যক্তিয়ে যে দেশ আৰু জাতিৰ বাবে বিভিন্ন ধৰণে কাম কৰিব পাৰে, সেই সম্বন্ধে ছাত্ৰ সমাজেই তেওঁলোকক সচেতন কৰিব পাৰে। বিভিন্ন অপকৰ্ম, দুৰ্নীতি, অপসংস্কৃতি আদি ৰোধ কৰাৰ বাবে ছাত্ৰ সমাজে বিভিন্ন ব্যৱস্থা ল'ব পাৰে। কোনো ব্যক্তিয়ে যাতে অপকৰ্মত লিপ্ত হ'ব নোৱাৰে তাৰবাবে চুবুৰীয়ে চুবুৰীয়ে স্বেচ্ছাসেৱক বাহিনী খুলি দিও এইক্ষেত্ৰত নজৰ দিয়াব পাৰে। মুঠতে প্ৰতিটো অপকৰ্মৰ বিৰুদ্ধে ছাত্ৰসমাজ সংঘবদ্ধ হ'লে সামাজিক অৱক্ষয় ৰোধ কৰাটো বিশেষ কঠিন কাম নহয়। আনহাতে ৰাজনৈতিক শক্তিবোৰেও যাতে সমাজত ৰাজনৈতিক মুনাফাৰ বাবে বিভেদৰ সৃষ্টি কৰিব নোৱাৰে তাৰ প্ৰতিও সদা-সৰ্তক হৈ থাকিব পাৰে।

- নয়ন কাশ্যপ

(১৯৯৫-৯৬ চনৰ গোৱালপাৰা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰৰ পৰা সম্পাদিত ৰূপত পুনৰ প্ৰকাশ কৰা হ'ল )



# হালধি

ডঃ ভাৰতী শৰ্মা

*অতি প্ৰাচীনকালৰে পৰা আদিম মানৱে গছ-গছনি, বন-লতাকেই জীৱন-ধাৰণৰ প্ৰধান আহিলা হিচাপে লৈ জীৱন-যাপন কৰিছিল। ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চল প্ৰায় ষাঠী শতাংশ (৬০%) গছ-গছনিৰে আবৃত হৈ আছে। ইয়াৰে বিশেষভাৱে উল্লেখযোগ্য হ'ল ঔষধিযুক্ত আৰু ভেষজ উদ্ভিদ সমূহ। গৱেষক সকলে প্ৰায় ১,৫০০ প্ৰজাতিৰ ঔষধি উদ্ভিদ উত্তৰ-পূৰ্বাঞ্চলত থকা বুলি ঠাৱৰ কৰিছে। ইয়াৰ ভিতৰত অন্য এক মূল্যৱান আৰু গুৰুত্বপূৰ্ণ আমাৰ সদা ব্যৱহৃত চিৰ পৰিচিত উদ্ভিদ হ'ল হালধি –*



যাক ইংৰাজীত Turmeric বুলি কোৱা হয়। ই Zingiberaceae গোত্ৰৰ অন্তৰ্ভূক্ত। ইয়াৰ বৈজ্ঞানিক নাম *Curuma longa*। হালধি এবিধ শাক-বন জাতীয় বহুবৰ্ষজীৱি উদ্ভিদ। ইয়াৰ কাণ্ড 'ৰাইজম' জাতীয় (মাটিৰ তলত থকা মঙহাল অংশ) আৰু পাতবোৰ ডাঙৰ, উজ্জ্বল, সেউজীয়া হয়। হালধি গছজোপা ৩ ৰ পৰা ৫ ফুট পৰ্য্যন্ত ওখ হয়। ইয়াৰ এশতকৈ অধিক প্ৰজাতি আছে। হালধিৰ 'ৰাইজম' ডাঠ হালধীয়া বৰণৰ পৰা কমলা ৰঙৰ হয় আৰু প্ৰায় ৭ৰ পৰা ১৫ মিঃমিঃ ডাঠ আৰু ২.৫ ৰ পৰা ৭ চেঃমিঃ দীঘল হয়। হালধি খেতিৰ বাবে গৰম আৰু সেমেকা বতৰৰ লগতে যথেষ্ট পৰিমানৰ পানী আৰু সাৰৰ প্ৰয়োজন হয়। ভাৰতবৰ্ষই বছৰি প্ৰায় ১,৪৩,৯০০ টন হালধি উৎপাদন কৰি বিশ্বৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰি আহিছে। ভাৰতবৰ্ষৰ পৰাই বিশ্ব বজাৰলৈ প্ৰধানত হালধি ৰপ্তানি হয়।

হালধিৰ প্ৰকৃত উৎপত্তি স্থল অনিশ্চিত যদিও দক্ষিণ পূৱ এচিয়াত উদ্ভৱ হোৱা বুলি ঠাৱৰ কৰা হৈছে। বিশেষ ভাৱে কোচিন, চীন আৰু পূৱ-ভাৰতত। ইয়াৰ উপৰিও বেংগল, মহাৰাষ্ট্ৰ, তামিলনাডু, উৰিষ্যা আৰু অন্ধ্ৰপ্ৰদেশতো খেতি কৰা হয়। হালধিৰ সুন্দৰ ৰঙৰ বাবে বিভিন্ন ধৰণৰ ব্যঞ্জণ, আচাৰ আদিত ইয়াক ব্যৱহাৰ কৰা হয়। ইণ্ডোনেচিয়া আৰু পশ্চিমীয়া সুমাত্ৰাত সতেজ হালধিৰ পাত সুগন্ধীৰ বাবে ব্যৱহাৰ কৰা হয়।

এই হালধীয়া 'ৰাইজম'ত ক্ষাৰযুক্ত পদাৰ্থ, অত্যাৱশ্যকীয় তেল থাকে আৰু ৰঙৰ সন্নিৱেশ হ'ল্‌ - 'কাৰকুমিণ'। হালধিৰ 'ৰাইজম'ত থকা ৰঙা, কমলা বা ৰঙা ঈষৎ মুগা বৰণৰ বাবে ইয়াক কাপোৰ আৰু খাদ্যত ৰং কৰাত ব্যৱহাৰ কৰা হয়। হালধিৰ 'ৰাইজম'ৰপৰা 'কাৰকুমিন' পৃথক কৰিব পাৰি। কাৰকুমিনৰ ৰাসায়নিক সংকেত হ'ল $C_{21}H_{20}O_6$।

হালধিত প্রটিন ৬.৩ শতাংশ, চৰ্বি ৫.১ শতাংশ, চেলুলজ আৰু শ্বেতসাৰ ৬ শতাংশ আৰু খনিজ লৱন ৩.৫ শতাংশ নিহিত হৈ থাকে।

ঔষধি গুণেৰে ভৰপূৰ বাবে ভাৰতবৰ্ষত নিতৌ বিভিন্ন পদ্ধতিত ইয়াক ব্যৱহাৰ কৰা হয়। থেতেলা খোৱা বা আঘাত পোৱা অংশ আৰু জোকে কামুৰিলে কেঁচা হালধীৰ ৰস বা গুড়ি ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ উপৰিও হালধিক পৰম্পৰাগত পদ্ধতিৰে তেজ বিশুদ্ধকৰণ, কুষ্ঠ, নেৰানেপেৰা জ্বৰ, যকৃতৰ বেমাৰ, চকুৰ প্ৰদাহ, খৰ-খজুৱতী, ছাল-ফটা বা ছাল সোঁতোৰা পৰা, ঘামচি, কাণৰ পৰা পুঁজ ওলোৱা, ঘাঁ-ফোঁহা, বাত বিষ আদি ৰোগত অনেকে ঔষধ হিচাপে ব্যৱহাৰ কৰি আহিছে। ইয়াৰ উপৰিও গৱেষণাৰপৰা দেখা গৈছে যে হালধি এবিধ কৰ্কট ৰোগৰো প্ৰতিষেধক। গৱেষণাগাৰত জন্তুৰ ওপৰত গৱেষণা কৰি এইটো প্ৰমাণ কৰিছে যে বিভিন্ন ধৰণৰ কৰ্কট ৰোগ যেনেঃ ছাল, স্তন, মলাশয়ত হোৱা এই ৰোগ হালধিত থকা 'কাৰকুমি'নে প্ৰতিৰোধ কৰিব পাৰে। হালধিৰ সক্ৰিয় উপাদান 'কাৰকুমিণ' এলাৰ্জি, সিৰামুৰিয়ে ধৰা, বেক্টেৰিয়া, ভেঁকুৰ আদিৰ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা আছে। হালধিৰ ইমানবোৰ সৎ গুণ থাকিলেও কেতিয়াবা কিছু উপৰুৱা সমস্যাৰো সৃষ্টি কৰিব পাৰে। বহুদিন ধৰি হালধি ব্যৱহাৰ কৰিলে অথবা খালে কোনো কোনো লোকৰ এলাৰ্জী বা পাকস্থলীত বেমাৰ আদিও হ'ব পাৰে। সেয়ে কিছু ক্ষেত্ৰত হালধী ব্যৱহাৰত সতৰ্ক হোৱাৰ প্ৰয়োজন –

(১) যদিহে আপুনি এগৰাকী গৰ্ভৱতী বা স্তন পাণ কৰোৱা শিশু মাতৃ তেন্তে হালধি খোৱাৰ আগতে ডাক্তৰৰ লগত পৰামৰ্শ কৰি ল'ব।

(২) গল ব্লাডাৰ আৰু পাকস্থলীত হোৱা ঘাঁ আদি বেমাৰৰ বাবে হালধি সেৱণ কৰাটো উচিত নহয়।

(৩) হালধি খালী পেটতহে খাব লাগে। সৌন্দৰ্য্য চৰ্চ্চাৰ ফালৰ পৰাও ইয়াৰ ব্যৱহাৰ অতুলনীয়। ছাল মসৃণ আৰু উজ্জ্বল কৰিবলৈ কেঁচা হালধি মিহিকৈ পিহি গাখীৰৰ সৰৰ লগত ব্যৱহাৰ কৰিব লাগে।

নাৰী সমাজত জনপ্ৰিয় 'কুম-কুম' হালধীৰ পৰাই উৎপাদন কৰা হয়।

হালধিক হিন্দুসকলে পবিত্ৰ বুলি গণ্য কৰি বিভিন্ন ধৰ্মীয় উৎসৱ, অনুস্থান আদিত ব্যৱহাৰ কৰি আহিছে। বিয়া, উপনয়ন, চুড়াকৰণ আনকি মৃতকৰ সৎকাৰতো হালধি অপৰিহাৰ্য্য। ইয়াৰ উপৰিও ৰঙালী বিহুত প্ৰতিজন অসমীয়াই মাহ-হালধীৰে স্নান কৰাটো এটা পৰম্পৰাগত ৰীতি। কেৱল মানুহেই নহয় গৰুকো মাহ-হালধিৰে স্নান কৰাই দিয়া প্ৰথাটো এতিয়াও চলি আছে।

অন্যান্য প্ৰাকৃতিক সম্পদৰ লগত হালধি ব্যৱহাৰ কৰি নানাবিধ প্ৰয়োজনীয় ভেষজ ঔষধ, প্ৰসাধনৰ সামগ্ৰী ইত্যাদি তৈয়াৰ কৰা হয়। গতিকে বিভিন্ন দৃষ্টিভঙ্গীৰে দেখা গ'ল যে হালধি আমাৰ দৈনন্দিন জীৱনৰ এটা প্ৰধান আহিলা স্বৰূপ।

---

লেখিকা প্ৰাক্তন প্ৰবক্তা, গোৱালপাৰা মহাবিদ্যালয়, বৰ্তমান জাগীৰোড় মহাবিদ্যালয়ৰ প্ৰবক্তা।

> যুক্তি-বিজ্ঞান-বিবেক আৰু উদাৰ মানৱতাবোধ প্ৰগতিশীল চিন্তাৰ প্ৰধান উপজীৱ্য। কলা শিল্পত এনে চিন্তাই মূৰ্ত্তিমান হৈ আধুনিক উন্নত প্ৰচাৰ মাধ্যমৰ যোগেদি সমাজৰ চেতনা, বৌদ্ধিকতা আৰু সৌন্দৰ্য বৃদ্ধিত সহায় কৰে। এনে কলাৰ বৌদ্ধিক ক্ষেত্ৰ বিশাল আৰু বিশ্বজনীন। ই মানুহৰ নান্দনিক চিন্তাক জগতৰ সকলো বৈচিত্ৰময় ক্ষেত্ৰৰ লগতেই জড়িত কৰে। এনে উন্নত শিল্প সাহিত্যই মানুহৰ সৌন্দৰ্য জ্ঞান আৰু ৰুচীবোধ বৃদ্ধি কৰি তাক বহল সমাজ জীৱনলৈ গতিশীল কৰে। ফলত ই মানুহৰ সামাজিক চেতনা, প্ৰগতিশীল ধ্যান-ধাৰণা, দায়বদ্ধ অনুভূতি, সুস্থ দৃষ্টিভঙ্গী, সবল মতামত আৰু বুদ্ধিমান বিশ্ববীক্ষা গ্ৰহণ কৰিবলৈ মানসিক প্ৰেৰণা যোগায়।
>
> \- তোযেশ্বৰ চেতিয়া



# গোৱালপৰীয়া লোকগীতত পৰিস্ফুট তিনিটি সামাজিক প্ৰতিচ্ছৱি - বিয়া, ঘটক আৰু তন্ত্ৰ-মন্ত্ৰ

ৰীণা দাস

*কোনো এটা জাতি বা অঞ্চলৰ অতীত জীৱনৰ অভিজ্ঞতা লাভ কৰিবলৈ হ'লে সেই জাতিটোৰ বা অঞ্চলটোৰ জন সাহিত্যৰ বিষয়ে জানিবলগীয়া হয় কাৰণ লোক সাহিত্যই প্ৰত্যেক জাতিৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, ভয়-ভক্তি, লোক-বিশ্বাস, চিন্তাধাৰা আদিৰ পৰিচয় বহন কৰে। সেয়াই জানো সামাজিক চিত্ৰ নহয়? যদি হয় তেন্তে ক'ব পাৰি লোক সাহিত্যৰ জন্ম হয় সমাজৰ ৰুচি আৰু অনুকূল ভাৱধাৰাৰ ওপৰত ভিত্তি কৰি। লোক সাহিত্যৰ প্ৰধান বিভাগ হ'ল লোকগীত।*

আন জাতি বা অঞ্চলৰ কথা এৰি অসমীয়া লোকগীতলৈ চকু ফুৰালে দৃষ্টিপটত ভাঁহি উঠে অসমীয়া মানুহে জন্মৰপৰা মৃত্যুলৈকে পালিত বিভিন্ন ধৰ্মকাৰ্য আৰু আচাৰ অনুষ্ঠানৰ সৈতে থকা গীতবোৰৰ সম্বন্ধ।

অসমীয়া লোকগীতৰ এটি শাখা গোৱালপৰীয়া লোকগীততো গোৱালপাৰাবাসীৰ সমাজ জীৱনৰ সুন্দৰ সজীৱ প্ৰতিচ্ছৱি বিচাৰি পোৱা যায়। এইখিনিতে ক'বলগীয়া হয় যে গোৱালপৰীয়া লোকগীতৰ আলোচনা কৰিবলৈ হ'লে সম্প্ৰতি গোৱালপাৰা জিলাৰ ভিত্তিত আলোচনা কৰাটো সম্ভৱপৰ নহয়। এই আলোচনাত অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলাৰ গীতক সাঙুৰিবই লাগিব। কাৰণ সংস্কৃতিৰ একেডাল দোলেৰে অবিভক্ত গোৱালপাৰাৰ সমগ্ৰ ভূখণ্ড আবদ্ধ। এনেদৰে ভবাৰ যুক্তিও নথকা নহয়। গোৱালপৰীয়া লোকগীতৰ মাজেদি মাহুত, মৈষাল, গাড়ীয়াল, ঢাকুৱা, ফান্দী, নাইয়া, দোতাৰাবাদক, স্বামী, দেৱৰ, প্ৰেমিক, দেৱানী, কৃষক, মাছুৱৈ, সোণাৰী, শাহু, ননদ, নাচনী, ভাউজী, প্ৰেমিকা, গায়িকা, নাচনী, প্ৰেম-প্ৰীতি, বিয়া, ধৰ্ম, ঘটক, বিশ্বাস, তন্ত্ৰ-মন্ত্ৰ আদি ভালে সংখ্যক সামাজিক প্ৰতিচ্ছৱি ফুটি উঠিছে। এই আলোচনাত বিয়া, ঘটক আৰু তন্ত্ৰ-মন্ত্ৰ সম্পৰ্কে আলোচনা কৰাৰ প্ৰচেষ্টা কৰা হৈছে।

গোৱালপৰীয়া লোকগীতত গীতিকাৰ সকলে সমাজৰ উচ্চ-নীচ উভয় শ্ৰেণীৰ মানুহৰ সৰু-বৰ সকলো কথাকে হৃদয়স্পৰ্শী ৰূপত অংকিত কৰিবলৈ চেষ্টা কৰিছে। বেছি সংখ্যক গীততে বিয়াৰ কথা পোৱা যায়। বিয়া হ'ল এজন যুৱক আৰু এগৰাকী গাভৰুই যুগ্ম জীৱন-যাপন কৰিবলৈ স্বীকৃতি পোৱাৰ বাবে লোৱা এডাল সামাজিক এনাজৰী। এই এনাজৰীক অস্বীকাৰ কৰা মিলন সামাজিক দৃষ্টিত অবৈধ।

গোৱালপৰীয়া লোকগীতত গোৱালপাৰা অঞ্চলৰ বিয়াৰ কিছু স্পষ্ট বিৱৰণ পোৱা যায়। বিয়া বিষয়ক এই গীতবোৰত প্ৰায়ে 'পণ' লৈ ছোৱালী বিয়া দিয়াৰ কথা পোৱা যায়। 'পণ' বা 'গা ধন' মানে হ'ল বিয়াৰ আগতে দৰাপক্ষই কইনা পক্ষক আগধন দি বিয়া ঠিক কৰা প্ৰথা। এনেগীত দুঁফাকি হ'ল -

"তোমাৰ বাৰীত যাবাৰ আশে
বাচ্চা মাইটোক খালু বেচে।'
— আকৌ
দাদা দুইশ টাকা পোন দিয়া
বেচেয়া খালু দাদা বুঢ়া বৰ
দেখিয়া"

এনেবোৰ গীতত গোৱালপাৰাবাসীৰ আৰ্থিক দুৰৱস্থাৰ চিত্ৰ বিচাৰি পোৱা যায়। দ্বিতীয় ফাঁকি গীতৰ বুঢ়াজন নিশ্চয় ধনী মানুহ। সেয়ে তেওঁ দুশ টকা ধন দি নাতিনীসম ছোৱালীজনীক বিয়া কৰাই নিব পাৰিছে। আনহাতে দুখীয়া হোৱা বাবেহে ককায়েকে তেওঁৰ ফুল-কুমলীয়া মৰমৰ গাভৰু ভনীজনীক বৃদ্ধ মানুহ এজনলৈ বিয়া দিবলগীয়া হৈছে।

ছোৱালী 'বেচেয়া খোৱা' এই গীতবোৰৰ মাজত লিখক সকলে নাৰী মনৰ সংবেদন সুন্দৰভাৱে দাঙি ধৰিবলৈ চেষ্টা কৰিছে এনেদৰে -

"হায়ৰে হায়
গুন দয়াৰ দাদা,
দাদা কওং তোৰ আগে
গাবুৰ বয়সে বুঢ়া পুৰুষ
মনত নাগেনা।

নাতিনী লেখীয়া গাভৰুজনীক পাই বুঢ়াই আত্মসন্তুষ্টি হয়তো লভিছে; কিন্তু গাভৰু দেহৰ কেঁচা কঁপনিৰ উপশম কৰিব পৰাটো বুঢ়া দেহৰ বাবে সম্ভৱপৰ নহয়। অৱশেষত তাই পলাই আহি ককায়েকৰ আগত মনৰ খেদ ব্যক্ত কৰি কৈছে 'গাবুৰ বয়সে বুঢ়া পুৰুষ মনত নাগেনা।'

গোৱালপৰীয়া লোকগীতত পুনৰ বিবাহৰ স্পষ্ট ছবিও পৰিস্ফূট হৈ উঠা দেখা যায়। গীতত 'সাংনা ভাতাৰ' শব্দটো পোৱা যায়। এই কথাই বিবাহিত পতিৰ মৃত্যুৰ পিছত অথবা পতিয়ে এৰি দিয়াৰ পিছত তিৰোতাই পুনৰ বিয়া হোৱাৰ কথাকে সূচায়। এনে ব্যৱস্থা অকল যে গোৱালপাৰাতে আছে এনে নহয়। অসমৰ আন আন অঞ্চলতো প্ৰচলন থকাৰ অনেক প্ৰমান পোৱা যায়। কামৰূপত এনে প্ৰথাক 'ধেমনা যোৱা' বা 'পাউচা নিয়া' বুলি কোৱা হয়। তিৰোতাৰ পুনৰ বিবাহ হ'লে 'ধেম্‌নি যোৱা' বুলি কোৱা হয়। এনে এফাঁকি গীত -

"বুঢ়া হৰিৰ নামেৰ মালা জপে
একাদশীৰ ব্ৰত পালে
ঐ বুঢ়াটায় বিদুৱা নিবাৰ চায়
উবাৰ বাপ জেঠা গুলায় কয়
বিদুৱা নিবাৰ হবাৰ নয়
এগলানটা কেমন কথা হয়।"

হৰি নামৰ মালা পিন্ধি একাদশীৰ ব্ৰত পালন কৰা বুঢ়া জনেও 'বিধবা' বা বিয়া কৰাই পুনৰ সংসাৰ পাতিব বিচাৰে। এনে ধৰণৰ গীতবোৰে বিমল হাস্যৰসৰ যোগান ধৰে। হাস্যৰসৰ খোৰাক যোগোৱা এটি গীতত পোৱা যায় - আগতে বিয়া কৰাই বুঢ়া হোৱা মানুহ এজনে ওচৰত ধুনীয়া ছোৱালী দেখি তেওঁ মনত তাইৰ প্ৰতি উদয় হোৱা হাবিয়াস ব্যক্ত কৰি সেই মুহূৰ্ত্তত তাইক বিয়া কৰাব বিচৰা তেওঁ মনৰ কথা। ব্যক্ত কৰিছে

চেংৰি তোৰ কিসেৰ বাৰাকৰি
তই ওলাও তাৰাতাৰি
তোক যদি নাপাংৰে চেংৰি
গলায় লাগাম জৰি।
যিয়ো একটা আপি আনলং
সিয়ো হ'ল মোৰ বুজা হায় হায়
সিয়ো হ'ল মোৰ বুজা
অলপো চলপো কথা কইলে
নাপায়তো বুজা ৰে
......
ধেৎ তেৰিকা চালাৰ মন
এই সময়তে বিয়া কৰাবাৰ মন।"

আৰ্থিক দুৰৱস্থাত প অসহায় বিধবাই 'কাইনত বহা' বা পুন বিবাহ-পাশত আবদ্ধ হোৱা কথাও গীতত স্পষ্টভাৱে ফুটি উঠিছে। এ গীতত বিয়াৰ পিছত তিৰোতা গিৰীয়েকৰ কিল্ চৰ খাই জীৱ কটোৱাৰ কৰুণ ছবি কেবাটিও গীত ফুটি উঠিছে। এনে এটি গীত হ'ল -

"হাউচত থাকিয়া বসনু বিয়াও
ও মই ধানেৰ ভাতেৰ
আশেৰে ম
কাওনেৰ ভাতেৰ আশে,
এলা ধানো নাই চাউলো নাই
কিলায় মাসে মাসে।
কিলাইতে কিলাইতে ছেড়া ও -
ও মোৰ পিঠিত কৰিল কুজ
ৰে মোৰ পিঠিত কৰিল কুজ
সৰকাৰ মশাই আসিয়া কয়
কাইনেৰ মজা বুজ।"

গোৱালপৰীয়া বিয়া বিষয় অথবা দাম্পত্য জীৱন সম্পৰ্কী গীতত প্ৰায়ে লগ পোৱা চৰিত্ৰ এ হ'ল ঘটক। ঘটকৰ কাৰ্য কলাপ হ সমাজত দৰা-কইনাৰ বিয়া ঠিক ক দিয়া। কেতিয়াবা কেতিয়াবা তিৰো মানুহো ঘটকালি কৰা দেখা যায় কন্যা-দৰা দুয়োপক্ষৰে ঘটক থাকি পাৰে। বিয়া ঠিক কৰি দিয়া বাবে ঘট হয় কইনা নহয় দৰা পক্ষৰপৰা ট লোৱা কথা গীতত পোৱা যায়। এই চৰিত্ৰ প্ৰাচীন পুৰণা শাস্ত্ৰৰ নাৰ আৰ্হিতে গঢ় লৈ উঠা যেন লাগে



আমি পুৰাণ শাস্ত্ৰৰ কথা এৰি আমাৰ পৰিচিত অনন্ত কন্দলীকৃত 'কুমাৰ হৰণ' কাব্যলৈ চকু ফুৰাওঁ তেন্তে তাত দেখিবলৈ পাম যে নায়ক-নায়িকা উষা-অনিৰুদ্ধৰ মিলন ঘটাবলৈ চিত্ৰলেখাই যি কাৰ্য্য কৰিছে সেয়া ঘটকৰে অনুৰূপ। তেনেদৰে শঙ্কৰ দেৱ কৃত 'ৰুক্মিনী-হৰণ' নাটকলৈ চালেও তাত শ্ৰীকৃষ্ণ-ৰুক্মিনীৰ মিলন ঘটাবলৈ বেদনিধিয়ে যি কাৰ্য কৰিছে সেয়া ঘটকৰ কাৰ্যৰ বাহিৰে অন্য নহয়। অৱশ্যে গোৱালপৰীয়া লোকগীতৰ মাজত বিচাৰি পোৱা ঘটকৰ সৈতে চিত্ৰলেখা-বেদনিধিৰ পাৰ্থক্য হ'ল চিত্ৰলেখা বেদনিধি অথবা পুৰাণৰ নাৰদ স্বাৰ্থহীন, কিন্তু গীতৰ ঘটক স্বাৰ্থ জড়িত।

গোৱালপৰীয়া লোকগীতত সুপৰিচিত এই ঘটক চৰিত্ৰটো অহা বুলি শুনা মাত্ৰকে দৰা বা কইনাৰ মন কঁপি উঠে কেতিয়াবা আপোনজনক হেৰুৱাৰ চিন্তাত, কেতিয়াবা অচিনাকীৰ লগত সম্বন্ধ পতাৰ চিন্তাত, কেতিয়াবা ভৱিষ্যৎ দাম্পত্য জীৱনৰ ৰঙীন কল্পনাত। গীতত আছে -

ও কি দাদাৰে
আইছে ঘটক দাদা
মোক নাষান বেচেয়া ৰে।
ওৰে দাদা,
ঘটক আইসে মাসে মাসে,
গুৱা কাটেন দাদা জপ নাদেন ৰে,
ও কি দাদাৰে,
মনেৰ আগুন দাদা উঠিবে
জ্বলিয়াৰে।।
উচা ঘৰেৰ দাদা নিচা চালি,
কতোয়ে শুনিম দাদা
ভাউজীৰ গালি।
ওকি দাদাৰে,
আইসে ঘটক দাদা,
মোক নাষান বেচেয়াৰে।"
শুনছি ঘটকেৰ মুখে
টাকা আছে, পইচা আছে,
সোণা আছে, ৰূপা আছে,
সোণাৰ ডুল গড়েয়া দিবে,
মোক বলে বেচেয়া খাবে
তেমল ঘৰে।"



(শব্দ - জপ, ভাউজী, তেমলা। অৰ্থসমূহ হ'ল যথাক্ৰমে - বিয়া দিম বুলি দিয়া কথা, নবৌ, তিনিমহলা ঘৰ থকা গৃহস্থৰ ঘৰ বা তিনিফালে ঘৰ থকা গৃহস্থৰ ঘৰ।)

বিয়া ঠিক কৰি দিবলৈ গৈ ঘটকে কেতিয়াবা মিছা কথাৰ আশ্ৰয় নোলোৱাকৈ নাথাকে। এনে ক্ষেত্ৰত ডাঙৰ ধূৰ্তামি হ'ল সুন্দৰী গাভৰুক কন্যা হিচাপে দেখুৱাই পিছত আংগিক বা মানসিক ভাৱে দোষযুক্ত অথবা দেখিবলৈ বেয়া ছোৱালীক বিয়া দিয়া কাৰ্য। কেতিয়াবা দৰাৰ ক্ষেত্ৰতো এনে মিছা কথাৰ আশ্ৰয় লোৱা দেখা যায়। এনে ক্ষেত্ৰতে বিয়াৰ পিছত ঘটকে দৰা বা কইনা পক্ষৰ পৰা গালি শুনিব লগীয়া হয়। এনেকি কেতিয়াবা শাও-শপনিও খাব লগীয়া হয়। তলত এনে চিত্ৰৰে চিত্ৰিত গীত হ'ল -

কন্যাৰ কিবা দোষ আছেৰে
ঘটক শালা পাঁজি,
একে কন্যা যম পাল্টী
তাতে হইল দাৰুণ টোসী
ডাইন চ'উকটা ফলি
বাও চউকে দেখে,
কইনাৰ কিবা দোষ আছেৰে।"

তেনেদৰে

" ঘটক শালা পাজি
একে পাওৰ যম পালাটী
তাত হ'ইল দাৰুণ টোমী;
মুখত বসন্তেৰ খাটী
ঠেংটা হেস্‌কে হাটে,
পাওৰ কিবা দোষ আছে ৰে।"

(শব্দ - যম, পাল্টী, টোমী, ফালি, হেস্‌কে। অৰ্থ সমূহ হ'ল যথাক্ৰমে - ধুম, পলৰীয়া, কালৰী, চকুতপৰা বগা দাগ, খোৰাই)

ঘটকৰ চলাহী কথাৰ বশৱৰ্তী হৈ ধনী ঘৰ বুলি ছোৱালী বিয়া দি কঁপালত থপৰিয়াব লগীয়া হোৱা অভিভাৱকৰ ছবিও গীতত ফুটি উঠিছে এনেদৰে -

"উমাৰ বাৰীত যাবাৰ আশে
বাচ্চা মাইয়োটাক খালু বেচে
সৰকাৰ পৰধনী দেখিয়া
ছেড়া নাম যোগাইছে পৰধনী
চাউলকিনীয়া খায় ভাত
নেদাং মুই ঘটবেৰ মাথাত।।"

ধনী মানুহ বুলি কৈ দুখীয়াৰ লগত বিয়া ঠিক কৰি দিয়া কন্যাৰ মনৰ বিষাদ নিগৰি ওলাইছে ঘটককপৰা

গালিৰ মাজেৰে এনেদৰে -
খাওবাৰ যদি নাপাইসৰে
ভাটাইত
কেনে নাইয়োৰে গোটাইৰে
ভাটাইত ?
মাব্‌কেবাৰ যদি নাপান বে ঘটক,
কেনে ঘটকী কৰেন;
ছাগল বান্ধা ঠংলী দিয়া
ফাটাইম ঘটকেৰ মাথাৰে
ভাটাইত।"

(শব্দ - নেদাং, ভাটাইত, মাব্‌কেবাৰ, ঠংলী। অৰ্থ সমূহ হ'ল যথাক্ৰমে - লথিয়াও, আলোচনা কৰি বিয়া দিবলৈ ঠিক কৰা ব্যক্তি, চম্ভালিবাৰ, বচি)

লোভৰ লালসাই মানুহক বহু তললৈ নমাই নিব পাৰে। ঘটকে লোভৰ লালসাত পৰি ভৰ যুৱতী নাৰীৰ বিয়া নাবালক ল'ৰা বা বুঢ়াৰ লগত ঠিক কৰি দিয়ে। ফলত তেনে বিবাহিত স্বামী স্ত্ৰীৰ মাজত অশান্তিৰ সৃষ্টি হয়। সেই বিয়া বিয়া নহৈ বেমেজালিহে হয়। এনে এফাঁকি গীত -

"আৰু নাবালক মোৰ স্বামী ধনৰে
সন্ধ্যা হ'ইলে শোতে
ওৰে নিন্দৰ আলিসে স্বামী ধন
যোৰে
মাও বুলিয়া ডাকেৰে।"

গাভৰু নাৰীৰ জীৱন-যৌৱন সৰ্বস্ব। যৌৱনে যৌৱনহে বিচাৰে। নাবালক বা শৈশৱ নিবিচাৰে। তেনেদৰে বাৰ্দ্ধক্যও আশা নকৰে। নাবালক পতিৰ সৈতে বিবাহ হৈ জীৱন যৌৱনৰ আশা সমূলি পানী হোৱাত প্ৰাণৰ দুখত, মনৰ খঙত তাই মাক, দেউতাক আৰু ঘটকক তিৰস্কাৰ কৰা গীতৰ কলি হ'ল -

"বাপ মৰুক মাও মৰুক,
ভাইয়োক খাওক সাপে,
ঘটক মৰা পৰিয়া মৰুক,
নিধুৱা (শূণ্য) পাথাৰে।"

তেনেদৰে

"মাও কয় মোক ছোটবে ছোট.
বৰ কয় মোক বাবা;
ঘটক মৰা ফাঁকি দিল মোক
বাপে দিল মোক বিয়া।।
বাপক খাউক বুঢ়া বাঘে।
মাওক খাউক সাপে;
ঘটক মৰা মাৰিয়া থাকুক
নিধুৱা পাথাৰে ৰে ।"

অকল ইমানেই নহয়; ভালে সংখ্যক গীতত কোনোৰে গিৰিয়েক অকৰ্মন্য হোৱাৰ বাবে, কোনোৰে মদাহী-জুৱাৰী হোৱা বাবে, কোনোৰে গিৰিয়েকৰ অত্যাচাৰ উৎপীড়নত অতীষ্ঠ হৈ, কোনোৰে দুৰাস্তৰত বিয়া দিয়া বাবে ঘটকক অভিশাপ দিয়াৰ বিৱৰণ পোৱা যায়। নকৈ নোৱাৰি যে, ঘটকে মানৱ জীৱনত বিয়াৰদৰে শুভ কাৰ্য্য কৰে সঁচা কিন্তু এনে শুভ কাৰ্য্যৰ পৰিণতি যদি অশুভ হয় তেনে ঘটক দোষী সাব্যস্ত হয় আৰু গালি, শাও-শপনি খাবলগীয়া হৈ পৰে।

বিয়া আৰু ঘটকৰ দৰে গোৱালপৰীয়া লোকগীতত পৰিস্ফুট ৰূপ এটি হ'ল তন্ত্ৰ-মন্ত্ৰ। আজি সম্পূৰ্ণ বিজ্ঞানৰ যুগতো গোৱালপাৰাৰ মানুহে মন্ত্ৰৰ প্ৰতি থকা অগাধ বিশ্বাস এৰিব পৰা নাই বুলিয়েই ক'ব পৰা যায়। সৰু-সুৰা বেমাৰ-আজাৰ হ'লে তৎক্ষণাৎ ডাক্তৰৰ ওচৰ নাচাপি বেজ বা ওজাৰ হতুৱাই তন্ত্ৰ-মন্ত্ৰৰ চিকিৎসা কৰে। এনে কিছুমান মন্ত্ৰ হ'ল সাপৰ মন্ত্ৰ, ভূত-পিশাচৰ মন্ত্ৰ, বেমাৰ-আজাৰৰ মন্ত্ৰ, বশীকৰণ মন্ত্ৰ আদি। গোৱালপাৰা সমাজৰ দুটা মনোৰম চৰিত্ৰ হ'ল মৈষাল আৰু মাহুতৰ চৰিত্ৰ। সাধাৰণ শিক্ষা-দীক্ষাত পিছপৰা ম'হ আৰু হাতীৰ মালিকৰ ঘৰত কম দৰ্মহাত চাকৰি কৰি জীৱন-নিৰ্বাহ কৰা সমাজৰ নিম্ন স্তৰৰ আৰু আৰ্থিক ভাৱে দুৰ্বল শ্ৰেণীৰ মানুহ হ'ল মৈষাল আৰু মাহুত। ম'হ ৰাখিবৰ বাবে মৈষালে খৰালি কালত চৰ-চাপৰিত আৰু বাৰিষাকালত পাহাৰৰ নামনিলৈ ঘৰ বাৰি এৰি যাবলগীয়া হৈছিল। তেনেদৰে মাহুতে প্ৰকাণ্ড হাতী চলাই ঝাৰ-ঝাৰণি, বন-বননি, অৰণ্য, দেশ-দেশান্তৰে ঘূৰি ৰ'দ-বতাহ, বৰষুণক আওকাণ কৰি নিজৰ কৰ্তব্য কৰি যাব লাগে। এই দুটা চৰিত্ৰক লৈ এশ এবুৰি গীত ৰচিত হৈছে। তেনে কিছু সংখ্যক গীতত মন্ত্ৰৰ কথা বিচাৰি পোৱা যায়। তেনেধৰণৰ এটি গীতত মৈষাল ম'হ চৰিবলৈ আহি নিজৰ পত্নীক বা প্ৰেমিকাক পাহৰি কোনোবা গোৱালপাৰাৰ ছোৱালীৰ প্ৰণয়-পাশত আবদ্ধ হ'ব বুলি মৈষাল পত্নীয়ে তেওঁক ম'হ চৰাবলৈ ওলোৱাত বাধা প্ৰদান কৰিছে এইদৰে —

"এখন না কইছং মইষাল
নাযান গোৱালপাৰা;
গোৱালপাৰাৰ চেংৰীগুলা
জানে ধুলা পোৰা (ঘাৰা)।"

গহীন হাবিৰ মাজত বেশি পৰিমানে বিষাক্ত সাপ থাকে। তেনে গহীন হাবিত গৈ মাহুতে হাতী চিকাৰ কৰিবৰ বাবে যাবলগীয়া হয়। হাতী ধৰিবলৈ গৈ মাহুতে শিবিৰত থাকোঁতে তাত কোনোবা নাৰীৰ প্ৰণয় পাশত কেতিয়াবা আবদ্ধ হৈ পৰে। এই গীতত হাতী ধৰিবলৈ যাওঁতে মাহুতক সাপে কামোৰে আৰু তেতিয়া মাহুতক জৰা-ফুকা কৰাৰ বিৱৰণ দাঙি ধৰিছে এনেদৰে —

"হস্তী নৱান, হস্তী চৰান
কাকোৱা বাশেৰ আড়া।
ওৰে কি সাপে দংশিলেক
বন্ধুৱাক
বন্ধুৱা হ'ইল মোৰ খোৱাৰে।।
ৰজায় মাৰে, গুনিকে আৰে
ঢেকীয়াৰ আগাল দিয়া
ওৰে মুই নাৰীটা ঘাৰং বন্ধুৱাক
কেশেৰ আগাল দিয়া ৰে।"

অৰ্থাৎ সাপে খুটিওৱা মাহুতক ৰজায় আৰু গুনিকে ঢেকীয়া পাতৰ আগেৰে জৰা আৰু মাহুতৰ প্ৰেয়সীয়ে চুলিৰ আগেৰে জৰাৰ কথা উল্লেখ কৰিছে। এই জৰা ফুকাই তন্ত্ৰ-মন্ত্ৰৰে ইংগিত বহন কৰে।

এইদৰে গোৱালপৰীয়া লোকগীতৰ মাজত পৰিস্ফুট বিয়া, ঘটক আৰু তন্ত্ৰ-মন্ত্ৰৰ লগত আন আন সামাজিক চিত্ৰই গীতবোৰক গীতি সাহিত্যত এখন স্থায়ী আসন প্ৰদান কৰি সাহিত্যিক মৰ্যদাই বৃদ্ধি কৰা নাই, লগতে প্ৰতিটো দৃশ্য, প্ৰতিটো চৰিত্ৰই, প্ৰতিটো কথাই গোৱালপাৰাৰ জন-সমাজৰ একো-একোখন প্ৰতিবিম্ব ৰূপে দাঙি ধৰিব পাৰিছে।


সহায় লোৱা গ্ৰন্থ হ'ল -
(১) ডঃ ধীৰেন দাসৰ - গোৱালপৰীয়া লোক সংস্কৃতি আৰু লোকগীত।
(২) ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ - ভাষা সাহিত্যৰ জলঙাইদি।


---


লেখিকা গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা।




সাহিত্য কলা হিচাপে প্ৰবন্ধৰ কেইটামান বিশিষ্ট লক্ষণ আছে। প্ৰথমতে ই হ'ব লাগিব সংক্ষিপ্ত। প্ৰবন্ধকাৰে তেওঁৰ ভাব আৰু অভিজ্ঞতা আটিল ৰূপত প্ৰকাশ কৰিব পাৰিব লাগিব। দ্বিতীয়তে প্ৰবন্ধ হ'ব লাগিব স্বয়ংসম্পূৰ্ণ। চুটি কৰাৰ ক্ষেত্ৰত লেখক সাৱধান হ'লেও তেওঁ কোনো কথা অসম্পূৰ্ণকৈ এৰিব নোৱাৰিব। প্ৰবন্ধৰ তৃতীয় তথা শেষ বৈশিষ্ট্য হ'ল বিষয়ৰ সীমাবদ্ধতা। ইয়াত লেখকে মাত্ৰ এটা বিষয় লৈ সেই বিষয়ে খৰচি মাৰি আলোচনা কৰিব লাগিব।

উপৰিউক্ত তিনিওটা লক্ষণ থকাৰ উপৰি প্ৰবন্ধ সাহিত্যৰ এটা অত্যাৱশ্যকীয় গুণ হ'ল ইয়াত থকা ব্যক্তিগত স্পৰ্শ।

- সতীশ চন্দ্ৰ ভট্টাচাৰ্য

# আধুনিক অসমীয়া উপন্যাসৰ কেইটিমান দিশ ..........



মঃ আজিজ

অসমীয়া উপন্যাসৰ এটা নতুন যুগ আৰম্ভ হৈছে দ্বিতীয় মহাসমৰৰ পাছৰে পৰা। এই যুগটোকে আমি আধুনিক উপন্যাসৰ যুগ বুলি ক'ব পাৰো। আধুনিকতাৰ আদর্শ সকলো ঠাইৰ সাহিত্যত একে নহয়। ইউৰোপীয় উপন্যাস সাহিত্যত আধুনিক উপন্যাস বুলিলে যি ধাৰণা মনলৈ অনা হয় সেই অর্থত 'আধুনিক' শব্দটো ইয়াত ব্যৱহাৰ কৰা হোৱা নাই। আচলতে পুৰণি আদর্শৰ পৰা আঁতৰি আহি নতুন ধাৰণা আৰু আদর্শ গ্ৰহণ কৰাৰ চেষ্টাতেই আধুনিকতাৰ জন্ম। সেই ফালৰপৰা দ্বিতীয় মহাসমৰৰ ঠিক পাছতেই অসমীয়া উপন্যাসত আধুনিক যুগৰ সূত্ৰপাত হৈছে বুলি ক'ব পাৰি। স্বাধীনতা লাভৰ পাছত নতুন চিন্তাধাৰাৰ প্ৰৱেশে কথা বস্তুৰ পৰিসৰ বৃদ্ধি কৰিলে। বিদেশী লেখকসকলৰ সৈতে গঢ়ি উঠা সম্পৰ্কও উপন্যাসৰ ৰূপ-বৈচিত্ৰ্যত সহায় কৰিলে। মনস্তত্বৰ অধ্যয়ণে অৱচেতনৰ গোপন কক্ষত থকা সত্য উদ্‌ঘাটনৰ পথ মুকলি কৰি দিয়াত চৰিত্ৰবোৰ নতুন ৰূপত উদ্‌ভাসি উঠিল। আনহাতে, আৰ্থিক অনাটনৰ তীব্ৰতাই মানুহৰ সমাজ-চেতনা জগাই তুলি সামাজিক উপন্যাসৰ বাবে প্ৰয়োজনীয় পৰিৱেশ গঢ়ি তুলিলে। মহাযুদ্ধৰ ফলত অর্থনৈতিক বৈষম্য, সামাজিক অবিচাৰ প্ৰমুখ্যে ভালেমান সমস্যাই জটিল ৰূপ ধাৰণ কৰিলে। এনেবোৰ কাৰণতে স্বাধীনতাৰ পাছৰে পৰা ঐতিহাসিক ধাৰাৰ পৰা ফালৰি কাটি আহি মানুহে সামাজিক প্ৰসংগৰ প্ৰতি মনোযোগী হৈ পৰিল। অৱশ্যে, সত্তৰ আৰু আশীৰ দশকত কেইখনমান ঐতিহাসিক উপন্যাসৰ আবিৰ্ভাৱে এই দিশত নতুন আশাৰ সঞ্চাৰ কৰিছে। উক্ত উপন্যাসখিনিত ইতিহাসক পুনঃ নিৰ্মাণ কৰাৰ আগ্ৰহ পৰিস্ফুট হৈছে আৰু এইবোৰত নতুন সামাজিক চেতনাৰ আভাস কিছু পৰিমানে থকা দেখা যায়।

বীণা বৰুৱাৰ "জীৱনৰ বাটত" উপন্যাসৰ সময়ৰে পৰা অসমীয়া উপন্যাসৰ নতুন যুগটো আৰম্ভ হৈছে। এইখন উপন্যাসতে দৈনন্দিন জীৱনৰ সৰু-সুৰা ঘটনাৰ আধাৰত সংবেদনশীল কাহিনী ৰূপায়ন কৰিব পৰা দৃষ্টান্ত পোনতে দাঙি ধৰা দেখা যায়। ইয়াত এগৰাকী কর্মকুশলা, মাৰ্জিত ৰুচিবোধসম্পন্না গাঁৱলীয়া ছোৱালীৰ কাহিনী পোৱা যায়, যিয়ে



সকলো প্ৰকাৰৰ হতাশা আৰু লাঞ্চনাৰ মাজতো অসীম ধৈর্য্য আৰু সহিষ্ণুতাৰে জীৱনৰ মুখামুখি হৈছে। গ্ৰাম্য জীৱনৰ বাস্তৱধর্মী বিশদ বর্ণনা, অসমীয়া সামাজিক জীৱনৰ বিভিন্ন দিশৰ প্ৰতিনিধিত্ব কৰা বৈশিষ্ট্যপূৰ্ণ চৰিত্ৰ-সৃষ্টি, মৰম, প্ৰত্যয়শীল প্ৰকাশভংগী আৰু মানৱিক আবেদনেৰে পুষ্ট উপন্যাসখনত পৰম্পৰাগত অসমীয়া সমাজৰ আটাইবোৰ দিশেই জীৱন্ত হৈ উঠিছে, যোগাত্মক অথবা ঋণাত্মক প্ৰৱনতাযুক্ত কোনো এটা দিশেই উপন্যাসিকৰ দৃষ্টিৰ পৰা বাদ পৰি যোৱা নাই। 'জীৱনৰ বাটত' উপন্যাসখনে গ্ৰাম্য পটভূমিত সামাজিক বাস্তৱতাক কেন্দ্ৰ কৰি লিখা উপন্যাসৰ পথটো চিকুনাই দিছে। এই পথ অনুসৰণ কৰা ভালেমান উপন্যাসৰেই প্ৰধান উদ্দেশ্য হ'ল গ্ৰাম্য সমাজৰ পৰম্পৰাগত মূল্যবোধবোৰৰ অৱক্ষয় আৰু আধুনিক নাগৰিক সভ্যতাৰ প্ৰৱেশে গ্ৰাম্য জীৱনধাৰালৈ অনা পৰিৱৰ্তন। এই পৰিৱৰ্তনৰ চিত্ৰই অধিক সজীৱ, প্ৰত্যয়শীল আৰু কলাত্মক ৰূপ লাভ কৰিলে দেৱেন্দ্ৰ নাথ আচাৰ্যৰ 'অন্য যুগ অন্য পুৰুষ' আৰু হোমেন বৰগোহাঁঞিৰ 'পিতা-পুত্ৰ'ৰ নিচিনা উপন্যাসত।

জনজাতীয় জীৱনৰ আধাৰত লিখা উপন্যাসসমূহৰ ভিতৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ঈয়াৰুইংগম'ৰ নামেই পোনতে ল'বলগীয়া হয়। ভট্টাচাৰ্যই ঔপন্যাসিক জীৱনৰ পাতনি মেলিছিল 'ৰাজপথে ৰিঙিয়াই' নামৰ এখন ৰাজনৈতিক উপন্যাসেৰে। ১৯৪৭ চনৰ পোন্ধৰ আগষ্টৰ ৰাজনৈতিক স্বাধীনতাৰ নিষ্ফলতা প্ৰতিপন্ন কৰি সমাজবাদী দৃষ্টিৰে লেখকে ইয়াত নিজস্ব ৰাজনৈতিক মতবাদ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। ৰাম্না বৰুৱাৰ "সেউজী পাতৰ কাহিনী" চাহ বাগিচাৰ শ্ৰমিকসকলৰ জীৱনৰ আধাৰত ৰচিত প্ৰথম উপন্যাস। একেগৰাকী লেখকৰ বীণা বৰুৱা ছদ্মনামেৰে লিখা 'জীৱনৰ বাটত' উপন্যাসৰ সমানে ইয়াৰ কাহিনীটো নিটোল নহ'লেও লেখকৰ বাস্তৱবোধে ইয়াতো সমান দক্ষতাৰেই ক্ৰিয়া কৰা দেখা যায়। আনহাতেদি, উমাকান্ত শৰ্মাৰ 'এজাক মানুহ এখন অৰণ্য' চাহ বাগিচাৰ কর্মীসকলৰ জীৱন-কাহিনীক লৈ লিখা আন এখন বৈশিষ্ট্যপূৰ্ণ উপন্যাস। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত সুদূৰ দক্ষিণ আৰু মধ্য ভাৰতৰ পৰা অহা লোকসকলে কিদৰে লাহে লাহে অসমীয়া জীৱন আৰু সংস্কৃতিৰ প্ৰৱাহৰ সৈতে আত্মীয়তা স্থাপন কৰিলে তাৰ এক জীৱন্ত, হৃদয়গ্ৰাহী বৰ্ণনা উপন্যাসখনত আছে।

পাশ্চাত্য সাহিত্যত 'আধুনিক উপন্যাস'ৰ বৈশিষ্ট্যবোৰৰ প্ৰতি দৃষ্টি ৰাখি উপন্যাস ৰচনা কৰে প্ৰফুল্ল দত্ত গোস্বামীয়ে। তেখেতৰ 'কেঁচা পাতৰ কঁপনি' উপন্যাসখনত আধুনিক 'মুক্ত উপন্যাস'ৰ নিদৰ্শন পোৱা যায়। তেওঁৰ এই উপন্যাসখনত কাহিনী তথা বাহ্যিক ঘটনা প্ৰৱাহতকৈ চৰিত্ৰৰ মনৰ ভিতৰত সংঘটিত হৈ থকা ক্ৰিয়া কলাপৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়। এনেধৰণৰ অন্তৰ্লীন একালাপৰ প্ৰয়োগ আৰু তাৰ জৰিয়তে চৰিত্ৰৰ মনৰ বতৰা দিয়াৰ চেষ্টা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ৰাজপথে ৰিঙিয়ায়', চন্দ্ৰ প্ৰসাদ শইকীয়াৰ 'এদিন' আৰু ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ 'মৰুদ্যান'তো কিছুপৰিমানে থকা দেখা যায়।

অসমীয়া সামাজিক জীৱনৰ মূল ভেঁটিটোতেই আঘাত কৰে দ্বিতীয় মহাসমৰৰ বিধ্বংসী পৰিণামে। মানৱীয় মূল্যবোধৰ অৱমাননা আৰু নৈতিকতাৰ সংকতেই এই যুদ্ধৰ পৰিণাম। যুদ্ধৰ পটভূমিত লিখা টলষ্টয়ৰ 'ৱাৰ এণ্ড পীচ'ৰ মহাকাব্যিক বিশালতাই মানৱ হৃদয়ক জোকাৰি গৈছিল। আনহাতে যোগেশ দাসৰ 'ডাৱৰ আৰু নাই'ৰ কাহিনী নৈতিক সংকটৰ ওপৰতে ৰচিত। 'ৱাৰ এণ্ড পীচ'ৰ দৰে ইয়াতো প্ৰাধান্য লাভ কৰিছে মানৱিক মূল্যবোধ আৰু তাৰ মাজেদি মূৰ্ত্ত হৈ উঠা জীৱনৰ গভীৰ উপলব্ধিয়ে পাঠকৰ মনত খলকনি নোতোলাকৈ থকা নাই। সম্প্ৰতি অসমীয়া উপন্যাসৰ যি দুটা ধাৰাই পাঠকৰ মনোযোগ আকৰ্ষণ কৰিছে সেই দুটাৰ এটা আঞ্চলিক উপন্যাস আৰু আনটো জীৱনীমূলক উপন্যাসৰ ধাৰা। আঞ্চলিক উপন্যাস আৰ্থসামাজিক উপন্যাসৰেই অন্য এক ৰূপ। নৰকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু', শীলভদ্ৰৰ 'মধুপুৰ' আৰু মামনি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' ক আঞ্চলিক উপন্যাসৰ উদাহৰণ হিচাপে ল'ব পাৰি। প্ৰথমখনত আছে নগাঁৱৰ কপিলী নদীৰ পাৰৰ জীৱনধাৰাৰ এক কাব্যিক, স্পন্দনশীল বৰ্ণনা, দ্বিতীয়খনত আছে অবিভক্ত গোৱালপাৰা জিলাৰ গৌৰীপুৰ অঞ্চলৰ পৰিৱৰ্তনমূখী সমাজখনৰ এক সজীৱ চিত্ৰ আৰু

তৃতীয়খনৰ বিষয়বস্তু, দক্ষিণ কামৰূপৰ এটা অঞ্চলৰ উঁৱলি যোৱা এখন সমাজ। এখন বৈষ্ণৱ সত্ৰৰ আশে-পাশে সামন্তযুগীয়া প্ৰথাৰে গঢ় লোৱা এই সমাজখন ইয়াত জীৱন্ত হৈ উঠিছে।

চৈয়দ আব্দুল মালিকৰ 'ধন্য নৰ তনু ভাল'ৰ দৰে উপন্যাসৰ জৰিয়তে জীৱনীমূলক উপন্যাসৰ ধাৰাটোৱে অগ্ৰগতি লাভ কৰে। অসমৰ জাতীয় জীৱনত এনে এটা দিশ নাই য'ত শ্ৰীমন্ত শংকৰদেৱৰ বিশাল ব্যক্তিত্বৰ প্ৰভাৱ অস্বীকাৰ কৰিব পাৰি। শংকৰদেৱৰ জীৱনক লৈ লিখা উপন্যাসখনত মহাপুৰুষজনাৰ বিশাল ব্যক্তিত্ব আৰু তেওঁৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ চাপ পৰা সমকালীন সমাজখনৰ স্বৰূপ উন্মোচিত হৈছে। একেগৰাকী নায়কৰ জীৱনৰ ভিত্তিত ৰচিত লক্ষ্মীনন্দন বৰাৰ 'যাকেৰি নাহিকে উপাম'ত কাহিনীৰ নিটোলতা মন কৰিবলগীয়া। মাধৱদেৱৰ জীৱনৰ আধাৰত ৰচিত বৰাৰ 'সহি গুণনিধি' আন এখন সুলিখিত উপন্যাস। এই শ্ৰেণীৰ উপন্যাসৰ দৃষ্টান্ত পোৱা যায় বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনক লৈ ৰচিত মেদিনী চৌধুৰীৰ 'ফেৰেংগাদাও', ওমৰ খায়ামৰ জীৱনক কেন্দ্ৰ কৰি লিখা 'ওমৰ খায়াম'ৰ লেখীয়া উপন্যাস দুখনত। জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিল্পী জীৱনৰ আধাৰত লিখা - চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'তোৰে মোৰে আলোকৰে যাত্ৰা' এইবিধ উপন্যাসৰ শেহতীয়া এক উদাহৰণ।

ঐতিহাসিক উপন্যাসৰ দৈন্য আধুনিক যুগটোৰ এটা বিশেষ লক্ষণ হ'লেও যোৱা দুটা দশকৰ ভিতৰত প্ৰকাশিত কেইবাখনো বিশিষ্ট উপন্যাসৰ জৰিয়তে ঐতিহাসিক ধাৰাটো নতুন দীপ্তিৰে জিলিকি উঠিছে। ইয়াত ইতিহাসক নতুন দৃষ্টিৰে চাই অতীতৰ পুনৰ্গঠনৰ চেষ্টা কৰা হৈছে। লেখকৰ ইতিহাস চেতনা ইয়াৰ মন কৰিবলগীয়া বিশেষত্ব। নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাঁড়' এই ধাৰাটোৰ এক সুন্দৰ দৃষ্টান্ত। দেৱেন্দ্ৰ নাথ আচাৰ্যৰ 'জংগম' আৰু ধীৰেণ বৰঠাকুৰৰ 'বাঙ্গচাহেবা'তো বিষয়বস্তুৰ উপযোগী প্ৰকাশভংগী মন কৰিবলগীয়া বিশেষত্ব। পৌৰাণিক চৰিত্ৰক নতুন দৃষ্টিৰে চোৱা আৰু বৰ্তমানৰ লগত সংযুক্ত কৰাৰ চেষ্টাও কোনো কোনোৱে কৰিছে। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মহাৰথী' ইয়াৰ এক উদাহৰণ।

অসমীয়া উপন্যাসৰ এশ বছৰীয়া ইতিহাসলৈ চালে এটা কথ স্পষ্টকৈ ওলাই পৰে যে, যোৱ অৰ্ধশতাব্দীকালৰ ভিতৰত উপন্যাস সুঁতি সম্পূৰ্ণভাৱে সলনি হৈছে কল্পন আৰু ৰোমাঞ্চকৰ জগতৰ পৰ উপন্যাসে নিত্য দিনৰ সাধাৰণ কাম কাজৰ মাজলৈ গতি কৰিছে। ভা আৰু ৰূপ উভয় ফালৰপৰা উপন্যাস পৰিসৰ যথেষ্ট ব্যাপক হৈছে উপন্যাসৰ বাবে প্ৰয়োজনীয় বুলি বিবেচিত গল্প আৰু কাহিনী গতানুগতিকতা অতিক্ৰম কৰা হৈছে চৰিত্ৰৰ নিভৃত কোণৰ বতৰা দিয়াৰে চেষ্টা কৰা হৈছে। কথাবস্তু উপস্থাপন বিচিত্ৰ পদ্ধতিয়ে উপন্যাসৰ জেউ চৰাইছে। আটাইতকৈ মন কৰিবলগী কথা যে অসমীয়া উপন্যাসিকসকলে ভাব আৰু আদৰ্শৰ স্বকীয়তা বজা ৰখাৰ চেষ্টা কৰি আহিছে, পাশ্চা ধাৰাক নিৰ্বিচাৰে অনুকৰণ কৰা নাই

লিখক ঃ স্নাতক শিক্ষান্ত বৰ্ষ কলা শাখাৰ ছাত্ৰ।

**বিশ্বৰ বৃহত্তম শব্দটো -**

গ্ৰীক ভাষাত লিখিত এৰিষ্টফেনছ - এ লিখা কমেদি The Eceleriazausae ত ব্যৱহৃত বৰ্ণৰ শব্দটোৱেই হ'ল বিশ্বৰ বৃহত্তম শব্দ। ইংৰাজীত লিখিলে শব্দটো হয় ১৮২ টা বৰ্ণৰ -

Lopadolemachorelachogaleokranioleipsanodrimhypotrimm-
atosilphioparaomelitokatakechymenokichlepikorsyphophattoperi-
steralcktryonoptekephalliokigklopeleiolagoiosirraiobaphetraganopterygon.

সংগ্ৰাহক ঃ সুস্মিতা চক্ৰৱৰ্ত্তী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)



# মানৱতা উদ্ধাৰৰ বাবে.........



জ্ঞান, বিবেক বিচাৰ-বুদ্ধি আদি গুণ থকা মানৱক জীৱ শ্ৰেষ্ঠ বুলি কোৱা হয়। আদিম অৱস্থাৰপৰা বৰ্তমানলৈ আমি যদি পৰ্যালোচনা কৰোঁ, তেন্তে দেখিবলৈ পাম, বৰ্তমান মানৱ জাতি জ্ঞানৰ উচ্চ শিখৰত উপনীত হৈছে। কিন্তু আধ্যাত্মিক দিশত ওলোটা গতি হৈছে। পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ মানুহ যাব পৰা হ'ল আৰু মহাকাশৰো বহু তথ্য পাতি আৱিস্কাৰ কৰিলে। অথচ নিজকে আৱিস্কাৰ কৰিবলৈ অসমৰ্থ পৃথিৱীৰ মানুহে আজি যেন নিজৰ পৃথিৱীখনৰেই বৈৰী হিচাবে কাম কৰিবলৈ লৈছে।

পৃথিৱীৰ সকলো দেশতে মানৱতাক লৈ কুটীল ৰাজনীতি চলিব ধৰিছে। কিম্বা মানৱগোষ্ঠী বিভিন্ন ভাগত বিভাজিত হৈ পাৰস্পৰিক শত্ৰুতাৰে আজি যেন নিজেই পৃথিৱীৰ পৰা নাইকীয়া হ'ব ওলাইছে। ক্ষমতাৰ অৰিয়া-অৰিৰ ফলত মানৱীয় গুণ ৰাজি লাহে লাহে নাইকীয়া হৈ সমগ্ৰ মানৱ জাতি আজি যেন পশু হৈ পৰিছে।

জীৱিকা অনুযায়ী মানুহ যিবোৰ শ্ৰেণীত বিভাজিত হৈছে তাৰ প্ৰতিটো স্তৰতে আজি মহামাৰী সদৃশ অমানৱিক কু-কৰ্মৰে মানুহে নিজকে তললৈ নমাই আনিছে। বৰ্তমান সকলো দেশতে মানৱতাৰ স্খলন আৰম্ভ হৈছে। এতিয়া নিজেই অমানুহ হৈ আমি কোন গ্ৰহৰ কোনবোৰ জীৱৰ ওচৰত মানৱতা বিচাৰি যাম ? যিপিনে চকু ফুৰাও সকলোতে চৰম বিপৰ্যয়ে গা কৰি উঠা পৰিলক্ষিত হয়। ব্যক্তিকেন্দ্ৰিক শোষণ আৰু একছত্ৰী ৰাজনীতিকৰ ভণ্ডামী আৰু লালসাৰ কাৰণে সমাজত সন্ত্ৰাসৰ জন্ম হৈছে আৰু ইয়াৰ প্ৰতিফল সাধাৰণ নিৰীহ জনসাধাৰণে ভূগিব লাগিছে। গণতন্ত্ৰ হ'ল সংখ্যা গৰিষ্ঠ জনতাৰ শাসন।

আব্দুল অহাব

কিন্তু বাস্তৱত দেখা যায় ই সংখ্যা লঘিষ্ঠ এমুঠিলোকৰে শাসন পদ্ধতি। গণতন্ত্ৰৰ পবিত্ৰতা এতিয়া অস্তগামী সূৰ্যৰ দৰে ক্ৰমে ম্লান হৈ আহিছে।

সন্ত্ৰাসবাদীয়ে বিশ্বজুৰি সন্ত্ৰাসৰ সৃষ্টি কৰিছে আনহাতে ক্ষমতাত অধিস্থিত সকলে সন্ত্ৰাস দমনৰ নামত নিৰীহ জনতাক হত্যা কৰি দেশত বিয়পাইছে ৰাজনৈতিক সন্ত্ৰাস। দমন নীতিৰে ৰাইজক শোষণ কৰিয়েই ক্ষান্ত নাথাকি সাম্প্ৰদায়িক বিভেদ সৃষ্টিৰে ঐক্য

শান্তি-সম্প্ৰীতি বিঘ্নিত কৰি তুলিছে। ফলত শিক্ষা ক্ষেত্ৰকে ধৰি সকলোতে চলিছে নৈৰাজ্য। ফলত দেশৰ ৰাইজৰ উন্নতি হৈ পৰিছে সুদূৰ পৰাহত। ব্যক্তি স্বাৰ্থ বিৰাট দৈত্যৰ দৰে মুৰ দাঙি উঠিছে। এয়েই জানো গণতন্ত্ৰ ? য'ত পদে পদে লাঞ্ছিত হয় মানৱতা ? এচামে মানৱতাৰ বাবে ভৱিষ্যত বংশধৰৰ বাবে প্ৰাণ পন কৰি গঢ়ি তুলিছে শান্তিৰ আন্দোলন আৰু আনপিনে শাসক, ক্ষমতাশীল ধনীক শ্ৰেণীটোৱে সেই আন্দোলন মথিমূৰ কৰি নিপীড়িত জনতাৰ তেজ শুহি খাবলৈ কৰিছে শক্তিৰ আস্ফালন। ইয়াৰ মাজত মানৱতাৰ স্থান ক'ত ? মানৱতা বজাৰত বেচা-কিনা কৰা পণ্য নহয়। ই মানুহৰ অন্তৰ আত্মাৰ আহ্বানত জন্ম লৈ লাহে লাহে বিকশিত হৈ মানুহক গুণ-গৰিমাৰে প্ৰকাশিত কৰা অমূল্য সম্পদ। ধৰ্মই মানৱতা মহা ধন সুৰক্ষা কৰিব পাৰে যদিও বৰ্ত্তমান অধিকাংশ ধৰ্মীয় নেতাই ধৰ্মৰ দোহাই দি নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবেহে যেন অহৰহ প্ৰচেষ্টা চলাই আছে। অথচ অশিক্ষিত জনতাই প্ৰভু সমতুল্য জ্ঞান কৰি সেইসকলক সেৱা-ভক্তি কৰি শিৰণত কৰে। কিন্তু পৰিনামত কি পাইছে ? মাথো পাইছে লাঞ্ছনা আৰু চতুৰ শোষণৰ জ্বালা। ন্যায়ালয় সমূহতো আজি অন্যায়ৰ বেহা-ন্যায় পোৱাৰ আশাত মানুহ আদালতৰ দ্বাৰস্থ হয়, কিন্তু কিমানজনে পাইছে প্ৰাপ্য ন্যায় ? আজিকালি টকাৰেও ন্যায় কিনা-বেচা হয় এই পৃথিৱীত।

মানৱতা হ'ল প্ৰতিটো জাতিক একত্ৰিত কৰি ৰখাৰ এটা আধ্যাত্মিক শক্তি আৰু এই শক্তি যেতিয়া পৃথিৱীৰ পৰা সমূলে বিলোপ হ'ব তেতিয়া জীৱনৰ অস্তিত্বও পৃথিৱীৰ পৰা নিঃশেষ হৈ যাব। আমাৰ কৰ্মইহে আমাৰ ভৱিষ্যত নিৰ্ণয় কৰিব। অনীতি-অবিচাৰ লোভ-লালসা, শোষণ-ভণ্ডামীৰে মানৱতাক কলুষিত কৰি তুলিছে। আনপিনে এই জটিল পৰিস্থিতিত মানৱ চৰিত্ৰত মিহলি হ'ব ধৰিছে কৃত্ৰিমতাৰ প্ৰলেপ আৰু এই কৃত্ৰিমতাই মানুহক উটুৱাই নিছে কোনো এক অন্ধকাৰ জগতৰ পিনে য'ত অপেক্ষা কৰি আছে মানৱতা ধ্বংসৰ অস্ত্ৰ লৈ এজাক অমানুহ।

গতিকে সময় থাকোতেই মানৱৰ মানৱীয় গুণৰাজি গৰাখহনীয়া প্ৰতিৰোধ কৰিব লাগিব পবিত্ৰ কৰ্মৰ দ্বাৰা। যি কৰ্মত নাথাকিব স্বাৰ্থ, শোষণ, দুৰ্নীতি, অন্যায়, ব্যভিচাৰ, হত্যা, লুণ্ঠন। আমাৰ পৱিত্ৰ শিশুসকলক পৱিত্ৰ শিক্ষাৰ দ্বাৰা পৱিত্ৰ চৰিত্ৰ গঠন কৰিবলৈ শিক্ষা দি দেশৰ আৰু পৃথিৱীৰ মংগলাৰ্থে নিয়োগ কৰিবলৈ তৈয়াৰ কৰিব লাগিব। তেতিয়াহে মানৱতাৰ বীজ আকৌ অংকুৰিত হৈ মানৱ বৃক্ষ গছে-পাতে, ফলে-ফুলে জাতিষ্কাৰ হৈ উঠিব। আৰু ইয়াৰ ছাঁত ভৱিষ্যত বংশধৰ সকলে ৰচিব শান্তিৰ সৰগ।

লেখক গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।

আমাৰ দেশত যিমান দিনলৈকে পাঠক গঢ়ি নুঠে, সিমান দিনলৈকে আমাৰ জাতীয় সাহিত্যৰ উন্নতি বা মঙ্গলৰ নিমিত্তে শিক্ষিত সমাজে অলপ স্বাৰ্থ ত্যাগ কৰি কাকত বা কিতাপবিলাকক উৎসাহ দি জীয়াই ৰাখিবৰ চেষ্টা কৰা উচিত; নহ'লে কিতাপ লেখক নাইবা আলোচনী আৰু কাকতৰ পৰিচালকসকলৰ ব্যক্তিগত স্বাৰ্থপৰতাৰপৰা সাহিত্যৰ উন্নতিৰ আশা সুদূৰ পৰাহত।

- নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

কাব্য সাহিত্য যুগে যুগে বেলেগে বেলেগে মূৰ্ত্তি লৈ ওলালেও অৰ্থাৎ কাব্য সাহিত্য এক হিচাপে যুগন্ধৰ হ'লেও, সাহিত্যৰ যিটো নিত্যধৰ্ম্ম তাৰ কিন্তু পৰিৱৰ্ত্তন নহয়। সেই দেখি সি যুগতীতো।

- ৰত্নকান্ত বৰকাকতী

সংগ্ৰাহক - উৎপল দেৱনাথ
উঃমাঃ দ্বিতীয় বৰ্ষ কলা শাখা





# প্ৰেম :
## এক অনন্য অনুভৱ

"প্ৰেমেহে কাল আৰু বিস্মৃতিক জয় কৰিব পাৰে। যেতিয়া মানুহৰ ভালপোৱাৰ শক্তি, প্ৰেমৰ কালজয়ী শক্তি নষ্ট হৈ যায়, তেতিয়াহে মানুহ কালৰ ওচৰত পৰাজিত হৈ ধ্বংস হয়।" -- মৈত্ৰেয়ী দেৱী

ৰাফিয়া চুলতানা চৌধুৰী

‘প্ৰেম’ এক মিঠা শিহৰণ। হৃদয়ত আৱেগৰ তোলপাৰ লগোৱা এক অনুভৱ, এক অনন্য অনুভূতি। পোৱাৰ হাবিয়াসেৰে ভৰপূৰ মন, আত্মা আৰু হৃদয়। প্ৰেমৰ লগত সম্পৰ্ক নথকা মানুহ পৃথিৱীত বিৰল। কেতিয়াবা পৰিস্থিতিত পৰি গভীৰ প্ৰেমেও বাট হেৰুৱাবলগীয়া হয়। তাত কিন্তু আক্ষেপ কৰিবলগীয়া একো নাই। প্ৰেমৰ পৰিণতি নিবিচাৰি প্ৰেমক জীয়াই ৰাখিব পৰাটোহে আচল কথা, কিন্তু আমি জানো পাৰো ? মোৰ এগৰাকী বন্ধু আছিল। আমি একেলগে টিউচন কৰাৰ পৰা আৰম্ভ কৰি কলেজত একেখন বেঞ্চতে বহিছিলো। জনা নাছিলো তথাপিও তাইৰ মনৰ কথা। বহুত দেৰিকৈ গম পালো, যেতিয়া তাই প্ৰেমিকৰ লগত একেলগে একেখন চিতাতে দগ্ধ হ'ব লগা হ'ল। পাছত জানিছিলো তাই ভালপোৱা ল'ৰাজনৰ মৃত্যু হৈছিল আৰু তাই সেই শোক সহ্য কৰিব নোৱাৰি ঘৰৰ কুঁৱাতে জাপ-মাৰি আত্মহত্যা কৰিছিল। সেয়েহে হ'বলা, প্ৰেমক অন্ধ বুলি কোৱা হয়।

প্ৰকৃত প্ৰেম সদায়েই জীয়াই থাকে। এজনৰ আনজনৰ প্ৰতি থকা ত্যাগৰ মনোভাৱে প্ৰেমৰ ভেটি দৃঢ় কৰে। ব্লেইজ পাস্কেলৰ ভাষাত, "হৃদয়ত এনে কিছু নিজস্ব যুক্তি আছে যিবোৰ মগজে কেতিয়াও বুজি নাপায়।" এয়াই হয়তো প্ৰেম। সঁচাই, প্ৰেমহীন জীৱন কিজানি অৰ্থহীন। প্ৰেমে মানুহক এনে এক স্বপ্নময় জগতত বিচৰণ কৰায় য'ৰ পৰা উভতি অহা সম্ভৱ নহয়।

প্ৰেম উৎপন্ন হয় সৌন্দৰ্যৰ পৰা, প্ৰতিটো সুন্দৰ বস্তুৱেই মানুহৰ মন আকৰ্ষণ কৰে। গছত ৰমক-জমককৈ ফুলি থকা নানা ৰঙৰ ফুলবোৰ দেখিলে মানুহৰ মনত যেনেধৰণৰ আনন্দৰ উদ্ৰেক হয়,

তেনেকৈ পুতলাৰ দৰে দেখা কণমানি কেঁচুৱা এটা দেখিলেও মানুহৰ মনত একধৰণৰ আনন্দ লাগে। এই বুজা-নুবুজা আনন্দৰ ফিৰিঙতিয়েই হয়তো প্ৰেম। 'প্ৰেম' শব্দৰ ব্যাপকতা বহুত। এহাল যুবক-যুৱতীৰ মাজৰ ভাল লগাৰ সম্পৰ্কৰ লগত আইতাক আৰু নাতিনীৰ মাজৰ ভালপোৱাৰ সম্পৰ্কৰ লগত পাৰ্থক্য নিশ্চয় আছে। তথাপি প্ৰেম প্ৰেমেই। প্ৰেমে ব্যক্তি প্ৰেমৰপৰা আৰম্ভ কৰি দেশ প্ৰেমলৈকে নিজৰ জয়ধ্বজা উৰুৱাব পাৰে। তথাপি 'প্ৰেম' বুলি ক'লে সাধাৰণতে ৰোমাঞ্চকৰ কথাই মনলৈ আহে। প্ৰেমে গঢ়ে, প্ৰেমে ভাঙেও। ঘৃণাৰ পৰা প্ৰেম হোৱাটো ভাল কথা; কিন্তু প্ৰেম যেতিয়া ঘৃণাত পৰিণত হয়, তেতিয়া সেই প্ৰেম হৈ পৰে সংহাৰকাৰী। সেয়েহে ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছে, "প্ৰেমৰ আনন্দ ক্ষণস্থায়ী; কিন্তু প্ৰেমৰ বেদনা স্থায়ী"। প্ৰেমৰ স্পৰ্শত আছে "অগণিৰ পৰশমণি", যাৰ দ্বাৰা দীপ জ্বলে, সৌৰভ বিয়পে। সঁচা প্ৰেমৰ সৌৰভ বিয়পি পৰে; চৌদিশে অজানিতে। প্ৰকৃত প্ৰেমে শৰীৰ নাচায়, সৌন্দৰ্য্য নাচায়; ই আত্মাৰ অতল তলিৰ পৰা আৰম্ভ হৈ আত্মাতে লীন হৈ যায়। প্ৰেমৰ সত্যক শ্ৰদ্ধাৰে স্বীকাৰ কৰিব নোৱাৰিলে জীৱনে গভীৰতা হেৰুৱায়।

মনৰ তীব্ৰ ভাৱ-অনুভৱ আৰু বিবেকৰ মাজৰ যি সূত্ৰই হৃদয়ক ধৰি ৰাখিছে, সেই ভাৱ-অনুভৱ প্ৰেমৰ স্পৰ্শই অধিক শক্তিশালী কৰি তোলে। কিন্তু তথাপিও কেতিয়াবা ভুল হৈ যায়। অপ্ৰেমকো-প্ৰেম বুলি ভ্ৰম হয়। প্ৰেমৰ কুসুমত খোজ পেলোৱাৰ বিপৰীতে কাঁইটত খোজ দি দুভৰি ৰক্তাক্ত কৰিব লগা হয়। কিয় এনে হয় ? তাৰ উত্তৰ হয়তো কাৰো ওচৰত নাই। পৰিণতিৰ পাছতো প্ৰেম থমকি ৰৈ যায় জীৱনৰ ওচৰত। অগ্নিশালৰ আখৈ অঞ্জলি ভৰি ভৰি শতেক শৰৎ লগতে থকাৰ শপত লোৱাৰ পাছতো বিচ্ছেদৰ অগণিয়ে হৃদয় দহে কিয়? প্ৰেমত মিলনৰ স্বাৰ্থ থাকে কাৰণেইহয়তো এনে হয়। স্বাৰ্থহীন প্ৰেমে জীৱনক আমনি নলগায়। দুখন হৃদয়ৰ মৰমৰ এনাজৰীৰে চিৰকাল বান্ধি ৰাখিবলৈ হ'লে আমি ইজনে সিজনক নিঃস্বাৰ্থভাৱে ভাল পাবলৈ শিকিব লাগিব।

---

লেখিকা স্নাতক প্ৰথম বৰ্ষ বিজ্ঞান শাখাৰ ছাত্ৰী।

### অবিশ্বাস্য কিন্তু সত্য ঃ

* ইংৰাজী ভাষাত আঠটা আখৰযুক্ত যিবিলাক শব্দ আছে তাৰে ভিতৰত মাত্ৰ এটাই এনে শব্দ আছে য'ত মাত্ৰ এটাই স্বৰবৰ্ণ (Vowel) আছে। শব্দটো কি জানেনে ? শব্দটো হৈছে 'Strength'।

* ব্ৰিটেইনত এসময়ত বিশ্বাস কৰা হৈছিল যে পকেটত জীৱিত পলু লৈ থাকিলে জ্বৰৰ পৰা হাত সাৰিব পাৰি।

* নিলছ ওলফ জেকবছন (Nils Olof Jacobson) নামৰ ছুইডেনৰ চিকিৎসক এগৰাকীয়ে মানুহৰ মৃতদেহৰ ওপৰত বহুবছৰ ধৰি পৰীক্ষা-নিৰীক্ষা কৰি এই সিদ্ধান্তত উপনীত হৈছিল যে মানুহৰ আত্মাৰ ওজন ২০ গ্ৰাম।

* ইংলেণ্ডৰ ৰাণী এলিজাবেথ (দ্বিতীয়)ৰ প্ৰথম জীৱনী প্ৰকাশ হোৱাৰ সময়ত তেওঁৰ বয়স কিমান আছিল জানেনে ? মাত্ৰ চাৰি বছৰ।

* ৰোমান সম্ৰাট Callgula (AD 37-41) ৰ শাসনকালত ৰোমান নাগৰিকসকলে হঁহা আৰু গা ধোৱাটো আইন-বিৰুদ্ধ বুলি গণ্য কৰা হৈছিল।

সংগ্ৰাহক - নিপন নাথ
উঃমাঃ দ্বিতীয় বৰ্ষ কলা শাখা



# গল্পৰে এবেলা ...



সপোনে তাৰ সৰু অফিচটোৰ পৰা ওলাই আহিল যান্ত্ৰিকভাৱে। অভ্যাসবশতঃ সি তাৰ হাতঘড়ীটোলৈ চালে; কাঁচখন কেতিয়াবাই ভাগিছে। তথাপি চেকেণ্ডৰ কাঁটাডাল ঘূৰি আছে নিৰ্মম গতিৰে। এইযে, সি যোৱা সাতটা বছৰে একো এটা সুৰক্ষিত সংস্থাপন গোটাব পৰা নাই, এই যে নূণ্যতম দৰমহাৰ নামত স্থানীয় কাকত এখনত বুঢ়া তথা নাম-যশ পিয়াসী সম্পাদকজনৰ দাবী ধমকি শুনি শুনি লেহিয়াই গৈছে প্ৰতিটো পল; এই সকলোবোৰে তাক কাঁটাডালৰ সহযাত্ৰী কৰি তুলিছে। দুয়োটাই চলি আছে মূৰৰ ওপৰত কোনো সুৰক্ষা নোহোৱাকৈ আৰু দুয়োটাৰে ঠিক নাই ক'ত কেতিয়া কেনেকৈ ৰৈ যায় .....।

লাহে লাহে সি বজাৰখনৰ মাজেৰে খোজ পেলালে। ৰাস্তাটোৰে অঁহ ন মানুহবোৰে নাকত ৰুমাল লৈ লৈ খোজ কাঢ়িছে। সি তেতিয়াহে মন কৰিলে কাষৰ 'মিউনিচিপালিটিৰ' ডাষ্টবিনটোৰ পৰা এটা গেলা গোন্ধে সৰ্বত্ৰ বিয়পি পৰিছে। গোন্ধটো সি অনুভৱ কৰিব পৰিছে নে নাই বুজিব নোৱাৰিলে। পকেটৰপৰা ৰুমালৰ ঠাইত সি চিগাৰেটৰ পেকেটটো উলিয়ালে আৰু বেপৰুৱাভাৱে চিগাৰেট এটা জ্বলালে। হঠাৎ তাৰ স্থানীয় কলেজখনৰ নতুনকৈ বনোৱা গেটখনলৈ চকু গ'ল। কিবা এটা অদৃশ্য টানে তাক কলেজখনৰ



# ক্লিনিকেল ডিপ্ৰেচন

জিন্টু বেজবৰুৱা

ভিতৰলৈ লৈ গ'ল। কলেজৰ চৌহদত সোমাই সি এটা চেপা উত্তেজনা অনুভৱ কৰিলে। পাছ কৰাৰ পিছত যোৱা সাতটা বছৰ সি ইয়াত ভৰি দিয়া নাই। বহুত নতুন নতুন মুখ সি দেখা পালে। এই সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ প্ৰায়বোৰকে সি চিনি নাপায়। কিন্তু সি চিনি পায় এই পৰিবেশটোক। পৰিবেশটো সাইলাখ সিহঁতৰ দিনৰ দৰে লাগি গ'ল তাৰ। এটা নষ্টালজিয়া বেদনাই চুই গ'ল তাক!

ৰেলিঙত সি চুচুক চামাককৈ বহি ল'লে। চিনাকী দুই এটা ল'ৰাই তাক দেখি হাঁহিলে। সিয়ো "এনেয়ে অলপ কলেজখন চাবলৈ আহিছোঁ" বুলি বুৰ্বকৰ দৰে হাঁহিলে। সন্মুখৰ পৰিবেশটোৱে সাতবছৰৰ আগৰ তাৰ স্মৃতিবোৰ জগাই তুলিলে। দূৰৈৰ কাৰোবাৰ ঘৰৰ পূজাৰ উৰুলি আৰু শংখৰ ধ্বনিৰ দৰে সি অনুভৱ কৰি থাকিল নষ্টালজিয়া আৰু সন্মুখৰ বৰ্তমানৰ সাদৃশ্যতা আৰু আচৰিত ধৰণে সি সন্মুখত আড্ডা জমাই থকা গ্ৰুপটোত, তাহানিৰ সিহঁতৰ গ্ৰুপটোৰ প্ৰতিচ্ছবি দেখিবলৈ পালে। সেয়া ধনী ঘৰৰ ল'ৰা কিংশ্বুক, বাইকখনত বহি সি তাৰ দাম্ভিক কথা-বাৰ্তাৰে পৰিবেশটো গোমগোমীয়া কৰিবলৈ চেষ্টা কৰিছে, সেয়া নিকোলাচ, সি সুবিধাপালেই 'কমিউনিজম'ৰ কথা উলিয়াবলৈ চেষ্টা কৰিছে আৰু সেয়া সাইলাখ লোপামুদ্ৰা! হয় চকুত সেই একেই অস্বাভাৱিক সৰলতা আৰু দীঘল নৈৰ দৰে বৈ পৰা দীঘল চুলিটাৰী। লোপামুদ্ৰাযেন লগা ছোৱালীজনীৰ ফালে সি বেছি সময় চাই থাকিব নোৱাৰিলে। এটা বুজাব নোৱাৰা বেদনাই তাক জুকিয়াই থৈ গ'ল। সি আইনফালে চকু ঘূৰাই আনিলে। এই কলেজীয়া ল'ৰা-ছোৱালীবোৰৰ ভাব ভংগী দেখিয়েই দি দিব পাৰি যেন লাগে সিহঁতৰ ভৱিষ্যতৰ এটা মনঃস্তাত্বিক বিশ্লেষণ। কিন্তু সঁচাই পাৰিনে ? পাৰিছিলনে ক'ব সাতবছৰৰ আগতে তাক দেখি কোনোবাই যে সাতটা বছৰে সি কেৱল ব্যৰ্থতাই গোটাব! কথাষাৰ ভাবিবৰ মন নগ'ল তাৰ। টং কৈ মৰা বেলৰ শব্দটোৱে তাৰ তন্ময়তা ভাঙি দিলে। সি দেখা পালে নগেনদাৰ গাত বয়সৰ চাপ পৰিছে।

সন্মুখত থকা গ্ৰুপটোৱে তাৰ দৃষ্টি আকৌ এবাৰ আকৰ্ষণ কৰিলে কাৰণ সিহঁতে এতিয়া এটা নাটকীয় খেল খেলিছে। কিংশ্বুক যেন লগা ল'ৰাটোৱে লগৰবোৰলৈ বাজি এটা দলিয়াইছে। সন্মুখৰ ইউকেলিপটাচ ডালত বৈজ্ঞানিক নাম থকা ফলক এখন লগোৱা আছে। সেইখন যিয়ে পাৰি আনিব পাৰিব তাক সি হাতত থকা পাঁচশ টকাৰ নোট দুখন দিব। প্ৰথমতে বাকীবোৰে সেয়া ধেমালি বুলি ভাবি কথাষাৰ উৰুৱাই দিব বিচাৰিলে; কিন্তু সি যেতিয়া চিৰিয়াছ হৈ দেখুৱালে তেতিয়া এটা এটাকৈ সকলোৱে চেষ্টা কৰি চালে। কিন্তু এজনেও ফলকখন চুবকে নোৱাৰিলে। আৰু শেষত পাল পৰিল কোণত চাইকেল এখনত ভেঁজা দি থকা ল'ৰা এটাৰ। ল'ৰাটোৰ লগত তাৰ মিল আছে। একেই ৰুগ্নপ্ৰায় আৰু ক্ষী মীণ। সেয়া যেন সাতবছৰৰ আগ সি। ল'ৰাটোৱে অলপ পিছলৈ দৌৰি আহি জঁপিওৱাৰ প্ৰস্তুতি ল'লে মুহূৰ্ত্তৰ ভিতৰতে সপোনক এটা প্ৰচা সাময়িক উত্তেজনাই বেঢ়ি ধৰিলে ল'ৰাটোৰ চকুত সি তাৰ অত বছ ব্যৰ্থতাৰ প্ৰতিচ্ছবি দেখা পালে। মনে প্ৰাণে বিচাৰিলে ল'ৰাটো জিক পাৰি আনক সি ফলকখন। এই ল' ধেমালি যেন লগা সফলতাৰ দ্বাৰ সি তাৰ জীৱনলৈ আশাৰ সঞ্চাৰ কৰ বিচাৰিলে। উত্তেজনাত তাৰ উশাহ নিশাহ ঘণ হৈ আহিল; সি ৰেলিঙ খামোচ মাৰি ধৰিলে। ল'ৰাটো দৌৰি আহি আন ল'ৰাবোৰৰ দ থিয়ৈ থিয়ৈ নজঁপিয়াই পাকৈ খেলুৱৈৰ দৰে গছডালৰ গাত ভৰি জঁপিয়াই ফলকখন চুলে ঠিকেই কি সেইখন পাৰিব নোৱাৰিলে হয়তে ফলকখনত এটা ডাঙৰ আৰু শক্তিশালী গঁজাল মৰা আছিল। সি গছডালৰ পৰা পৰি গ'ল আৰু লেঙেৰাই লেঙেৰাই আঁতৰি আহিল বাকী সোপাই "ৰেল ট্ৰাই" "ৰে ট্ৰাই" বুলি চিঞৰি উঠিল।

সপোনৰ উত্তেজনাৰ শা কাটিল ঠিকেই কিন্তু সি চাৰিওকাষৰ চিঞৰ বাখৰবোৰ শুনা নাপালে অৱশভাবে ৰেলিঙৰপৰা নামি সি উভটি খোজ পেলালে অভ্যাসবশতঃ আকৌ এবাৰ সি ঘড়ীটোলৈ চালে। সি লক্ষ্য কৰিলে ঘড়ীটোৰ চেকেণ্ডৰ কাঁটাডাল বৈ গৈছে কেতিয়াবাই ...... ।।

লেখক স্নাতক তৃতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ।



# জীৱনৰ দোমোজা



হিমাশ্ৰী সিন্‌হা

মাজনিশা কংক্ৰীট নে উঁইচিৰিঙা কিবা এটাৰ শব্দত মনীষা সাৰ পাই উঠিল। তেতিয়া ৰাতি দুটা মান বাজিছে। দিনৰ নীলাভ আকাশখনক নিশা কলীয়া ডাৱৰে ঢাকি ধৰিছে। মনীষাই খিৰিকীৰ কাষত থিয় হৈ কিছুমান অব্যক্ত কথা অবুজ ভাৱনা মনৰ ভিতৰত ৰোপন কৰি কিবাকিবি ভাবিবলৈ ধৰিলে। এতিয়াও কেতিয়াবা উজাগৰী নিশা নোশোৱাকৈয়ে চকুলো টুকি কটাই দিয়ে মনীষাই। কিন্তু কি হৈছিলনো বাৰু তাইৰ লগত ? কোনেও বুজিব নোৱাৰে।

মাথোন ছয় বছৰ আগৰ কথা। নিজা ঘৰ বৰপেটাত যদিও চাকৰি সূত্ৰেই দেউতাকৰ লগত গোৱালপাৰাত থাকিবলৈ লয়। ঘৰখনৰ ভিতৰত সৰু হোৱা বাবেই সৰুৰে পৰা মনীষাই মাক-দেউতাকৰ পৰা মৰম বিচৰামতেই পাইছে। মনীষা তেতিয়া উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰী। নতুন ঠাইৰ নতুন কলেজ এখনত নতুন নতুন ছাত্ৰ-ছাত্ৰীৰ লগত কমদিনৰ ভিতৰতে মিলা-প্ৰীতি গঢ়ি তোলাটো তাইৰ চৰিত্ৰৰ এটা মহৎ গুণ বুলি ক'ব পাৰি। এদিন দুদিনকৈ দিনবোৰ আগবাঢ়ি গ'ল। ঋতু পৰিবৰ্তন হ'ল। ঋতু পৰিবৰ্তনৰ লগে লগে মনীষাৰ মনটোও সময়ৰ স'তে আগবাঢ়ি গ'ল। অইন দহজনৰ দৰে তাইকো আকোৱালি ল'লে চিৰ হাস্যময়ী গোৱালপাৰা কলেজে। সকলোৱে কলেজলৈ অজস্ৰ সপোন লৈ আহে। কিছুমানৰ সপোনে পূৰ্ণতা পায় আৰু কিছুমানৰ সপোন হেৰাই যায়। দিন বাগৰাৰ লগে লগে যৌৱনৰ দুৱাৰ ডলিত ভৰি দিয়া মনীষাৰ মনটোৱে অকণি মৰম বিচাৰি পাট মাদৈ চৰাইৰ দৰে উৰি ফুৰিব ধৰিলে।

এদিন বান্ধৱী সোণালীৰ লগত কিতাপ কিনিবলৈ যাওঁতে চিনাকি হ'ল সেই ঠাইৰে আয়ন নামৰ এজন ল'ৰাৰ লগত। আয়ন একেখন কলেজৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। চহৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা আয়ন। প্ৰথম পৰিচয় সূত্ৰেই তেওঁলোকৰ মাজত বন্ধুত্ব গঢ়ি উঠিল আৰু অতি কম দিনৰ ভিতৰতে সেই বন্ধুত্ব প্ৰেমলৈ ৰূপান্তৰিত হ'ল। সদায় প্ৰেমক ঠাট্টা কৰি অহা মনীষাৰ জীৱনতো প্ৰেমৰ দুৱাৰ মেল খালে। তেতিয়াহে তাই বুজিব পাৰিলে প্ৰেমৰ প্ৰকৃত অৰ্থ।

প্ৰথম চিনাকি হোৱাৰ দিনৰ পৰাই মনীষাৰ প্ৰতি আয়নৰ মৰম দিনক দিনে বাঢ়ি গ'ল। মনীষাৰ কিন্তু মাজে মাজে চিন্তা আহে তাই যদি আয়নক হেৰুৱাবলগীয়া হয়। তাই যে কেতিয়াও আয়নক হেৰুৱাবলৈ ৰাজী নহয়। কিয়নো তাইৰ হৃদয় জয় কৰা প্ৰথম মৰমৰ অধিকাৰীয়েই হ'ল আয়ন।

মণিষা আৰু আয়নৰ প্ৰেমৰ বয়স এতিয়া দুই বছৰ। এই দুই বছৰত দুয়ো দুয়োকে বুজিছে, চম্ভালিছে, ভাল পাইছে। তেওঁলোক এজনে আনজনৰ হিয়াৰ ইমান কাষত যে আয়নে মণিষাৰ প্ৰতিবিধ হাঁহিৰ অৰ্থ সম্পূৰ্ণৰূপে বুজি পায় আৰু মণিষাই পঢ়িব পাৰে আয়নৰ প্ৰতিটো চাৱনিৰ ভাষা। তেওঁলোকৰ মাজৰ মৰম আৰু আত্মীয়তাত সকলোৱে আপ্লুত হয়। ক্লাছ নথকাৰ সময়ছোৱাত তেওঁলোকক পুখুৰীৰ পাৰত, নাইবা গছৰ তলত অইন লগৰীয়াৰ লগত দেখিবলৈ পোৱা যায়। উচ্চতৰ মাধ্যমিক ফাইনেল পৰীক্ষা দি আয়ন বাংগালোৰত থকা মোমায়েকৰ ঘৰত ডিগ্ৰী পঢ়িবলৈ গ'লগৈ।

ইপিনে মনীষাই আয়ন উভতি অহাৰ বাবে বাট চাই থাকিল। মণিষাৰ মনত সদায় এটা ভাৱে অহা-যোৱা কৰি থাকে তাই যদি, আয়নক হেৰুৱাবলগীয়া হয়। কিয়নো তাই এজনী হিন্দু ঘৰৰ ছোৱালী আৰু আয়ন এখন মুছলমান ঘৰৰ ল'ৰা। সিহঁতে জানিছিল যে সিহঁতৰ পৰিয়ালে দুয়োকে কেতিয়াও আকোঁৱালি নলয়। তথাপি দুয়ো দুয়োকে গভীৰভাৱে ভাল পাইছিল। আয়নৰ প্ৰেমত বলীয়া হোৱা মনীষা যেন জীৱনৰ কঠিনতম দোমোজাত আহি পৰিছিল। সকলোখিনি কথা জনাৰ পিছতো আয়নক আকোঁৱালি ল'লে নিজৰ পৰিয়ালৰে বৈৰী হৈ পৰিব মনীষা এই কথা তাই জানিছিল। যি সংস্কাৰৰ মাজত তাই ডাঙৰ হৈছিল। সেই সংস্কাৰে তাইক পৰিয়ালৰ বিৰুদ্ধে যাবলৈ নিদিছিল। তাই জানিছিল যে পৰিয়ালৰ মৰমৰ বান্ধোন চিঙি তাই কেতিয়াও ওলাই যাব নোৱাৰিব, কঠোৰ সামাজিক সংস্কাৰত আৱদ্ধ পৰিয়ালে আয়নক কেতিয়াও আকোঁৱালি নলয়। মাক-দেউতাকৰ অকৃত্ৰিম ভালপোৱাক নেওচি আয়নক জীৱনসংগী হিচাপে লোৱাৰ তাইৰ সাহস নাছিল। মাক-দেউতাকৰ লগত বিশ্বাসঘাতকতা কৰাত, সিহঁতক দুখ দিয়াত তাই যেন কেতিয়াও ৰাজী নহয়। কিন্তু জীৱনৰ এই বাটত যেন



নিঠৰুৱা হৈ পৰিছিল। তাই ভালকৈ জানিছিল তাইক নাপালে আয়ন বলীয়া হ'ব নহ'লে মৰি যাব। কিন্তু তাই কি কৰিব, তাই যে মাক-দেউতাকৰ বিৰুদ্ধে সমাজৰ বিৰুদ্ধে গৈ তাক আকোঁৱালি ল'ব নোৱাৰে।

তাইৰ বিদ্ৰোহ কৰিবলৈ মন গ'ল। তাইৰ ঘৰৰ পৰা ওলাই সমাজৰ সকলো মানুহকে চিঞৰি চিঞৰি সুধিবৰ মন গ'ল কিয় ? কিয় সমাজত জাতি-ধৰ্মৰ সৃষ্টি হ'ল যাৰ কাৰণে তাই তাইৰ ভালপোৱাক কেতিয়াও পাব নোৱাৰে।

অৱশেষত মনীষায়ে আয়নৰ জীৱনৰ পৰা লাহে লাহে আঁতৰি যাবলৈ সাজু হৈছিল। এই ধৰণে সাজু হওঁতে মণিষায়ে চকুলো টুকি পাৰ কৰিছিল বহুতো উজাগৰি নিশা। মনে মনে হেজাৰ বাৰ ক্ষমা বিচাৰিছিল তাইৰ মৰমৰ আয়নৰ ওচৰত।

সুদীৰ্ঘ তিনিবছৰ পিছত আয়ন উভতি আহিল অসমলৈ। যিটো দিনত সি তাৰ মৰমৰ প্ৰেয়সী, তাৰ ভালপোৱা মনীষাক লগ পাব; সেইদিনা ৰাতিপুৱাই আয়নে গা-পা ধুই মণিষাই কোৱা অনুসৰি কলেজৰ পুখুৰীপাৰত তাইক লগ ধৰিবলৈ গ'ল আৰু লগত গৈছিল তাৰ বন্ধু ৰাজ।

পুখুৰীৰ পাৰত বহি আয়নে অতীতৰ স্মৃতিবোৰ ৰোমন্থন কৰিবলৈ ধৰিলে; কেনেকৈ ক্লাছত দুয়ো আছিল উল্লেখযোগ্য ছাত্ৰ-ছাত্ৰী। গোৱালপাৰাত থাকোতে কিমান ফুৰিছিল দুয়ো। কিমান মৰম আছিল এজনৰ আনজনৰ প্ৰতি। এদিন ক্লাচত নাহিলে উত্তৰ দিব লাগিছিল, কিয় নাহিল। দুয়োৰে ভালপোৱাৰ সমানেই আছিল এজনৰ আনজনৰ ওপৰত অভিমান আৰু দুয়ো আজি পৰস্পৰে পৰস্পৰক নেদেখাকৈ কেনেকৈ দিন পাৰ কৰিব পাৰিলে ভাবি নিজেই আচৰিত হৈ যায়। ৰাজৰ মাতত আয়ন যেন বাস্তৱলৈ উভতি যায়। এনেতে আয়নে দেখিলে সেউজীয়া চুৰিদাৰ পৰিহিত ছোৱালী এজনী তাৰ পিনে অহা। তাৰ ভুল হোৱা নাইতো ? নাই নাই তাৰ ভুল হোৱা নাই। সেয়া মণিষাৰ বান্ধৱী জোনালীহে।

আয়নে জোনালীলৈ হাত আগবঢ়াই দি চাৰিওফালে চালে। মণিষা ! মণিষা ক'ত ? ধৈৰ্য্যহীনভাৱে আয়নে সুধিলে

ছবি ! জোনালীয়ে ব্যৰ্থ ভাৱে ক'লে

মানে ? আচৰিত হ'ল আয়ন

তাই অহা নাই ! তাইৰ গাটো ভাল নহয়। তাইৰ সলনি মই আহিছো। এই চিঠিখন লোৱা, মনীষাই দিছে তোমালৈ বুলি কৈ জোনালী সেই ঠাইৰ পৰা আঁতৰি গ'ল।

আয়নৰ অলপ ভাল লাগি গ'ল যদিও মনত এটা ভয়ে অহা যোৱা কৰিলে। এনে লাগিল যেন তাৰ ওচৰত ৰুমী থিয় হৈ আছে। আনন্দমনে চিঠিখন পঢ়িবলৈ আৰম্ভ কৰিলে আয়নে। কিন্তু এয়া কি ......... ? আয়নে চিঠিখন পঢ়াৰ সলনি ফেটি সাপৰ দৰেৰ লাগি কঁপিবলৈ ধৰিলে। কি লিখিছে মনীষাই ..... ?

তাইৰ অকৃত্ৰিম ভালপোৱাৰ শপত দি কৈছে তাইক যাতে সি পাহৰি যায় আৰু তাইৰ জীৱনৰ পৰা আঁতৰি যায়। কথাবোৰ পঢ়িয়েই গোটেই আকাশখন যেন আয়নৰ ওপৰত ভাঙি পৰিল। হাতৰ পৰা গোলাপফুলৰ থোপাটো কেতিয়া মাটিত পৰিল সি ক'বই নোৱাৰিলে। বেদনা আৰু প্ৰদত্ত আক্ৰোশত গুজৰি উঠিল আয়ন। বলিয়াৰ দৰে সি তাৰপৰা আঁতৰি গ'ল। তাৰ পিছত আয়নৰ কি হ'ল কোনেও নাজানিলে আনকি মনীষাইও একো গম নাপালে।

পাই হেৰুৱাৰ দুখ কেৱল অভিজ্ঞ জনেহে উপলব্ধি কৰিব পাৰে। এইকথা মনীষাই ভালদৰে জানে।

আজি পাঁচ বছৰ হ'ল মনীষাই আয়নক হেৰুওৱা। দিন বাগৰিল, ঋতুৰ পৰিবৰ্তন হ'ল। কিন্তু পৰিবৰ্তন নহ'ল একো মনীষাৰ জীৱনত। সদায় হাঁহি মাতি থকা ৰাংঢালী ছোৱালীজনী নিশ্চুপ নীৰব হৈ পৰিল।

আয়নৰ লগত কটোৱা সময়বোৰ মনত পেলাই মনীষাই নিজৰ জীৱন অতিবাহিত কৰিব ধৰিলে। সময় আকৌ বাগৰিল আকৌ ঋতুৰ পৰিবৰ্তন হ'ল। কিন্তু মনীষা আগতকৈ বেছি নীৰৱ হৈ পৰিল। আয়নৰ স্মৃতিত আজিও উজাগৰী নিশা চকুলো টুকি পাৰ কৰে মনীষাই আৰু উপলব্ধি কৰিব পাৰে প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু প্ৰেমৰ বেদনা চিৰস্থায়ী।

---

লেখিকা উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কলা শাখাৰ ছাত্ৰী।

# আইৰ মৰম

এদিনাখন সামান্য এটা প্ৰাণীক কেন্দ্ৰ কৰি এক অবাঞ্চিত বাক যুদ্ধৰ সৃষ্টি হৈ গ'ল দুই কিশোৰী বান্ধৱীৰ মাজত। এজনীয়ে প্ৰস্তাৱ দিয়ে তুমি এইটোক এৰি দিয়া।

আনজনীয়ে পোনপটীয়া ভাৱে প্ৰস্তাৱ অগ্ৰাহ্য কৰে -- নাই নিদিওঁ।

কিয় নিদিয়া ?

মই এইটোক ঘৰলৈ লৈ যাম। নহয়, তুমি এইটোক ঘৰলৈ নিব নোৱাৰা। মাক জনীয়ে কেনেকৈ কান্দি-কান্দি আমাৰ চাৰিওপিনে ঘূৰি ফুৰিছে, দেখা নাই জানো ?

ফুৰক ! তাতে তোমাৰ কি হ'ল ?

তেনেকৈ আকোৰগোজ কথাবোৰ কিয় কৈছা ৰুণু ? অকণমানি পোৱালিটো ঘৰলৈ নি কি কৰিবা ?

মই এইজনীক পুহিম আকৌ।

নহয়, তুমি পোৱালিটো এৰি দিবই লাগিব। বাৰে-বাৰে একেটা কথাকে কৈ থাকিলে মই বৰ বেয়া পাওঁ জুনু। মই পোৱালিটো ধৰি নিলে তোমাৰ নো কি ক্ষতি হয় ?

ৰুণুৰ কথাবোৰ যথেষ্ট উষ্মা জড়িত আৰু কৰ্কশ হৈ উঠা দেখি জুনু থত মত খাই মনে মনে থাকে। ৰুণুই পোৱালিটোৰ নোমাল কোমল দেহাত হাত বুলাই মৰম কৰিব ধৰিলে। তাৰ



স্বৰ্ণালী তালুকদাৰ





ওঠ দুটি সেন্দুৰীয়া বৰণৰ মৰম লগা। মূৰৰ দুই কাষে তিৰ বিৰ কৰিছে সৰু চকুযুৰী। মাকজনীয়ে ৰুণুহঁতৰ কাষে-কাষে ঘূৰি ফুৰিছে পাগলীৰ দৰে।

ৰুণু আৰু জুনু সেই প্ৰাইমাৰী স্কুলৰ পৰাই সহপাঠী। আজি সিহঁত হাইস্কুলৰ দশম শ্ৰেণী পাইছেহি। সিহঁত দুয়ো নলে-গলে লগা বান্ধৱী। বাঁহনিৰ তলে-তলে সৰীসৃপৰ দৰে শুই থকা এই লুঙলুঙীয়া বাটটো সিহঁতৰ আশৈশৱ পৰিচিত। হাইস্কুলৰ গাতে লাগি থকা প্ৰাইমাৰী স্কুলখনৰ মাজিয়াৰ কঠত বহি 'কুঁহিপাত কুমলীয়া গছৰ আগত .........' আওৰোৱা দিনৰ পৰাই এই পৰিচিত বাটটোৰেই সিহঁতহালে অহা যোৱা কৰিছে প্ৰতিদিনে।

আজি স্কুললৈ যোৱাৰ বাটত হঠাৎ দৃশ্যটো চকু পৰে সিহঁতৰ। বাটৰ কাষৰ ঢেকীয়া এজোপাৰ তলত মাতৃ আৰু সন্তানৰ অকৃত্ৰিম ধেমালি আৰু মৰম বিনিময়ৰ দৃশ্য, শহাপহু জনীয়ে তাইৰ অকণমানি পোৱালিটোৰ সতে ধেমালি কৰি আছিল।

ৰুণু আৰু জুনুৱে ইজনে সিজনক মুখত তৰ্জনী আঙুলি লগাই মনে-মনে থাকিবলৈ কয় আৰু পৰম তৃপ্তিৰে উপভোগ কৰে দৃশ্যটো। নিজৰ অজানিতে জুনুৱে অন্যমনস্ক হৈ যায়। তাইৰ হৃদয়ৰ চোতালত উমলে-জামলে শৈশৱৰ মধুৰ স্মৃতিৰ জাক। তাই সৰুতে মাকৰ সৈতে উমলিছিল। তাইৰ মাক আছিল শিক্ষিতা, ৰুচিশীল মহিলা। আজিৰ পৰত মাকে জুনুক লৈ লুডু, কেৰম খেলিছিল। খেলত জুনুই মাকক হেৰুৱাই উল্লাসত আত্মহাৰা হৈ নাচিবাগি ঘৰখন মুখৰিত কৰিছিল আৰু পৰাজিতা মাকে তাইক সাৱটি ধৰি দুগালত চুমা খাইছিল আনন্দত, আবেগত। হায়, আজি আৰু .... এটা তপত হুমুনিয়াহ ওলাই আহে জুনুৰ মুখেৰে, আজি আৰু তাইৰ মাক নাই এই সংসাৰত। অকাল মৃত্যুৱে কাঢ়ি লৈ গ'ল তাইৰ ওচৰৰ পৰা। জুনুৰ বুকুখন হম হমায়। চকুযুৰি চলচলীয়া হয়। এনেকৈ কিমান সময় পাৰ হৈ গৈছে তাই নাজানে। হঠাৎ মাতৃ শহাজনীৰ চকু পৰে সিহঁতলৈ। তাই গল দাঙি সিহঁতলৈ চায় আৰু মূহুৰ্ত্তৰ ভিতৰতে ভিৰাই লৰ মাৰে জোপোহাৰ আঁৰলৈ, কিন্তু পোৱালিটো ? নাই, ই মাকৰ সমানে দৌৰিব নোৱাৰিলে। এই সুযোগতে একে দৌৰে ৰুণুই পোৱালিটো থাপ মাৰি ধৰি পেলায়। বন্দী পোৱালীটোৱে চিঞৰি উঠে।

এই ঘটনাৰ ঠিক পিছতে মাক শহাজনী পাগলীৰ দৰে ওলাই আহে বননিৰ পৰা। ক্ষন্তেক আগতে ৰুণুহঁতক দেখি হুৰমূৰকৈ পলোৱা শহাজনীৰ এতিয়া একো ভয় ভীত নোহোৱা হ'ল। তাই স্বকীয় মাতেৰে চিঞৰি ঘূৰি ফুৰিছে জুনুহঁতৰ চৌপাশে। অবুজ চলচলীয়া চকুৰে শহাজনীয়ে ৰুণুহঁতৰ ফালে চাই আছে "তহঁতে বিনাদোষত মোৰ সন্তানটি কিয় ধৰিছ ? এৰি দে, এৰি দে বুলিছোঁ।" তৎমুহূৰ্ত্ততে তাই মূৰ নত কৰি সিহঁতৰ ভৰিৰ কাষলৈ আহিব খোজে, কিন্তু ভয়তে আঁতৰি যায়। তাই ভৰিত পৰিব খোজে যেন 'কাবৌ কৰিছোঁ বাছাহঁত মোৰ সন্তানটিক এৰি দে। দুখুনী মাকৰ বুকু খালি নকৰিবি বাছাহঁত।' আনহাতে সন্তানে বিনায় ৰুণুৰ হাতত বন্দী হৈ।

জুনুই কথাবোৰ মনতে ভাবি বেদনাত থকা-সৰকা হয়। তাই আজিও পাহৰা নাই সেই অতীতৰ দুখ ভৰা দিনটোৰ কথা। মাকক যেতিয়া মানুহবোৰে বাঁহৰ চাঙত তুলি ব'ল, হৰি ব'ল.বুলি নদীৰ পাৰলৈ লৈ গৈছিল, তেতিয়া জুনুই আকুল-বিকুল হৈ কান্দিছিল। কিন্তু নাই, জুনুই শহা পোৱালিটোক তাৰ মাকৰপৰা বিচ্ছিন্ন হ'বলৈ নিদিয়ে। তাই পুনৰ ৰুণুক অনুৰোধ কৰিবলৈ সাহস গোটায়। কথা শুনা - 'ৰুণু, তুমি পোৱালিটো এৰি দিয়া। তুমি জানো মাকজনীয়ে কান্দি থকা দেখা নাই ?' কি অবুজ বেদনা'। ব্যক্ত কৰিব নোৱাৰে।

বাৰে বাৰে বিৰক্ত নকৰিবা বুলি কৈছো নহয় জুনু!

জুনুই ক'লে ইহঁতেতো আমাৰ একো অনিষ্ট কৰা নাই। তেন্তে এই শাস্তি কিয় ?

ৰুণুই টপৰাই উত্তৰ দিলে 'মইতো পোৱালিটোক শাস্তি দিম বুলি কোৱা নাই, মই তাক পুহিম।

মাকৰ বুকুৰ পৰা পোৱালি কাঢ়ি নিলে জানো মাকে দুখ নেপায় ? হাবিৰ স্বাধীন জীৱনৰ পৰিৱৰ্তে সজাৰ নিদাৰুণ বন্দী জীৱন জানো পোৱালিটোৱে ভাল পাব ?

কিয় ভাল নেপায় ? মই ইয়াক বৰ মৰম কৰি ৰাখিম। যি খায় তাকে দিম।

এই বাৰ জুনুৰ মন আৰু সেমেকি উঠে। তাৰ দুই চকুৰ কোণত চিক্ মিক্ কৰে দুটোপাল চকুলো। তাই ৰুণুৰ হাতত ধৰে আৰু গদ, গদ কণ্ঠেৰে কয় —

"মোকো সকলোৱে মৰম কৰে ভাই; তথাপিও ...........।

হয়, এই মাতৃহাৰা ছোৱালীজনীক তাইৰ ঘৰৰ সকলোৱে যথেষ্ট মৰম-চেনেহ কৰে। বিশেষকৈ মাহীমাক জনীয়ে তাইৰ মৃত মাকৰ ঠাই পূৰাবলৈ চেষ্টা কৰে। খোৰা-বোৱাকে আদি কৰি তাইৰ সকলো কামত মাহী মাকৰ ভূমিকা অকৃত্ৰিম।

তথাপিও যেন ক'ৰবাত এক ধৰণৰ শূণ্যতা অনুভৱ কৰে জুনুৱে। আনৰ মৰমত তাই স্বৰ্গগতা মাকৰ মৰমৰ সোৱাদ বিচাৰি হাবাথুৰি খায় প্ৰতি পলে।

সকলোৱে ইমান মৰম চেনেহৰ মাজতো মাৰ স্মৃতিয়ে মোক বৰকৈ কন্দুৱায় ৰুণু।

জুনুৰ চকুৰ পৰা মুকুতা বিন্দু টপ্ টপ্ কৈ সৰি পৰে। তাই কয় তোমাক কাবৌ কৰিছো এই অকণমানি পোৱালিটোক মাতৃহাৰা নকৰিবা। ইহঁতো প্ৰাণী। সুখ দুখৰ অনুভূতি ইহঁতৰো আছে।

ৰুণুৰ মন সেমেকি উঠে এইবাৰ। বান্ধৱীৰ চকুলোৱে তাইৰ জেদী মনটোক আহত আৰু পৰাজিত কৰে। তাই সকলো সহ্য কৰিব পাৰে কিন্তু জুনুৰ চকুলো। বাৰু ঠিক আছে জুনু। তুমি যদি শহা পোৱালিটো এৰি দিলে ভাল পোৱা তেন্তে এৰি দিছো।

ৰুণুই পোৱালিটোক লাহেকৈ মাটিত এৰি দিয়ে। পোৱালিটো একে দৌৰে গৈ মাকৰ ওচৰ পায়। মাক আৰু পোৱালিটোয়ে দুই বান্ধৱীৰ পিনে এবাৰ চায়। যেন কৃতজ্ঞতা প্ৰকাশৰ এয়া বাকহীন ভংগী এটা। তাৰ পিছত বননিত অদৃশ্য হৈ গ'ল। "আনন্দৰ আতিশায্যত জুনুৱে ৰুণুক সাৱটি ধৰে।" এতিয়া জুনুৰ কোমল অন্তৰত জাগি উঠিছে স্বৰ্গীয়া মাতৃৰ অপত্য স্নেহৰ এক অবুজ জিলিকনি।

লেখিকা স্নাতক তৃতীয় বৰ্ষ কলা শাখাৰ ছাত্ৰী।




ৰূপালী জয়ন্তী সংখ্যাৰ মহাবিদ্যালয় আলোচনীত প্ৰকাশিত গল্পৰ একাংশ





# বোমা

মৃগাংক দাস

আবেলি মাৰ যাব ধৰা বেলিটোৰ হেঙুলীয়া পোহৰ আহি কোঠাটোত সিঁচৰিত হৈ পৰিছে। চিন্টুই টেবুলৰ পৰা অসীমৰ ফটোখন হাতত লৈ চকীখন খিৰিকীৰ সন্মুখলৈ নি তাতেই বহি পৰিল। একান্তমনে সি অসীমৰ ফটোখন চালে। অসীমৰ হাঁহিটো সঁচাকৈয়ে সুন্দৰ কিন্তু তাতোকৈয়ো সুন্দৰ আছিল তেওঁৰ প্ৰতিভা। "চিন্টুদা কি ভাবি আছা ?" হঠাৎ নয়নৰ মাতত সি উচপ্‌খাই উঠিল। খিৰিকীৰে বাহিৰলৈ চাই সি গম্ভীৰ হৈ ক'লে, 'নাই ..... একো ভবা নাই'। 'সেইখন কাৰ ফটো চিন্টুদা' - অসীমৰ ফটোখন চাই তেওঁ সুধিলে। চিন্টুৰ হাতৰপৰা তেওঁ ফটোখন নি একান্তমনে চাই থাকিল। খিৰিকীৰে ৰঙা হৈ পৰা বেলিটোলৈ চাই চিন্টুয়ে ক'লে - "সেইজন মোৰ বন্ধু অসীম। আজিৰ পৰা প্ৰায় ছয় বছৰমান আগতে এক বোমা বিস্ফোৰণত

তেওঁৰ মৃত্যু হৈছে।' 'চিন্টুদা' - নয়নে চিঞৰি উঠিল। এজাক শীতল বতাহে চিন্টুৰ মনটো উৰুৱাই লৈ গ'ল সেই ভয়ংকৰ দিনটোলৈ যিদিনা সি মৰমৰ বন্ধু অসীমক হেৰুৱাব লগা হৈছিল।

২০০০ চনৰ জানুৱাৰী মাহ। আমি তেতিয়া নৱমমানৰ ছাত্ৰ আছিলো। আমাৰ ক্লাছলৈ এজন নতুনকৈ ল'ৰা আহিছে। আগতে গুৱাহাটীত পঢ়িছিল। প্ৰথম দিনা আহি মোৰ কাষত বহিছিল। তাৰ সকলো পৰিচয় সোধাত লাহে লাহে ল'ৰাজনে সকলো কৈ গৈছিল। ল'ৰাজনৰ ওঁঠত অনবৰতে লাগি আছিল এটা শান্ত হাঁহি। দিনযোৱাৰ লগে লগে অসীম আৰু মোৰ বন্ধুত্বও বাঢ়ি গ'ল। এনেকৈয়ে দুয়ো দশম শ্ৰেণী পালো। তাৰ ৰোল নং এক আৰু মোৰ দুই হ'ল। অসীম অকল পঢ়াশুনাত ভাল এনে নহয় খেলা ধুলাতো ভাল আছিল। দশম শ্ৰেণীত ন'মাহ মান সুকলমে পাৰ হ'ল, তাৰ পিছত দুৰ্গা পূজা আহিল । গৌৰীপুৰত বিৰাট ধুম ধামেৰে দুৰ্গা পূজা পালন হয়। অসীম গৌৰীপুৰত দুৰ্গা পূজা প্ৰথম বাৰৰ বাবে চাব, আগতে গুৱাহাটীতেই চাইছিল। সিদিনা আছিল নৱমী। মই অসীম আৰু অসীমৰ এজন দূৰ সম্পৰ্কীয় দাদা এজনৰ লগত গৌৰীপুৰ Children Park ৰ ওচৰৰ পূজাখনত আমি আবৃতি প্ৰতিযোগিতা চাই আছিলো। তেতিয়া ঘড়ীত ৮-৩০ মান বাজিছিল। হঠাৎ আমাৰ ঘৰৰ ওচৰত থকা এজন ল'ৰাই মোক খবৰ দিলে যে আমাৰ ঘৰত বোলে আলহী আহিছে গতিকে মই সোনকালে ঘৰলৈ যাব লাগে। খবৰটো পাই মই অসীম আৰু সেই দাদাজনৰ অনুমতি লৈ ঘৰমুৱা হ'লো। কিযে এই বিধিৰ বিধান কোনে জানে মই মাত্ৰ ঘৰ আহি পোৱাৰ লগে লগেই এটা প্ৰচণ্ড বিস্ফোৰণৰ শব্দত সমগ্ৰ-গৌৰীপুৰ কপাই তুলিলে। কিহৰ বিস্ফোৰণ ক'ৰ পৰা আহিল ? অলপ মান সময়ৰ পিছতেই আমি খবৰ পালো যে Children Park ৰ ওচৰৰ পূজাখনত কোনোবা দুবৃত্তকাৰী সংগঠনে বোমা বিস্ফোৰণ ঘটাইছে। খবৰটো পাই মোৰ গাটো কঁপি উঠিল। ওলপ পিছত খবৰ পালো যে দুজনৰ ঘটনাস্থলীতে মৃত্যু আৰু কমেও পোন্ধৰজনমান আহত হৈছে। আহত সকলৰ ভিতৰত অসীম তথা তেওঁৰ দাদাজনো আছিল। দাদাজনৰ তুলনাত অসীমৰ আঘাত গুৰুতৰ আছিল। অসীমৰ ভৰি এখন সম্পূৰ্ণ ছিঙি যোৱাৰ লগতে বাওঁ চকুটো হেৰুৱায়। অচেতন দেহাটো প্ৰথমতে ধুবুৰী হস্পিটাললৈ লৈ গৈছিল। ডাক্টৰৰ পৰামৰ্শমতে পিছত অসীমক গুৱাহাটীলৈ লৈ গৈছিল। দুমাহ হস্পিটালত থাকি তাৰ পিছত তাক গৌৰীপুৰৰ ঘৰলৈ লৈ আহিল। মই তাৰ খবৰ ল'বলৈ গৈছিল। অসীমে এখন বিচনাত শুই আছিল। শুকাই-খিনাই গৈছিল অসীমৰ সুন্দৰ সুঠাম দেহাটো। ওচৰতে বহি মাকে তাক কিবা খাবলৈ জোৰ কৰি আছিল। মই যোৱাত মাকে বহিবলৈ দিছিল। মই অসীমৰ কাষতে বহি তাৰ হাত এখন মোৰ হাতৰ মুঠিত লৈ মাতিলো 'অসীম'। মাত শুনি সি চকু মেলি মোৰ ফালে অলপ সময় চাই হুকহুকাই কান্দি দিলে। কান্দি কান্দিয়ে সি কৈছিল ঃ "চিন্টু তুমি খুব ভালকৈ পঢ়িবা। মোৰ সকলো আশা চুৰমাৰ হ'ল। তুমি ভালদৰে পঢ়ি মোৰ আশাবোৰ পূৰণ কৰিবা চিন্টু। মইতো আৰু জীয়াই নাথাকো।" ময়ো কান্দি কান্দি ক'লো 'অসীম তেনে কথা নক'বা। তুমি আমাক এৰি ক'লৈকো যাব নোৱাৰা'। এটা সময়ত ভগ্ন হৃদয়েৰে অসীমৰ পৰা বিদায় লৈ ঘৰলৈ উভতিলো। সেইদিনা ৰাতিয়ে অসীম এই পৃথিৱীৰ পৰাই বিদায় ল'লে । অসীম গুচি গ'ল অজান ঠাইলৈ হয়তো অসীমলৈ।

চিন্টুয়ে হুক্হুকাই কান্দি দিলে। নয়নে ক'লে 'দাদা, তুমি নাকন্দিবা। কান্দিলে অসীম দাদাৰ আত্মাই শান্তি নাপাব। তুমি অসীম দাদাৰ স্বপ্নক ৰাস্তৱ ৰূপ দিবলৈ চেষ্টা কৰা।' লাহে লাহে পৃথিৱীলৈ নামি অহা এন্ধাৰবোৰ কোঠাটোৰ ভিতৰত সিচঁৰিত হৈ পৰিছিল।

বহু সময় ধৰি কোঠাটোৰ দুয়োটা প্ৰানীয়ে নিষ্পন্দ, নিৰ্বাক হৈ আন্ধাৰৰ সতে যুদ্ধ কৰি থাকিল -।

---

লেখক স্নাতক দ্বিতীয় বৰ্ষ বিজ্ঞান শাখাৰ ছাত্ৰ।





# টেলিফোনত দুটা জীৱনৰ অনুভৱ

জহ্নুৰ আলম

টিৰিং টিৰিং, টিৰিং টিৰিং ....

হেল্ল', কামনা কি খবৰ ?

ক্ষমা কৰিব (নাৰী কণ্ঠ) মই কামনা নহয় কল্পনাহে।

অস্ হ ছৰি,

বেয়া নাপাবদেই -

পিছে আপোনাৰ নামটো গম পালো কিন্তু উপাধিটোনো কি ?

আপুনি নিশ্চয় উপাধিটোৰে মালা নিপিন্ধে, গতিকে এইটোৰে কি কৰিব, তথাপি আপোনাক মোৰ নিচিনা অভদ্ৰ যেন লাগিছে। সেয়ে কওঁ, মই কল্পনা বেশ্যা।

পিছে আপোনাৰ নামটোনো কি ? উপাধিটো দিব নাপাহৰিব আক!

মই বাস্তৱ গুণ্ডা। আৰু গুণ্ডাৰ সম্বন্ধ অকল তুমি গতিকে মই ভাবো আমি "আপোনাৰ পৰা তোমাৰ" লৈ আহো নেকি ? তোমাৰ শুৱলা মাতষাৰ শুনি তোমাৰ লগত কথা পাতিবৰ মন গৈছে। তুমি নিজৰ লগত অলপ Compromise কৰিবানে ?

কল্পনা ঃ অচিনাকিৰ বাবে Sacrifice ৱাহ! হুহুৱালা

দেই। হ'ব দিয়া কথাকে পাতো। পিছে গুণ্ডা ভাই তোমাৰ ঠিকনাটোনো কি ?

বাস্তৱ ঃ মোৰ সন্তাক তুমি বিচাৰি পাবা চহৰৰ অলি-গলিয়ে, জাৱৰৰ খাল, জুৱাৰ আড্ডা, চিনেমাহলৰ পিছফালে আৰু Specially নেতা সকলৰ হৃদয়ৰ মাজত। বাৰু তোমাৰ ঠিকনাটো দিয়াচোন।

কল্পনা ঃ তোমাৰ আৰু মোৰ মাজত অলপ পাৰ্থক্য আছে। তুমি থাকা নেতাৰ হৃদয়ৰ মাজত আৰু মই থাকো নেতা সকলৰ বেডৰুমত আৰু শেষত মহাত্মা গান্ধী থকা কেইখনমান কাগজলৈ চহৰৰ লেতেৰা গলিৰ কাৰ্লভাৰ্ট এটাৰ তলত, পেটৰ তাড়নাত দুডাল খৰিৰে অন্ন দুমুঠি প্ৰস্তুত কৰাত।

বাস্তৱ ঃ তেন্তে তোমাৰ "ফোন" কেনেকৈ হ'ল ? বেশ্যাৰ বাবে আজিকালি চৰকাৰে 'ফোন'ৰ ৰিলিফ দিছে নেকি ?

কল্পনা ঃ গুণ্ডা ভাই, তুমি হ'বলা ভাৰতবৰ্ষ ধৰ্ম নিৰপেক্ষ বুলি নাজানা। যদি নাজানা জানি লোৱা, বেশ্যাৰ ধৰ্ম বেলেগৰ বস্তু ব্যৱহাৰ কৰা অপেক্ষাৰত অৱস্থাত।

বাস্তৱ ঃ বাদ দিয়া সেইবোৰ, আমি আন কথা পাতো দিয়া। বাৰু প্ৰথমে কোৱা মোক বিশ্বাসত লৈছাতো। আচলতে আমাৰ দুয়োৰে 'বেইমানী ধাণ্ডা' কিন্তু বিশ্বাস এক নম্বৰৰ লাগে। বাৰু, বেশ্যা এজনীৰ সম্পদ (Capital), কি ?

কল্পনা ঃ গুণ্ডা হে মোৰ ধাণ্ডাত ইমান আগ্ৰহী কিয় ? তোমাৰ মতি-গতি ভাল নহয় হ'বলা। তথাপি শুনা মোৰ একমাত্ৰ সম্পদ হ'ল 'মোক খা-মোক খা' কৰি থকা'মোৰ একমাত্ৰ যৌৱনটো। যদিও জীৱনৰ ক্ষেত্ৰত মই বেলেগ এটা Definition ত believe কৰো। মোৰ মতে Life is a very hard task but sometime it may be easy, if you know to utilize it. বাৰু তোমাৰ সম্পদনো কি?

বাস্তৱ ঃ কিন্তু বেশ্যা ভন্টি, মোৰ ক্ষেত্ৰত অকনমান বেলেগ। মোৰ মতে, Profession is the very tough task in this earth, but it may be easy if you know the proper way to your destination. Though everybody have geniousness but a few people know how to express it আৰু গুণ্ডাৰ সম্পদনো কি! জানায়ে দেখোন। আমাৰ সমাজৰ দুখ লগা ৰাজনীতিৰ নেতাৰ শক্তিত মই বলৱান। তোমাৰ আৰু মোৰ মাজত কিবা এটা 'সাদৃশ্য' থকা যেন লাগিছে। সেয়ে কথা পাতি ভাল পাইছো। আচলতে কি জানা - মানুহক সংগ লাগে আৰু মোক সংগ দিছে মোৰ অস্ত্ৰকেইপাতেহে। I have no amy tension আৰু সেইটোৱে মোৰ ডাঙৰ টেনচন, বুজিলা। এই গুণটো তোমাৰ তাত থকা যেন লাগিছে। যদিও তুমি অবলা নাৰী তথাপি তোমাক মোৰ ভূগোলৰ আগ্নেয়শিলা যেন লাগিছে।

কল্পনা ঃ হয়তো, কথাষাৰ হয়। কিন্তু Problem টো হ'ল আমি হাজাৰ চেষ্টা কৰিও মকৰাজালৰপৰা আঁতৰি আহিব নোৱাৰা হৈছো। এই আঠঠেঙীয়া সমাজখনৰ দ্বাৰা আমি লাঞ্চিত হৈ আছো, ৰজা-মহাৰাজৰ যুগৰ পৰা। মোৰ কবিতা এফাঁকিৰে কওঁ -

"পুৰি ছাৰখাৰ কৰা বুৰঞ্জীক
কাটি দিয়া স্বৰ্গীয় আৰু কবিতাক
মাথোন থাকিব অপেক্ষাৰত - 'সভ্য আৰু সভ্যতা'
ষ্টিফেন হকিংছৰ 'ব্লেক হোলত' সুমাই যোৱাৰ"।

ৰ'বা, আমি একেবাৰে লাঞ্চিত বুলি ক'লে মহৰ নহয়। আচলতে, আমি নিজকে সজাই পৰাই তোলো যে লাঞ্চিত হ'বলৈ কিন্তু এষাৰ কথা ক'বলৈ বাকী থাকে যে "You all may use us as you want"বচ লেঠা শেষ। গতিকে Logic ৰ মতে আমি লাঞ্চিত। কিন্তু মই নিজকে লাঞ্চিত বুলি ক'ব নোখোজো কাৰণ If you think about negative then you'll get negative and if you think about positive then you'll get positive আৰু হয়তো আমাৰ যুৱতীচামৰ অনুপ্ৰেৰণা কেৱল "গছৰ তলৰ প্ৰেমৰপৰা সংগ্ৰহ কৰে"। যদি অলপমান বাস্তৱৰ পথত খোজকাঢ়ি অভিজ্ঞতা ল'লেহেঁতেন তেন্তে আমি আজি নাৰী জাতিটোৱে সগৌৰৱে ঘোষণা কৰিব পাৰিলেহেঁতেন "আমি স্বাধীন, মুক্ত মনৰ, লাঞ্চিত নহয়।"

বাস্তৱ ঃ ভাল লাগিল তোমাৰ কথাখিনি শুনি। যদি মই তোমাক মনুষ্য জাতিটোৰ উন্নতি সাধন কৰিবৰ বাবে পথ এটা দেখুৱাই দিব কওঁ ? তেন্তে কি ক'বা?

কল্পনা ঃ বেশ্যা হ'লেও, অলপ হ'লেও সৎ চিন্তা আছে মগজুত। মোৰ মতে, মানুহ নামৰ এই জীৱটোৰ অহং ক্ষমা কৰিব, মানুহ নামৰ এই মোবাইলটোৰ ভিতৰত



এনেকুৱা এখন SIM লগালোহেঁতেন, যিখনে বেয়াটো Incoming কৰে আনহাতে ভালটো Outgoing কৰে। তেতিয়া দেখিব Mobile টোৰ Bill আহিব মাত্ৰ 'মানৱ শান্তি'। আনহাতে Roaming ল'লে Bonus হিচাপে আহিব এটা সাহসী, সৎ মন। বাৰু বহুত বকিলো। গুণ্ডা ভাই তুমি কোৱাছোন এইবাৰ .....।

বাস্তৱ ঃ মইনো কি বকিম। তথাপি আচৰিত হৈছো বেশ্যা এজনীয়ে নিজৰ একমাত্ৰ সম্পদ যৌৱনৰ দ্বাৰা ইমান ভাল কবিতা লিখে আৰু সমালোচনা কৰে। আনহাতে মই তাই মোৰ গুণ্ডাগিৰিত আগস্থান দখল কৰা ৰিভলভাৰ, চুৰী, ড্ৰাগছ আদি একেলগে মিলালে গণিতৰ পদ্ধতিত "1-1=0" পাওঁ অৰ্থাৎ Give and take পলিচি। "দিয়া আৰু লোৱা" পদ্ধতিত এই গোটেইখন পৃথিৱীয়ে চলি আছে। আৰে, বিশ্বাস নহয় নেকি? - ছোৱা তেন্তে

গুণ্ডা + বেশ্য = শক্তি, টকা + শৰীৰ, ক্ষুধা
মাতৃ + শিশু = দুগ্ধ + 'মা' কান্দোন
বন্ধু + বান্ধৱী = টাইম পাছ + স্মৃতি
চৰকাৰ + জনগন = শোষক শোষিত
মানুহ + অসুৰ = Indirect মৰম + Direct খং
সাপ + নেউল = খোট + কামোৰ

ওপৰোক্ত প্ৰত্যেকটো এটা Big Zero সেয়ে মই বিশ্বাস কৰো এই Give and take পলিচিত। এতিয়া জীৱ বিজ্ঞানৰ ফালেদি দেখা গ'ল যে এজনে আনজনৰ ওপৰত নিৰ্ভৰশীল। সেয়ে এই "Give and take policy" মই ভাবো, "মানুহৰ উন্নতি কামৰ ওপৰত নিৰ্ভৰ কৰে। চেষ্টাৰ অবিহনে মানুহৰ দৈহিক আৰু মানসিক উন্নতি নহয় আৰু চেষ্টা মানেই হ'ব কাম। কাম কেতিয়াওঁ অভিশাপ নহয় ই বুদ্ধিৰ সক্ৰিয় অধিকাৰ আৰু মনুষ্যত্ব লাভৰ একমাত্ৰ পথ আৰু সভ্যতাৰ মাপকাঠি"। এই Defination আমি মানি চলিলে আমি হয়তো genuine সভ্য হ'ব পাৰিম। এতিয়া যদি আমাৰ যুৱকচামে প্ৰেমৰ পৰা অনুপ্ৰেৰণা সংগ্ৰহ কৰে বুলি তুমি ভাবা তেন্তে প্ৰেম মানে কি সিহঁতে প্ৰথমে জানিব লাগিব। মোৰ বোধেৰে প্ৰেম "আন এক প্ৰাণৰ মাজত নিজৰ প্ৰাণাৱেগৰ প্ৰৱাহমানতা, আন এক আত্মাৰ আধাৰত নিজৰ আত্মাৰ মূল্যবোধেই হ'ল প্ৰেম"। আনহাতে, "They said, Love hurts and steals peace of mind, but it brought "Solace" to our anguished hearts". কিন্তু তোমাৰ কথাষাৰ শুদ্ধ। আমাৰ যুৱকচামৰ মাজত "Ultra Modern" প্ৰেমে আগস্থান পাইছে।

কল্পনা ঃ গুণ্ডা ভাই, তুমি মোক প্ৰশ্ন কৰাৰ দৰে, মই তোমাৰ অভিলাষ কি জানিব বিচাৰো ?

বাস্তৱ ঃ মোৰ অভিলাষ - শুনা তেতিয়াহ'লে,
য'ত থাকিব শেৱালীৰ সুবাস,
য'ত নাথাকিব শূণ্যতাৰ আকাশ,
য'ত নাথাকিব কোনো বিলাস,
তেনেকুৱা ৰজনী লৈ আছে মোৰ অভিলাষ।

কিন্তু দুখৰ বিষয় আজি পৰ্য্যন্ত কোনেও মোক এনে প্ৰশ্ন নকৰিলে। হয়তো ভাগ্যৰ বিড়ম্বনা, কিছু কথা আজি তোমাৰ সন্মুখত Express কৰিছো ভুল বশতঃ Connection হোৱা টেলিফোনৰ যোগেদি কিন্তু নাভাৱিবা মোৰ ডাঙৰ দুখ আছে বুলি কাৰণ,

"যিদৰে মোৰ আৰু তোমাৰ
বুকুত আছে অলেখ দুখ
সেইদৰে দুখৰ বুকুতো শিপাই আছে
বহুতো দুখ! হয়তো
সুখ হ'ব নোৱাৰাৰ দুখ!

বেশ্যা ভন্টী এটা কথা মনত ৰাখিবা 'Truth come but waits...' অৰ্থাৎ - "সত্য আহে কিন্তু পলম হয়"। মই অলপ পলমকৈ উপলব্ধি কৰিছো তুমি আচলতে এগৰাকী বিদুষী বেশ্যা নহয়। তোমাৰ প্ৰকৃত চিনাকী দিবানে ?

কল্পনা ঃ গুণ্ডা ভাই, তুমি Proposal তো বেয়া দিয়া নাই আৰু "সাপেহে সাপৰ ঠেং দেখে"। গতিকে প্ৰথমে তুমি চিনাকীটো দিয়া।

বাস্তৱ ঃ নাই নহ'ব, প্ৰথমে তুমি কাৰণ ফোনটো মই কৰিছো। তাৰোপৰি 'Ladies first' হয় নে ?

কল্পনা ঃ ভাল ফাঁচিলো দেই। হ'ব দিয়া, মই কল্পনা স্বৰ্গীয়াৰী। Philosophy ৰ প্ৰবক্তা আৰু লেখিকা, ডেহৰাডুন বিশ্ববিদ্যালয়।

বাস্তৱ ঃ Oh my God তাৰ মানে, বেশ্যাৰ জীৱনৰ ওপৰত গ্ৰন্থ লেখি সাহিত্যত পুৰস্কাৰ পোৱা ভাৰত বিখ্যাত 'কল্পনা স্বৰ্গীয়াৰী'।

কল্পান ঃ তোমাৰ অনুমান সত্য, এইবাৰ তোমাৰ পাল।

বাস্তৱ ঃ মই এক সাধাৰণ জনগণৰ মাজৰ, বাস্তৱ

চলিহা মই 'সমাজ বিজ্ঞানৰ এজন প্ৰৱক্তা, হায়দৰাবাদ বিশ্ববিদ্যালয় আৰু সামান্য লিখা মেলা কৰো।

কল্পনা ঃI'm shocked মানে 'মাফিয়া আৰু গুণ্ডা'ৰ বিষয়ে লেখি ভাৰতৰ শ্ৰেষ্ঠ সাহিত্যিকৰ সন্মান লাভ কৰা 'বাস্তৱ চলিহা' হয়নে ?

বাস্তৱ ঃ একেবাৰে ধ্ৰুৱ সত্য। তোমাৰ মতবাদ 'সাপেহে সাপৰ ঠেং দেখে' ভাল মিলিল। পিছে তুমি আমাৰ এই 'অনুভৱৰ স্বৰলিপি'টোক কি আখ্যা দিবা ?

কল্পনা ঃআমাৰ মাজৰ এই 'টেলিফোনৰ দুটা জীৱনৰ অনুভৱক' তুমি মোৰ ভাষাত এইদৰে পাবা -

"জীৱন নদীৰ সোঁতে, সোঁতে,
বৈ যাওঁতে হয়তো লগ পালো
তোমাক এপলকলৈ
থাকিবনে এই স্মৃতি
যুগ-যুগান্তৰলৈ"

বাৰু, তুমিনো আমাৰ এই 'স্বৰলিপিটোক' কেনেদৰে অনুভৱ কৰিবা ?

বাস্তৱ ঃ মই আমাৰ এই টেলিফোনৰ মাজত দুটা জীৱনৰ অনুভৱ এনেদৰে ক'বলৈ ভাল পাম -

In the times when you are low
A little bit blue
A little bit down
You think of a friend
In the times when you are serious
Or just looking around
For someone to desire solve with
You think of a friend
To say thats
I'll be your friend always
I need not wait for special day,
For, I can say that any time, any day
As thats the way I always feel
When I think of you.

অ আৰু এটা কথা মই দেৱতা নহয় কিন্তু পশুতও ঘৃণা কৰো। সেয়ে মই এতিয়াৰ পৰাহে তোমাৰ ক্ষেত্ৰত ওপৰোক্ত Defination টো প্ৰয়োগ কৰিম। তোমাক ধন্যবাদ কাৰণ তুমি মোক এটা ভাল সন্ধ্যা উপহাৰ দিলা।

কল্পনা ঃ মোক ধন্যবাদ দি লাভ নাই "টেলিফোনক" ধন্যবাদ দিয়া আৰু শুনিছো বন্ধুত্বত হেনো Thanks and Sorry নাই।

বাস্তৱ ঃ বেশ্যা ভন্টী, তুমি ঠিকেই শুনিছা, আজিৰপৰা আমিও প্ৰয়োগ কৰো নেকি ?

কল্পনা ঃবাৰু, মোৰ আপত্তি নাই। কথা এটা নহয়, "ভুলতে" ডায়েল কৰা নম্বৰটো "সজ্ঞানে" পাহৰিবা নেকি ?

বাস্তৱ ঃ "সজ্ঞানে" কিয় ? "ভুলতো" নাপাহৰো। আমাৰ মাজৰ টেলিফোনৰ কথোপকথন ৰেকৰ্ড কৰিলে এটা ভাল গল্প নহ'বনে?

কল্পনা ঃহ'ব পাৰে কিন্তু গল্পটোৰ মূল্যায়ন কৰিব পঢুৱৈ সমাজেহে।

বাস্তৱ ঃসঁচানে ? আশা থাকিল কিন্তু।

কল্পনা ঃনহয়! মিছাওঁ হ'ব পাৰে।

বাস্তৱ ঃআশা কৰিয়েইতো আমি জীয়াই আছো।

কল্পনা ঃসেই আশাৰে, এতিয়া বিদায়হে গুণ্ডা ভাই।

বাস্তৱ ঃ ভাল বাৰু, বেশ্যা ভন্টী।

কল্পনা ঃশুভ সন্ধ্যা।

বাস্তৱ ঃ শুভ সন্ধ্যা তোমালৈকো।

টুং টুং টুং ............।

---

লেখক স্নাতক দ্বিতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ।

সাহিত্যৰ তিনিটা স্তৰ। উপলব্ধি, অনুভূতি আৰু ভাৱ প্ৰকাশ। কিছুমান শব্দৰ সমষ্টিয়ে ভাষা নহয়। শব্দৰ লগত এটা সচেতন চিন্তা নিহিত থাকে। ইন্দ্ৰিয়ৰ সহায়ত উপলব্ধি কৰিব পৰা অনুভূতিবিলাকৰ শব্দময় অভিব্যক্তিয়ে ভাষা। মানুহৰ সচেতন চিন্তাধাৰাক ভাষাই পৰিচালিত কৰি সাহিত্য সৃষ্টি কৰে।

- ৰঘুনাথ চৌধাৰী



# প্ৰতিবন্ধী



নিতুল নাথ

বতৰটো কিবা ডাৱৰীয়া-ডাৱৰীয়া যেন হৈ আহিছে। শেষবাতিৰপিনে বৰষুণ হ'ব পাৰে! সি মূৰ তুলি ওপৰলৈ চায়। চাৰিওপিনে কেৱল এটা গোমা-গোমা পৰিৱেশ। আহল-বহল খেতিপথাৰখনৰ সিটো মূৰে থকা ভলুকা বাঁহজোপাত এটা শগুণ ধপ্‌ধপাই পৰে। অস্তগামী সূৰুযটো ডাৱৰে ঢাকি ধৰিছে যদিও; এচেৰেঙা হেঙুলী আভা বাঁহজোপাৰ ফাঁকে ফাঁকে দেখা যায়! ওপৰেদি এজাক ৰাজহাঁহে কোৰ্হাল কৰি গৈ গৈ দূৰ দিগন্তত মিলি যায়। সি কান্ধত মেটমৰা বেগটো লৈ সাৱধানে আগবাঢ়ে। অদূৰৰ অঞ্চলটোৰ কোনোবা এটা কোণৰপৰা শংখৰ শব্দ বতাহত ভাহি আহে। বোধহয়, সন্ধিয়া নামিবৰে হ'ল, সি পুনৰ অস্তগামী সূৰুযৰ পিনে চায় যদিও; ডাৱৰে ঢাকি ধৰাৰ বাবে সি দেখা নাপায়! সি লাহেকৈ হাতঘড়ীটোলৈ চালে, এতিয়াহে চাৰে পাঁচ বাজিল। প্ৰাক্-শীতকালীন সময়!....... 'খটং!'....... 'ওহ!' ........ অন্যমনস্কভাৱে আহি থাকোতে তাৰ ভৰি এখন, ডাঙৰ শিল এচটাত লাগি বিচলন হোৱাত বেগটোৰ পৰা এটা ধাতৱ শব্দ বাহিৰ হয়। সি লাহেকৈ সোঁহাতখন পিঠিফাললৈ নি খেপিয়াই চায়। ঠিকেই আছে, তাৰ সহযাত্ৰী অস্ত্ৰটো। ..... নিৰাপদ আশ্ৰয় আৰু সুৰক্ষাৰ সন্তুষ্টিত তাৰ মনটো ভৰি পৰে! ..... সি অলপ বেগাই খোজ দিয়ে। এইটো আওহতীয়া বাট! তাতে অলপ আন্ধাৰ-আন্ধাৰ হৈ অহাৰ বাবে চিনাকী মানুহ-দুনুহ তেনেকৈ নাই বাবে তাৰ একো অসুবিধা নহয়। দুটামান গৰু ডিঙিৰ টিলিঙা বজাই সিহঁতৰ অস্তিত্বৰ উমান দি তাৰ সমুখেদিয়ে পাৰ হৈ যায়। সিহঁতৰ পিছে-পিছে এটা ৭-৮ বছৰীয়া ল'ৰাই তাৰ পিনে কেৰাহিকৈ চাই গুচি যায়। বাটটো সাধাৰণ জন বৰ্জিত বাবে নানা বন-জংঘল-লতাই ঠায়ে ঠায়ে ঢাকি পেলাইছে। সি এবাৰ সোঁভৰিখন আৰু এবাৰ বাওঁভৰিখন উঠাই-উঠাই যাব খুজিলেও বনৰীয়া লতাত ভৰি দুখন লাগি ধৰিবই খোজে! সি কোনোমতে তাৰপৰা ওলাই আহি মুকলি পথাৰখন পায়।...... সমূখৰ বটগছকেইজোপাৰে সৈতে বহল মুকলি পথাৰখন, য'ত

তাৰ আশৈশৱ ধেমালি-ধূমূলাবোৰ বাগৰি জুগৰি তৃপ্ত হৈ উঠিছিল লগৰীয়াবৃন্দৰ সৈতে। ...... সময় বাগৰে আৰু সিহঁতবোৰো যৌৱনৰ বাগুলী পচোৱাত মুক্ত বিহংগৰ দৰে উটি-ভাহি ফুৰে; সমনীয়াহঁতৰ সঙ্গতকৈ অকলশৰে কাৰোবাৰ কথা ভাবিবলৈ, কাৰোবাক লগ পাবলৈ মন ব্যাকুল হৈ উঠে। বোধহয় সকলোৰে তেনে অনুভূতি জাগে। ......... কিয়, তাৰ জানো ৰুণুমীক কেন্দ্ৰ কৰি তেনে অনুভূতি জগা নাছিল? মন বসন্তৰ জখলাত কেইচাপমান উধাওঁতেই দেখোন ৰুণুমীক দেখি তাৰ হিয়া নকৈ ফুলা কলি এটাৰদৰে ফুটি উঠিছিল। ...... বিহুনাচ-নাচি সকলো ঘৰাঘৰি হোৱাৰ পিছতো পথাৰৰ বকুলডালৰ তলত দেখোন সি, তৃষ্ণাৰ্ত্ত হোৱাৰ দৰে বাট চাইছিল তাইলৈ। তাইও হয়তো তাৰ হিয়াৰ ফলকখনি ধূলি-বালি নপৰাকৈ মচি ৰাখিবলৈ চেষ্টা কৰিছিল; সেইবাবেইতো লগৰীহঁতৰ আগত নানানটা অজুহাত দেখুৱাই হ'লেও মুক্ত বিহংগৰ দৰে তাৰ সৈতে যৌৱনাকাশত বিচৰণৰ অৱকাশ বিচাৰিছিল। কিন্তু, এই অৱকাশ সি সীমিত ৰাখিবলগীয়া হৈছিল, তাৰ ভৱিষ্যৎ জীৱনৰ প্ৰস্তুতিৰ বাবে। ......... স্থানীয় হায়াৰ ছেকেণ্ডাৰীখনৰ পৰা উজ্জ্বল বুদ্ধিমত্তা প্ৰদৰ্শন কৰি, এটা সময়ত সি গুচি গৈছিল গুৱাহাটীলৈ। ....অঞ্চলটোৰ নিম্ন প্ৰাইমাৰী স্কুলখনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক (তাৰ) দেউতাক, উচ্চশিক্ষাৰ নাম পৰ্য্যন্ত নুশুনা তাৰ আজলী মাকজনী আৰু অনিয়মিত মাহেকীয়া অচিন ৰোগে বয়স দুগুণ কৰি তোলা তাৰ আবিয়ৈ বায়েকজনীৰে পৰা আদি কৰি সকলোৰে তাক লৈ যে কিমান আশা কৰিছিল। কিন্তু, সি জানো পাৰিলে সিহঁতৰ আশা পূৰাব? কিন্তু, সি কি আগেয়ে জানিছিল তাৰ অনাগত বিপৰ্য্যয়ৰ কথা? নাই, সি কেতিয়াও ভবা নাছিল। ভাবিবই বা কিয় ? ... ডিগ্ৰীৰ প্ৰথম দুটা বৰ্ষ সুকলমে সমাপন কৰা ছাত্ৰ অনিমেশ দুৱাৰৰ বাবে কলেজীয়া জীৱনটো আছিল মধুৰ ক্ষণ আৰু কলেজীয়ানবোৰৰ মাজতো সি আছিল প্ৰিয়। সেইবোৰ কথা ভাবিলে তাৰ আজিও বৰ ভাল লাগে। কিন্তু, সি মুহূৰ্ত্ততে কোঁচ খাই যায় তাৰ বৰ্ত্তমান পৰিস্থিতিৰ কথা ভাবি। কিন্তু, এই পৰিস্থিতিৰ বাবে সি জানো দায়ী? তৃতীয় বাৰ্ষিকৰ সময়ৰে সেই বিপৰ্য্যয়ৰ নিশাৰ কথা ভাবি, তাৰ গা মূৰ আজিও সিৰসিৰাই যায়। বিজুলীবেগেৰে তাৰ স্মৃতিত আস্ফালন কৰে দুৰ্বিসহ সেই নিশাৰ ঘটনাই। ..... বৰ্ষা মুখৰ সেই নিশা এঘাৰতা মান বজাত প্ৰায় হুৰমূৰকৈয়ে সোমাই আহে তাৰ কোঠালৈ, তাৰ ভাড়াঘৰৰ মালিকৰ ল'ৰা জয়ন্ত আৰু কোনো এক অচিনাকী যুৱক। .......

.... "আৰে, জয়ন্ত তুমি এতিয়া, ইয়াত ?" ....জয়ন্তৰ লগত দীৰ্ঘদিনীয়া চিনাকি থাকিলেও সি আচৰিত হয়।

..... "অ' ভাই, আমি! দুৱাৰখন বন্ধ কৰ!" .....জয়ন্তই একে উশাহে কৈ যায়। ......"চা অনিমেশ; ই উজ্জ্বল চৌধুৰী। মোৰ মোমাইদেউৰ ল'ৰা। নগাওঁৰপৰা আন কেইটামানৰ লগত আজিয়ে ইয়ালৈ আহিছিল যদিও; মোক লগ পাই আমি দুয়ো ঘূৰা-ফুৰা কৰি থাকোতে সিহঁতবোৰ গুচি গ'ল। ই বৈ গ'ল। ইয়াক আমাৰ ঘৰলৈ নিব পাৰিলোঁ হয় কিন্তু; আমাৰ ঘৰে মোমাইদেউহঁতৰ লগত সম্পৰ্ক বিচ্ছিন্ন কৰিছে। গতিকে, আজি ৰাতিটোৰ বাবে ইয়াক ঠিকনা লাগে। দেখ ভাই, প্লিজ! মানা নকৰিবি। পুৱতি নিশাৰ আগে আগে ই গুচি যাবগৈ।" ...... জয়ন্তৰ আঁতি-গুৰি নোহোৱা কথাত সি কিবা ছালনাৰ গোন্ধ পাইছিল। কিন্তু, সি কিবা এটা ক'বলৈ পোৱাৰ আগেয়েই জয়ন্তই প্ৰায় জোৰ দিয়ে কৈ উঠে.... "ঠেংকছ দোস্ত। তেনেহ'লে ই ইয়াতে থাকিল।" আগন্তুকৰ পিনে অৰ্থপূৰ্ণভাৱে চাই; জয়ন্তই তাৰ দুৱাৰখন বন্ধ কৰিবলৈ কৈ খৰ খেদাকৈ গুচি যায়গৈ। সি লাহেকৈ দুৱাৰখন জপাই দিছিল যদিও, সি কেতিয়াও ভবা নাছিল যে বাহিৰত পালপাতি নানা বিপদে তাক জুমুৰি দি ধৰি আছিল। তথাপিও, তাৰ কিবা এক অস্বস্তি লাগিছিল, আগন্তুকে লগত লৈ অনা গধুৰ বেগখনৰ বাবে। কি গোপনীয়তা আছে, তাত! কিন্তু সি বেছি দূৰ ভাবিবলৈ সময় নাপালেই। পিছৰখিনি ঘটনা যেন আকৌ খৰকৈহে ঘটিছিল। .... প্ৰায় লঠিয়াই দুৱাৰ ভাঙি সোমাই আহিছিল সশস্ত্ৰ আৰক্ষী বাহিনী এজাক।। সাজু হৈ থকা আগন্তুক ইতিমধ্যে খিৰিকী এখন আজুৰি ভাঙি পলাল। সি ঘটনাৰ গতি বুজি পোৱাৰ আগেয়েই আৰক্ষীয়ে তাক হাতকেৰেয়া লগাই পেলালে। তাৰ হেজাৰটা অনুৰোধ উপেক্ষা কৰিও তাক নি লক্ আপত সুমুৱালে। প্ৰায় এসপ্তাহমান তেনেকৈ থকাৰ পিছত বিশেষ একো প্ৰমান নথকাৰ বাবে আৰু জয়ন্তৰ হাত দীঘল দেউতাকৰ সহায়ত সি মুকলি হয়। মুকলি হৈয়েই সি পোনচাটেই ঘৰলৈ উভটিছিল। .... কিন্তু; তাৰ কল্পনাতীতভাৱে সময় পাৰ হৈ গৈছিল। জীৱনত কোনো ক্ষেত্ৰতে কাকো এবাৰ টানকৈ কৈ নোপোৱা ল'ৰাজনক অঞ্চলটোৰ সকলোৱেই, আনকি তাৰ ঘৰখনেও; তাক ভাবিবলৈ বাধ্য কৰাইছিল যে - সি আৰু স্বাভাৱিক জীৱন যাপন কৰিব নোৱাৰে। ... দেউতাকৰ কঠোৰ আদৰ্শৰ সন্মুখত তাৰ সকলোবোৰ সপোন উটি ভাহি গ'ল। আনকি, মাক-বায়েকৰ চলচলীয়া চকুবোৰেও তাক আৰু তাত থকাটো সহ্য কৰিব নোৱাৰিলে। .... সি আন্ধাৰতে দেখিলে যে ... কথাবোৰ মনতে টুকুৰা-টুকুৰি কৰি গিলি আহি থাকোতে; তাৰ ঘৰৰপৰা দুই ফাৰ্লংমান দূৰৰ ঠেক শিলৰ ৰাষ্টাটোত সি ভৰি দিছে। মূৰ তুলি চাই দেখিলে তাৰ চাৰিওপিনে কেৱল এন্ধাৰ আৰু এন্ধাৰ। ... সি এই এন্ধাৰেই উপলব্ধি কৰিছিল, যেতিয়া সি হতাশ মনেৰে পুনৰ গুৱাহাটীলৈ নিঃস্ব ৰূপত ঘূৰি যাবলগীয়া হৈছিল। ........ কলেজৰ প্ৰিন্সিপালে তাক কঠোৰভাৱে ৰাষ্টিকেট্ কৰাৰ পিছত অনাই-বনাই ঘূৰি ফুৰোতেও সি একে এন্ধাৰেই চকুৰ আগত দেখিছিল। সি উপলব্ধি কৰিব পাৰিছিল যে - ইতিমধ্যে তাৰ উদ্দীপ্ত যৌৱন আৰু প্ৰতিভা ধুপুচ্‌কৈ-মুখঠেকেচা খাই বাগৰি পৰিছে চহৰখনৰ মাজমজিয়াত। পিছলৈ নিঃসহায় আৰু হতাশ মনেৰে কিবা এটা সংস্থানৰ আশাত ইঠাই-সিঠাই বাগৰি ফুৰোতে অযানিতে সি লগ পাইছিল প্ৰশান্তক। স্ফূৰ্ত্তিবাজ আৰু সদৰ্থক দৃষ্টিভংগীৰ যুৱকজনে তাক প্ৰথম পৰিচয়তেই আকৰ্ষিত কৰি পেলাইছিল। প্ৰশান্তইতো আছিল সেইজন, যিজনে তাৰ আপোনজন আঁতৰি যোৱাৰ সময়ত তাক আশ্ৰয় দিছিল। এই মোহনীয় মতাদৰ্শৰ ল'ৰাজনৰ লগত তাৰ কামতেই ইঠাই-সিঠাই বাগৰি ফুৰোতে এটা সময়তহে সি গম পাইছিল যে - প্ৰশান্তও একে পথৰেই পথিকৃৎ। প্ৰশান্তইও তাক ইটো-সিটো সৰু-সুৰা কামৰ দায়িত্ব দি প্ৰায় চামিলেই কৰি লৈছিল সিহঁতৰ দলত। সি প্ৰথমে, খং আৰু অভিমানত এৰিবই খুজিছিল প্ৰশান্তৰ সঙ্গ! কিন্তু, সিনো ওলাই যায় ক'লৈ। আপোনজনেটো তাক যেন পাহৰিয়ে পেলাইছে। আকৌ, সিয়ে এতিয়া স্বাভাৱিক জীৱন-যাপন কৰিবলৈ অক্ষম! কিন্তু, তাক প্ৰশান্তহঁতৰ আদৰ্শৰ মোহেই টানিলে নেকি ? সিহঁতৰ সহৃদয় সঙ্গ আৰু আদৰ্শৰ মোহত পৰি, কোনো এক দুৰ্বল পৰিস্থিতিত পৰি তাৰ ভৰি কেতিয়া যে - পিচল খালে, সি তৰ্কিবই নোৱাৰিলে! আকৌ, সি ব্যস্ত থাকি মনৰ ক্ষোভ মনতে মাৰ নিওৱাৰ চেষ্টাও কৰিছিল। তাত সি কোনো আপোনজনৰ কথা মনত পেলাই দুখানুভৱ কৰাৰ আহৰিও পোৱা নাছিল। ..... কিন্তু, সি পাৰিব জানো তাৰ পৰিয়ালৰ মৰমসনা মুখবোৰ পাহৰি থাকিবলৈ ? আৰু ৰুণুমী! পাহৰি থাকিব পাৰিব জানো তাইক ? নে তাইও তেনেকুৱা কৰিব। ......

'সোণবোপা', 'অ' সোণবোপা' ....... কাকোবাৰ মাত শুনি তাৰ তন্দ্ৰা ভংগ হৈ গ'ল। সি পিচপিনে ঘূৰি চাই দেখিলে প্ৰায় সত্তৰ বয়সোদ্ধ হৰেণ খুৰা ঠিয় হৈ আছে। বুঢ়াৰ দৃষ্টি শক্তি দেখি সি আচৰিতেই হ'ল। নহ'লেনো সন্ধিয়াৰ এইকণ পোহৰতো তেওঁ, তাক কি চিনিব পাৰে ?

"ক'ৰপৰা আহিলানো ইমানদিনৰ মূৰত ?" — সি মনে মনে থকা দেখি বুঢ়াই উপযাচি সোধে।

"আহিলো ৰ'ব।" — সি আৰু বিশেষ কিবা ক'বলৈ ভাল নাপালে। মাথো সুধিলে - কলৈ যায় ?"

"এ' তোমাক দেখি পাহৰিয়ে গৈছিলো। নামঘৰত আজি এখন বৰসভা আছে। তালৈকে আহিলো।" ... বুঢ়াৰ মন এতিয়াও আগৰ দৰেই আছে; নিৰ্ভেজাল! অলপ সময় তেনেদৰে থাকি সি এনেয়ে সোধে — "দেউতাহঁতেও গৈছে বোধহয়।"

"অ' অ' সকলো গৈছে। মইও যাব লাগে। — তুমি যদি কেইদিনমান আছা তেন্তে, আমাৰ তাতো এপাক সোমাই যাবাচোন।" .... কিবা কথা মনত পৰাৰ দৰে বুঢ়া খৰখেদাকৈ গুচি যায়। .... তাৰ মনটো পাতলি আহে। যাহওঁক, এতিয়াও তাৰ প্ৰতি মৰম আদৰ কাৰোবাৰ হলেওতো; আছে! -- ওচৰৰ জৰীগছডালৰপৰা এটা ফেঁচাজাতীয় পাখি কোৱাই উৰি যোৱাত, সি চাৰিওপিনে ঘূৰি চায়। অগভীৰ আন্ধাৰত শিলাময় বাটটো দাঁত নিকটাই পৰি আছে! ইমান সোনকালে বাটটো পাৰ হ'বলৈ সক্ষম হোৱাত সি প্ৰথমে আচৰিতেই হৈছিল। কিন্তু, চিন্তা নাই! হাই কমাণ্ডৰ

কঠোৰ আদেশৰ আবেগত ট্ৰেইনিং কৰি কৰি সি সহজ হৈ গৈছে ! ........ সি ঘৰৰ ওচৰ পায়। আৰু আনে নেদেখক বুলি খৰখেদাকৈ জপনা মেলি চোতাল পায়। বৰঘৰটো এন্ধাৰ! পকাঘৰৰপৰা এসোঁতা পোহৰ ওলাই আহি চোতালত পৰিছে। সি তালৈকে গ'ল। বায়েকে ভিতৰত ৰন্ধা-বঢ়া কৰি আছিল। বায়েকজনী অকালতে বুঢ়ী হৈ যাবলৈ ধৰিছে। তাইৰ প্ৰতি একো এটা কৰিব নোৱাৰাৰ বাবে তাৰ অন্তৰখনে ক্ষণিকৰ বাবে হাঁহাকাৰ কৰি উঠে। বায়েকে তাক দেখি — "সোণটি ক'ত আছিলি ইমানদিনে" - বুলি উচুপি উঠে। সিনো আৰু তাইক কি সান্ত্বনা দিয়ে? মাথো কয় - "বহু দূৰত আছিলো। আজিহে হাই কমাণ্ডৰ পৰা খাটি-লুটি তইঁতক চাবলৈ আহিলো। আহিবই দিব নোখোজে! তথাপিও এছকৰ্ট কৰিবলৈ দুজনমান আঁতৰে-আঁতৰে থাকিব! বায়েকে মাথো বেঙাৰ নিচিনাকৈ চাই থাকিল। সি পুনৰ সোধে -

"দেউতাতো নামঘৰলৈ গৈছে। কিন্তু; মা ক'লৈ গ'ল?"

"আজি ৰুণুমীৰ সৰু খুৰাকৰ বিয়া।" — তাই তাৰ পিনে চাই কয় - "সেইযে, দুধনৈৰ ফালৰ। আমাক সকলোটিকে মাতিছিল যদিও, মই নগ'লো। ঘৰতে মনটো কিবা মাৰি-মাৰি বহি থাকে বাবে মাক জোৰ কৰি পঠিয়াই দিলো ৰুণুমীৰ মাকৰ স'তে। ৰুণুমীৰ আজি দুদিন মাহেকীয়া। সেইবাবে তাইও যাব নোৱাৰিলে।" - - সি ৰুণুমীৰ কথাটো বুজি পালে। কিন্তু, বায়েকে কিহৰ বাবে নগ'ল, সেইটোও সি ভালদৰে বুজি পালে।

আবিয়ৈ যুৱতীগৰাকীয়ে আৰু কিমাননো বেলেগৰ বিয়া চাব! - কিন্তু, সিওঁটো বায়েকৰ বাবে একো এটা কৰিব নোৱাৰে। সকলো কাম বলেৰে জানো কৰিব পাৰি! ....... 'শুনচোন' ...... বায়েকৰ কথাত সি তাইৰফালে চায়। ....."অহা মাহত ৰুণুমীৰ বিয়া!" ... বায়েকে উদ্বিগ্নভাৱে কয়। ....'কি?' ....... সি আচৰিতধৰণে জোৰকৈ কয়।

'অ'। তইতো নুশুনিবিয়ে। কিন্তু, মইনো কেনেদৰে মনেমনে থাকো। মইতো জানোৱে তইঁতৰ মাজত কি সম্পৰ্ক! ৰুণুমীয়েও কৈছে - তোক কেতিয়াও এই কথা নজনাবলৈ। নহ'লে তই হেনো বৰ দুখ পাবি।" ..... বায়েকে তাৰপিনে চায়।

"তেনেহ'লে, তাই এই বিয়া কিয় কৰিছে?" ... সি তৎক্ষণাৎ কৈ উঠে।

"নহ'লেনো তাই কি কৰিব! ... যোৱা দুমাহমান আগতে তাই হেনো দেউতাকৰ অনুমতিৰ বিৰুদ্ধে গুৱাহাটীলৈ গৈছিল কিবা হেনো হস্তঁতাত প্ৰশিক্ষণৰ বাবে। কোনে জানে, কিজানি তোৰ মোহে তাইক টানিছিল।" — বায়েকে ধেমালিৰ সুৰত কয় যদিও, তাৰ উদ্বিগ্ন মুখখন দেখি আৰু কয় — "কোনোবা সম্বন্ধীয় ভিনিহীয়েকে হেনো তাইক খবৰ দিছিল। তাইও গৈ তেওঁৰ ঘৰতে উঠিছিল। কিন্তু, চৰিত্ৰহীন বিপত্নীক মানুহটোৱে বোলে কিবাখন অঘটন ঘটালে, তাই দুসপ্তাহমান পিছতে কান্দি কান্দি ঘৰলৈ উভটিছিল। সেই কথালৈয়ে চুবুৰীত বু - বু - বা - বা হ'ল। মানুহৰ মুখকনো কোনে বান্ধে! এতিয়া, মাক-দেউতাকে আত্মহত্যাৰ ধমকি দি হেনো তাইক মান্তি কৰাইছে। তাই মোক কৈছে - তই যাতে তাইৰ পাহৰি পেলাৱ।" — বায়েকে তাৰ চাই হুমুনিয়াহ কাঢ়ে - "নহ'লেনো তাই আৰু কি কৰিব পাৰে!" .... অলপ সময় দুয়ো নিমাত হৈ থাকি, এটা সময়ত সি ঘপহকৈ ঠিয় দিয়ে। কয় - "মই যাওঁ বাইদেউ। আজি ৰাতিয়ে উভটিব লাগিব!"

বায়েকে ততাতৈয়াকৈ কয় - "ৰবি; ইমান ৰাতিখন। আগতে ভাত খাই ল'। ... কেইটা বাজিল চাচোন! দেউতাও আহিবৰ হৈছে চাগে।"

.... "চাৰে নটা বাজিল। মই যাওঁ বাইদেউ। দেউতাই মোক ঘৰত দেখিলে মনত বৰ অশান্তি পাব।" — বায়েকৰ পিনে নোচোৱাকৈয়ে সি যাবলৈ ওলায় যদিও; আকৌ উভতি লগত লৈ অনা বেগখন খুচৰি এজাপ টকা উলিয়াই বায়েকৰ হাতত দি কয় — "এইয়া ল' বাইদেউ। দেউতাক নক'বি।" বায়েকে ততালিকে কয় "এইয়া মই কেনেকৈ ৰাখো!" "ৰাখ না বাইদেউ, মইতো তোক একো দিব নোৱাৰিলো।" ভায়েকৰ চলচলীয়া চকুযোৰ দেখি তাই আৰু ৰ'ব নোৱাৰিলে আৰু ঠাইতে বহি পৰে। তাৰপিছত সি গুচি যায়গৈ। পাকঘৰৰ পোহৰখিনি যেন তাৰ লগতে ৰাতিৰ ঘণ আন্ধাৰত মিহলি হৈ যায়। --সেইখিনিৰ যেন আৰু এতিয়া কোনো মূল্য নাই; তাৰ বাবেও তাইৰ বাবেও! — তেনেকৈ ওলাই আহিবলৈ তাৰ অকণো ভাল লগা নাছিল। কিন্তু, দেউতাকৰ অশান্তি হোৱাকৈ সি কোনো কাম কৰিব



নোখোজে। তেনেস্থলত, সি কেনেকৈ দেউতাকৰ আগত ঠিয় দিব! দেউতাকৰ চকুত যে সি বহুত তললৈ নামি গৈছে। অন্ততঃ সি দেউতাকক একো দিব নোৱাৰিলেও, তেওঁৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মানখিনিত চেকা লগোৱাৰ কোনো অধিকাৰ তাৰ নাই! ... কাষৰ ঘৰটোৰ পৰা কোনোবা ওলাই অহা দেখি সি ল'ৰালৰিকৈ তাৰপৰা আঁতৰ হয়। .... ৰুণুমীৰ দেউতাক নামঘৰৰপৰা উভটি অহাৰ আগেয়ে; সি তাইক লগ ধৰিবই লাগিব! ৰুণুমীৰ ঘৰ পায়েই নঙলা খুলি সি লৰালৰিকৈ বৰঘৰৰ ওচৰ পায়। বৰঘৰৰপৰা ওলাই অহা অলপ পোহৰে চোতালখন অলপ পোহৰ-পোহৰ কৰি ৰাখিছে। আন চাৰিওপিনে এন্ধাৰ! তাই ভিতৰত কাপোৰ সী আছিল। তাক দেখি তাই থৰ লাগি ৰয়। তাই সেইদৰে থকা দেখি সি আগচি সোধে - "এইবোৰ কি ৰুণু? এইয়া মই কি শুনিছো?"

তাই নিৰ্লিপ্ততাৰে কয় - "অ' শুনিলা তেনেহ'লে!"

সি একে উশাহ কয় - "অ' সকলো শুনিলো! .... মোৰ মৰমৰ কি কোনো মূল্য নাই তোমাৰ ওচৰত।"

-- "আছে ! তোমাৰ মৰমেইতো মোৰ জীৱনৰ একমাত্ৰ সম্বল!"

তাই ভাৱলেশহীনভাৱে কয়।

"তেন্তে; সেই চৰিত্ৰহীন মানুহটোৰ সৈতে তুমি কিয় বিয়াত বহিবলৈ মান্তি হ'লা। তুমি পাৰিবা জানো সেই সম্পৰ্ক ৰক্ষা কৰিব?" - — সি অস্থিৰ হৈ উঠে।

"এতিয়াতো সেই সম্পৰ্ক মই ৰক্ষা কৰিবলৈ বাধ্য।" — ৰুণুমীৰ নিৰ্লিপ্ত কণ্ঠ।

"আৰু মোৰ লগত তোমাৰ সম্পৰ্ক। তাৰ কি কোনো মূল্য নাই? তুমি এদিনতে সেই সম্পৰ্ক কেনেকৈ ছিঙি পেলালা!"

— সি আৰু থিৰে ৰ'ব নোৱাৰি, কয় — "তুমি ইমান নিৰ্দয়ী হ'লা।" তাই আৰু নিৰ্লিপ্ত হৈ থাকিব নোৱাৰিলে। হাতৰ কাপোৰখিনি দলিয়াই দি, কয় - "শুহ, এই সম্পৰ্ক ক'ত আছিল যেতিয়া সেই চৰিত্ৰহীন পিশাচটোৱে মোক ভুৱা আশা দি যোৰকৈ চহৰলৈ নি দালালৰ হাতত তুলি দিব বিচাৰিছিল? ক'ত আছিল এই সম্পৰ্ক — যেতিয়া শাৰীৰিক ভোক, মনৰ ভোক গুচাবলৈ মোৰ ওপৰত বল প্ৰয়োগ কৰিছিল? যেতিয়া ইয়াৰ মানুহখিনিয়ে আমাক এঘৰীয়া কৰিব পাঙিছিল, তেতিয়া - - ক'ত আছিল এই সম্পৰ্ক?" — ৰুণুমীৰ উত্তেজিত কণ্ঠত প্ৰতিবাদৰ সুৰ শুনি সি অলপ সময় স্তব্ধ হৈ ৰয়। —

তাই পুনৰ তাৰ পিনে চাই অভিমানৰ সুৰত কৈ উঠে — "তুমি যোৱা অনি। মাথো এই পতিতাজনীক এবাৰলৈ মনত পেলালে, সিয়ে মোৰ বাবে যথেষ্ট হ'ব। তেতিয়া মই মৰি মৰি হ'লেও জীয়াই থাকিব পাৰিম।"

— "তুমি কেতিয়াও পতিতা নোহোৱা। তুমি মোৰ বাবে আগৰজনী ৰুণুমীয়ে! তুমি যাবা মোৰ সতে?" - — সি আবেগিক হৈ উঠে।

"ক'লৈ। তোমাৰ সেই অনিশ্চিত যাত্ৰালৈ; য'ত মৃত্যু পদে পদে! ... অনি, তুমি সেয়া এৰি নেপেলোৱা কিয়? সিয়েই তোমাৰ সকলোখিনি কাঢ়িলে। তাৰ পিছতো তুমি। ...... তাৰ স্থিৰ দৃষ্টি দেখি তাই কিবা ক'ব খুজিও ৰৈ যায়।

"নোৱাৰো আৰু এতিয়া ৰুণু! এতিয়া আৰু একো কৰিব নোৱাৰো।" — সি হতাশমনেৰে কয়। অলপ সময় দুয়ো নিঃশব্দ হৈ থকাৰ পিছত সি জ্বলি থকা লেম্পৰ ক্ষীণ পোহৰত হাতঘড়ীটোলৈ চায়। ... চাৰে দহটা বাজিলেই। আৰু কিছুসময় পিচতেই, হয়তো ৰুণুৰ দেউতাক আহি পাবহি! — সি অধৈৰ্য্য হৈ কৈ উঠে .... "ব'লা ৰুণু, মানুহখিনি আহি পোৱাৰ আগেয়ে আমি বহুদূৰলৈ গুচি যাওঁ ব'লা। তাৰপিছত তুমি যি কোৱা মই সকলো শুনিম।"

"তুমি যোৱা অনি, নহ'লে মই দুৰ্বল হৈ যাম আৰু থিৰে ৰ'ব নোৱাৰিম!" ... তাই উচুপি উঠে।

"কিন্তু; ৰুণু তুমিতো জানাই মই তোমাক কিমান ভাল ......।" .... "কিন্তু ... অনি মই এতিয়া আৰু তোমাৰ ভালপোৱাৰ যোগ্য নহওঁ।" .... তাৰ কথা শেষ হ'বলৈ নিদিয়াকৈয়ে তাই প্ৰায় জোৰ দি কৈ উঠে। তাক বিশেষ কিবা ক'বলৈ সুযোগ নিদি তাই পুনৰ কৈ যায় — "অনি, সেই পাশণ্ড চৰিত্ৰহীনটোৱে মোৰ দেহত কলংকৰ চেকা লগালে। তাই উচুপি উঠে আৰু অস্পষ্টভাৱে কয় — "এতিয়া, মই কিজানি ভগৱানৰ প্ৰতিও যোগ্য নহওঁ। .... মানুহখিনিৰ আগত মিছাতে বিয়া বুলি কথা লুকুৱালেও; মই তোমাৰপৰা একো লুকুৱাব নোৱাৰো। কাৰণ, মই তোমাক ....." — তাই আৰু একো ক'ব নোৱাৰি

ভাগি পৰে।

"মই সেই পিশাচক .....।" সি খঙেৰে জ্বলি উঠোতেই তাই সৰৱ হৈ উঠে — "কি কৰিবা ? মাৰি পেলাবা ? সেইজনক মাৰিলেই জানো সমস্যাৰ সমাধান হ'ব।"

"কিন্তু, ৰুণু সি তোমাক ! ......।" — সি আৰু কথা শেষ নকৰি খৰখেদাকৈ কয় — "বলা ৰুণু। মই তোমাক ভালদৰে ৰাখিম। তুমি নহ'লে যে মই ......।"

.... "তুমি যোৱা অনি; মোৰ পিছলৈ কি হয় মই নেজানো। কিন্তু সেই পথ, পাৰিলে এৰি আহিবা। কাৰণ, সি অনিশ্চিত দুৰ্যোগৰ বাহিৰে একো দিব নোৱাৰে আৰু তোমাৰ কিবা এটা হ'লে মই ......।" — তাই ভাগি পৰে আৰু তাৰ মুখলৈ চাব নোৱাৰে। হিয়াভগা বেদনাৰ সৈতে তাই বিচনাত উবুৰি খাই পৰে। তাই তেনেদৰে থাকিয়েই কয় - "তুমি যোৱা অনি। দেউতাই আহি দেখিলে ভাল নহ'ব। মোৰ বাবেও; তোমাৰ বাবেও !"

"কিন্তু, ৰুণু ! তোমাক এৰি মই ........।"

... "তুমি যোৱা অনি, তুমি যোৱা। নহ'লে মই দুৰ্বল হৈ যাম আৰু আত্মহত্যা কৰিবলৈ বাধ্য হ'ম।" ..... তাৰ কথাৰ মাজতে বাধা দি কোৱা কথাখিনিয়ে তাক স্তম্ভিত কৰি তোলে। কিন্তু, সিতো তাইৰ প্ৰতি একো এটা কৰিব নোৱাৰে!" .... "অনিশ'; অ'ই অনিশ' .... কাৰোবাৰ দ্ৰুত পদধ্বনি শুনি তাই তেনেদৰে থাকে যদিও, সি দুৱাৰডলিত থিয় দিয়ে। সিহঁতৰ দলৰে অৱনী খৰধৰকৈ আহিছে। সি উশাহ নসলোৱাকৈয়ে কয় -- "অনিশ; সোনকালে পলা। কাষৰে চহৰখনৰ চিনেমা হ'লটোত বোলে কোনোবাই বোমা দিছে। গোটেইখন পুলিচে পিয়াপি দি ফুৰিছে। বেগখন দেখিলে হৈছে আৰু!" --- সি ৰুণুমীলৈ চাই থাকে। অৱনীয়ে তাৰ গাত ধৰি জোকাৰি দিয়ে। -- 'অনিশ', 'অ' অনিশ' সোনকালে পলা।" — সি কিবা এটা ক'বলৈ পোৱাৰ আগেয়েই অৱনীয়ে প্ৰায় টান মৰা দিয়ে তাক টানি নি বাৰীৰ পিছফালৰ জংঘল পোৱায়। সিহঁতহাল জংঘলৰ মাজে-মাজে দৌৰিবলৈ ধৰে। অৱনীয়ে লগে লগে কৈ যায় — "নদীৰ ঘাটতে ৰাকেশ ৰৈ আছে।" — কিন্তু এয়া কি ? সি দেখোন একো শুনা পোৱা নাই। — তাৰ মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিছে। সি আৰু দৌৰিব নোৱাৰা হয়। কাষৰে জোপোহা এটাৰ ওচৰত সি বাগৰি পৰে। তাৰ দেহ-মন সকলো অসাৰ হৈ আহিছে দেখোন! চেতনা-অচেতনৰ মাজত তাৰ চকুৰ আগত ভাহি ফুৰিছে ৰুণুমী, তাৰ পৰিয়াল আৰু প্ৰশান্তহ'তৰ প্ৰতিচ্ছবিবোৰ! কিন্তু, এয়া কি ? সিহঁতবোৰে দেখোন তালৈ চাই খিলখিলাই হাঁহিছে। হাঁহি-হাঁহি সিহঁতে কোৱা সি স্পষ্টকৈ শুনিছে -- "তুমি হাৰিলা ... অনি, .... তুমি সকলো হেৰুৱালা!"

— সি উঠিব পৰা নাই! অদূৰত আগৰপিনৰপৰা অৱনীয়ে চিঞৰিছে -- "উঠ অনিশ, উঠ! সিহঁতবোৰ আহি পোৱাৰ আগেয়ে, আমি ঘাট পাব লাগিব। ৰাকেশ আমাৰ বাবে ৰৈ আছে!" .... সি ধৰফৰাই উঠে। কোনোমতে দুখন ভৰিত ভৰ দি সি উঠে আৰু দৌৰিব খোজে পিছপিনৰপৰা ৰুণুমীয়ে কোৱা সি স্পষ্টকৈ শুনা পায়।

— "নাযাবা অনি; সেইফালে নাযাব। ঘূৰি আহা! মই তোমালৈয়ে বাট চাই আছো!" --- তাই হাঁহিছে।

—"ৰুণুমী, মোক ক্ষমা কৰিবা! মই তোমাক একো দিব নোৱাৰিলো।" — সি পাগলৰ দৰে ভ্ৰম বকে!

.... "আহ অনিশ" .... অৱনীয়ে তাৰ ওচৰলৈ আহি তাক টানি লৈ দৌৰিবলৈ ধৰে। সিওঁ দৌৰে। কিন্তু, পিছৰপৰা তাৰ আপোনজনে তাক পুনৰ মাতে — "আহা অনি, ঘূৰি আহা! ...... গিৰিং .... গিৰিং ....! দিনৰ দিনটো ডাৱৰে ওন্দোলাই থকা আকাশখন যেন সিহঁতৰ ওপৰত ফাটিহে পৰিল! হুৰমূৰকৈ অহা বতাহ বৰষুণত ৰুণুমী, তাৰ পৰিয়াল সকলোৰে মাত উটি গ'ল! .... সি আৰু কাৰো মাত শুনিবলৈ নাপায়! .... অৱনীৰ পিছে-পিছে......জংঘলৰ মাজে মাজে, সি দৌৰিয়ে থাকে ..... দৌৰিয়ে থাকে। .... ক'লৈ, সিওঁ ভালদৰে নাজানে। ..... অসাৰ হৈ পৰা তাৰ দেহটোৰ ওপৰত, চেঁচা-চেঁচা বৰষুণজাক ভীষণভাৱে বাগৰি থাকে .... বাগৰিয়ে থাকে! ... নিঃশব্দ নিশাটোত যেন বৰষুণ আৰু বতাহত দুলি থকা গছবোৰে পাতবোৰে তাক ফুচফুচাই কৈছে — নাযাবা সেইপিনে .... ঘূৰি আহিব নোৱাৰিবা! ....।

লেখক স্নাতক তৃতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ।



# প্ৰেমানন্দৰ প্ৰেম

আতিকুৰ ৰহমান মল্লিক



প্ৰেমানন্দৰ হ'লে প্ৰেম কৰাৰ খুব চখ। প্ৰেমত তাৰ অন্তৰখন বোলে এনিটাইম দপ্-দপাই থাকে। মাজে সময়ে বন্ধু বৰ্গক কৈ থাকে কোনোবা যদি মোৰ প্ৰেমত পৰিলেহেঁতেন, মই যে তাইক হিয়া উজাৰি কিমান মৰম দিলোহেঁতেন। একেলগে কেন্টিনত নাইবা গছৰ তলত বহি দুয়ো নীৰলে প্ৰেমালাপ কৰিলোহেঁতেন, কেতিয়াবা আইচক্ৰীম খালোহেঁতেন, চিনেমা চালোহেঁতেন ইত্যাদি ইত্যাদি .... কিমান যে কল্পনা। কিন্তু বেচেৰাৰ হ'লে এটা ডিমেৰিট আছে। ছোৱালীৰ লগত কথা পাতোতে তাৰ বোলে লাজ লাগে। লাজতে মৰি যাওঁ মৰি যাওঁ যেন লাগে। সেইকাৰণে বিয়া কৰাব যোৱা দৰাৰ দৰে ৰুমাল এখনো তাৰ হাতত প্ৰায়ে থাকেই।

বেচেৰা প্ৰেমানন্দ গোৱালপাৰা কলেজতে পঢ়ে। ডিগ্ৰী ফাৰ্ষ্ট ইয়াৰ। সিদিনা তাক বন্ধু এজনে বৰ বেয়াকৈ ক'লে - 'হুহ ! তই প্ৰেম কৰিবি! প্ৰেম কৰিবলৈ হ'লে বাইক লাগিব- পালছাৰ, ১০-১৫ হাজাৰ টকীয়া মবাইল তাৰোপৰি চুলি দীঘল কৰিব লাগিব, ভালুকৰ নিচিনা। কলেজত সোমাওঁতে বাহিৰৰ গেটৰপৰা বাইকৰ এক্সেলেটৰ ফুল দবাব লাগিব। ছোৱালীয়ে তেতিয়াহে উভতি চাব। বুজিলি ? হা .... হা .... হা ...। তাৰ পিছত বন্ধুজনে ক'লে তই এক কাম কৰ। প্ৰেমৰ কোচিং ল'। আমাৰ কলেজৰ সেই চাৰিআলিটোত নতুনকৈ কোচিং চেন্টাৰ এটা খুলিছে নহয়, তই তাতে যা। শিক্ষকো ভাল, নতুনকৈ পাছ কৰি আহিছে, শিকায়ো বোলে ভাল।" বন্ধুৰ উপদেশ মৰ্মে প্ৰেমানন্দই চাৰজনক লগ ধৰিলে।

ঃ ছাৰ, নমস্কাৰ, মই মানে .....

ঃ হা কোৱা, তুমি ....

ঃ ছাৰ মই প্ৰেমৰ কোচিং ল'ব খোজো।

ঃ অ' প্ৰেম ......। ভাল কথা। প্ৰেম কৰাটো মহৎ কাম। তুমি এটা কাম কৰা, অহাকালি সন্ধিয়া ৬ টাৰ পৰা আহা। অ' আৰু এটা কথা। গ্ৰুপ কোচিং ল'বা নে ছিংগল ?

ঃ ছাৰ যিটোত ভাল হয়। প্ৰেমানন্দই লাহেকৈ ক'লে।

: আগতে প্ৰেম কৰিছিলা, নে নতুনকৈ ?

: নাই ছাৰ, নতুনকৈ।

: তেনেহ'লে তুমি ছিংগল আহা।

: ঠিক আছে ছাৰ। আহো .....।

ছাৰক লগ পোৱাৰ পিছত প্ৰেমানন্দৰ মনটো অলপ মুকলি লাগিছে। এইবাৰ কোনোবা এজনী পটিবই। কোছিংত পইচা যায় যাওঁক, আপত্তি নাই। তথাপি প্ৰেমিকা এজনী লাগিবই।

পিছদিনা সি সময়মতে কোছিং চেন্টাৰ পালেগৈ। ছাৰে তেতিয়াও বেলেগ গ্ৰুপক শিকায়ে আছে। সিহঁতৰ ছুটি হোৱাৰ পিছত প্ৰেমানন্দই ৰুমৰ ভিতৰত সোমাল। অ' তুমি আহিছা ..... অলপ বহা। মই ভিতৰৰ পৰা আহো। ছাৰে ক'লে।

অলপ পাছত ছাৰ আহিল। তাৰ নামটো সুধিলে। ছাৰ মোৰ নাম প্ৰেমানন্দ শৰ্মা। তোমাৰ নামটো দেখোন প্ৰেমেৰে আৰম্ভ হৈছে। গতিকে কোনো চিন্তাই নাই।" অলপ ৰৈ ছাৰে আকৌ ক'লে, বাৰু কোৱাচোন তোমাৰ আগৰ কিবা অভিজ্ঞতা আছে নেকি তাৰ মানে ধৰা চকু মৰা, ছোৱালী জোকোৱা, ছোৱালী দেখিলে পিছে পিছে এনেয়ে কিছুদূৰ যোৱা .....।"

বিশেষ একো নাই ছাৰ। প্ৰেমানন্দৰ সহজ সৰল উত্তৰ। চকু মাৰিব জানা ?

সৰু থাকোতে ছাৰ অলপ অলপ মাৰিছিলো, এতিয়া ছাৰ ....."

নাই নাই, একো নহয়। ট্ৰাই কৰা, পৰিবা। প্ৰেমানন্দই ফেঁচাৰ দৰে চকু দুটা মুদি দিলে। নাই নাই এনেদৰে নহয় ...., এটা চকু মুদা আৰু এটা চকু খোলা ৰাখা। তোমাৰ দেখোন প্ৰাইমাৰী নলেজখিনিয়ে নাই। এক্সপেৰিয়েন্স খুব কম। ছাৰে দুই তিনিবাৰমান দেখাইও দিলে। ছাৰৰ লগে লগে কৰি যাওঁতে অলপ আয়ত্তত আহিছে প্ৰেমানন্দৰ। তাৰপিছত ছাৰে তাক ছোৱালী জোকোৱাৰ কথা সুধিলে।

: ছোৱালী জোকাব জানা ?

: নাজানো ছাৰ।

: বৰ মস্কিল। তেনেহ'লে আগতে এইখিনি মুখস্থ কৰা।

"ঐ সুন্দৰী ছোৱালী
সাজি-কাচি ক'তনো ওলালি
ওঁঠত লিপষ্টিক
চকুত কাজল
তোৰ কাৰণে মই একেবাৰে পাগল
ওচৰলৈ আহ
মোক চুমা এটি দি যা ...."

এই ছোৱালী জোকোৱা পদ্যটো আৰু চকুমাৰা এই দুটা হম ৱৰ্ক থাকিল। ঘৰত প্ৰেক্টিছ কৰিবা। আৰু অহাকালি একে সময়তে আহিবা। এইবুলি কৈ ছাৰে তাক ছুটি দিলে।

পিছদিনা পুৱা প্ৰেমানন্দ মৰ্ণিং ৱাক কৰিবলৈ ওলাল। ছোৱালী এজনীও সিফালৰ পৰা আহিছে। টাইমিং ভাল। ৰ' চকু মাৰাটো এতিয়া প্ৰেক্টিছ কৰো। এইবুলি সি চকু টিপ মাৰি দিলে।

"..... ঐ অসভ্য, মানুহ চিনি পোৱা নাই ? চকু উঠাই পেলাম। চকু কণা হৈছে, অপাৰেছন কৰি লবি।" পুৱাই পুৱাই বেচেৰাই দম এটা খালে। খোজকাঢ়ি গৈ থাকোতে এইবাৰ আৰু এজনী আহিছে। এয়া দেখোন হোষ্টেলৰ ......।

তাইক দেখি প্ৰেমানন্দই এইবাৰ গাবলৈ ধৰিলে -

"ঐ সুন্দৰী ছোৱালী ..
... মোক চুমা এটা দি যা ...।"

আহ চুমা দিওঁ বুলি প্ৰেমানন্দৰ গালত ছোৱালীজনীয়ে এনেকুৱা এটা চৰ সোধালে যে, সি ১০৪ ডিগ্ৰী চেলছিয়াছ জ্বৰত কেইদিনমান ভূগিলে।

অৱশ্যে জ্বৰৰপৰা উঠি প্ৰেমানন্দই কোনোদিন আৰু প্ৰেমৰ কথা মুখেৰে ওলোৱা নাই।

---

লেখক উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ।



## এমুঠি কবিতাৰে .....



# গীত

অমিয় কুমাৰ বড়ো

(১)

মোৰ ফুলনিত আজি ফুলক
এপাহি ৰঙা ফুল
সেই ফুলৰ সুবাস লাগি আৰু ফুলক
হেজাৰ ৰঙা ফুল।।

মদাৰ শিমলু পলাশে ফুলৰ
ৰঙা ৰঙা আবেশ লাগি
ফাগুন ৰঙীন মোৰো মন ৰঙীন
আবেগৰ বতাহ লাগি।।

মৌপিয়াবোৰে মৌৰস কাঢ়িলে
পখীয়ে জুৰিলে গীত
থৌকি বাথৌ মোৰো মন কৰিলে
গাই যাওঁ এফাকি গীত।।

(২)

লুইতৰ চাপৰিত কঁহুৱা ফুলিছে
আকাশেও মেলিলে বাট
শুকুলা মেঘ দেখি মন মোৰ উৰিছে
বতাহ লাগিছে গাত।।

জাক জাক শৰালি
আকাশেৰে উৰি যায়
অচিনাকি পখী আহি
লুইততে মিলি যায়
মৰমৰ নিজবাটি
লুইতেৰে বৈ যায়
উলাহত মন মোৰ
নাচি নাচি যায়।।

পাতল পাতল বতাহেৰে
আকাশে ভৰি যায়
কঁহুৱাৰ ফুলবোৰ
উৰি উৰি যায়
শুভ্ৰ বিলাসী মন আজি মোৰ
মেঘ হৈ যায়
মেঘ হৈ যায়।।

গীতিকাৰ মুৰব্বী অধ্যাপক, ভূগোল বিভাগ, গোৱালপাৰা মহাবিদ্যালয়।



# মোৰ হৃদয়ৰ আচ্ছাদন খোলোনে ?

অনুপম নাথ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

শুনিব পাৰিবা জানো তুমি,
মোৰ চকুলোৰ শূণ্যতাৰ কল্লোল ?
পৃথিৱীৰ পৰিৱেশটো শান্ত হ'লে,
শুনিব পাৰিলোহেঁতেন
মোৰ হৃদয়ৰ প্ৰচণ্ড শব্দবোৰ —
তোমাৰ হৃদয়ৰ চকুৰে চাব পাৰিলাহেঁতেন
কিদৰে বিশ্বাসে বুকুত কামোৰ মাৰে!
মোৰ স্বাভিমানৰ লগত,
মোৰ আবেগৰ স'তে কিমানেই খেলি গ'ল!
মোক নদী সজাই
কিমানেই যে সাতুৰি পাৰ হ'ল,
কিন্তু,
কিন্তু কোনেও নুবুজিলে মোৰ বুকুৰে বৈ যোৱা
সাগৰ ..... বিস্তীৰ্ণ পাৰৰ নীৰৱ ঢল।
তুমি অনুমতি দিলে,
মোৰ হৃদয়ত ইমান দিনে গোট খোৱা
সকলোবোৰ কথা তোমাক ক'লোহেঁতেন।
তেতিয়াই চাগে মই
বিলাসিনী বিষাদৰ মাজতো,
বিচাৰি পালোঁহেঁতেন,
পলসৰ ঐশ্বৰ্য,
আৰু ওলাই গ'লোহেঁতেন
তোমাৰ যোগ্যতাৰ ঠিকনাৰ সন্ধানত।

# কবিতা

হৃদয় দাস
স্নাতক তৃতীয় বৰ্ষ (কলা)

## মই

সৰুতে দেখা পৃথিৱীখন
আজি নহয় আগৰ দৰে
মই মোৰ স'তে
যুজিম কিদৰে ...

## তুমি

যেন গ্ৰীষ্মৰ প্ৰসৰ তাপ
আৰু বকুল গছৰ ছাঁত জিৰণী ল'বলৈ যাওঁ
তোমাৰ সানিধ্যত
ভাগৰুৱা ক্ষণত .... !



# হৃদয় যদি নাথাকিলহেঁতেন

প্ৰকাশ জ্যোতি দাস
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)



হৃদয় যদি নাথাকিলহেঁতেন
কাতৰ হ'লহেঁতেন জানো স্মৃতিময় উশাহ
জোন অবিহনে জানো বাঢ়িলহেঁতেন গভীৰতা
উজাগৰী নিশাৰ

লঠঙা শীতৰ উচুপনিৰ বাবেইতো
সেউজ বসন্তৰ ইমান পোহৰ

দুখৰ বাবেইতো সুখৰ অস্তিত্ব
সুখৰ বাবেই দুখ

হৃদয় থকাৰ বাবেইতো
নৈৰ প্ৰবল হেঁপাহ
সাগৰৰ উদাৰ বুকুত নিজক বিলীন কৰাৰ

কেৱল হৃদয়ৰ বাবেইতো
কেতেকীৰ কণ্ঠই বিচাৰি পায়
সকৰুণ আকুলতা
কেৱল হৃদয়ৰ বাবেইতো —

হৃদয় যদি নাথাকিলহেঁতেন
থাকিলহেঁতেন জানো নিজৰ অস্তিত্ব
নিজৰ মাজত।



# ৰজনীগন্ধা

পদ্মা কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

কি ফুল ফুলিছে
ৰজনীগন্ধা .....
এবুকু সুৰভি গুজি দি
সমীৰে আহি দি গ'ল
মনে-মনে তাৰেই বতৰা
ফু-লি-ছে ৰ-জ-নী-গ-ন্ধা
ফু-লি-ছে ৰ-জ-নী-গ-ন্ধা
হৃদয়ৰ পাহি মেলি
কিনো সুৰ নিগৰালা
তোমাৰ সৌৰভত, মন প্ৰজাপতি
আজি দেখোন উন্মনা
বুকুৰ কোনখিনিত
তুমি মোৰ বাবে ৰৈ গ'লা .... ?
চৌদিশে কেৱল তুমি
কেৱল তুমিয়েই বিয়পি পৰিলা
ৰজনীগন্ধা ..... ৰজনীগন্ধা .....
কেৱল মাথো ৰজনীগন্ধা .....



# তেওঁৰ দৰে

লিপিকা ৰয়
স্নাতক তৃতীয় বৰ্ষ (কলা)

নিশা নদীৰ বুকুত জোনাক বহিলে
বহাগৰ প্ৰথম জাক বৰষুণত গছবিলাক নাচি উঠিলে
তেওঁৰ দুখবিলাক গধুৰ হয়
পাৰ হয় নিশা উজাগৰী
তেওঁৰ চকুৰ আগত ভাঁহে মোৰেই প্ৰতিচ্ছবি
মোৰ প্ৰতিচ্ছবি ভাঁহি ভাঁহি গলি গ'লে
তেওঁৰ আঙুলিৰ ফাঁকেৰে সৰি পৰে সেউজীয়া শব্দ
তেওঁ কবিতা লিখে প্ৰেমৰ
মোক পাহৰি তেওঁ হৈ পৰিল এতিয়া এক অভিলাষী কবি
মনত ৰাখিলে কেৱল মই তেওঁৰ পলায়নী প্ৰেমিকা
নাম থ'লে মোৰ চলনাময়ী
কাৰণ, তেওঁ মোক ভালপোৱাৰ দৰে
মই তেওঁক কেতিয়াও ভালপাব নোৱাৰিলোঁ
তেওঁ মোৰ সপোন দেখাৰ দৰে
মই কেতিয়াও তেওঁৰ সপোন নেদেখিলো
তেওঁৰ দৰে মই কেতিয়াও হ'ব নোৱাৰিলো
মই জানো মই তেওঁৰ আদিতমা প্ৰেমিকা
তেওঁৰ বুকুত মোৰ নাম আজন্ম লিপিবদ্ধ
তথাপি মই তেওঁৰ পৰা আঁতৰি আহিলো
হেজাৰ আলোক বৰ্ষ
তেওঁ মাথো তাতেই ৰৈ থাকিল
য'ৰ পৰা আৰু তেওঁ আগুৱাব নোৱাৰিলে
আজিও .......।



# শোক

বিশ্বজিৎ দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

তোমাৰ চকুত
মোৰ চকু পৰিল
সলাই ল'ব বিচাৰিছিলো
মানৱতাৰ এযোৰ সাজ
মোৰ উশাহ আৰু
তোমাৰ নিশাহৰ মাজত
উচুপি উঠিল এটি
সপোনৰ সাজ
হাড় কঁপোৱা তোমাৰ
মৰ্ম বেদনাত।



# মোৰ চহৰলৈ পূৰ্ণিমা আহিব



যদুমণি বৈশ্য
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

মোৰ চহৰলৈ পূৰ্ণিমা আহিব
মোৰ বিষাদগ্ৰস্ত হৃদয়লৈ আনিব
কিছু পোহৰ, কিছু জোনাক
বহুদিন ধৰি এন্ধাৰত ডুবি ডুবি
শুই থকা, নিস্তেজ হোৱা
সপোনবোৰো জাগি উঠিব
খেলিব লুকা-চুৰি।

মোৰ চহৰলৈ পূৰ্ণিমা আহিব
উভতি যোৱা বসন্ত আকৌ ঘূৰি আহিব।।
ক'লা মেঘে ঢাকি ৰখা হৃদয়াকাশ
গাভৰু হৈ পৰিব, নিঃস্তব্ধ হৈ থকা
বুকুৰ মাজৰ নৈখন নিজ দিশে বৈ যাব
নাহৰ ফুলিব, সোণাৰু ফুলিব,
পলাশে দেহত ৰঙ সানি চৰাইবোৰক
ৰিঙিয়াই মাতিব
মোৰ সমস্ত দেহৰ অনু-পৰমানু
আৰু কোষবোৰে গাব
"জোনবাই এ নিৰাশাবোৰ আঁতৰাই
আশাৰে উপচাই
আমাক তোলাহি জীয়াই।"
মোৰ চহৰলৈ পূৰ্ণিমা আহিব।।
ৰৈ আছো মই সাগৰ
'তোমাৰ প্ৰিয়তম কবি' -
তোমাৰ বাবে জনম লভা
কবিতাবোৰ সাৰটি লই
হৃদয়ত অজস্ৰ শব্দৰ জোৱাৰ তুলি
জীৱনৰ এপিটাফ লিখিবলৈ -
তুমি নুবুজিলে জানা কোনেও নুবুজে
এই কবিৰ শব্দৰ অৰ্থ
কবিতাৰ মাজত ব্যপ্ত অদৃশ্য দুঃখবোৰ,
তোমাৰ প্ৰেৰণাতেই মোৰ জীৱনে উশাহ লয়
এন্ধাৰে লালকাল টোপনিত বাগৰ সলায়
আশাবোৰে কলমৰ চিয়াহীত বাহ সজোৱা আখৰবোৰক
বাট দেখুৱায়।
বৰ আকুলতাৰে ৰৈ আছো জানা
তোমাক ক'বলৈ হৃদয়ৰ ভূগোল,
জীৱনৰ গতানুগতিক বুৰঞ্জী
কোনেও নেদেখা কোনেও নুবুজা।
মোৰ চহৰলৈ পূৰ্ণিমা আহিব।।

# নিঃ সংগতা

মাজেদা চুলতানা চৌধুৰী
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

নিঃ সংগতাক এদিন গোপনে সংগী কৰি ল'লো
মোৰ বুকুৰ পৰা নিঃসংগতাৰ বুকুলৈকে
প্ৰসাৰিত কৰিলো অসহায় হিয়াৰ ছাঁ



কেতিয়াবা নিঃসংগতালৈ মোৰ ভীষণ ঈৰ্ষা হয়
মোৰ অনুপস্থিতিত আপোনজনৰ স'তে
সহবাস কৰে নিঃসংগতাই
তেওঁৰ উচ্পিচনিত গাতে গা লগাই ফুৰে, কথা পাতে ওৰে ৰ

মোৰ পুৰনি বান্ধৱীবোৰৰ দৰে
নিঃসংগতাই মোক জোকাই ভাল নাপায়
সিহঁতৰ দৰে অভিমান নকৰে, কথাই পতি ঠেহ নেপাতে
কেৱল মোৰ মনৰ দুৱাৰত টুকুৰিয়াই
মোৰ আশে-পাশে বাস কৰে, অহৰ্নিশে

কিছুদিনৰ আগলৈকে নিঃসংগতাক মই সহিব নোৱাৰিছিলো
খেদি খেদি লগ বিচাৰিলেও
নিঃসংগতাক মই ধৰা দিব নুখুজিছিলো
কাৰণ মোৰ যাতনাৰ অসুখী দিনবোৰত
দুচকুত পিন্ধাই দিছিল দুঃস্বপ্নৰ ৰাতি, নিসংগতাই
এতিয়া, নিঃসংগতাক মই ভাল পাবলৈ শিকিছো

দিন-ৰাতি সকলো সময়তে খেপিয়াই খেপিয়াই
নিঃসংগতাক মই বুকুৰ মাজত ঠাই দিছোঁ
সেয়ে মোৰ হেঁপাহ আৰু প্ৰেমৰ জোখাৰে
নিঃসংগতাই মোক সময় দিয়ে।



# বিপন্ন সময় ......

অলকেশ দত্ত
স্নাতক তৃতীয় বৰ্ষ (কলা)



তৰাবোৰে চকুলোৰ বৰফ খোৱা ..... একাকী নিশাত
মই কথা পাতিব খোজো
দুখৰ তেজত গা-ধুই থকা জোনটোৰ স'তে,

নিস্তব্ধতাৰ প্ৰতিটো চঞ্চল চেকেণ্ড .....
পাৰ হৈ গৈ থাকে সংগোপনে ........ !
আৰু কোনো এটি বিপন্ন মূহুৰ্ত্তত,
মই তাক সোধো ....... !
'এতিয়া কিমান ৰাতি ...... ?'

সি তাৰ তেজ লাগি ৰঙা হোৱা মুখখন তুলি
মোলৈ চাই কয় ......
"মই ক'ব নোৱাৰো .....।
আকাশত চাং পতা
সৌ শিয়ালজাকক সোধা।
সিহঁতৰ চিঞৰতেই এতিয়াচোন
ৰাতিৰ ... উঠাবহা .....।"

# কবিতা

হিমাংশু দাস
স্নাতক প্ৰথম বৰ্ষ (কলা)

কবিতা তুমিয়ে মোৰ কল্পনা
জীৱনৰ বাটত সঁচায়ে হ'বানে
তুমিয়ে মোৰ প্ৰেৰণা ...... ?
তুমি আহিলেই জানা ......
বুঢ়া লুইতৰ ঢলে নিয়ে উটুৱাই
মোৰ হালধীয়া দুখবোৰ
হঠাতে থমকি ৰয়
নেদেখাকৈ বাঢ়ি যোৱা হৃদয়ৰ তেজ লগা ঘাঁ-ডোখৰ।

তুমি আহিলেই জানা ....... কবিতা
ডায়েৰীৰ পাতবোৰেও পাতে ৰঙৰ মেলা
মোৰ পদূলিত ভিৰ কৰেহি
আকাশৰ জোনবাই তৰা ....
তোমাৰ প্ৰেমত পৰিয়ে জানা
মতলীয়া হৈ পালো বিচাৰি
জীৱনৰ ঠিকনা।
সেয়েহে এতিয়া মাগিছো মই
তোমাৰ পৰা প্ৰেম ভিক্ষা।
তুমি বাৰু তুমিয়ে হই
থাকিবানে মোৰ হই .....।



# যদি অনুৰঞ্জিত কৰিব পাৰিলোঁহেঁতেন

সঞ্জয় শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ

মই যদি অনুৰঞ্জিত কৰিব পাৰিলোঁহেতেন সেই কণ্ঠক
বজ্ৰৰ বিৰুদ্ধে মোৰ সত্যই
চুই চাব খোজে যাৰ প্ৰতিবাদী হাত
সেই শব্দক
যাৰ বাবে ঋণী হৈ থাকো মানুহৰ
উত্তাল আকাশৰ পৰাও
বিচাৰি আনিলোঁহেতেন
চকিত ক্ৰৌঞ্চৰ হেৰোৱা সমদল
এই ৰক্তক্ষয়ী কালৰ বুকুতে লিখি থম মোৰ অন্তিমটো কবিতা
শব্দৰ অভাৱত
পোহৰৰ অভাৱত
আজিও যি বঞ্চিত জন্ম যন্ত্ৰণাৰ সোৱাদৰ পৰা
মোৰ কবিতাত থাকিব তোমাৰ কাহিনী
তোমাৰ আশা, তোমাৰ তেজ, তোমাৰ দুখ
যদি কেতিয়াবা অনুৰঞ্জিত কৰিব পাৰো তোমাৰ নাম
বিপ্লৱ
বিশাল বিভক্ত জনতাৰ বুকুৰে বুকুৰে ঢালি দিম
মোৰ কবিতাৰ অভিনৱ তান।



# যুগ

জৈৱেন্দু জ্যোতি পাটগিৰি
(প্ৰাক্তন আলোচনী সম্পাদক)

আজিকালি
তাইৰ চকুত জোনটো নুঠে
নাইবা
তাইৰ প্ৰতিটো হাঁহিত নুফুলে পদুম

যন্ত্ৰযুগৰ প্ৰেমত আপ্লুত সিহঁত
জোনাকত নিৰলে চায়
আধুনিকতাৰ নগ্ন শৰীৰ
সেয়েহে নুবুজে সিহঁতে
সেউজীয়া হৃদয়ৰ হালধীয়া প্ৰেম
আউসীৰ এন্ধাৰতো
জোনাক জোনাক বুলি চিঞৰি উঠে
নামি-দামী গাড়ীৰ লাইটৰ চমকত
পোছাকত চাব মৰা পদুমত
সিহঁতৰ হাঁহি বোৰো হেৰাল
উদ্ভত ভাৱে হাঁহে প্ৰয়োজন হ'লে।





# জোনাকী দিনৰ কথা

মেঘনা চৌধুৰী
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

পানীপিয়া চৰাইবোৰৰ স'তে ধেমালিৰ দিনৰে পৰা
তোমাৰ লগত চিনাকী
তক্ষশীলাৰ পৰা হাভাৰ্ডলৈ বিয়পি
নিতৌ বাকি দিছা জ্ঞানৰ সঁফুৰা তুমি
কঢ়িয়াই ফুৰিছা শত মনীষী –
দ্ৰোণাচাৰ্য্যৰ আশ্ৰমৰ পৰা বিশ্ববিদ্যালয়লৈ।
সুদীৰ্ঘ যাত্ৰাপথত নানাৰঙী সমাহাৰ
কুঁহিপাঠৰপৰা আই.আই.টি.ৰ বিজ্ঞানাগাৰ।
খিৰিকীমুখৰ আকাশখন ৰামধেনুবোলীয়া হ'লেই,
তুমি নষ্টালজিয়া হৈ স্মৃতিৰ এলবাম মেলি ধৰা,
মেলি ধৰা মোৰ জিকাফুলবৰণীয়া শৈশৱ, কৈশোৰ, যৌৱন।
তুমিয়েতো দিছা শিক্ষাৰ ঐশ্বৰ্য্য, জীৱনৰ প্ৰাচুৰ্য্যতা –
তোমাতেই সামৰিছা মহানতাৰ চানেকী, নিয়মীয়া শিক্ষাৰ্থী
ছাত্ৰ আন্দোলন, শান্তি নিকেতন, এক্সকাৰ্চন
হোষ্টেল, মেটিনী শ্বো, প্ৰেয়সীৰ চিঠি
নিউটন, ডাৰৱিন, শ্বেলী, মমতাৰ চিঠি, বীণ বৰাগী।
ৰঙা চকুৰে নেওঁতা শিকোৱাজন এতিয়া মোৰ তেনেই আপোন;
তেওঁৰ চৰণত আঙুলি বোলাই,
অনুজৰ অট'গ্ৰাফত শেষশাৰী বাক্য সজাই
"Student life is the most presious time"
তোমাৰ পৰা বিচ্ছিন্ন হোৱাৰ পৰাই, মই তৃষ্ণাতুৰ।
শিক্ষাৰ ভেঁটিৰ পৰা খহিব খুজিলে মানৱতাৰ সাজ
তেতিয়াই মোৰ অভ্যন্তৰত
স্কুলীয় গৰমৰ বন্ধ অথবা মাঘৰ বিহুলৈ থকা আকুলতাৰে
মই বিচাৰি চাওঁ তোমাক।



# এন্ধাৰতে বিচাৰি পাইছিলো এটি সৰু দ্বীপ


মৃণাল পদ্ম দাস

স্নাতক দ্বিতীয় বৰ্ষ


সূৰ্য্যৰ পিনে ধাৱমান হোৱা
মোৰ জীৱনৰ গাওঁখনতেই
এন্ধাৰতে বিচাৰি পাইছিলো এটি সৰু দ্বীপ
যিটো দ্বীপতেই সৃষ্টি হৈছে হেজাৰ-হেজাৰ
নিভাঁজ নীলা সপোনৰ।
নেলাগে আৰু মোৰ জীৱনৰ গাওঁখনক,
সেই সৰু দ্বীপটোতেই সাজিছো
সপোনৰ কোমল বালিঘৰটো
য'ত আৰম্ভ হ'ব
আৰু অন্ত হ'ব মোৰ জীৱন,
এই বালিঘৰতেই আলফুলে সজাই ৰাখিম
মই মোৰ শামুকৰ দৰে সপোনবোৰ।

কিন্তু যে সাগৰৰ বিশাল ঢৌবোৰে উটুৱাই
লৈ যাব বিচাৰিছে
মোৰ জীৱন, সেই সৰু দ্বীপটোক
দুনাই জানো পাম ?
এন্ধাৰতে বিচাৰি পোৱা সেই সৰু দ্বীপটো।

# এটা নিৰিবিলি সন্ধিয়াত


বিষ্ণু দাস

স্নাতক তৃতীয় বৰ্ষ (কলা)


জীৱনৰ প্ৰতিটো ঘাট-প্ৰতিঘাটত
তুমিয়ে যে সৰ্ব্বস্ব
নিয়তীৰ কৰুণ বেদনাতো কেৱল তুমিয়ে যে
আছা মোৰ কাষত, মোৰ ওচৰত।।
বেদনাৰে পূৰ্ণ মনটো লৈ কেতিয়াবা চাওঁ অকলে
মোৰ গোপন মনৰ কোনত থকা তোমাৰ মৰমবোৰ,
পাহৰিব নোৱাৰা প্ৰতিটো মূহুৰ্ত,
মই অকলে উপভোগ কৰো ।।
নিভাজ মনৰ নিবিড় মূহুৰ্তবোৰ সাঁচি ৰাখিছো
অকল তোমাৰ বাবে
এই মুহূৰ্ত্তৰ অধিকাৰী অকল তুমি
কেতিয়াও পাহৰিব নোৱাৰা মিঠা অনুভূতি।।
মোৰ হৃদয়ত সংগোপনে সাঁচি ৰখা
প্ৰতিটো আশা আকাংক্ষা
অকল তোমাৰ বাবে, অকল তোমাৰ ....
ইয়াক কেতিয়াও বিচ্ছিন্ন হ'বলৈ নিদিবা।।





# এবাৰ সময় হ'লে এখন চিঠি দিবা ......


ভাস্বতী দাস

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)


এবাৰ সময় হ'লে এখন চিঠি দিবা,
চিঠিখনত মৰমসনা শব্দবোৰ লিখিবা,
আখৰবোৰ টাইপ্ নকৰি,
কাউৰী ঠেঙীয়া আখৰেৰেই লিখিবা,
ভুলতো কিন্তু মোৰ ঠিকনাটো নাপাহৰিবা।
বহুদিন হ'লতো তুমি চিঠি নিদিয়া!
চিঠিৰ আমেজবোৰতো মবাইলৰ মেচেজ্ বা
ইন্টাৰনেটৰ ই-মেইলবোৰে
দিব নোৱাৰে।
খামটোত থকা আখৰবোৰ কাৰ
কৈ দিয়াতো,
খামটো চিঙিবলৈ লোৱা
মূহুৰ্তৰ মাদকতা,
জীয়া আখৰবোৰ চোৱাৰ হেঁপাহ,
মন গ'লেই গাৰুৰ তলৰপৰা
উলিয়াই চিঠিখন পঢ়াৰ বাসনাটো
ই-মেইলবোৰত নাই।
সেয়ে তোমাক এখন চিঠিকে দিবলৈ কৈছো।
অকণমান সময় হ'লে, কম্পিউটাৰৰ মণিটৰৰ পৰা,
চকুদুটা ঘূৰাই নীলা আকাশখনলৈ চাবা;
কাৰণ আকাশখন বৰ অসীম,
বহল আৰু গভীৰ।
সেয়ে কৈছো সময় অকণমান উলিয়াই,
চিঠিখনকে লিখিবা।
ভুল কৰি বাৰে বাৰে চিঠিখন দলিয়াই নেপেলাবা,
ভুল হ'লেও সেইখনকে দিবা।
কিজানিবা তুমি ইমানদিনে ক'ব নোৱাৰা,
কথাটোকে গম পাই যাওঁ।

# ফাগুনৰ পচোৱা


জয়শ্ৰী সিন্‌হা

স্নাতক প্ৰথম বৰ্ষ (কলা)




ফাগুনৰ পচোৱাই,
উৰুৱাই অনা বহু আশা
নাজানিলো ক'ত হেৰাই গ'ল।
কল্পনাৰ পাখীত ভৰ দি
মোৰ কলিজাত;
এতিয়া অনুৰণিত হৈছে
জীৱন বীণাৰ ধ্বনি।

জুৰিটিৰ পাৰত বহি
চকু মুদি তিৰবিৰ
সপোন দেখিলো তোমাৰ,
কামনাৰ নিজৰা নোৱালো ধোৱালো
প্ৰতিপল গধূলি ৰামধেনু আবেলি,
নিজকো হেৰুৱালো তোমাৰ হৈ।

চকু মুদি মালা গাথোঁ
সৰু বৰ অলেখ স্মৃতিৰ,
আলসুৱা বুকুতে তুমি মাথো
মোৰে হৈ।

# আমনিদায়ক দেওবাৰবোৰ



নিৰুপম দাস
স্নাতক ২ য় বৰ্ষ (বিজ্ঞান)

আজি দেওবাৰ।
মোৰ মৰমৰ সুখ-দুখৰ নীৰৱ সাক্ষী
গোৱালপাৰা কলেজত আজি মাথোঁ
ঘুৰি ফুৰিব অসহ্যকৰ নীৰৱতা
সদাব্যস্ত নগেনকাইও আজি জিৰণি লয়
কলেজৰ প্ৰকাণ্ড লোৰ গেটখনৰপৰা
লাইব্ৰেৰী, প্ৰিন্সিপালৰ ৰুমলৈকে
শ্ৰেণীকোঠাবোৰৰ পৰা পাপুদাৰ কেন্টিনলৈকে
সকলোতে আজি ওলমি থাকিব
হৰেক কিচিমৰ সৰু-বৰ তলা।

কলেজৰ দুই নম্বৰ গেটত
সদায় আড্ডা দিয়া ল'ৰাকেইটাও নাথাকে
কিয়নো সিহঁতে ভালদৰেই জানে
দেওবাৰে সেইপিনে ভুলতো "কোনো" নাযায়
অপ্ৰিয় হ'লেও কই থলো
ধুনীয়া ছোৱালীবোৰৰ ওচৰত
ভালপোৱাৰ টেণ্ডাৰ পেলাবলৈকে
তাত সিহঁতে বৈ থাকে
সিহঁতক ভয় কৰাৰ কাৰণ নাই
কিয়নো অপকাৰ কৰিবৰ জোখাৰে
সিহঁত কেতিয়াও হিংস্ৰ নহয়।

আজি দেওবাৰ।
দোকানৰ কৰ্মচাৰীবোৰৰো আজি ছুটি
সেইবাবে অসম বন্ধৰ লেখীয়াকৈ
আজি বন্ধ থাকিব প্ৰায়বোৰ দোকান
বন্ধ থাকিব সঞ্জয় বুক চেন্টাৰৰ পৰা
ছোৱালীবোৰৰ হেঁপাহৰ 'নন্দিনী ফেছন'
যিহেতু আজি দেওবাৰ
ৰেষ্টুৰেন্টবোৰৰ পৰাও আজি উফৰি নাহে
চামুচ-প্লেটৰ সংঘৰ্ষ সংগীত

যদিও আজি দেওবাৰ
বন্ধ হ'লেও আমিবোৰে কিন্তু
আবেলিলৈ হ'লেও কলেজৰ পিনে
পাকু এটা অৱশ্যেই মাৰিম
কিয়নো শিশু গছৰ তলত
বন্ধুবোৰৰ সৈতে আমাৰ "বিধান সভা"
সহজতে উলাই কৰিব নোৱাৰি
য'ত নিতৌ আলোচনা চলে
অৰ্থনীতিৰ পৰা ৰাজনীতিলৈ
জৰ্জ বুশ্ব, লাডেনৰ পৰা চানিয়া মিৰ্জালৈ
কলেজত নতুনকৈ অহা ধুনীয়া
ছোৱালীজনীৰ বায়'ডাটাৰ পৰা
শেহতীয়া চিনেমাখনত
মল্লিকাৰ দেহৰ ভাজ কেইটালৈ
আৰু সকলোৰে প্ৰিয় চিৰসেউজীয়া
বিষয় প্ৰেমতো থাকিবই।

কিন্তু এই যে দেওবাৰবোৰ
সঁচাকৈয়ে আমনিদায়ক
বন্ধু গৌতম আৰু ইপুলৰ ভাষাত নিৰামিষ বাৰ।
এই দেওলগা দেওবাৰবোৰ
আন্দোলন, ধৰ্মঘট কৰি
উঠাই দিব পৰা হ'লে ভাল আছিল
নতুবা সপ্তাহটো দেখোন
ছয়দিনীয়াও কৰি পেলাব পাৰি
নোৱাৰি জানো ?



# বৰষুণ

মৃণাল নাথ
স্নাতক তৃতীয় বৰ্ষ

গিৰ্ গিৰ্ মেঘৰ শব্দ আৰু
চকামকা বিজুলীৰ চমকনি,
বৃক্ষ হালি যোৱা বতাহৰ কোবে
মোৰ হৃদয় কঁপাব খুজিছে যেন
প্ৰচণ্ড ধুমুহাৰ আগজাননী।
ক্ষীণ মমৰ পোহৰত
ধাৰাষাৰ বৰষুণত
লেপৰ তলত বহি কবিতা লিখিছো।
বৰষুণ, আহে যদি হিয়া চুই যায়
মৰমৰে নিজৰা হৈ বয়
শীতৰ সেমেকা ৰাতি যেন বৰষুণে
সোঁৱৰণিৰ পাত লুটিয়ায়।
পৃথিৱীৰ গৰ্ভত জানো সাগৰ নাই ?
দেৱতাৰ চকুলো যদি বৰষুণ হয়
হ'ব পাৰে সাগৰ দেৱতাৰ হৃদয়।
বৰষুণ সঁচাকৈয়ে প্ৰিয় মোৰ
ৰাতিৰ বৰষুণ বেছি ভাল পাওঁ মই
চকু মুদি হৃদয়ৰ স'তে কথা পাতি
কবিতা লিখিবলৈ।
বৰষুণ, শুনিলেই বৰ আপোন যেন লাগে
সঁচাকৈয়ে মোৰ যৌৱনৰ সঙ্গী চাগে
বৰষুণে কেতিয়াবা মোৰ হৃদয় ভাগে
যেতিয়া তাৰ আগমনত
মোৰ হেপাহৰ নৈ বয়
বৰষুণক চুবলৈ, অনুভৱ কৰিবলৈ আৰু
কবিতা লিখিবলৈ
তালে তালে লৈ আহে বৰষুণে
বিজুলী চেৰেকনি যেন
প্ৰচণ্ড ধুমুহাৰ আগজাননী।



# অনুসন্ধান

হিমাশ্ৰী সিনহা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

মোৰ দুখৰ ৰাতি
জীৱন আকাশৰ প্ৰতিটো প্ৰহৰত
তোমাক বিচাৰি ফুৰিছো
কিয় তুমি নীৰৱে গুচি গ'লা ?
জানা ? বাহিৰৰ নীলাভ আকাশ মই চাব নোৱাৰো
আকাশে যেন মোক ঠাট্টা কৰে
শীতৰ সেমেকা প্ৰভাতত
আমাৰ বাগিচাৰ ফুলবোৰো জানা সৰি গ'ল।
হৃদয় পঁজাৰ
পদুলিমুখৰ শেৱালিজোপাও
মৰহি গ'ল।
জানা, বুকুখন বৰকৈ বিষাই গ'ল তেতিয়া
যেতিয়া তুমি এবাৰো ঘূৰি নাচালা,
কিয় গ'লা আঁতৰি ? চিঙি মোহাৰি
মোৰ জীৱনৰ সকলো পাপৰি
তুমি যোৱাৰ পিছৰে পৰা শূণ্যতা, নীৰৱতা
নিস্তব্ধতা, নিৰাশাৰ ৰেখা বুকুত
বান্ধি লৈছে,
হৃদয়ৰ কণ কণ আশাবোৰো
চুপহিচ্যুতা হৈ সৰি পৰে নীৰৱে
নিশাৰ কোলাহলপূৰ্ণ শীতল নীৰৱতাত।
সপোনবোৰো এতিয়া
নিশাৰ গভীৰতাত
শেতেলিত হৈ পৰি ৰয় এমুঠি বেদনা লৈ।
তোমাৰ অনুসন্ধানত
জানোচা তোমাক বিচাৰি পাওঁ
গ্ৰীষ্মৰ তেজাল ৰ'দত
নিশাৰ স্নিগ্ধ প্ৰকৃতিত

# শব্দ

*(প্ৰয়াত প্ৰণৱ বৰা আৰু সাগৰিকা বয়ৈলৈ)*



অৰূপ জ্যোতি ৰাভা
স্নাতক প্ৰথম বৰ্ষ (কলা)

সৌৰজগতৰ কোনো এটা গ্ৰহৰ পৰা
কৌশলী কায়দাৰে ধৰাৰ বুকুলৈ
মাজনিশা নামে হেনো শব্দ।
শব্দৰ ঠিকনা জানা,
মইও নাজানো।
শব্দৰ দোলেৰে খেলেহেনো কবিতা
শব্দতে মই দেখিছো অলেখ কবিৰ
সুখ-দুখ, সপোন, অলৌকিক চিন্তাধাৰাৰ পয়োভৰ।
মনৰ পীৰালিত দ'কৈয়ে সাঁচ বহুৱালে
সাগৰিকা
সাগৰিকা
সাগৰিকা
এটি শব্দই।

শব্দৰ বাবেই প্ৰণৱে দিলে মৃত্যুৰ বায়'ডা
শব্দৰ ধ্বনিতে বৰপুখুৰীৰ পাৰ
ঢৌ খেলি নচা দৰিকণা জাকে মৌনসভা পাতে
আপুনি যদি কবিতা লি
শব্দক কেতিয়াবা ল'গ পাব
"মোৰ জেকজেকীয়া শেলুৱে ধৰা পথটো
খোজ পিছলে অৰূপ, চাব
পৰিলেও পাবা সৃষ্টিৰেই চমক
জানে মোৰ শুভাকাংক্ষীসকল শব্দৰ তাড়নাত
আবিৰ্ভাৱ মোৰ কবিতা
তাক সেউজীয়া কল্পনাত বান্ধিবও নোৱাৰে
সুৰুঙা পালেই প্ৰসৱ হ'ব জানে
আদিৰ পৰা অনাদিলৈ





# নৈশব্দতাৰ ক'ৰাচ

মহম্মদ আজিজ
স্নাতক তৃতীয় বৰ্ষ (কলা)

তোমাৰ পৰা আঁতৰি নহা হ'লে
আৰু কাষ চাপিব পাৰিলোহেঁতেন তোমাৰ।
মই ঠিক মনত পেলাব পৰা নাই
মই তোমাৰ পৰা আঁতৰি আহিলো
নে তুমি মোৰ পৰা আঁতৰি গ'লা।
সব আগৰদৰে থকা হ'লে,
কটাব পাৰিলেহেঁতেন তোমাৰ সতে
জোনালী ৰেষ্টোৰাঁত বহি
এটা ৰোমান্টিক সন্ধিয়া
আৰু কাটা-চামুচৰ শব্দবোৰেও জোকালেহেঁতেন আমাক
অথবা কটালোহেঁতেন পূৰ্ণ জোনাকৰ নিশা
কোনোবা পুখুৰী পাৰত।
তুমি মোৰ চকুত চকু থোৱা হ'লে,
লাজত ৰঙা পৰিলেহেঁতেন তোমাৰ দুগাল
মোক অসভ্য আৰু অসাবধান কৰি তুলিলেহেঁতেন
তোমাক স্পৰ্শ কৰি অহা
এজাক নিলাজ বতাহ
তুমি সংযত হ'ব খোজা এটা ব্যৰ্থ চেষ্টাত
মই অকণ মিচিকিয়াই হাঁহিলোহেঁতেন।
তুমি মোৰ বুকুত হাত থোৱা হ'লে,
অনুভৱ কৰিলোহেঁতেন,
মোৰ বুকুত সন্ত্ৰাস চলাই থকা
বেদুইন মৰমবোৰৰ দুখ
আৰু শুনিলাহেতেঁন চাগে
ফাগুনৰ পচোৱাই কাণে কাণে ফুচফুচাই গোৱা
নৈশব্দতাৰ ক'ৰাচ্।



# জোনাক

শ্বামিমা মেহজেবিন
স্নাতক প্ৰথম বৰ্ষ

এনেকুৱা এটা জোনাক নিশা
তুমি আহিছিলা
মোৰ কাষলৈ।
তোমাৰ টোপনিত মোক সজাই ল'বলৈ
মোক মাতিছিলা
লাহেকৈ 'জুজু'।
তুমি আৰু মই বহি আছিলো
সেই জোনাক ৰাতি
মোৰ মন দলিচাত অকলশৰে
য'ত আমাৰ প্ৰেমৰ গভীৰতা জুখিবলৈ
অপেক্ষা কৰিছিল
মুক্ত আকাশৰ অগণন তৰাবোৰে
মনত পৰেনে কেতিয়াবা তোমাৰ
কিমান যে আকিছিলো
সেউজীয়া সপোন
গাথিছিলো কিমান যে
ৰঙা ৰঙৰ কল্পনা
য'ত সাক্ষী আছিল
মোৰ মন আকাশৰ
উজ্জ্বল 'জোন'
তোমাৰ প্ৰাণত উচুপি নুঠেনে
কেতিয়াবা
সেই ৰাতিৰ মধুময় মুহূৰ্ত
য'ত তুমি দিছিলা
লাজৰ ওৰণি গুচাই
আৰু কৰিছিলো মই
লাজ কুৰীয়া অভিনয়।।



# স্মৃতিৰ কেঁকুৰিত এদিন

গায়ত্রী বৈশ্য
স্নাতক প্ৰথম বৰ্ষ

এটি অভিনৱ পুৱা
সেউজীয়া সপোনৰ বোকোচাত
সিঁচিছিলো বহু আশাৰ বীজ।
উচপ খাই উঠিছিল পৃথিবীৰ চাৰিসীমা
আৰু সুৰুযৰ গুলপীয়া এজেন্ট।
হে লঠঙা নিস্পাপ হৃদয়,
তুমি তেতিয়া
মোক কাষত বিচাৰিছিলা
মই গঢ়িলো, তুমি মহতিয়াই গ'লা
খাল্লাচ পৃথিৱী .....
আবেগৰ ল'ৰালি এতিয়া শক্তিমান,
ধ্বংস কৰা তাৰ জীৱনৰ লক্ষ্য,





তাকো পিশাচ কৰি গঢ়ি তোলা !
হৃদয়ৰ ওপৰেদি বগাই যাওঁতে
কোনে জানিছিল ?
শান্তি নিদ্ৰা চুৰ কৰাৰ কথা,
জনাহেঁতেন দলিয়াই দিলোহেঁতেন
শংকিত মনৰ পাণ্ডুলিপি।
মোৰ উদাৰতাকো
সন্দেহ কৰিলা
মোৰ ভালপোৱাক
ছিছিলি দ্বীপত নিলাম কৰিলা।
এতিয়া এইয়া নতুন সময়
আমি গঢ়ি যাম অৰক্ষয় সৃষ্টি
নিলাম হ'ব চলনাৰ-বঞ্চনাৰ
এই সময় আমাৰ সময়।



# আচল ঠিকনা

অনুৰূপা দাস

পুৰণি পাতৰ পৰা

মই জানো তুমি মোক বিচাৰি ফুৰিছা
অতি গোপনে .....
তুমি মোৰ ঠিকনা সুধিছা বতাহ, গছ-গছনি
উৰন্ত চৰাই আৰু অদৃশ্য জনক
তুমি মোক বিচাৰি ফুৰিছা পেপাৰৰ হেডলাইনত
আৰু পুলিচ বিষয়াৰ হাতত থকা তালিকাত
তুমি মোক বিচাৰি ফুৰিছা ৰাজপথৰ ধুলিত
আৰু দুৰ্গন্ধময় গলিত, জানোচা মোৰ
তেজৰ কণিকা তাত বিচাৰি পোৱা
তুমি মোক বিচাৰিছা গছৰ পাতত, আকৌ
কেতিয়াবা বিচাৰিছা তোমাৰ কলিজাৰ মাজত।
কিন্তু তুমি মোক পোৱা নাই।
মই মাথো ভাবিছো, তুমি কোন ?
মোক বিচাৰি এইদৰে হাবাথুৰি খাইছা কিয় ?
শিকলি পিন্ধাবলৈ মোক বিচৰা নাইতো ?
তুমি কাৰ চোৰাংচোৱা, তোমাৰ হৃদয়ৰ
নে কোনোবা আন্ধাৰ জগতৰ অধিবাসীৰ
নে কোনোবা পুলিচ বিষয়াৰ নাইবা
হেৰোৱা অতীতৰ।

তোমাক কিন্তু মই চিনি পোৱা নাই
অথচ তুমি মোক বিচাৰি ফুৰিছা
অতি গোপনে ......।
তোমাৰ হাতত মই এটা লাইসেন্স নোহোৱা
পিষ্টল দেখিছো। তুমি শুনা নাই জানো
চাৰিওপিনে সৈনিকসকলৰ বুট জোতাৰ
শব্দ। সিহঁতৰ জ্বলি থকা চকু দেখা নাইনে ?

কেতিয়াবা এই সৈনিক সকলৰ বুকুত জাহ
যাম বুলি ভাবিছা নেকি ?
এইদৰে যে অনাই বনাই ফুৰিছা ?
কেতিয়াবা কাৰোবাৰ অন্ধকাৰ কোঠাত
কবৰ হৈ ৰ'বা। তেতিয়া তুমি মোক
কেনেকৈ বিচাৰিবা .....।
তোমাৰ অৱস্থা চাই মোৰ চকুপানী
ওলাইছে, কিন্তু মই তোমাক মোৰ ঠিকনা
ক'ব নোৱাৰো। তুমি মোক এইদৰে
বিচাৰি থাকা।
এটা প্ৰান্তৰ পৰা আনটো প্ৰান্তলৈ
এদিন হয়তো মোক পাবা
শ্বহীদ স্তম্ভত বা কিতাপৰ পাতত
তেতিয়াই তুমি মোৰ
আচল ঠিকনা পাবা।

(ৰূপালী জয়ন্তী বৰ্ষৰ মহাবিদ্যালয় আলোচনীৰ পাতৰ পৰা পুনৰ মুদ্ৰিত।)

# বসন্তৰ আগমনত লিখা কবিতাশাৰী

অনুবাদ কবিতা

মূল ঃ William Wordsworth
অনুবাদ ঃ আতিকুৰ ৰহমান মল্লিক
উঃমাঃ প্ৰথম বৰ্ষ (বিজ্ঞান)

শত-সহস্ৰ মিশ্ৰিত ঐক্যতান
মই শুনিছিলো
এক বিনন্দীয়া কুঞ্জবনত আউজি
এটি সুমধুৰ মুহূৰ্ত্তত
যেতিয়া মোৰ মনে কটিয়াইছিল
কিছু বিষাদময় কল্পনা

মনৰ আত্মাৰ সতে নিবিড়
প্ৰকৃতিৰ সৌকুমাৰ্য্যে
আৰু মইও তাৰ স'তে একাত্ম
কিন্তু মানুহৰ হাততে লাঞ্চিত মানুহ
কি কৰিছে মানুহে মানুহৰ বাবে
আৰু হয়তো তেতিয়াই
বিষাদত জ্বলি উঠে মোৰ হৃদয়

সুমধুৰ এই কুঞ্জবনত
প্ৰিমৰোজ গুচ্ছৰ অগ্ৰগামী যাত্ৰা
আৰু মোৰ বিশ্বাস
প্ৰতিজোপা পুষ্পই সেৱন কৰে
প্ৰকৃতিৰ এই মুক্ত সমীৰ

চৰাই-চিৰিকটিবোৰে আনন্দত
জপিয়াই গুচি গৈছে
সিহঁতৰ ভাৱনা, সিহঁতৰ কল্পনা
মই জুখিব নোৱাৰো
কিন্তু মোৰ অনুভৱ
এয়া সিহঁতে পোৱা
প্ৰকৃতিৰ অম্লান আনন্দৰ বহিঃ প্ৰকাশ

গছবোৰে শৰীৰ মেলি দিছে
মৃদু বায়ুক আকোঁৱালি লোৱাৰ বাঞ্চাত
আৰু মই যিমানে নাভাবো কিয়
সিহঁতৰ অন্তৰতো বিৰাজমান
প্ৰেম-আনন্দৰ চাঞ্চল্য

মোৰ এই বিশ্বাস যদি ঈশ্বৰ প্ৰেৰিত হয়
এয়া যদি প্ৰকৃতিৰ পৱিত্ৰ পৰিকল্পনা হয়
তেনেহ'লে মানুহে মানুহক কি দিছে
তাৰ বাবে মোৰ
প্ৰলাপ বকাৰ প্ৰয়োজন নাই জানো ?

## সপোন

সমকালীন হিন্দী কবিতাৰ পৰা অনুদিত
মূল ঃ বিশ্বনাথ প্ৰসাদ তিৱাৰী দেৱৰ কবিতা
অনুবাদ ঃ ৰাফিয়া চুলতানা চৌধুৰী
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

যিজনে সপোন নেদেখে
কেনেকৈ পাৰ হয় বাৰু তেওঁৰ ৰাতি ?
সপোন আকাশৰ দৰে অনন্ত
অন্য গ্ৰহৰ দৰে অচিনাকি
সপোন শিশুৰ দৰে সৰল
সপোন পৰীৰ দৰে ডেউকা মেলি দিয়ে
সপোন কঁৰলীয়ে আৰবা
অৰণ্যৰ দৰে
উদিত সময়ৰ দৰে সপোন
তেওঁ কয় –
তোমাৰ সপোন বিক্ৰী কৰি দিয়া
কি কিনি লম মই
কিনি লম কি
বিক্ৰী কৰি সপোন !!



# অন্য ভাষাৰ মাণিক বুটলি



# চিঠি একটি তোমার জন্য



রিয়া চক্রবর্ত্তী
স্নাতক প্রথম বর্ষ (কলা শাখা)

*চিঠি একটি লিখেছি*
*তোমার জন্য।*

*পূবের সূর্য্য যেমন আলোকে*
*ঢেক দেয়*
*সমস্ত পৃথিবীকে*

*ঢেকে রেখেছে তেমন করে*
*তোমার জন্য লেখা*
*সব শব্দ*
*এই চিঠি।*

*তুমিই আমার জন্য প্রথম*
*এবং শেষ।*

*আমার জন্য কি ওই হৃদয়ে*
*অল্পটুকু ঠাই আছে*
*তোমার এতো সখা-বান্ধব*
*আমার দিকে হয়তো,*
*একটু তাকাতেও*
*তুমি পাওনা সময়।*

*আমি জানিনা কখন*
*তোমাকে ভালবেসে ফেলেছি*
*আমাকে কিন্তু দুঃখ দিওনা।*

*আজ, তোমার জন্য লেখা*
*আমার প্রথম চিঠি*
*তুমি কিন্তু আমাকে ভুল ভাবিওনা,*

*দূরে থেকেও*
*অল্প মিষ্টি হাসিতে*
*আমি বুঝো নেব,*
*তুমি আমাকে খারাপ পাওনা।*

# খৰিখানি ক্ৰোমিচি

মুবীন ৰাভা
প্ৰাক্তন আলোচনী সম্পাদক



তেলাংবে খিঁম খিঁম বানাতোমু'ন
ৰাছংনি দিংগ্ৰি, থোছা, হোলকা ....
নাছিকায়নি খুক্‌দুৰ
তাক্‌ঙাতোমু'ন আছানি চেলেঙ্গা-জাংকা
তিঁৰানে তানা বাৰদাম কাৰাং
আৰো মিঁংকু খাপকায় জোলংকা
নাখেম তানা বাজং বা নি বাকক ...

লিঁবাক !
মাজি জিপৰি দিঁমকায় মিমুক চাত্তাৰি
খপৰ ৰাখুনাতোমু'ন নাংতো আঙা
পিদান খাঁচি কিনো উনে

ৰাখুচানতাছে আনা বানাচিকানি খপৰ
ৰিঁবানো পাৰামুন্দি চাঙে

তেলাংবা কব্ৰাকে দিবি ৰাংজো
আলায় দালায় চাঙে মুংজো
আছা তামব্ৰংদিগি খাকায়
চাপাৰ্কিনি বাৰে .......




# বাছাকালি .....

মুকুন্দ ৰাভা
স্নাতক তৃতীয় বৰ্ষ (কলা)

দিন বিঁজান পাতে ৰেঙা
ছামে মুংচা চাকছা নাবা
তে, গাখুং পাতে
চাঙে ৰেঙা ৰাংগ্ৰে, বছৰ .....
নাঙি নুখাঙি ...
খুঙি জোৰায়
নুঙাতোমু'ন ছিথ'য় যাদায়
আঙি দিঁমদাক কামি হাবা
আছা পুৰা চাঙো ই'নে
খাৰে তংবা বাছাকালি
চাপাৰ্কি ৰাখুই
অনদংবা পাতে ৰেঙা
আঙা কানিচায় –
এগান্দা যেনে মুঙা আঙি জোৰা
বাছাকালি –
ৰেঙে তয়েতা আং তামব্ৰং যেনে
নুক্‌চাকায় দামিনি পাৰনা
নাঙো ৰায়ে আঙি ৰাহা
নাঙো ভঙো উনে ...



# নাং ৰিঁবানো ই'নে .......

হৰিদাস ৰাভা
প্ৰাক্তন আলোচনী সম্পাদক



নাং ৰিঁবানো ই'নেয়ান
তানেতা খিঁথাৰে আঙি
চাতাল-নক্‌চাপা আৰো নেন্‌-কান্‌ বিজান
খ্ৰিঁক্‌-খ্ৰিঁক্‌ খাৰে তানেতা ৰাখাতে
কাংছাং কাৰাঙিনি আখানেজি আৰো
কাম্ৰেতিনি বিবুৰ-ছিংছাপ বিজান,
বা-ছিৰি ছিতে-ছিতে।
থাম্‌কণা ৰাখুই তানেতা তাকে
পিদান চেলেংগা
নাঙি মায়-বাগীত তানা কাৰাং গাতে।

নাং ৰিবানো ই'নেয়ান
ডালায় খুঙে পাৰেতা
ছাক্‌-ছাকে চিথোৰাঙে পান্‌চু-পালোছ,
ছোনা-গাপী পাৰেতা থলেং-থলেং দাখৰ
নাং ৰিঁবাকায় বাম-ৰাজাগঙি।
নাঙো ছামে-ছামেয়ান
ৰাংগ্ৰে-আথে বিজানবা
গিঁতি-হান্দাৰ গিঁজাৰে খ্ৰাওঁ-খ্ৰাওঁ খাৰে
জানবাইনি পাৰা তয়তা ছাৰে।

নাঙি আছাও ৰায়ান আং
তিঁপাতে খিঁছাজো ৰেন্‌চক
খাগুন আৰো বিছুৰা
অনাবা চাগোনখুচা তেবা
নাছিকায়নি কুৰদিঁপে, নুক্‌বাৰ্‌কায়নি ছাৰি চকে
বাতে তান্‌কায় পিদান দাম।

অ' আঙি নাছিকায়
জেলা গঙা ৰিবা নাং
মনি খুছি খাৰে;
হাজাৰ গান্দা জিঁগাৰ-পাৰচুং
বুইদংবা
বাং-তেৰ্‌কায় থিঁমে দংবা
আলোক্‌-আলোক্‌ নাছিয়ে
ৰাছামো নাঙো পাক্‌থিঁপে
খাপাক-সাজাৰি।

# খি'ছান্তি



মুবীন ৰাভা

খি'ছান্তি বায়খো মেলায় ন'কিনা ৰি'বানো। জিব্রা বহিলানি মন উ খপৰ মানে মন নেমাজিনকায় চাংজো। জোৰাছিনি চাংকায় চাবানি পইলানি বাদাঙা বায়খো পূর্ণিমাদিনা ক্রি'মা চাঙে খি'ছান্তি ৰি'বানো। বেনচোক যে নেমো ভাবি ভাবি বহিলানি মন উৰাংপাবাং। আৰো ফালছা গুদুং ৰাজেন পাম নিমিন হাকুদাকু খাবে আতো ৰানো-আতো ৰাছানো খাবে বাজাৰ খাৰনা চাংজো। খি'ছান্তি লেমতাকায় পাকজা বাছায় বাদায় পাক্জা পু'ৰনা চাংজো। কোৰা মানদণ্ডান বাৱা ৰাজেন পাম দামাৰছা নুই ছু'ত্রাং তিকি-আ-খি'ছান্তিনি মি'লবা জোৰায়নি কাথা দৰায় কালিনি কাথা।

ৰাজেন পামনা দি'মদাক 'মাস্তৰ' উনে প্রাৱা। কি'ত্রি'ংগিৰি খাবে তেনা থাম বি'ছাৰ তি'কাং পেঞ্চন মানা। পেঞ্চন মানকায় চাবানি ন'কিনি ইকায় উকায় মি'লা চুঙা কামি বায়ান জোৰা তি'পাতা প্রায়ান বাৰীনি ইকায়-উকায় কামি তি'প্রানে মিচিকৱা ৰমিলানা চাহ কাপছ কুতুঙা ৰাখুই গুৰবাদামি মেন্দেকে খি'ছান্তিনি কাথা ভাবি তোৰা ৰাজেন মাস্তৰ। বেনচোক যে নাছিজিনকায় আৰো ৰংতামাছা খাৰকায় মিচা ছাব্রামু'ন খি'ছান্তি মি'লবায়নি পাৰা বাৱা-জিব্রানি নাছিকায় খাপাকনি মাজাৰি ৰাছং মানাতামু'ন খি'ছান্তিনি মি'লাজোৰা। মিনিকায় ৰাৱায়কা-খেৰকায় আৰো হাজাৰ প্রশ্ন হাজাৰ অভিমাননি মাজাৰি পাতে ৰি'বি মানাতামু'ন কুকুং ফেছেংকায় যৌৱনি জোৰা। উনি চাবানি আন্দ্রে আন্দ্রে কাকায়ান কাকায়নি মু'ং ত্রায় ৰানা ক্রি'ক্কায় বুদ্ধিনাংকায় মেচা চাঙে ৰি'বানাতামু'ন। বাৱা-জিব্রা ৰাছামকায় মু' ত্রায় কাকায়ান নিজানি মু'ং বাছায় ৰাছামাতামু'ন 'খি'ছান্তি'। উনি জীৱন আৰো জীৱননি তাংছিনি গান্দান অৰ্থবহ মু'ং। 'খি'ছান্তি' - ছান্তি, খি'ছান ৰাম্পাৰ।

মুং মনিনা ৰি'বাবা লগে লগে ৰাজেন মাস্তৰনি মন খি'ছানে ৰেঙা। জাতমাচান উৰিঙি জীৱনি বাদাঙা উ দৰায় ছাব্রা চাঙে ৰি'বানাতামু'ন খি'ছান্তি খি'ছান ৰাম্পাৰ। যাদি বেছায় মানা ৰাংছি পূর্ণিমা ৰাংগ্রেনি নায়কায় ৰাছং ৰোখাপাৰা ছঙিনি চান্বাৰিয়ান তাংকায় ছোনাহাচুনি খাপাককৰো বয় ৰি'বিকায় ঝৰনানি কুলু কুলু খুবাং, তো-তুখুৰনি ফামানজিনকায় চায় নাথামে, হাচু-হাবাং, গ্রি'ম-বাত্রা, হাপচি-চিকা নাকে মিনিখেৰে-দাথুঙে খি'ছান্তি গছাদিনা পিদান-বসন্তনি গাপ ত্রায় ১৮ বি'ছাৰনি দৰায়ছানি চাঙা। মেট্রিক পৰীক্ষাদিগি প'ইলা থাকদিগি ৰাছং কুচুই পাছ খাবে গুৱাহাটী মহানগৰি তংকায় বি. বৰুৱা কলেজদিগি ভৰ্ত্তি চাঙা। ভৰ্ত্তি চাংকায়নি চাবানি কলেজনি হোষ্টেলদিগি তয় পৰায়কায় খাৱা। খি'ছান্তি পৰায়কায়ছান দংচা ফি'ছাকায়, চায়ৰুংকায় নানিনি বাদাঙা কয়দিনমান চাবানিয়ান ছাকায়না ছ্রাপকায়-ৰাছং ছাৰছিনি মেচা চাঙে ফামানছিনি চাঙেৰি'বাতামু'ন। বাৱা ৰাজেন মাস্তৰবা ছাকছান মেচাছাৱানি ছুকনি বাদাং জতন ৰাকায় নামছাবা ভূল খাৰচানাতামু'ন। খি'ছান্তিনি আদায় কাথাও গুৰুত্ব ৰাখুই উনি নেমঝাঙা আতো খাৰনা ঝাঙা উনে হাবালি'গা ৰাখুনাতামু'ন। ফেনছা কাকায়নি কলেজনি কায়ছিনি চাঙে বিশ্ববিদ্যালয় যুৱ মহোৎসৱদিগি জনজাতীয় চায়দিগি গোল্ড মেডেল মানে ন'কিনা খপৰ ৰাখুবায় খি'ছান্তিনি নুখাং-নেকেনি প্রকায় ফুৰ্টিও মাস্তৰনা তেবা তল তল মনি তোৰা।

ফেনছা কলেজ বন্ধবালা খি'ছান্তি ন'কিনা ৰি'বা নাতামু'ন। উজোৰায় খি'ছান্তিনি মন তি'কাঙি গান্দা ফুৰ্টিদিগি নুকচায় মাস্তৰ থি'মে তঙা ঝংচাজো। ছাৰিচুং ৰায়ে মাস্তৰ উনি নালাং ফামানা নামজো। উছি জিব্রা লক্রা গান্দা ৰাকদুঙে তেপজো —

ঃ নাং আল ৰাখুই ছাব্রা মেচাও নষ্ট খাৰজো। নাঙি নাছিমানকায় মেচা তেবে চিঙি কুম্পাক খানেছে ছাৰায়নো .....

মাস্তৰ ৰুং ঘাট খাৰনা হাতাকং



বেছায় মানচাকায় গান্দা খাবে 'প্রশ্নবোধক' চাঙে ৰু'ম ৰু'ম চিনা চাংজো। জিব্রা ৰামিলা মি খানে খানে আৰো তেপজো —

ঃ নাঙি নাছিমানকায় মেচা ছাব্রা চাংবা বামুন মুচা ছাব্রানি প্রেমনা কিজো। খি'ছান্তি বাৱানি খাপাকি নুখাং তানে খামা চংজো। মাস্তৰ বুজি মানজো যে উৰঙি ফামানচায় খাৰকায় কামিও ৰায়ে ভাবিছকে মানচিতা। কিন্তু খি'ছান্তিনি দুকনি নুকচি মাস্তৰ পামনি বাদাঙা থি'মে তঙা ঝাংচাকায়। আৰো মেচা ছাব্রা কাকায়নি বিচাৰ বিবেচনাদিগিয়ান কাকায়নি নাছিকায়ো বেছায় মানজো। খি'ছান্তি নেমতাকায় পামজা নেমচাকায় নিশ্চয় চাঙতংচা। উনিবাদায়া কাথা বাদং ফামানচাৰাঙে হাক বা বাধা খাৰকায় অপৰাধ উনে মাস্তৰ ভাবিয়া। মাস্তৰ খি'ছান্তিনি নাছিনাদাৰ জেনকায় নুকচিও মুছি মুছি আল্লক খাবে তেপজো —

ঃ মইনা, নাং তেলাং বি.এ. ফাইনেল ৰাখুনো নহয়। উনিবাদাং বাকী সব কাথা বাদৰাখাতে প'ইলা পৰীক্ষা ৰাখুচং। উনি চাবানি যা চাঙা লাগিয়া উৱান চাঙো।

বাৱানি নাছিজিনকায় কাথা মতি খি'ছান্তি পৰীক্ষা ৰাখুজো। আৰো নেমকায় ৰিজাল্ট ৰায়ে পাছ খাৱা। উনি চাবানি মুচাতাং ফালাংনি পাৰা বিয়ানি মানকায় প্রস্তাৱ আৰো খি'ছান্তি ইছাও পূর্তন খাবে মাস্তৰ পাম আৰো জিব্রা ৰমিলাবা খাপাক ধেঙে প্রস্তাৱ চকে ৰাজো।

ৰাভা জনজাতিনি কন্যা আৰো চুংবা জাতি-বংশ ব্রাহ্মণ দৰা পাকে চাঙা লাগিকায় বিয়া ফালানিং গুদুঙা সন্মান ৰাছামে তানকায়- ৰাকায়নি মাজাৰিয়ান খি'ছান্তিও ফেনছা বিয়া ৰাখুই ন'কিনি পাৰা দদাগানে ফি'ছাতা। উনি চাবানি ছু'ন চাংকায় ন'কদিগি ৰাজেন পাম আৰো ৰমিলা বাছাকালি আছা খাফুঙে ছামে তোৰা বায়খো পূর্ণিমা চি'কিনা। যা দিন খি'ছান্তি ন'কিনা ৰি'বানো। তেবে খি'ছান্তি হাদুং দংচা, খি'ছান্তি শৰ্মা চাংজো। কাকায়নি ন'ক, কাকায়নি ছাংছাৰ চাংজো। উনিবাদাং ছুক-ছান্তি খাবে তংকায় আনতাং গানা মাস্তৰবংবা আছা খাৱা।

বিয়া ৰাখুই খি'ছান্তিও

দদাগানে ফি'ছাকায় ৬ ৰাংগ্রেয়ান চাংজো। ইনি মাজাৰি ৰাজেন পাম কয়বাৰমান ছাব্রা জাংব্রানি গুৱাহাটীনি ন'কিনা ৰেংবামু'ন ছাব্রা মেচাও ৰানা। কিন্তু নানান্তা ন'কিনি জোথা তুনুকে জাংব্রা আৰো বিয়ায়ব্রাতাং ফেৰছাবা ৰি'বানা ৰাখুচাজো। উনিবাদাং, মাস্তৰ পাম খাপাকি দুকনি ৰাংখপ ভৰা চাঙে তয়তামু'ন। উজোৱায় খপৰ মানজো যে তেলাং বায়খোনি দিনা খি'ছান্তি ন'কিনা ৰি'বানো। উৰো ফামানে ৰমিলা আৰো মাস্তৰ পাম নিমিন ৰংমানজো। খি'ছান্তি ৰি'বিনো। ফোনদিগি খপৰ মানেয়ান মাস্তৰ পাম ৰমিলা চি তঙা চংজো। ছঙিনা ৰিবি মানকায় কাথাও তে মাস্তৰ প'ইলানি বাদাঙা নিমিন ছুক মানেতা যে, ফোন চাঙে বেনচোক ধ্বংজিনা নেমথো মানজো।

ছঙিনা আন্দ্রে আন্দ্রে হান্দাৰকায় বি'ৰৈ ৰি'বানা চাংজো। কিন্তু খি'ছান্তি ৰি'বি ন'ক মানখুচা। মাস্তৰ পাম থি'মে তঙা ঝাংচাজো। মাজাৰ মাজাৰি খাপাকি অমঙ্গলীয়া কাথা ৰি'বি খাপাকনা তাৰখুছানা চংজো। ভাবিমানচাজো আতো খাৰকায় উচিত। ৰমিলা মাস্তৰ পামনা ৰামছঙা গান্দা চি'পান আগুই ৰেঙা তেপজো। বাছ ষ্টেশ্যননি পাৰা ৰোখাপাৰা ছঙিনা ৩ কিঃ মিঃ পি. ডব্লিউ ডি ৰাম। উনিবাদাং, ৰিক্সা টেক্সীনি নেমকায় ব্যৱস্থা তংচা। আতো খাৰনো, আতো খাৰচানো হাতাকাং বেছায় মানচাকায় চাংজো। ফামানা মানচাকায় কি'ংৰাছিংকায় পাকজা মাস্তৰনি খাপাক তাৰ খুচাই ৰেঙা। অনংবা থি'মে তঙা চেষ্টা খাৰা। ফাৰনায়ন জেঠ পূৰ্ণিমা বায়খো মেলা। এন্দাপাকে ছু'ননা ৰি'বিতা নেমছ্রাংকায় ছু'ত্রাং — চিথোৰাংকায় কাম্বুং-ডোখনা কানে, তাছিতি ছাম-ডুবুলা, তক্রাংদিগি ৰুব্রাকমালা, কাপালদিগি লাংগ্রে গান্দা ছাক্‌কায় ফোটা বায় খি'ছান্তি বায়খো দামি খাম-দাইদীনি খুৰাঙি ছাথাৰ ফি'ছায়তা।

কিৰিং ........... কিৰিং .....

ঃ হেল্লো ...... হয় মই মাস্তৰ পামে কৈছো। মাস্তৰ পামনি তি'কাম কাফা কৰো যেন পাঙা বন্দুক গুলী পাতে ৰেংজো। কাপালি নায়না চংজো ৰাংগুছি। দিংদিঙে তংকায় হা, ন'ক বি'ছামু'তা যেন গুৱায়না চংজো। মাস্তৰ পাম কনোমতে ৰিচিভাৰ তানে কাকায়নি বিকায় দেহা ও দেঙে চিয়াৰদিগি নুজো। চাৰ্পক তংচাকায় গান্দা নুই জানবায়না চি তংজো। ছাহ কাপ গছা তাছিতি ৰাবায় মিচিকব্রা ৰমিলা ধাঙে ৰি'বাজো। মাস্তৰ পামনি তাছিনা ছাহকাপ ৰাখুই ছিংজো —

ঃ খি'ছান্তি ফোন খাৰনাদংবা। আতোৱা অসুবিধা চাংজো আৰো। মিয়া ফোন খাৰবায়তো ৰি'বিতা উ'নেয়ান তেমাতামু'ন। আতো তেপজো। ফোনদিগিবে —

মিচিকব্রানি ছিংবায় মাস্তৰ গছাবা জোৰ ৰাখুচায় ত্রি'পান তংজো। যা-অ ভাবিনাতামু'ন উব্রান চাংজো। কয়দিনমান তি'কাং ফোন খাৰনাতামু'ন খি'ছান্তি। বায়খোনা ৰি'বিদং চাথি গুৱাহাটীনা ফিৰায় ৰেংচা। যদি তিনলাক টাকা জাংব্রানি তাছিনা কতায়না ঝাংচা উনদংবে তপ্রম্‌কায়নি কাথাবা বকায়নাতামু'ন। মাস্তৰ চাকৰিনি পাৰা পেঞ্চন মানকায় তেনা তিনি বি'ছাৰ চাংজো। উ পেঞ্চননি টাকাপাকে কনোমতে ছায়-ৰুঙে তয়তা। বিয়ানি ধাৰে ৰাকায় পাইছা তেবা থিফ্রানা ঝাংখুচা। তেবে বিছিনি পাৰা ৰাখুনো তিনি লাক টাকা। জাংদংতো চাং ৰাখুচা ছাকছা মেচা ছাব্রানি সুকনি বাদাঙা। বাব্রাজিব্রানি সুক চাংজো ছাব্রানি মিনিকায় ৰং মানকায় ..... কিন্তু ....। খি'ছান্তি কাকায়নি ইচ্ছামতিয়ান জোৰাছিনি চাঙাতামু'ন। কিন্তু খি'ছান্তি কাকায়নি কায়ো ফামানকায় ভুল চাঙাতা নাকি ?

হংকলবাৰ ৰামি জীপচি গাড়ী খছা ৰি'বি ৰাছামজো। দাক্রাখাৰে নুবায়নি পাৰা মুংছায় ৰমিলানা দেদেকেংক্রা খাৰে তেপজো —

ঃ চিনাৰেংচং, খি'ছান্তি ৰি'বাজো। মাস্তৰনি কাথাতি ৰমিলা দাথুঙে চাতালায়না দগোতে ৰেংজো। ৰাজেন পাম খাপাকি থুব্রা খাকায় আক্‌কায় ৰাংখপ আৰো ৰাং তেৰাককায়দিগি পাৰকেকে ৰেঙা চিকায়ো থি'মে থি'মে কান দি'ৰ্‌ দি'ৰ্‌ মনা চংজো। মাস্তৰ পাম ৰাং তেৰা চাংকায় গান্দা বাহেৰাংনা চি তংজো। হা-ৰংনি পোছাক কানকায় কামিং পুলিচ্‌ গাড়ীনি পাৰা বক্কায় নেন কুপকায় কায়ছিকায় গাঞ্জী পায় ৰাবায় চাতালায় ৰাছামজো —

লেখক গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।



## আতিথিৰ কলম



# কোঠা

বিদায় দিব পৰা সকলো বিলাকেই বিদায় দিয়াৰ পাচতো
এটা কোঠাক বিদায় দিয়াতো টান হৈ পৰে
এটা কোঠায়ো কেতিয়াবা কেতিয়াবা দিব নোৱাৰে বিদায়
প্ৰতিটো চোক-কোণ, মজিয়া আৰু বেৰৰ কাণে
হয়তো তেওঁৰ শ্বাস-প্ৰশ্বাসৰ বাবে ব্যাকুল হৈ পৰে!
কোনোবাটো হৈ পৰে ঐতিহাসিক
কোনোবাটো যন্ত্ৰণাদায়ক
কোনোবাটোৰ অস্তিত্ব নাথাকিলে হৈ পৰিব পাৰে কিম্বদন্তি!

ৰণজিত গগৈ
শব্দ, শব্দ প্ৰকাশ, থানা ৰ'ড , যোৰহাট - ১

একান্তই নিজাকৈ এটা কোঠা নহ'লে
একান্তই আপোন কোনোবা নাথাকিলে

এটা নিজা জীৱন
এখন নিজা ধৰৰ
আনকি আপোনাৰ নিজা ঠেহ-পেচ্
অভিমানবোৰৰো কোনো অৰ্থ নাই।

নিজা কোঠা এটা সদায় নিজা
সুকীয়া তাৰ অস্তিত্ব
সুকীয়া তাৰ মাদকতা জীৱন-যৌৱন ইত্যাদি
সকলো সৃষ্টিৰ আঁৰত থাকিব পাৰে এটা কোঠা

কোনোটোৰে সৈতে মিল নহ'ব পাৰে
কোনোটো কোঠা
জন্ম-যন্ত্ৰণা-জীৱন-যৌৱনৰ পৰা
গঞাই পৰ দিয়া এটা শীৰ্ণকায় শৰীৰৰ
অধিকাৰী হৈ থকাবোৰকে সম্পৰ্কবোৰ চিঙি দিব
নোৱাৰি এটা কোঠাৰ পৰা

এটা কোঠাকে এদিন কোঠালী কোঠালী
কৰি দিব লগা হয় সাংসাৰিক মেদবহুলতাৰ বাবে
ঐশ্বৰ্যখচিত সকলো বিলাক বৈভৱৰে পূৰ্ণ হৈ থকা কোঠাৰ পৰা
চাল কাটি পানীৰ ডোঙাই সেমেকাই তোলা মজিয়াৰ কোঠাবোৰকে
চকুৰ বাটৰ পৰা মনৰ কাষবোৰকে
বিচিত্ৰ্য আৰু বৈচিত্ৰ্যৰে ভৰা তাৰ অনন্য হ'ব পাৰে নিজস্ব স্বীকৃতি

এটা কোঠালীৰ সন্ধানতে অহৰহ কোঠালী কোঠালী
হৈ থাকে নিজা নিজা কোঠাবোৰ

তথাপি হাক দিব নোৱাৰি
কোঠাবোৰ কোঠা হৈ থাকক।

অতিথিৰ কলম

# ঐয়া, তোমাৰ ঘৰলৈ আকৌ যাম

উজ্জ্বল পাওগাম
শব্দ, থানা ৰ'ড, যোৰহাট - ১

বাট কিমান দুৰণি
বাট কিমান পুৰণি
তাৰ কোনো কথা নাই
তোমাৰ বাবে অতিক্ৰম কৰিম
যন্ত্ৰণাৰ বাট .....

বিজুলি বাতি নাই
আক্ষেপ নকৰো দিয়া
তোমাৰ চোতালত জোনাক চাম
বৰ্ণা-মীনা-কাইৰ স'তে
একেলগে শুনিম ভালপোৱাৰ সাৰেগামা
মৃত্যুৰ বিভীষিকা
হাহিৰ ৰহস্য

নাঙলে যতনাই দিয়া ভাত
একেলগে খাম সুগুতান জীৱনৰ পাণ্ডুলিপি
পঁৰ নগজিন খায় যেদি নপঠিয়াও
তোমাক লগ পোৱাৰ সুখ

তোমাৰ ঘৰত উভতাই পাম
আপোন আপোন এটি পুৰা
নাঙলৰ কিপাৰৰ মূৰ্চনাত ভাঙিব টোপনি
কাইয়ে কৰিব সৃষ্টিৰ পাটিগণিত
বাংৰই শুটিয়াব জীৱনৰ পাঠ

তোমাৰ ঘৰলৈ গৈ বাৰে বাৰে
পাহৰিম ভৱতাৰ বাট
তোমাৰ ঘৰলৈ গৈ বাৰে বাৰে
বিচাৰিম চিনাকি মাত
বুটলিম হেঁপাহৰ বকুল

ঐয়া তোমাৰ ঘৰলৈ আকৌ যাম
বাৰে বাৰে তোমালৈ চাম
হেঁপাহ পলুৰাই গাম ভালপোৱাৰ গান।

অ ভি ঘি ৰ
ক ল ম



# ৰত্নাকৰে নোকোৱা কথাষাৰ

চিত্তৰঞ্জন দাস

তেওঁৰ স'তে এষাৰ কথা পতাৰ কথা আছিল
সময় নহ'ল অথবা সুবিধা
যদি কাইলৈ আপুনি শুধে আজি নুশুধিলে কিয়
কম ছাগে ইচ্ছা নহ'ল

অথচ আমাৰ ইচ্ছা আমাৰ ইচ্ছাধীন
আমাৰ সময় আমাৰ জীৱন
আমাৰ জীৱন আমাৰ সুবিধাৰ
এটা এটা চিৰি
তেনেহ'লে আন কিবা এটা, আন কিবা এটাৰ
অনুপস্থিতি

ৰামৰ মাজত নাছিল মিটোৰ উপস্থিতি
তোমে ৰাম থাকি গ'ল এটা দ্বীপত
আৰু এটা দ্বীপত সীতা
আমাৰে অৱগাহন কোনে কৰালে কাক
ৰামে সীতাক নে সীতাই ৰামক
ৰাম ৰাজ্যৰ ৰজা ধীৰাজক সীতাৰ কি প্ৰয়োজন
ৰখিলে ৰহক কাষত সোণৰ সীতা
যেনো ভগাই দিয়ে পৰম প্ৰিয়জনে
ক'ত থয় দ্ৰুপদীয়ে নিভৃত যন্ত্ৰণা
আপোন শিবিৰত কৰ্ণ ব্যস্ত মহত্বৰ সাধনাত
নে জন্মৰ ধিক্কাৰ আৰু আত্মহত্যাৰ আখৰাত

হেজাৰ বছৰ ধৰি ময়ো ব্যস্ত
ক্লান্ত নিৰ্মোহ আৰু গতানুগতিক স্বাভাৱিক
আৱৰণ আভৰণে ঢাকিব কিমান
মুখ ঢাকোতে বৰে বাৰে ওলাই আহে
বুকুৰ ৰঙা খিনি
সেই যে এষাৰ কথা কৈ নগ'ল কৃষ্ণ দ্বৈপায়নে
কঠিন হৃদয় ৰত্নাকৰৰ ৰূপান্তৰে
আপুনিয়ে কওঁক তাকে
আপুনি ক'ত থৈছে আপোনাক নিজকে
কিয় আছে তাত তেনেদৰে
অকলশৰে।

অ ভি ঘি ৰ
ক ল ম

# মোৰ তেজৰ পৰা

জিতেন ডেকা
গোৱালপাৰা

*এজাক বঁদৰ চৰাই মোৰ তেজৰ পৰা
পঠিয়াই দিছিলো তোমাৰ কাষলৈ
জোনাকৰ উমাল ৰূপালী নিজৰাত
সিহঁতক গা ধুৱাই
ভাবিছিলোঁ তুমি পঠাবা ওভোতাই
ভাবিছিলোঁ সিহঁতক শিকাবা কুটি কুটি খাবলৈ
অসহায় নিঃসঙ্গ ৰাতিৰ আন্ধাৰৰ শব্দমালা
উভটি আহি সিহঁতে মোক শুনাব
প্ৰাচীৰ ভঙাৰ দীপ্ত গান
এপদ দুপদকৈ সুৰ তাল লয়ৰ অলংকাৰ খুলি
মোৰ খৰাং বুকুত আনিব হিলদোল ভাঙি
জীয়াই থকাৰ হেঁপাহৰ বসন্ত বাহাৰ।
তুমি সিহঁতক ওভোতাই দিলা
এজাক হিম চেঁচা বতাহলৈ ৰূপান্তৰ কৰি
সেই চেঁচাত মই বৰফৰ শিল হৈ গলোঁ
চিৰদিনলৈ।*





অতিথিৰ কলম

অতিথিৰ কলম

অতনু ভট্টাচাৰ্য

তোমাৰ জেপত এটা হাতে-লিখা কবিতা আছিল। প্ৰেম-ভালপোৱা ধৰণৰ কবিতা। বোধকৰোঁ তুমি তোমাৰ প্ৰেয়সীৰ ওচৰলৈ গৈ আছিলা ইতস্ততঃ।

এতিয়া য'ত তুমি শুই আছা সেই ঠাইখিনি কবিতাৰ কাৰণে বৰ বেছি সুবিধাজনক নহয়। প্ৰেমৰ কবিতাৰ কাৰণেতো আৰু বেছি কাৰণে তুমি যেনিবা কোনোবাই ক্ৰিয়েট কৰি পেলোৱা এটা দৃশ্য।

তোমাৰ ডিঙি আৰু মূৰত চোকা অস্ত্ৰৰে আঘাত কৰাৰ চিহ্ন আছে। ক্ষতস্থানবোৰত তেজৰ কৰাল। মুখৰ অ'ত ত'ত নখৰ আঁচোৰ। বোধকৰোঁ তুমি এটা শেষ চেষ্টা কৰি চাইছিলা। তোমাৰ মুখখনলৈ চাই বুজিব পাৰি সেই চেষ্টাৰ বুৰঞ্জী। অৱশ্যে মোৰ দৃষ্টি নিবন্ধ হৈ আছে তোমাৰ সোঁহাতৰ অনামিকা আঙুলিত পিন্ধা আঙুঠিটোত। আঙুঠিটো সোণৰ নে কি ? স্কুলত পঢ়োঁতে, ক'ত জানো পাইছিলো, — সকলো উজ্জ্বল বস্তুৱেই সোণ নহয়। সি যি নহওঁক, আঙুঠিটোৰ গাত লিখা আছে এটা ইংৰাজী কেপিটেল লেটাৰ - A — তোমাৰ নাম অৰিন্দম নে কি ? নাই। অন্ততঃ তোমাৰ কবিতাটোৱে তাকেইতো কয়! অথচ তুমি ইতিমধ্যেই ভয়াবহভাৱে কাৰোবাৰ চিন্তাৰ কাৰণ হৈ উঠিছা, কাৰোবাৰ মূৰ-কামোৰণি হৈ উঠিছা অকস্মাৎ। কিমান আমোদজনক চোৱা, — যাৰ কাৰণে তোমাৰ এই দশা তেওঁ এতিয়াও হয়তো একো বুজিব পৰা নাই, অথচ যাৰ সৈতে তোমাৰ জীৱনত কোনো লেনদেন হোৱাৰ কথা নাছিল সিহঁতৰ সৈতে তোমাৰ একধৰণৰ বুজাবুজি হৈ গ'ল। সিহঁত কোন ?

সিহঁতে নিশ্চয় কোনো ধৰণৰ ক্লু এৰি থৈ যোৱা নাই। ইংৰাজী চিনেমাত দেখিছোঁ, তেওঁলোকৰ দেশত সামান্য চুলি এডালৰ পৰাও পুলিচে উলিয়াই লয় তেওঁলোকৰ প্ৰয়োজনীয় তথ্য। নিমিষতে উপস্থিত



## বৰষুণ আৰু সূৰ্যোদয়ৰ ঠিকনা

হয়হি ফিংগাৰপ্ৰিন্ট এক্সপাৰ্ট, বাঘৰ নিচিনা চেহেৰাৰ কুকুৰ। খুব ডাঙৰ মানুহবোৰ মৰিলে আমাৰ ইয়াতো তেনেকুৱা হুলস্থূল হয়। তুমি খুব ডাঙৰ মানুহ নে কি ? তুমি ডাঙৰ মানুহ নোহোৱা। তুমি বৰ বেছি এজন অৰিন্দম অথবা অবিনাশ কলিতা।

অৱশ্যে তোমাৰ বাহুত লাগি থকা তাবিজটোলৈ চাই মোৰ আন এটা সন্দেহ হৈছে। তেনেকুৱা তাবিজ মই মোৰ মুছলমান বন্ধু দুজনমানৰ বাহু আৰু কঁকালত দেখা পাই থাকোঁ। ইলিয়াছৰ ডিঙিত সাতশ ছিয়াশী নম্বৰ লিখা থকা লকেট এটা আছে। তোমাৰ বেখাপ্পা। অৱশ্যে এই কথাযাৰ তোমাৰ বাবে এতিয়া আৰু গুৰুত্বপূৰ্ণ নহয়।

অলপ পিছতেই তোমাক এনেদৰে শুই থকা দেখি কোনোবা এজনে উচপ খাই উঠিব। হঠাৎ চিঞৰি উঠিব অচিনাকী পথচাৰী এজনে। তোমাক কেন্দ্ৰ কৰি এটা অৰ্থহীন হৈ-হাল্লা। তোমাক কেন্দ্ৰ কৰি মানুহৰ এটা বৃত্ত। পুলিচ, ফটোগ্ৰাফাৰ, সাংবাদিক। আধাঘন্টামানৰ কাৰণে তুমি যেনিবা এটা টাইম পাছ! আধাঘন্টামানৰ নে তুমি অবিনাশ কলিতা ? তেনেকুৱা নামৰ মানুহবোৰ — মোৰ ধাৰণা, — ভীষণ প্ৰেমিক ধৰণৰ হয়। নাটকৰ ৰিহাৰ্ছেল কৰোঁতে প্ৰেম হয়, কোৰাচ গাবলৈ অহা যুৱতীক নিশা ঘৰলৈ আগবঢ়াবলৈ যাওঁতে প্ৰেম হয়, কলেজৰ ইউনিয়ন বডিৰ ছেক্ৰেটাৰী হোৱাৰ পিছতে প্ৰেম হয়। তেনেকৈ, — ধৰি লোৱা যাওক তেনেকৈ তোমাৰ প্ৰেম হৈ গৈছে। কিন্তু যাৰ লগত হৈছে তেওঁ বোধকৰোঁ এতিয়াও পৰিস্থিতিটো ভালকৈ বুজি উঠিব পৰা

ডিঙিত কোনো লকেট নাই। লকেট নথকা কথাটো নিশ্চয় দোষণীয় কথা নহয়। কিন্তু তোমাক এতিয়া আৰু অৰিন্দম যেন লগা নাই। তোমাক অবিনাশ কলিতা যেনো লগা নাই। তেনেহ'লে তুমি কি আছিফ অথবা আলতাফ হুছেইন ?

ধৰি লোৱা যাওক তোমাৰ নাম আছিফ। আছিফ ৰহমান। ওহোঁ, ভাল নালাগিল, আছিফ আহমেদ ? হয়, সেইটো নামেই ধৰি লোৱা যাওক, সদ্যহতে তোমাৰ।

তেনেহ'লে আছিফ, তোমাক মোৰ এষাৰ কথা ক'বলগীয়া আছে। তোমাৰ পেন্টৰ বাওঁজেপত আঙুলি সুমুৱাই মই এখন ৰুমাল আৰু এটা কবিতা পাইছোঁ। সোঁ জেপত পাইছোঁ সোতৰ টকা পঞ্চাছ পইচা। এই টকাখিনি স্কুলীয়া ল'ৰাই দেউতাকৰ জেপ লুৰুকি হাতৰ মুঠিত ৰাখি থোৱাৰ দৰে সুমুৱাই থৈছা তুমি। তোমাৰ মানিবেগ কিয় নাই ? মানিবেগ থকা হ'লে হয়তো পোৱা গ'লহেঁতেন অন্য কোনো আমোদজনক তথ্য, হয়তো এখন ফটোগ্ৰাফ অথবা তোমাৰ ড্ৰাইভিং লাইচেঞ্চ, — য'ত লিখা থাকিলহেঁতেন তোমাৰ নাম, ব্লাড গ্ৰুপ, জন্মৰ তাৰিখ।

অথচ তোমাৰ জেপত তেনে কোনো তথ্য নাই। তথ্য নথকাটোও কোনো ডাঙৰ কথা নহয়। কিন্তু ডাঙৰ কথা হ'ল, তুমি সোতৰ টকা পঞ্চাছ পইচা লৈ ঘুৰি ফুৰিছিলা। কি সাহসত তুমি মানিবেগ নোহোৱাকৈ মাথোন সোতৰ টকা পঞ্চাছ পইচা জেপত লৈ এনেকুৱা এখন মহানগৰীৰ ৰাস্তাৰে খোজকাঢ়িব পাৰা ?

অৱশ্যে তুমি যে এই মহানগৰীৰ ৰাস্তাৰেই খোজ কাঢ়ি ফুৰিছিলা সেই কথা নিশ্চিতভাৱে ক'ব পৰা নাযায়। কিয়নো এইখিনিতে — তোমাৰ কাষৰে-পাঁজৰে কোনো জবৰদস্তি কৰাৰ চিন নাই। কাষৰ ঘাঁহনিডৰাত তোমাৰ প্ৰতিৰোধৰ কোনো চিন নাই। তাৰমানে তুমি এই মহানগৰৰ উপকণ্ঠৰ অথবা অদূৰৰ কোনো মফঃস্বলীয় নগৰৰ যুৱকো হ'ব পাৰা। তথাপি জেপত সোতৰ টকা পঞ্চাছ পইচা কঢ়িয়াই ফুৰাটো মুঠেও সমৰ্থনযোগ্য নহয়। হিচাপ মতে তুমি তোমাৰ প্ৰেয়সীৰ ওচৰলৈ যোৱাৰ কথা আছিল। যদি তেওঁ তোমাৰ সৈতে আবেলিটো পাৰ্কত বহি কটোৱাৰ প্ৰস্তাৱ ৰাখিলেহেঁতেন ? পাৰ্কত যদি তেওঁৰ মন ৰাখিবলৈ ভুলতে তুমি আইছক্ৰীম খুউৱাৰ ইচ্ছা প্ৰকাশ কৰিলাহেঁতেন ? তুমি কি ইমান বেহিচাপী ? ইমান বুৰ্বক ?

কথাষাৰ বাৰু এনেকুৱা হ'ব পাৰে নে কি যে তোমাৰ জেপৰ পৰা কেইখনমান এশটকীয়া নোট অন্তৰ্ধান হৈ গ'ল ? সিহঁতৰ দলটোৰ কোনোবা এজনে নোট কেইখন গন্তি কৰি কৰি হয়তো লগুৱা এজনক কৈ পেলালে, — খুচুৰাখিনি তাৰ পকেটতে ৰাখি দে বে। আন এজনে হয়তো তোমাৰ কবিতাটো পঢ়ি অট্টহাস্য কৰি উঠিল হঠাৎ। তোমাৰ তেতিয়া মৰি যোৱা যেন লাগিলহেঁতেন। কিন্তু তোমাৰ মৰি যোৱা যেন নালাগিল। কিয়নো মৰি যোৱা যেন লাগিব নোৱাৰাকৈ তুমি সঁচা-সঁচিকৈ মৰি থাকিলা। ইয়াৰ এটা অৰ্থ এনেকৈও কৰিব পাৰি যে তুমি মৰি গৈ বাচি গ'লা সৌভাগ্যবশতঃ।

মই কেতিয়াও কবিতা লিখা নাছিলো আছিফ। তথাপি মই তোমালোকক অলপ বুজি পাওঁ। অলপ-অচৰপ বুজি পাওঁ তোমালোকৰ প্ৰেম। মই তোমালোকৰ দৰে প্ৰেমিক হ'ব নোৱাৰোঁ। মই তোমালোকৰ দৰে কবিও হ'ব নোৱাৰোঁ। কোনে জানো কৈছিল, কবিতা লিখিবলৈ এটা ভাল মন লাগে। মোৰ মনটো বোধহয় লেতেৰা হৈ গৈছে। মোৰ আত্মাটো বোধহয় মৰি গৈছে কাহানিবাই। নহ'লে শ এটাৰ জেপত এনেকৈ মই হাত সুমুৱাব নোৱাৰিলোহেঁতেন। মৃত আঙুলি এটাৰ আঙুঠিত চকু দিব নোৱাৰিলোহেঁতেন কেতিয়াও। মই তোমালোকৰ নিচিনা নহওঁ।

তুমি নিৰন্তৰ কিবা এটা বিশ্বাসত জীয়াই থাকা। অথচ মই দুৰ্ঘোৰ সন্দেহ পৰায়ণ। এই যে তোমাৰ প্ৰেম সম্পৰ্কে মই এটা সম্ভাব্য কাহিনীৰ কথা ভাবি উলিয়ালো তাতো মোৰ সন্দেহ আছে। মোৰ এনেকৈয়ো ভাবিবলৈ মন গ'ল যে যাৰ কাৰণে তুমি এটা কবিতা লিখিছিলা তেৱোঁ তোমাৰ মৃত্যুৰ কথা ভাবি অকণো বিচলিত নহ'ব। কলেজৰ কেন্টিনত বহি কাইলৈ হয়তো তোমাৰ প্ৰেয়সীয়ে হাঁহি-হাঁহি বাগৰি পৰাৰ উপক্ৰম হৈ কোনো এক বান্ধৱীক ক'ব, — আছিফে এদিন মোক লৈ কি সপোন দেখিছিল জান ?

তোমাৰ নিজৰ কাণ দুখনকে বিশ্বাস নহ'ব। কিন্তু মই মানুহ চিনি পাই গৈছোঁ। মই সোণ চিনি নাপাব পাৰোঁ, কিন্তু সোণৰ আঙুঠি পিন্ধা মানুহ চিনি পাওঁ। মই দৃঢ়তাৰে ক'ব পাৰোঁ আছিফ, — তোমাৰ আঙুঠিটো খাটি সোণৰ নহয়।



সোণৰ হ'লেও মই ছাগে এতিয়া আৰু সেই টোলৈ হাত নেমেলিলোহেঁতেন। কিয়নো তোমাৰ কবিতাটো পঢ়ি তোমাৰ প্ৰতি মোৰ অলপ মায়া উপজিছে। মই কিছু পৰিমাণে ভাবুক হৈ পৰিছোঁ হঠাৎ। কিয় জানো, মোৰ ভাব হৈছে যে ময়ো তোমাৰ দৰে এজন প্ৰেমিক হ'ব পাৰিলোহেঁতেন। যদি প্ৰেমিক হ'লোহেঁতেন তেন্তে এদিন নিশ্চয় মিনাৰ্ভা চিনেমাহলত কোনো এক নাৰীৰ কাষত বহি পপকৰ্ণ চোবাই চোবাই নিজকে পাহৰি গ'লোহেঁতেন। এদিন নিশ্চয় কোনো এটা ৰেল ষ্টেছনত দেখা গ'লহেঁতেন মোক বিদায় দিবলৈ অহা সেই নাৰীৰ চলচলীয়া এযুৰি চকু, শুনা গ'লহেঁতেন এষাৰি থোকাথুকি মাত, — গৈ পোৱাৰ পিছতে ফোন কৰিবা, প্ৰমিজ ?

এতিয়া যিবিলাক মানুহে মোক বাছ-ষ্টপ অথবা ৰেল ষ্টেছনত লগ পাবলৈ আহে তেওঁলোকক মই চিনি নাপাওঁ। এতিয়া যিবিলাক মানুহে মোক টেলিফোনত নিৰ্দেশ দিয়ে তেওঁলোকক মই চিনি নাপাওঁ। তেওঁলোকৰ নাম জনাটো মোৰ বাবে সম্ভৱ নহয়। হয়তো খুব সাৱধানে মোক কিছুমান টেলিফোন নম্বৰ দিয়া হৈছে। খুব কৌশলেৰে মোক কিছুমান ঠিকনা দিয়া হৈছে। ময়ো তেওঁলোকৰ কাৰণে হৈ পৰিছোঁ এটা নম্বৰহে মাথোন, — মাথোন এটা মবাইল নম্বৰ, — নাইন নাইন ফাইভ ফ'ৰ থ্ৰী টু ছিক্স —

কিন্তু তোমাৰ এটা নাম আছে। আছিফ অথবা অৰিন্দম। অবিনাশ কলিতা অথবা এলবাৰ্ট মাৰাক।

মোৰ নাম নাই। অথবা মোৰ বহুত নাম। বিশ্বাস কৰা, দুবছৰ আগৰ চেপ্তেম্বৰত মোৰ কি নাম আছিল মই পাহৰি গৈছোঁ। প্ৰয়োজন অনুসৰি মই সলাই ফুৰিছোঁ মোৰ নাম, মোৰ ঠিকনা। অথচ তোমাৰ হয়তো এটাই ঠিকনা আছিল।

অৱশ্যে এতিয়া তুমি এটা অন্য ঠিকনাৰ ফালে আহি গ'লা। ময়ো এটা অন্য ঠিকনাৰ ফালে গৈ আছোঁ, — অনিৰ্দিষ্ট, অনিশ্চিত। বৰ ক্লান্ত হৈ পৰিছোঁ মই। মই বহুত বোজা কঢ়িয়াবলগীয়া হৈছিল। মই যিবিলাক মানুহৰ হৈ কাম কৰিছিলো তেওঁলোকে মোৰ হাতত তুলি দিছিল কিছুমান ভয়ংকৰ নথি-পত্ৰ, কিছুমান গোপন সংকেত। এদিন মোৰ জেপত সোতৰ লাখ পঞ্চাছ হাজাৰ টকা আছিল। সেই পৰিমাণ তুমি কল্পনা কৰিব পাৰা ? তুমি সোতৰ টকা পঞ্চাছ পইচাৰ মানুহ। তুমি কি বুজিবা !

কিন্তু আছিফ, কেৱল টকাই নহয়, — কেইবাদিনো মোৰ জেপত আছিল মানুহৰ মৃত্যু পৰোৱানা জাৰি কৰা মাৰাত্মক গ্ৰেনেড। সেইবোৰ নিক্ষেপ কৰাৰ দায়িত্বও নিষ্ঠাৰে পালন কৰিছিলো মই। শাক-পাছলিৰ বজাৰত, ফ্লাই-অভাৰৰ তলত, গ্ৰীণ ভিউ ৰেস্তোৰাঁৰ ওচৰত বিস্ফোৰিত হোৱা ডিভাইছবোৰ মই কঢ়িয়াইছিলো। কেইবাদিনো মই কঢ়িয়াইছিলো ইলেক্ট্ৰনিক ডিটনেটৰ, ফিউজ তাঁৰৰ বাণ্ডিল, এমনিয়াম নাইট্ৰেট আৰু জিলেটিন ষ্টিক। সেইবোৰ কঢ়িয়াই মই কেতিয়াও ধৰা পৰি যোৱা নাই। সৰ্বত্ৰ ইমান তালাচী, নিশ্চিদ্ৰ নিৰাপত্তা ব্যৱস্থা, কিন্তু মোক কোনেও আমনি কৰা নাই। কোনেও হত্যাৰ চেষ্টা কৰা নাই মোক। অথচ কি আমোদজনক চোৱা, — তোমাৰ জেপত এটা কবিতা আছিল, — আৰু তুমি ফিনিশ্ড।

হয়, তুমি ক'ব পাৰা যে তোমাৰ মৃত্যু আৰু মোৰ জীৱন, — দুটা যোগসূত্ৰবিহীন পৃথক ঘটনা। তুমি ক'ব পাৰা যে তুমি অহা-যোৱা কৰা ৰাস্তাটোৰ সৈতে মোৰ বিচৰণভূমিৰ কোনো সম্পৰ্ক নাই। কিন্তু তুমি আমাৰ পৰিণতিবোৰলৈ চোৱা। তুমি ক'বা নে কি যে ইয়াত কোনো আইৰণি নাই ?

অৱশ্যে পৰিণতিৰ কথাই যদি বিবেচনা কৰা হয়, তেন্তে ক'ব পাৰি যে ময়ো এতিয়া আৰু কোনো সুবিধাজনক অৱস্থানত নাই। কৌশলগত দিশৰ পৰা মোৰ দৰে ভাৰাতীয়া কৰ্মচাৰীক দীৰ্ঘদিনলৈ কামত বাহাল ৰখাটো তেওঁলোকৰ বাবে নিশ্চয় সুবিধাজনক নহয়। মই যিকোনো মুহূৰ্ততে তেওঁলোকৰ জীৱন বিপদাপন্ন কৰি তুলিব পাৰোঁ। যিকোনো মুহূৰ্ততে মই কিছু সূত্ৰ, কিছু গোপন তথ্য ফাদিল কৰিব পাৰোঁ। তেনেহ'লে শেষ পৰ্যন্ত এদিন তেওঁলোকেই মোক কোনো এটা এনকাউন্টাৰৰ বলি হোৱাকৈ পুলিচৰ সমুখলৈ ঠেলি দিব নে কি ?

এতিয়া মোৰ হাতত কোনো কাম নাই। বিশ্বাস কৰা, মোৰ জেপত এতিয়া সোতৰ টকা পঞ্চাছ পইচাও নাই। যিবিলাক মানুহৰ হাতলৈ হঠাৎ এদিনৰ বাবে সোতৰ লাখ পঞ্চাছ হাজাৰ টকা আহি যায় সেইবিলাক মানুহৰ জেপত এদিন সোতৰ টকা পঞ্চাছ পইচাও নাথাকে। এই মহানগৰীতেই এটা কষ্টকৰ কাম কৰি

মই কেইটামান টকা উপাৰ্জন কৰিব পাৰিলোহেঁতেন। অথচ সদায় দুই নম্বৰী ৰাস্তটোৰে খোজকাঢ়োঁতে কাঢ়োঁতে এক নম্বৰী ৰাস্তা এটাৰ কথা মোৰ মনলৈ নাহিল।

দুপৰীয়াৰ পৰা মোৰ পেটিত একো পৰা নাই। আবেলি পাৰ্ক এখনৰ ওচৰত মই জুপুকা মাৰি বহি আছিলো বহুত সময়। মোৰ নিচেই কাষেৰে পাৰ হৈ গৈছিল প্ৰেমিক যুৱক-যুৱতী, সুখী দম্পতি এহাল আৰু পিঠিত কিতাপৰ বেগ লৈ স্কুলৰ পৰা ওভতা ছাত্ৰৰ দল। বিশ্বাস কৰা আছিফ, প্ৰেমিক-প্ৰেমিকা দেখি মোৰ মনত অকণো ঈৰ্ষা ওপজা নাই। কিন্তু ইউনিফৰ্ম পিন্ধা স্কুলীয়া ছাত্ৰবোৰ দেখি মোৰ মনত পৰিল যে এদিন মোৰ নগৰৰ আটাইতকৈ ভাল স্কুলখনত মোৰ ৰোল নম্বৰ আছিল দুই।

নিজৰ ওচৰতেই মোৰ বৰ অভিমান হ'ল। নিৰলে ক'ৰবাত বহি মোৰ অলপ কান্দিবলৈ মন গ'ল। অলপ হিংস্ৰ হৈ নিজৰ ওপৰতে প্ৰতিশোধ ল'বলৈ মন গ'ল এবাৰ। অথচ কাৰ্যক্ষেত্ৰত মই তেনেকুৱা একোৱেই নকৰিলো।

বহু সময়লৈ মই এখন জীৰ্ণ বস্তা মেৰিয়াই শুই থাকিলো ফুটপাথৰ ওপৰত। ভোক, মহৰ কামোৰ আৰু ঠাণ্ডাৰ কোবত মোৰ টোপনি নাহিল। উঠি আহিলো মই। আৰু আহি আহি এই শেষনিশা হঠাৎ লগ পাই গ'লো তোমাক। তোমাৰ মূৰ আৰু ডিঙিত চোকা অস্ত্ৰৰ দাগ দেখি মই হয়তো চিঞৰি উঠিব লাগিছিল। তেজৰ কৰাল দেখি মই হয়তো আতংকিত হৈ পৰিব লাগিছিল। অথচ মোৰ তেনেকুৱা একোৱেইনহ'ল। তুমি মোৰ বাবে একো নতুন দৃশ্যৰ অৱতাৰণা কৰা নাই। তোমাৰ গোট মৰা তেজৰ চেকুৰাবোৰে মোৰ মনত কোনো শিহৰণ সৃষ্টি কৰিব পৰা নাই। মই তোমাৰ জেপত আঙুলি সুমুৱাব পৰা হৈ গৈছোঁ।

কিন্তু তোমাৰ জেপত তুমি ৰাখি থৈছা এটা হাতে লিখা কবিতা। হয়তো বহুত বানান ভুল কৰিছা তুমি। হয়তো লিখিব নাজানি কথাবোৰ তুমি ওলট-পালট কৰি পেলাইছা। কিন্তু তাৰ মাজতেই বুজা বুজা যেন লগা দুশাৰী হঠাৎ মোৰ খুব ভাল লাগি গ'ল। তুমি লিখিছা, —

তোমাৰ এটা চকুত মই সূৰ্যাস্ত দেখিছোঁ

এটা চকুত দেখিছোঁ সূৰ্যোদয়

মোৰ সন্দেহী মনটোৱে এবাৰ ভাবিলো যে তোমাৰ এই সূৰ্যাস্ত আৰু সূৰ্যোদয়, — এই দুটা কোনো পাছ-ৱৰ্ড অথবা আন কোনো সাংকেতিক শব্দও হ'ব পাৰে। তোমাৰ এই কবিতাটো কোনো এটা ভয়ংকৰ পৰিকল্পনাৰ খচৰাও হৈ যাব পাৰে।

কিন্তু কিয় জানো, তেনেকৈ ভাবি থাকিবলৈ মোৰ আৰু মন যোৱা নাই। মই বিশ্বাস আৰু ভালপোৱাৰ ৰাস্তাত এবাৰ খোজ কাঢ়ি চাব খোজোঁ।

এতিয়া যি ৰাস্তাৰে মই বিচৰণ কৰোঁ সেই ৰাস্তাৰে গ'লে মাথোঁন সূৰ্যাস্ত দেখা যায়। অথচ বহুদিন মই এটা সুন্দৰ প্ৰতিশ্ৰুতিসম্পন্ন সূৰ্যোদয় দেখা নাই। চকু মুদিলেই মই ধুমুহাই বিধ্বস্ত কৰা অৰণ্য দেখা পাওঁ। অথচ সপোনতো বহুদিন মই আহাৰৰ প্ৰথমজাক বৰষুণ দেখা নাই। বৰষুণত তিতিবলৈ আৰম্ভ কৰা শুকান তৰু-তৃণ আৰু মাটিৰ অভিমান দেখা নাই।

আছিফ, মোক সূৰ্যোদয়ৰ ঠিকনা লাগে। মোক আহাৰৰ প্ৰথমজাক বৰষুণৰ ঠিকনা লাগে। তোমালোকৰ জেপত সূৰ্যোদয়ৰ ঠিকনা আছে। মই যিবিলাক মানুহৰ বাবে কাম কৰি আছিলো তেওঁলোকৰ জেপত সেইটো বস্তু নাই।

হ'ব পাৰে, — ভীষণ কৌশলী তেওঁলোক। হ'ব পাৰে, -- কিছু শক্তিশালী তেওঁলোক। কিন্তু প্ৰাণৰ সংশয় নথকাকৈ তেওঁলোক বৰ বেছি সাহসী নহয়। সেই কাৰণেই মোৰ ধাৰণা হয় যে তেওঁলোক এদিন হাৰি যাব।

তুমি কি ভাবা ?

তুমি ভাবা নে কি যে তুমি হাৰি গৈছা ? উশাহ বন্ধ হৈ আছে কাৰণে তুমি ভাবা নে কি যে মৰি গৈছা তুমি ? ইমান সোনকালে তুমি হাৰি নাযাবা আছিফ। অকণমান ধৈৰ্য ধৰা। আৰু অলপমান সময় ধৰি ৰাখা তোমাৰ উশাহটো।

ৰাতি শেষ হৈ আহিছে। অলপ পিছতে হয়তো দূৰৈত ক'ৰবাত তোমাৰ প্ৰেয়সীৰ চকুহাল লাহে লাহে মেল খাই যাব। তুমি তেওঁক সূৰ্যাস্তৰ চকুটো জপাই থ'বলৈ ক'বা। তুমি ক'বা যে এতিয়া আৰু সূৰ্যাস্ত নহয়, সূৰ্যোদয়ৰহে ভীষণ প্ৰয়োজন ! এটা মিছিকিয়া হাঁহিৰে, — কি ঠিক, — তেওঁ তোমাৰ কথা মানি ল'বওতো পাৰে! তোমাৰ জেপততো কোনো অভিসন্ধি নাছিল!

মনত পেলোৱা, তোমাৰ জেপত এটা কবিতা আছিল, — এটা প্ৰেমৰ কবিতা।

আছিফ, — আছিফ — এই আছিফ, হাৰি নাযাবা আছিফ, — উঠা, মূৰ তুলি এবাৰ থিয় হোৱা উঠা, — উঠা, — উঠানা —



## ভিন্নসুৰী ৰচনা



আমাতকৈ অগ্ৰজ অতনু ভট্টাচাৰ্যই ইতিমধ্যে মোক আকৰ্ষণ কৰিছিল। কোনো ধৰণৰ ব্যক্তিগত সান্নিধ্য নোহোৱাকৈয়ে হঠাতে তেওঁক বাৰাণ্ডাৰ চৌহদত কেতিয়াবা আৱিষ্কাৰ কৰি আপ্লুত হৈছিলো। সেইবাৰ পাখী লগা সময় আছিল (৮৭-৮৯)। এতিয়া ভাবিলে ভাল লাগে 'সহযোদ্ধা'ৰে আৰম্ভ কৰা কবি অতনু ভট্টাচাৰ্য এতিয়া এগৰাকী প্ৰতিষ্ঠিত গল্পকাৰো। তেওঁৰ সুনাম ইতিমধ্যে চৌপাশে বৈ বৈ গৈছে। এই মহাবিদ্যালয়ৰ আলোচনীতে প্ৰকাশ পাইছিল পাঞ্চালী সিনহাৰ গল্প। যাৰ গল্প পঢ়ি মইও লেখক হ'ম বুলি মনে মনে সংকল্প লৈছিলো। এতিয়া সেই পাঞ্চালী সিন্হা ক'ত ? তেওঁ ক'ত হেৰাই গ'ল ? তেওঁ হেৰাই যাবলগীয়া লেখক নহ'ব বুলি মই বিশ্বাস কৰিছিলো। কিন্তু বৰ্তমান তেওঁৰ গল্প ক'তো পঢ়িবলৈ পোৱা নাই। মোৰ ক'বৰ মন গৈছে - পাঞ্চালী সিন্হা, প্লিজ! আপুনি য'তেই আছে লিখা পুনৰ আৰম্ভ কৰক।"

মোৰ সহপাঠী বহুতৰে নামবোৰ পাহঁৰিলো। মুখবোৰ কিন্তু মনত আছে। ৰাহুল দাসে (কলিতাপাৰা) ইতিমধ্যে এগৰাকী সু-চিকিৎসক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে। অমায়িক আৰু বহল হৃদয়ৰ গৰাকী ৰাহুলৰ কথা মোৰ মনত পৰে। আজি কেই বছৰমানৰ আগতে যোৰহাটলৈ আহোতে সি মোক লগ ধৰিছিল। আন এগৰাকী সহপাঠী বন্ধু নয়নজ্যোতিয়ে ইতিমধ্যে সংগীত শিল্পী (গীতাৰবাদক) হিচাপে জনপ্ৰিয় হৈছে। সংগীতৰ কথা আহোতে মনত পৰিছে গোৱালপাৰা কলেজৰ খেলপথাৰতে এদিন নিশা উপভোগ কৰিছিলো ৰছুটি আহমেদৰ মনপৰশা - "ৰিনিকী ৰিনিকী জ্বলি আছে .." শীৰ্ষক গীতটোকে ধৰি বহুতো সুন্দৰ গীত। লগতে উপভোগ কৰিছিলো আদিল হুচেইন সহ ভাইয়া মামাৰ অনুষ্ঠান। আমাৰ ক্লাছৰ এজনী বিশেষ ছোৱালীয়ে মোৰ দৃষ্টি আকৰ্ষণ কৰিছিল। মেধা সম্পন্ন ছোৱালীজনী বঙালী সম্প্ৰদায়ৰ আছিল। সদায় শাৰী পিন্ধি অহা ছোৱালীজনী অতি নিৰ্জু আৰু মৰম লগা আছিল। মুখখনত অনবৰতে এক বিষন্নতাৰ ছায়াই আগুৰি থাকে। তেনে বিষন্নতাবোধে তাইক আৰু আকৰ্ষণীয় কৰি তুলিছিল। বহু বছৰৰ মূৰত শুনিছিলো সেই ছোৱালীজনীয়ে হেনো গুৱাহাটী চিৰিয়াখানাত বাঘৰ সন্মুখত জপিয়াই আত্মহত্যা কৰিলে .....।" মই বিশ্বাস কৰিবলৈ টান পাইছিলো। সেই নিষ্পাপ মেধা ছোৱালীজনীৰ কি হৈছিল ? কোনো দিনে তাইৰ লগত মই এটা বাক্যও বিনিময় কৰি পোৱা নাছিলো। অথচ তাইৰ মৰম লগা মুখখন মোৰ মনৰ পৰ্দাত আজিও সজীৱ হৈ আছে। নিষ্পাপ মৰমলগা সেই মুখখনলৈ মনত পৰিলে আজিও কিবা এটা বোবা বেদনাত মনটো গধূৰ হৈ পৰে .....।



*তেওঁ ক'ত হেৰাই গ'ল ? তেওঁ হেৰাই যাবলগীয়া লেখক নহ'ব বুলি মই বিশ্বাস কৰিছিলো। কিন্তু বৰ্তমান তেওঁৰ গল্প ক'তো পঢ়িবলৈ পোৱা নাই। মোৰ ক'বৰ মন গৈছে - পাঞ্চালী সিন্হা, প্লিজ ! আপুনি য'তেই আছে লিখা পুনৰ আৰম্ভ কৰক।"*

লেখক গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।



# সমালোচনা

*সমালোচনাৰ প্ৰতি কম বেছি পৰিমানে প্ৰতিজন ব্যক্তিয়েই স্পৰ্শকাতৰ, সমালোচনা বুলিলে সজাগ হৈ উঠে। তথাপি এনে বহু ব্যক্তি আছে যি সমালোচনাৰ উৰ্দ্ধত অৰ্থাৎ যাক সমালোচনাই স্পৰ্শ কৰিব নোৱাৰে। সমালোচনাৰ বলি হৈ জীৱনত বিচলিত হ'বলগীয়া হোৱা ব্যক্তিৰ দৃষ্টান্তও নোহোৱা নহয়। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ দৰে বিখ্যাত ব্যক্তিও সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু তেওঁ কেতিয়াও সমালোচকৰ এনে সমালোচনাত পৰি বিচলিত হোৱা নাছিল।*

সমালোচনাৰ অভিধানিক অৰ্থ হ'ল - ভালকৈ কৰা আলচ বা আলোচনা অথবা দোষ গুণৰ বিচাৰ। সাধাৰণ অৰ্থত সমালোচনা বুলিলে আমি আনৰ ভাল বেয়া সম্পৰ্কে হকে-বিহকে কোনো পৰিস্থিতিৰ উমান নোলোৱাকৈ কৰা আলোচনাকেই বুজো। পৃথিৱীত সৰু বৰ সকলো ব্যক্তি জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে দুখীয়াৰপৰা সম্ভ্ৰান্ত ব্যক্তিলৈকে, সাধাৰণৰপৰা অসাধাৰণলৈকে কোনেও সমালোচনাৰ বলি হোৱাৰপৰা সাৰি যাব পৰা নাই। পৃথিৱীত এজন ব্যক্তিয়ে যি কামেই নকৰক - সমালোচনাৰ সন্মুখীন হ'বই লাগে। এজন মনিষীয়ে কৈছিল -- 'তুমি বৰফৰ দৰে নিস্কলুষ হ'লেও সমালোচনাৰ সন্মুখীন নোহোৱাকৈ তুমি সাৰি যাব নোৱাৰা।' পৃথিৱীখন বিভিন্ন সমাজেৰে পূৰ্ণ। সমাজ এখন আকৌ বিভিন্ন মানসিকতাৰ মানুহেৰে পৰিপূৰ্ণ। ইয়াৰে এচাম মানুহে আনৰ কিছুমান দুৰ্বল দিশ উলিয়াই হ'কে বিহ'কে সমালোচনা কৰাটোতেই তেওঁলোকৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন হোৱা বুলি ধৰি লয়।

আৰজুফা খানম

সমালোচনাৰ প্ৰতি কম বেছি পৰিমানে প্ৰতিজন ব্যক্তিয়েই স্পৰ্শকাতৰ, সমালোচনা বুলিলে সজাগ হৈ উঠে। তথাপি এনে বহু ব্যক্তি আছে যি সমালোচনাৰ উৰ্দ্ধত অৰ্থাৎ যাক সমালোচনাই স্পৰ্শ কৰিব নোৱাৰে। সমালোচনাৰ বলি হৈ জীৱনত বিচলিত হ'বলগীয়া হোৱা ব্যক্তিৰ দৃষ্টান্তও নোহোৱা নহয়। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ দৰে বিখ্যাত ব্যক্তিও সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু তেওঁ কেতিয়াও সমালোচকৰ এনে সমালোচনাত পৰি বিচলিত হোৱা নাছিল।

সমালোচনাৰ ইতিবাচক দিশ নথকাও নহয়। সমালোচনা সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকে বিচাৰে; সমালোচনা হওঁক, কিন্তু তিক্ত সমালোচনা কোনেও নিবিচাৰে। ইয়াক গঠনমূলক তথা সৃষ্টিশীল কামত নিয়োগ কৰিব লাগে। সমালোচনা সম্পৰ্কত বেঞ্জামিন ফ্ৰেঙ্কলিনে কৈছিল - "মই কাকো নিন্দা নকৰোঁ, কাৰোবাৰ মাজত যিখিনি ভাল তাক মই সন্মান কৰোঁ, সেইখিনি গ্ৰহণ কৰিবলৈ প্ৰয়াস কৰোঁ।"

সমালোচনা, নিন্দা, অভিযোগ কৰাটো সহজ, কিন্তু আনক বুজিবলৈ, এটা ক্ষমাশীল মনৰ অধিকাৰী হ'বলৈ প্ৰয়োজন চাৰিত্ৰিক দৃঢ়তা আৰু আত্মসংযমৰ।

লেখিকা স্নাতক তৃতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰী।

# ৰেগিঙক আদৰো আহা ....

গৌতম ৰয়

আমাৰ ভাৰতবৰ্ষত ছাত্ৰ-সমাজে দেশৰ ৰাজনীতি, সামাজিক বাতাবৰণ আদি প্ৰতিটো দিশকে প্ৰতিনিধিত্ব কৰে। গতিকে যথেষ্ট গুৰুত্ব আছে ছাত্ৰ সমাজৰ। সেই ছাত্ৰ সমাজত ৰেগিঙৰ নামত নানান অসামাজিক কাম-কাজ চলাটো পৰিতাপৰ বিষয়। বিদ্যায়তনিক দিশৰপৰা চাবলৈ গ'লে কলেজীয়া জীৱনটো যথেষ্ট গুৰুত্বপূৰ্ণ। এইখিনি সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰিলে ভৱিষ্যতে সুখী হয়। তেনেস্থলত ৰেগিঙৰ নামত এচাম উঠি অহা ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া মানসিক আঘাত পাবলগীয়া হয় সি সমাজ জীৱনৰ বাবে চৰম দুৰ্ভাগ্যজনক কথা। গতিকে এই দিশত প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে চিন্তা চৰ্চা কৰা উচিত।

লক্ষনীয় যে কলেজলৈ অহা প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই ৰেগিঙৰ সন্মুখীন নহয়। কেইজনমানেহে ৰেগিঙৰ তিতা-কেঁহা সহিবলগীয়া নতুনকৈ কলেজত ভৰ্তি হোৱা প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মনত এটা ভয় বা এটা শংকা সদায় দেখা যায়। নতুন এটা পৰিৱেশত কিদৰে চলিব বা নতুন কলেজখনৰ বৌদ্ধিক দিশটো বা কেনেকুৱা আদি এশ এবুৰি চিন্তাই ছাত্ৰ-ছাত্ৰীসকলক শংকিত কৰি তোলে। তাৰ লগত সমান্তৰালভাৱে আহে 'ৰেগিং' নামৰ আতংকটোৰ চিন্তা। মনত এক অজান ভয়, এক উৎকণ্ঠা সদায় থাকে, নৱাগত প্ৰতিজনেই একপ্ৰকাৰৰ ৰেগিং সমস্যাত ভোগে।

প্ৰকৃততে ৰেগিঙৰ অৰ্থ হৈছে চিনাকি হোৱা বা চিনাকিৰ ছলেৰে চুপতি মৰা। প্ৰতিজন ছিনিয়ৰে নৱাগত সকলৰ লগত চা-চিনাকি হ'ব বিচাৰে। এজনী ধুনীয়া ছোৱালী দেখিলে তাইক মাতিব বিচাৰে। গতিকে চিনাকি হোৱাৰ ছলেৰে তাইৰ লগত কথা পাতে। তেনেদৰে এজন ল'ৰাক ৰেগিং কৰাৰ যোগেদি তেওঁৰ লগত চিনাকি হয়। ইয়াৰ ফলত নতুনচাম ছাত্ৰ-ছাত্ৰীৰ মনত থকা লাজ, সংকোচ ভয় আঁতৰি যায় আৰু সকলো পৰিৱেশৰ লগত মিলিব পৰা হয়। ইয়ালৈকে সকলোখিনি ঠিকে থাকে।

কোনো কোনো ক্ষেত্ৰত ৰেগিঙৰ নামত নানান অপ্ৰীতিকৰ ঘটনাও ঘটে। বহু ছাত্ৰ-ছাত্ৰীয়ে কলেজ হোষ্টেল বাদ দি ঘৰলৈ উভতি যাবলগীয়া হয়। কোনোৱে অনিচ্ছা স্বত্তেও বহুতো নকৰা কাম কৰিবলগীয়া হয়। ৰেগিং নৱাগত সকলক অপদস্থ কৰাৰ বা ৰাজহুৱাভাৱে তিৰস্কাৰ কৰাৰ এক আহিলা হিচাপে ব্যৱহৃত হ'বলৈ লৈছে। নানা অসংযত কথা সুধি এজন সাধু ছাত্ৰ-ছাত্ৰীক বিমোৰত পেলোৱাটো এটা চখত পৰিণত হৈছে। ইয়াৰ ফলত ছাত্ৰ সমাজৰ এক ভয়ংকৰ ক্ষতি হৈছে। হয়। সাধাৰণতে যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে বেছিকৈ কথা কৈ ফুৰে, অত্যাধিক প্ৰসাধন ব্যৱহাৰ কৰে, প্ৰধানকৈ সেইবিলাক ছাত্ৰ-ছাত্ৰীহে সাধাৰণতে ৰেগিঙৰ সন্মুখীন হোৱা দেখা যায়।

গতিকে নৱাগতসকলে সদায় মাৰ্জিত আৰু গহীন-গম্ভীৰ হোৱা উচিত। এটা কথা সদায় মনত ৰখা ভাল যে এজন নম্ৰ স্মাৰ্ট ছাত্ৰ-ছাত্ৰীৰ প্ৰতি জ্যেষ্ঠসকলৰ এটা ভাল ইম্প্ৰেচন গঢ়ি উঠে আৰু পিচত জ্যেষ্ঠসকলে তেওঁলোকক বহুতো সহায়ো কৰে। সঁচা অৰ্থত ক'বলৈ গ'লে নিজৰ স্মাৰ্টনেছ আৰু ব্যক্তিত্বই হৈছে ৰেগিঙৰ সন্মুখীন হোৱাৰ মূলধন।

গতিকে ৰেগিং প্ৰকৃততে ঘৃণা কৰিবলগীয়া বা অভিধানবৰ্জিত শব্দ নহয়। কিন্তু কিছুমান উচ্ছৃংখল ছাত্ৰ-ছাত্ৰীয়ে ইয়াক নিজৰ মনোৰঞ্জনৰ বাবে ব্যৱহাৰ কৰিব বিচাৰে, যিয়ে গোটেই শৈক্ষিক দিশটোৰ ক্ষতিসাধন কৰে। গতিকে ৰেগিঙৰ নামত চলা নিৰ্যাতনবোৰৰ বাদ দি যদি কেৱল চিনাকি পৰ্বতে সামৰি ৰখা হয়, তেতিয়া নতুনচামেও বন্ধু বিচাৰি পাব আৰু জ্যেষ্ঠসকলেও এটা ভাল আদৰ্শ দেখুৱাব পাৰিব। নহ'লে ৰেগিং নামৰ সহজ-সৰল শব্দটোৰ অপব্যৱহাৰৰ ফলত ছাত্ৰসমাজ সমাজৰ ঘৃণাৰ পাত্ৰ হৈ পৰিব।

লেখক স্নাতক তৃতীয় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ।



# UFO

## Unidentified Flying Objects

মৃগাংক দাস

ইউ এফ অ' সম্পৰ্কে পৃথিৱীজুৰি বহু আগৰে পৰাই নানা ধৰণৰ জল্পনা-কল্পনা চলি আহিছে। পৃথিৱীৰ প্ৰায় সকলো ঠাইতে ইউ এফ অ' দৃষ্টি গোচৰ হৈ থকাৰ কথা প্ৰায়েই শুনা যায়। বৰ্ত্তমানলৈকে পৃথিৱীৰ ১৩৩ খন দেশত ইউ এফ অ' দৃষ্টিগোচৰ হোৱাৰ বাতৰি পোৱা গৈছে। ইয়াৰে ৭০,০০০ সংবাদৰ ভিতৰত শতকৰা ৯৫ ভাগেই সঁচা নহয় বুলি প্ৰমাণিত হৈছে আৰু শতকৰা ৫ ভাগৰ ওপৰত এতিয়ালৈকে কোনো সঠিক সিদ্ধান্ত ল'ব পৰা নাই।

১৯৭৮ চনত মেলবৰ্ণ চহৰত এনে এক ঘটনা সংঘটিত হয়। পাইলট ফ্ৰেডেৰিক ভেলেণ্টিচে জাহাজৰ পৰা লক্ষ্য কৰিলে যে এটা ধৰিব নোৱাৰা বস্তু তেওঁৰ ফালে আগবাঢ়ি আহিছে। তেওঁ ততালিকে ৰেডিঅ' বাৰ্ত্তাযোগে জানিবলৈ দিয়ে যে, "এটা ধৰিব নোৱাৰা বস্তু তেওঁৰ উৰাজাহাজৰ ওপৰত চক্ৰাকাৰে ঘূৰি আছে। ইয়াৰ সামান্য শব্দও আছে, ই কোনো উৰাজাহাজ জাতীয় বস্তুও নহয় আৰু ই ........." এইখিনি কথা সম্পূৰ্ণ হ'বলৈ নৌপাওঁতেই তেওঁৰ ৰেডিঅ' বাৰ্ত্তা যোগাযোগ বিচ্ছিন্ন হৈ যায়। ইয়াৰ পাছত পাইলট ভেলেণ্টিচৰ কোনো যোগাযোগ বা তেওঁৰ উৰাজাহাজৰ একো শুংসূত্ৰ পোৱা নগ'ল। সেইদৰে নিউজিলেণ্ডৰ পৰাও একে ধৰণৰ ৰহস্যজনক বস্তুৰ সম্ভেদ পোৱা গৈছিল।

এই ঘটনাই মেলবৰ্ণ চহৰত বেছ বিস্ময়ৰ সৃষ্টি কৰে আৰু উইলিংটন (Willington) আৰু খ্ৰীষ্টচাৰ্চ (Christ Church)ৰ মাজৰ উৰাজাহাজ পথত টি.ভি. আৰু কেমেৰামেনে তেওঁলোকৰ ১৬ এম.এম. কেমেৰাৰে এনেধৰণৰ ৰহস্যজনক বস্তুৰ প্ৰায় ২০,০০০ খন ফটো তুলিবলৈ সক্ষম হয়। ডঃ ব্ৰুয়ে মেকাবিয়ে এই ফটো ফিল্মবোৰৰ ওপৰত গৱেষণা আৰম্ভ কৰিছিল তেওঁৰ গৱেষণাত কিছুমান ৰহস্যজনক বস্তুৰে উৰি থকা অৱস্থাত, নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে, অতি উজ্জ্বল আৰু হালধীয়া ৰঙৰ পোহৰ পেলাই উৰি যোৱাটো প্ৰমাণিত হয়। তেওঁ লক্ষ্য কৰে যে, ইয়াৰ পৰা ওলোৱা উজ্জ্বল আৰু হালধীয়া পোহৰবোৰ গোলাকাৰ আকাৰৰ আৰু ৰঙা পোহৰবোৰ তিনিকোণীয়া ত্ৰিভুজ আকাৰত প্ৰসাৰিত হৈছিল। তেওঁ ইয়াকো প্ৰমাণিত কৰে যে এই পোহৰ অতি উজ্জ্বল আৰু প্ৰায় ১০০,০০০ ৱাটছৰ সমান আছিল। তেওঁ লক্ষ্য কৰিছিল যে প্ৰতিটো বস্তু ৬০-১০০ ফুট আকাৰৰ আছিল। সেইবোৰে ঘণ্টাত ৩০০০ মাইল গতিৰে উৰি আছিল।

এই বিষয়ত আধুনিক যুগৰ প্ৰথম বিশ্লেষণ আৰম্ভ হয় ১৯৪৭ চনত। কেন্নেথ আৰ্নোল্ড নামৰ এজন ব্যৱসায়ীয়ে এদিন তেওঁৰ উৰাজাহাজেৰে আহি থাকোতে হঠাৎ কাঁহীৰ দৰেই উৰি থকা এবিধ উজ্জ্বল বস্তু তেওঁৰ চকুত দৃষ্টিগোচৰ হয়।

এডাল ঘূৰি থকা শিকলিৰ দৰে বস্তুটো ঘন্টাত প্ৰায় ১২০০ মাইল বেগে উৰি আছিল। কিছুমানে আকৌ সুন্দৰ ছুট পৰিহিত মানুহৰ আকাৰৰ জীৱ দেখাৰ কথা আদিও প্ৰকাশ কৰিছিল। এই ঘটনাবোৰৰ সত্যাসত্য নিৰ্ণয় কৰিবলৈ আমেৰিকাৰ বিমান বাহিনীয়ে অনুসন্ধান আৰম্ভ কৰে। এই অনুসন্ধান প্ৰায় ২০ বছৰ ধৰি চলোৱা হয়।

এই অনুসন্ধানত চাৰিজন গৱেষকে ভাগ লয়। অনুসন্ধানকাৰী দলটোৰ নেতৃত্ব বহন কৰে প্ৰখ্যাত জ্যোৰ্তিবিজ্ঞানী ডঃ জে এলেন হাইনেকে। বহু বছৰ ধৰি হাইনেকে ইউ এফ অ'ৰ স্থিতিৰ বিষয়ে পতিয়ন যোৱা নাছিল। কিন্তু ১৯৬০ চনত তেওঁ মন্তব্য কৰে যে ইউ এফ অ'ৰ বিষয়ে বিষদ আৰু বিস্তাৰিত গৱেষণা আৰু অনুসন্ধান আৰম্ভ হোৱা উচিত।

হাইনেকৰ উদ্যোগতেই বৰ্তমান আমেৰিকাত ইউ এফ অ' গৱেষণাৰ কাৰণে বিশ্ববিদ্যালয় এখন গঢ়ি উঠিছে আৰু তেওঁ নিজেই ইয়াৰ অধ্যক্ষ পদত আছে। হাইনেকে ইউ এফ অ'ক তিনিটা ভাগত ভাগ কৰিছে, এই ভাগকেইটা হ'ল -(1) Noeturned Lights. (2) Daylight Dises and (3) Radar Visuals হাইনেকে ইউ এফ অ' তিনিপ্ৰকাৰে দেখা যাব পাৰে বুলি মত প্ৰকাশ কৰে। প্ৰথম ইউ এফ অ' অতি সাধাৰণ ভাৱে আকাশত দেখা যাব পাৰে। যাৰ কোনো দৈহিক আকাৰ নাথাকে। কিন্তু দেখোতা জনৰ মনত বিশেষ ধৰণৰ প্ৰভাৱ পেলায়।

দ্বিতীয়তে ইউ এফ অ' কেতিয়াবা নিৰ্দিষ্ট আকাৰত উৰাজাহাজৰ দৰে শব্দ কৰি উৰি যোৱা দেখা যায়। কোনো কোনো ক্ষেত্ৰত আকৌ ই বিভিন্ন ধৰণৰ পোহৰ আৰু তাপো বিকিৰণ কৰিব পাৰে। এনে অৱস্থাত কেতিয়াবা মানুহক খুন্দিয়াই ঘৰ, দুৱাৰ, গছ-গছনি ভাঙি পেলোৱাও দেখা যায়। ১৯৭০ চনত ইথিওপিয়াত এনে ধৰণৰ ইউ এফ অ' দেখা গৈছিল। ১৯৭২ চনত আকৌ ইউ এফ অ'ই আচৰিত ধৰণৰ "Radioactive" এৰি দিছিল যাৰ ফলত বহু মানুহ আঘাত প্ৰাপ্ত হৈছিল।

তৃতীয় বিশ্বৰ ইউ এফ অ' আকৌ সম্পূৰ্ণ বেলেগ। এনেধৰণৰ ইউ এফ অ'ত জীৱ থকাৰ ইংগিত পোৱা যায়। এনেধৰণৰ বহু ইউ এফ অ'ই বহু যাত্ৰী কঢ়িয়াই লৈ যোৱা বুলিও শুনা যায়। ইউ এফ অ' সম্বন্ধে বহু ঠাইত বহু কথা চলি আছে আৰু ঠাই বিশেষে মানুহৰ মতামতো বেলেগ বেলেগ। কিন্তু মূল কথাটো হ'ল ইউ এফ অ'নো আচলতে কি ? বিজ্ঞানীসকলে এতিয়াও এই বিষয়ত কোনো সৰ্বসন্মত সিদ্ধান্তলৈ আহিব পৰা নাই। সেয়ে মানুহৰ মাজত এই বিষয়ে আজিও অনেক প্ৰচাৰ-অপ্ৰচাৰ চলি আছে। বহু বিজ্ঞানীয়ে ইউ এফ অ' অন্য গ্ৰহৰ পৰা পঠোৱা মহাকাশযান বুলিও অনুমান কৰে। কিন্তু সৰহভাগ বিজ্ঞানীয়েই ইউ এফ অ' বুলি কোনো তেনে বস্তু নাই বুলিহে ক'ব খোজে। এই সকলো কথাৰ মাজৰপৰা মাথো এটা কথাইহে আহে যে - "What is U.F.O. ?"

লেখক স্নাতক দ্বিতীয় বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ।

যিবোৰ শক্তিয়ে বৈষম্যৰ সৃষ্টি কৰিছে, মানৱীয় প্ৰমূল্য নষ্ট কৰি পেলাইছে, সেইবোৰ শক্তিৰ বিৰুদ্ধে থিয় দিবলৈ মানুহৰ অন্তৰত যদি সাহসৰ সৃষ্টি কৰা নহয়; তেন্তে তেনে সাহিত্য ৰক্তাল্পতা ৰোগত ভুগিছে বুলি ক'ব লাগিব। অৱশ্যে সাহিত্য আদৰ্শ বা তত্বৰ বিস্তাৰ নহয়, ইয়াত সমকালীন সমাজৰ গভীৰ আৰু বিচিত্ৰ ছবি থাকে, গভীৰতা আৰু বৈচিত্ৰ্যৰ সাৰ্থক সমাহাৰে মানুহৰ মনত ভাৱ-চিন্তাৰ উদ্ৰেক কৰে আৰু ৰুচি আৰু মানসিকতাৰ বিকাশ সাধনত সহায় কৰে। গণ-সংস্কৃতিৰ কামো এইটোৱেই। বিশেষ এটা ঐতিহাসিক স্তৰত সাধাৰণ মানুহৰ আশা-আকাঙ্খাৰ সাৰ্থক ৰূপায়নেই গণ-সংস্কৃতি।

- নলিনীধৰ ভট্টাচাৰ্য্য



# স্বাস্থ্য চিন্তন .....



*প্ৰাথমিক চিকিৎসা*

অংকুৰজ্যোতি দাস

**জুইয়ে পুৰিলে কি কৰিব লাগে ?**

- মানুহৰ দেহৰ বিভিন্ন অংগ সাধাৰণতে নিম্নোক্ত কাৰণত পোৰে।

(ক) জুইৰ শিখাৰ দ্বাৰা
(খ) গৰম বস্তুৰ সংস্পৰ্শত
(গ) গৰম পানী বা গৰম গাখীৰ
(ঘ) ঘঁহনি খাই
(ঙ) এচিড আদি ৰাসায়নিক দ্ৰব্যৰ সংস্পৰ্শত
(চ) ইলেকট্ৰিক তাৰত লাগি
(ছ) প্ৰখৰ ৰ'দ বা এক্সৰে আদিত।

এইবিলাক বস্তুৰ দ্বাৰা কোনো অংশ পুৰিলে সাধাৰণতে অংগটোৰ উপৰিভাগৰ ছাল অথবা মাংসপেশীৰ অনিষ্ট হয়। উত্তাপ পেশীৰ ভিতৰত প্ৰৱেশ কৰি ৰৈ যোৱাৰ বাবেই পেশীৰ বিস্তৰ ক্ষতি হয়। দেহৰ পুৰি যোৱা অংগটোক তৎক্ষণাত শীতল কৰিবৰ বাবে যথোপযুক্ত ব্যৱস্থা ল'ব লাগে। বেচি দ'লৈকে বা বেচি বহলকৈ যদি পুৰিছে তেনেহ'লে তৎক্ষণাত ডাক্তৰৰ ওচৰলৈ চিকিৎসাৰ বাবে নিয়াৰ ব্যৱস্থা কৰিব লাগে।

**প্ৰাথমিক চিকিৎসা (জুইয়ে পুৰিলে)**

(১) পিন্ধি থকা কাপোৰত জুই লাগিলে মানুহজনক কেতিয়াও দৌৰিবলৈ নিদি পৰাপক্ষত জ্বলি থকা অংগটো ওপৰলৈ ৰাখি জোৰকৈ ফুৱাই দিয়ক। ডাঠ কম্বল, ৰাগ, টাৱেল অগত্যা নহ'লে বস্তা আদি তৎক্ষণাত পানীত তিয়াই লৈ জ্বলি থকা অংশটো ঢাকি দি হেঁচি ধৰক। এনে কৰিলে জুই নুমাই যাব কাপোৰখন লগে লগে তিয়াব নোৱাৰিলে পিছত হ'লেও তিয়াই দিয়ক।

(২) জ্বলা অংশটো যদি আঙুলি, হাত বা ভৰিৰ পটা আদি হয় তেনেহ'লে তৎক্ষণাত ঠাণ্ডা পানীৰ পাত্ৰ এটাত ডুবাই ধৰক। তেনেদৰে পানীত ডুবাব নোৱাৰা অংশত পুৰিলে ডাঠ পৰিস্কাৰ কাপোৰ এখন পানীত তিয়াই পোৰা অংশত দি ৰাখক। তিতা কাপোৰ পোৰা অংশত দি থলে ভক্ ভকনিটো কমিব। দহ মিনিটৰ মূৰে মূৰে কাপোৰখন একোবাৰকৈ তিয়াই পুনৰ লগাওক।

(৩) পোৰা অংশটো কিছুসময়ৰ পিছত ফুলি উঠিবই। সেয়ে পোৰাৰ পিছত লগে লগে সেই অংশৰ পৰা খাৰু বা আঙুঠি আদি খুলি পেলাওক পোৰা অংশটো কোমল কম্বল বা গাৰুৰ ওপৰত ওখকৈ ৰাখিব।

(৪) পোৰা অংশটো বহল পৰিস্কাৰ কাপোৰেৰে ঢিলাকৈ বান্ধক। মুখত পুৰিলে চকু, নাক আৰু মুখখনৰ বাবে বিন্ধা ৰাখি বান্ধিব।

(৫) হৃদযন্ত্ৰ আৰু ৰক্তসঞ্চালন প্ৰক্ৰিয়া নিয়মীয়া হৈ থকাৰ প্ৰতি চকু দিব। বেচি গভীৰতা আৰু বহলকৈ পুৰিলে সাধাৰণতে ৰোগীৰ এই প্ৰক্ৰিয়া বাধাগ্ৰস্ত হ'ব পাৰে। ক্ষতস্থান গভীৰ হ'লে ৰোগীক মুখেৰে একো খাবলৈ নিদিব। বেচিকৈ বিচাৰিলে আধাকাপ পানীত সামান্য চেনি আৰু নিমখ মিহলাই চামুচেৰে অলপ অলপকৈ দহ পোন্ধৰ মিনিটৰ মূৰে মূৰে দিব।

(৬) বেচিকৈ পুৰিলে

তৎক্ষণাত ডাক্তৰ মাতক অথবা হস্পিটাললৈ স্থানান্তৰ কৰক।

**গৰম পানী বা গাখীৰে নাইবা তেলৰে পুৰিলে ঃ**

(১) গৰম পানী বা গাখীৰ নাইবা গৰমতেলৰে পুৰিলে সেই অংশৰপৰা তৎক্ষণাত পিন্ধা কাপোৰ আদি আঁতৰাওক। যদি ইতিমধ্যে নাইলন বা অন্য চিনেথ্‌টিক কাপোৰ ছালত লাগি ধৰিছে একেবাৰেলৈ চেষ্টা নকৰিব।

(২) জুয়ে পোৰা অংশটো তৎক্ষণাত ঠাণ্ডা পানীত ডুবাই ৰাখক অথবা ঠাণ্ডা পানীত তিওৱা কাপোৰৰ ডাঠ পটি লগাওক?

(৩) জুয়ে পোৰা অংশটো ঘাঁৰ দৰেই বাকী চিকিৎসা কৰক।

**গৰম পানী বা গাখীৰে মুখ বা ডিঙি পুৰিলে ঃ**

অত্যন্ত গৰম পানী বা গাখীৰ খাই ডিঙি আৰু মুখ পুৰিলে সাধাৰণতে ৰোগী মূৰ্চা যাব পাৰে। ৰোগীৰ যদি জ্ঞান থাকে তেনেহ'লে লাহে লাহে ঠাণ্ডা পানী ঘণ ঘণকৈ খাবলৈ দিয়ক। ডিঙিৰ ভিতৰখন অলপ অলপ ফুলিবলৈ আৰম্ভ কৰিব পাৰে আৰু ৰোগীৰ উশাহ লোৱাত কষ্ট পাব পাৰে। তৎক্ষণাত ডাক্তৰৰ পৰামৰ্শ লওক।

**ৰাসায়নিক দহন ঃ**

এচিড আদি ৰাসায়নিক দ্ৰব্যই পুৰিলে পোৰা ঘাঁ ডোখৰৰ পৰা পিন্ধি থকা কাপোৰখন সাৱধানেৰে আঁতৰাওক। তেনে কৰোঁতে নিজ হাত দুখনৰ ৰক্ষাৰ প্ৰতিও চকু দিব লাগে। পোৰা ছালখনৰ পৰা ৰাসায়নিক দ্ৰব্য সম্পূৰ্ণকৈ ধুই পেলাবলৈ বহু সময়লৈ ঠাণ্ডা পানী ঢালি থকাৰ ব্যৱস্থা কৰক।

**প্ৰয়োজনীয় সাৱধানতা ঃ**

(১) পোৰা ঘাঁ ঠাণ্ডা কৰিবলৈ কেতিয়াও বৰফ ব্যৱহাৰ নকৰিব। ঠাণ্ডা পানীয়েই আটাইতকৈ উত্তম।

(২) ৰোগীক ঠাণ্ডা পানীৰে গা নুধুৱাব। এনে কৰিলে বিপদ হ'ব পাৰে।

(৩) তৎক্ষণাত ক্ৰীম, লোচন বা এন্টিচেপ্টিক পোৰা ঘাঁত নলগাব।

(৪) ছালত লাগি থকা পোৰা কাপোৰ একেবাৰেলৈ চেষ্টা নকৰিব।

(৫) ৰাসায়নিক দ্ৰব্যই পুৰিলে ইয়াৰ বদ গুণ নষ্ট কৰিবলৈ ঘাঁ ডোখৰত অন্য কোনো ৰাসায়নিক দ্ৰব্য নেঢালিব।

---

লেখক উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ

"চিনি ল' তোৰ কোন শত্ৰু লুকাই আঁৰত তোৰ,
ভাও ৰঘুমলা তেজপিয়া কুবেৰৰ মুৰ,
জীৱন ভৰি নপৰিব তোৰ দুখৰে ওৰ,
যিমান দিন বাচি থাকিব ধনৰ খকুৱা।
বাৰে বাৰে জাতিৰ নামত চুৰি-ডকাইতিৰ খেল,
বজ্জাতৰ দলে পাতে নানা জালিয়াতি মেল।
আগবাঢ়ি ব'ল ভাঙি জুলুম বাজীৰ জাল
নকৰিবি ভয়, ব'ল হই শোষণবাদীৰ কাল;
নতুন যুগৰ, নতুন ভাবৰ, নতুন ৰণৰ মাল।
আগুৱাই যা, আগবাঢ়ি ব'ল, আগবাঢ় দুখীয়া।"

- বিষ্ণু প্ৰসাদ ৰাভা



# সমকালীন স্বেচ্ছাসেৱা আৰু স্বেচ্ছাসেৱী সংগঠন

ধনঞ্জয় দাস

কোনো অভিপ্ৰায় নোহোৱাকৈ আনৰ হিত সাধন কৰা এটা বিৰল গুণ। বস্তুবাদী লাভ অনবৰত বৃদ্ধি কৰাৰ দৌৰত আমি আজি মানৱীয় প্ৰমূল্য হেৰুৱাৰ উপক্ৰম হৈছো। আজি আমাৰ খুব কম সংখ্যক লোকেহে আমাৰ প্ৰতিবেশী ৰুগ্ন ব্যক্তিক সাহায্য কৰে, দুৰ্ঘটনাত আহত জনক সহায় কৰিবলৈ আগবাঢ়ি যায় কিম্বা ব্যস্ত পথ অতিক্ৰম কৰিবলৈ আহোপুৰুষাৰ্থ কৰা অন্ধলোকজনক সহায় কৰিবলৈ, বৃদ্ধজনৰ সাৰথি হয়। স্বেচ্ছা সেৱাৰ উৎসাহ ক্ৰমশঃ নিম্নগামী হৈছে। আজিৰ বজাৰ অৰ্থনীতিৰ সমাজখনত ভোগবাদী সফলতাৰ দৌৰত আমি দিনক দিনে বেছিকৈ জড়িত হৈ পৰিছো, আমাৰ দুৱাৰডলিত মানৱতাৰ ক্ৰন্দন প্ৰত্যক্ষ কৰাৰ বাবেও যেন আমাৰ সময়ৰ নাটনি।

দয়া আৰু পৃথিৱীখনক বসবাসৰ বাবে উপযোগীকৈ গঢ়ি তোলাৰ বাবে কাম কৰাৰ স্পৃহা দ্ৰুত অন্তৰ্ধান হৈছে। সেই বুলি এনে অধোমুখী পতন আমি সৰলীকৰণ কৰিব নোৱাৰো। এতিয়াও বহু ব্যতিক্ৰমী ব্যক্তিত্ব আছে। আজিৰ এই নিজকে লৈ ব্যস্ত পৃথিৱীতো, আনৰ হিতৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰা, বঞ্চিত আৰু দুঃস্থ, Disable ৰ বাবে কাম কৰা, কোনো পুৰস্কাৰ আশা নকৰি কাম কৰা লোক অতি কম হ'লেও আছে। আনক সেৱা কৰাৰ প্ৰবল ইচ্ছা আগ্ৰহেৰে প্ৰণোদিত, আনৰ জীৱনকো উন্নীত কৰাৰ প্ৰবল ইচ্ছা শক্তি থকা এইসকল লোকেই আজিৰ সমাজৰ সমূহীয়া জীৱনক মহীয়ান কৰি ৰাখিছে। সমাজত আন এচাম লোকো আছে যিসকলে সমাজৰ ক্ষতি কৰা সমস্যা সমাধানৰ বাবে দলে-বলে আগবাঢ়ি আহে - যেতিয়া কোনো সংকট আহে, তেতিয়া।

স্বেচ্ছাসেৱী কামকাজ অতীতৰ Purely কল্যানমুখী আৰু সেৱা মূলক ভাৱক অতিক্ৰম কৰিছে। যদিও স্বেচ্ছাসেৱী কৰ্মৰ প্ৰধান চালিকা শক্তি হ'ল বদান্যতা আজিৰ স্বেচ্ছাসেৱাৰ পৰিসৰ বৃদ্ধি পাইছে বিভিন্ন কৰ্মকাণ্ড চলিব লাগিছে।

আজিৰ সামাজিক ক্ষেত্ৰত মহিলাৰ ভূমিকা বৃদ্ধি পোৱাটো উল্লেখনীয়। মহিলাৰ ক্ৰমবৰ্দ্ধমান ভূমিকা আজি সমগ্ৰ বিশ্বতে স্বীকৃত - একমাত্ৰ ব্যতিক্ৰম হ'ল অতি ৰক্ষণশীল, মহিলা নিৰ্যাতনৰ অসচেতন সমাজ/ব্যক্তি। স্বেচ্ছাসেৱী আন্দোলনত মহিলাৰ ভূমিকা বৃদ্ধি কৰাৰ বাবে আমাৰ প্ৰচেষ্টা বহলোৱা আৰু ই স্বপ্ৰণোদিত আৰু স্বয়ংক্ৰিয় ন ন বিকাশমুখী চিন্তা-চৰ্চা, সামাজিক নিৰাপত্তা আৰু বিকাশৰ বাবে আগবাঢ়ি অহা ব্যক্তি আৰু সমষ্টিকো সামৰি লৈছে। আজি বিভিন্ন কাৰণত সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত পৰিলক্ষিত ব্যাপক চ্যুতি ভাঙোনৰ পৰিপ্ৰেক্ষিতত স্বেচ্ছাসেৱাৰ ক্ষেত্ৰই প্ৰাকৃতিক আৰু মানৱসৃষ্ট দুৰ্যোগ (Disaster) মহামাৰী, পৰিৱেশৰ অৱক্ষয় আদিকো সামৰি লৈছে। সমসাময়িক সমাজখনক প্ৰভাৱিত কৰা সমস্যাৰ জটিলতা, অতি দুৰূহ পৰিস্থিতিতো দ্ৰুত সেৱাৰ হাত আগবঢ়োৱা আদিৰ বাবে প্ৰয়োজন হৈছে স্বেচছাসেৱাত বৃত্তিগত দক্ষতা আনি দিয়া। এনে প্ৰেক্ষাপটত, জৰুৰীকালীন চাহিদা পূৰণৰ বাবে আৱশ্যকীয় মানৱ সম্পদ প্ৰস্তুত কৰাৰ বাবে আমাৰ দেশতো আৱশ্যক। বিকাশৰ ধাৰাবাহিকতা বজাই ৰখাৰ স্বাৰ্থত স্বেচ্ছাসেৱী লোক আৰু সংগঠনৰ সামৰ্থ বঢ়োৱাও গুৰুত্বপূৰ্ণ।

অতীতত আমাৰ দেশত সমাজ সেৱা আৰু স্বেচ্ছাসেৱী কাম কৰা কেতবোৰ সামাজিক অনুষ্ঠানৰ ভিতৰতে সীমাবদ্ধ আছিল। মধ্যযুগত, এনে সামাজিক অনুষ্ঠান নথকা অৱস্থাতো স্বেচ্ছাসেৱী সামাজিক কাম-কাজ কিছু হৈছিল। প্ৰাক্ স্বাধীনতা যুগত সমাজ সংস্কাৰ আন্দোলনৰ সময়ত এই প্ৰক্ৰিয়াই অধিক গতি লাভ কৰে। ১৯ শতিকাত, সাংস্কৃতিক পুৰ্ণজাগৰণে (renaissance) স্বেচ্ছাসেৱী সামাজিক কাম-কাজক উদ্‌গণি যোগায় কিয়নো মধ্য শ্ৰেণীৰ প্ৰগতিশীল চামে সমাজ জীৱনৰ প্ৰতিটো ক্ষেত্ৰত সংস্কাৰ সাধন

কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছিল।

এই সময়ছোৱাত আমি বিভিন্ন ধৰণৰ স্বেচ্ছাসেৱী কাম-কাজ হোৱা দেখা পাওঁ। তাৰে এটা ধাৰাক পথ প্ৰদৰ্শন কৰিছিল বিশ্বজনীন চিন্তাৰে উদ্বুদ্ধ সমাজৰ এচাম খ্যাত ব্যক্তিয়ে। উদাহৰণ - ৰাজা ৰামমোহন ৰায়ে সতীপ্ৰথাৰ বিৰুদ্ধে, বাল্যবিবাহৰ বিৰুদ্ধে, বিধৱা বিবাহ প্ৰচলনৰ বাবে যুঁজ ঘোষণা কৰিছিল। আন এটা ধাৰাত আছিল খৃষ্টান মিছনাৰীসকল যিসকলে দুৰ্গম আৰু ভিতৰুৱা অঞ্চললৈকে শিক্ষাৰ পোহৰ আৰু স্বাস্থ্যসেৱাৰ সুবিধা সম্প্ৰসাৰণৰ কামত ব্ৰতী হৈছিল।

তৃতীয়টো ধাৰাত আছিল জাতীয়তাবাদী ধাৰণাৰে উদ্বুদ্ধ সকল, যিসকলৰ সামাজিক-ৰাজনৈতিক ভূমিকাৰ মূলতে আছিল স্বেচ্ছাসেৱী প্ৰমূল্য। শেষোক্ত ধাৰাৰ বাহক সকলৰ ভিতৰত আছিল বাল গংগাধৰ তিলক, লালা লাজপত ৰায় প্ৰমুখ নেতৃবৃন্দ যিসকলে ৰাজনৈতিক স্বাধীনতা আৰু সামাজিক সংস্কাৰৰ বাবে কুৰি শতিকাৰ আৰম্ভনীতে জীৱন উচৰ্গা কৰিছিল। অৱশ্যে এই আন্দোলনৰ প্ৰভাৱ মূলতঃ কেতবোৰ অঞ্চল আৰু সমাজ / জনগোষ্ঠীৰ ওপৰতহে পৰিছিল। কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত জাতীয় ৰাজনীতিত গান্ধীজীৰ আগমনে ৰাজনৈতিক-সামাজিক পৰিৱেশত আমূল পৰিৱৰ্তন আনি দিয়ে। গনজাগৰণ সৃষ্টি কৰা তেওঁৰ ৰণনীতিয়ে স্বাধীনতা আন্দোলনত ৰাইজৰ ব্যাপক অংশ গ্ৰহণ সম্ভৱ কৰি তুলিলে। ৰাইজৰ সকলো অংশকে মহাত্মাই সামৰি লোৱাত ৰাইজৰ মাজত স্বতঃস্ফূৰ্ত্ত দায়িত্ববোধৰ সৃষ্টি হ'ল আৰু সেয়ে সমাজ সংস্কাৰ আৰু ৰাজনৈতিক স্বাধীনতাৰ বাবে অহিংসা আন্দোলনৰ বাবে গান্ধীজীয়ে জনোৱা আহ্বানৰ প্ৰতি স্বতঃস্ফূৰ্ত্ত সঁহাৰি দেখা গ'ল। জাতীয় আন্দোলনৰ এইছোৱা সময়তে স্বেচ্ছাসেৱী কাম-কাজে অঞ্চল আৰু জাতিৰ পৰিসীমা চেৰাই সাৰ্বজনীন মানৱীয় চৰিত্ৰ লাভ কৰিলে।

স্বাধীনতাৰ পিছত স্বেচ্ছাসেৱী কামকাজৰ অভিমুখ ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰত্যাহ্বানৰ ফালে গ'ল। সামাজিক পৰিৱৰ্ত্তন সাধনত চৰকাৰে ভালেমান স্বেচ্ছাসেৱী দলৰ সমৰ্থন পালে। এইবোৰ প্ৰগতিশীল দলে সম্পাদন কৰা কাম-কাজৰ পৰিসৰত আছিল স্বাস্থ্যসেৱা, কৃষিৰ বিকাশ, বঞ্চিত ৰাইজক উন্নয়ণৰ পদক্ষেপ আদি। অসহায় আৰু নিঃস্বজনক সেৱাৰ বাবে প্ৰতিষ্ঠানিক প্ৰশিক্ষণো দিয়া হয়। ইয়াৰো আন এটা ৰূপ আছিল সাহাৰ্য্য, পুনঃসংস্থাপন, কল্যান আৰু বদান্যতামূলক সমাজসেৱা। মিছনাৰী কাম-কাজৰ পৰিসৰো বাঢ়ে। এই পৰিপ্ৰেক্ষিতত Missonaries of Charity ৰ মাদাৰ টেৰিজাৰ ভূমিকা স্মৰ্তব্য।

পৰৱৰ্ত্তী কালছোৱাত ধনী আৰু দুখীয়া, নগৰীয়া আৰু গএগ অঞ্চলৰ লোকৰ বৈষম্য অধিক স্পষ্ট হয়, খৰাং, বান, শৰণাৰ্থী আদি সমস্যাৰ পৰিপ্ৰেক্ষিতত নতুন নতুন ৰূপৰ Volunterism দেখা যায়। ৰাজনৈতিক জটিলতাও ক্ৰমশঃ বৃদ্ধি পায়। প্ৰান্তীয় কৃষকৰ সমস্যা, জনজাতীয় গোষ্ঠীৰ পুনৰুত্থান, সামাজিক সমতাৰ প্ৰশ্ন, ভূমিহীন আৰু উচ্ছেদৰ সমস্যা, গৃহ অধিকাৰৰ দাবী, মেধা পাটেকাৰ সহ সামাজিক-ৰাজনৈতিক- পৰিৱেশিক অধিকাৰৰ বাবে নিৰ্ভিকভাৱে যুঁজ দিয়া ব্যক্তি-সংগঠনৰ উত্থান আদিয়ে স্বেচ্ছাসেৱী আন্দোলনক নতুন মাত্ৰা প্ৰদান কৰে। আশীৰ দশকত চিকিৎসা আৰু অভিযান্ত্ৰিক সেৱাৰ উপাদানো স্বেচ্ছাসেৱী অভিযানত পৰিলক্ষিত হয়। অসমত ডাঃ জয়দেৱ শৰ্মাৰ নেতৃত্বত একাংশ স্বেচ্ছাসেৱীয়ে স্বেচ্ছামূলক ৰক্তদান অভিযান, বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগত পীড়িত সকলক চিকিৎসা সাহায্য দিবলৈ আগবাঢ়ি আহে। পৰৱৰ্ত্তী সময়ছোৱাত আমাৰ ৰাজ্যখনত অসম বিজ্ঞান সমিতি প্ৰমুখ্যে বহুসংখ্যক স্বেচ্ছাসেৱী অনুষ্ঠান পৰিৱেশ সুৰক্ষা, এইড্চ সম্পৰ্কত সচেতনতা সৃষ্টি, জনগোষ্ঠীয় অধিকাৰ ৰক্ষা, লিঙ্গ বৈষম্যৰ বিৰুদ্ধে প্ৰতিবাদ, শান্তিৰ হকে প্ৰচাৰ আন্দোলন আৰু জনকল্যানৰ বিবিধ কাৰ্য্যসূচী ৰূপায়নত ব্ৰতী হয়। সম্প্ৰতি বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত স্বেচ্ছাসেৱী আন্দোলন প্ৰভাৱিত হ'লেও শান্তি সাধনা আশ্ৰম, কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক নিধি, অসম শাখা, অসম বিজ্ঞান সমিতি, আৰণ্যক, যথোপযুক্ত প্ৰযুক্তি পৰিষদ, ইলোৱা বিজ্ঞান মঞ্চ আদি স্বেচ্ছাসেৱী সংগঠনে ক্ৰমবৰ্দ্ধমান সেৱাৰে ৰাইজৰ আস্থা আদায় কৰা লক্ষ্য কৰা গৈছে।

---

লেখক স্নাতক দ্বিতীয় বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰ





# এইড্চ আৰু ড্ৰাগচ্

## - এক যুগ্ম বিভীষিকা ঃ

মাজেদা চুলতানা চৌধুৰী

এইড্চ (AIDS) আৰু ড্ৰাগচ্ (Drugs) যদিও গোটেই পৃথিৱীৰ সভ্য সমাজৰ বাবে অভিশাপ তথাপি নতুনকৈ এই দ্বৈত বিভীষিকাই ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক ভয়াবহ সমস্যা হিচাপে দেখা দিছে। ঔষধিজাত মাদকাসক্তি (Drug Addiction) আৰু সহযোগী মাৰাত্মক এইড্চ ৰোগৰ প্ৰাদুৰ্ভাৱে সমাজৰ যুৱক শ্ৰেণীক ঘাইকৈ প্ৰভাৱিত কৰা কাৰণে বৰ্তমানৰ সমগ্ৰ প্ৰজন্মটোৰ আগত এক বিধ্বংসী ভাবুকি স্বৰূপ হৈ পৰিছে।

ভাৰতত বিশেষকৈ যোৱা দুই দশকৰ পৰা নিচাযুক্ত ঔষধৰ ব্যৱসায় আৰু আসক্তি গা কৰি উঠিছে। হিৰ'ইন ব্যৱসায়ৰ মূখ্য ঘাটি হিচাপে ভাৰত গঢ়ি উঠাৰ মূল কাৰণ হ'ল ভাৰতবৰ্ষ হিৰ'ইনৰ দুটা মূখ্য উৎসৰ মাজত অৱস্থিত। সেই উৎস দুটাৰ এটা হ'ল ব্ৰহ্মদেশ, থাইলেণ্ড আৰু লাওচক লৈ গঠিত সোণালী ত্ৰিভূজ আৰু ইৰান, আফগানিস্থান আৰু পাকিস্থানক লৈ গঠিত সোণালী অৰ্ধচন্দ্ৰ (Golden Crescent)

ভাৰতৰ বৰ্তমানে আৰ্থসামাজিক অস্থিৰতা আৰু নিচাযুক্ত ঔষধৰ সহজলভ্যতাৰ বাবে নিচাযুক্ত ঔষধ সেৱনৰ মাত্ৰা দিনক দিনে বাঢ়ি গৈ আছে। দিল্লী পুলিচৰ ড্ৰাগ এডিকচন ক্লিনিকত এশজন মাদকাসক্তৰ ওপৰত

চলোৱা এক অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে ২০ শতাংশ আসক্ত লোক কুৰি বছৰৰ তলৰ বয়সৰ, ৩৪ শতাংশ লোক ২০-২৪ বছৰৰ ভিতৰত আৰু ৩৬ শতাংশ হ'ল ২৫-২৯ বছৰৰ ভিতৰত। মুঠ আসক্তলোকৰ ১০ শতাংশ নিৰক্ষৰ আৰু ৮২ শতাংশ হ'ল স্নাতক ডিগ্ৰীধাৰী লোক। নিচাযুক্ত ঔষধ ব্যৱহাৰ কৰা লোকসকলৰ মাত্ৰ ১৪ শতাংশ গাওঁ অঞ্চলৰ আৰু ৮৬ শতাংশ নগৰাঞ্চলৰ মানুহ।

বৰ্তমান নিচাযুক্ত ঔষধ সেৱনৰ প্ৰৱণতা ক্ৰমে দেশৰ সকলো প্ৰান্ততে বিয়পি পৰিছে। এটা সমীক্ষামতে এনেদৰে চলি থাকিলে আৰু কেইবাবছৰৰ পিছত ভাৰতৰ মাদকাসক্ত লোকৰ সংখ্যা হ'বগৈ ১৫ মিলিয়ন - যিটো বৰ্তমান পৃথিৱীৰ সৰ্বমুঠ মাদকাসক্ত লোকৰ তুলনাত ২০ গুণ বেছি।

ভাৰতৰ মাদকাসক্ত লোকৰ সৰহ সংখ্যকেই মুম্বাই, চেন্নাই, দিল্লী আৰু কলকাতাৰ দৰে ডাঙৰ ডাঙৰ মহানগৰীত থাকে যদিও বৰ্তমান নিচাযুক্ত ঔষধে আজি সমগ্ৰ পূৰ্বাঞ্চল ছানি পেলাইছে।

ড্ৰাগছৰ লগত এইড্ছৰ এটা ডাঙৰ যোগসূত্ৰ আছে সৰহভাগ নিচাযুক্ত ঔষধ সেৱীলোক এইড্ছ ভাইৰাচৰ (HIV) দ্বাৰা আক্ৰান্ত। এক সমীক্ষাত প্ৰকাশ যে মণিপুৰ ৫০ শতাংশতকৈ অধিক সংখ্যক ঔষধিজাত মাদকাসক্তই এইড্ছ ৰোগৰ ভাইৰাচ বহন কৰে। (National Institute of Cholera & Enteric Diseases)

ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিচাৰ্চৰ (I.C.M.R) সমীক্ষাত প্ৰকাশ যে মণিপুৰত এইচ. আই. ভি. সংক্ৰমিত লোকৰ সংখ্যা ১৯৮৯ চনৰ চেপ্তেম্বৰত শূণ্যজনৰ পৰা ১৯৯০ চনৰ জুনলৈ ৯১০ জন হয়গৈ। ১৯৯০ চনৰ জুনত ১৫৬৪ জন। শিৰেদি (Intravenous) ঔষধ ব্যৱহাৰ কৰা লোকৰ তেজৰ নমুনা পৰীক্ষা কৰাত তেওঁলোকৰ ৫৪.৫ শতাংশ লোকৰ তেজ H.I.V. ৰ ক্ষেত্ৰত ধনাত্মক পোৱা গৈছে।

I.C.M.R. ৰ আৰু এটা সমীক্ষাত দেখা গৈছে যে উত্তৰ পূৰ্ব ভাৰতত যৌণ সংসৰ্গতকৈ বেজীৰ দ্বাৰাহে সৰহভাগ H.I.V. ৰ সংক্ৰমন হয় কাৰণ একেটা বেজীকে গৰম নকৰাকৈ কেবাজনো ড্ৰাগ এডিক্টে ব্যৱহাৰ কৰে। পূৰ্বাঞ্চলত ক্ৰমবৰ্ধমান হাৰত হোৱা ঔষধিজাত মাদকাসক্তি আৰু দুৰাৰোগ্য মাৰাত্মক AIDS প্ৰাৰ্দুভাৱ সঁচাকৈয়ে এক আতংকৰ বিষয়। সেয়েহে প্ৰথমে কঢ়া আইন প্ৰণয়ন কৰি মাদকাসক্তি নিৰ্মূল কৰা প্ৰয়োজন। আনফালে আৰ্থ-সামাজিক ভাৱে পিছপৰা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ সমাজৰ মাজৰপৰা হতাশা, নিৰাপত্তাহীনতা আঁতৰাব নোৱাৰিলে এই সমস্যাৰ সমাধান অসম্ভৱ।

লেখিকা স্নাতক তৃতীয় বৰ্ষৰ বিজ্ঞান শাখাৰ ছাত্ৰী

> "এবাৰ স্বাধীনতা আহিছিল' ৪৭ চনত। ৰাজনৈতিক স্বাধীনতা, আকৌ ৭৭ চনত আৰু এক স্বাধীনতাৰ সোৱাদ পালে ভাৰতে। ইমাৰ্জেন্সীৰ পাছত। তাৰ নাম প্ৰকাশৰ স্বাধীনতা। কিন্তু সেই দিনটো আহক - যেতিয়া আৰু এটি স্বাধীনতা দেশৰ ৰাইজে পায় - সেইটো হ'ল অৰ্থনৈতিক স্বাধীনতা। জাতীয় সংহতিত অৰ্থনৈতিক শান্তি সকলো মানুহে, সকলো অঞ্চলে, সকলো প্ৰকাশে - একেলগে নাপালে জাতীয় সংহতিৰ সুপ্ৰতিষ্ঠা নহয়।"
>
> - ড° ভূপেন হাজৰিকা



# সোণালী দিনৰ অনুভৱ ............





অলকেশ দত্ত
স্নাতক তৃতীয় বৰ্ষ
(কলা শাখা)

পাহৰিব পাৰিব জানো
নৈয়ে পানীক
ৰ'দে ৰ'দালিক,
জোনে জোনালীক
আমিও নোৱাৰো পাহৰিব
সোণালী সেই স্মৃতি .....
- সম্পাদক

অলপতে মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা 'সোণালী জয়ন্তী'য়ে মোৰ বাবে এৰি থৈ গ'ল কিছুমান ভাললগা স্মৃতি আৰু দি গ'ল বহু অভিজ্ঞতা। মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দই 'সোণালী জয়ন্তী' উদ্‌যাপনত যিদৰে সহায় তথা সহযোগিতা আগবঢ়ালে তাৰ বাবে আমি সকলো ছাত্ৰ-ছাত্ৰীয়েই তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

এই সোণালী জয়ন্তীতেই অনুষ্ঠিত কবি অতনু ভট্টাচাৰ্য, হীৰেন ভট্টাচাৰ্য্য, সনন্ত তাঁতী, উজ্জ্বল পাওগামৰ দৰে বিশিষ্ট কবিসকলৰ কবিতা পাঠেৰে বিধৌত সেই বিশেষ সন্ধিয়াটো মই কেতিয়াও পাহৰিব নোৱাৰিম। সোণালী জয়ন্তী উপলক্ষে অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতা-মূলক অনুষ্ঠানত আমি আমাৰ ছাত্ৰ-ছাত্ৰীবোৰৰ মাজত লুকাই থকা প্ৰতিভাৰ উমান পাইছিলো। তদুপৰি, ইয়াতেই পতা প্ৰদৰ্শনীত ছাত্ৰ-ছাত্ৰীসকলে নিজহাতে বনোৱা বস্তু প্ৰদৰ্শন কৰি সকলোৰে প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। উক্ত প্ৰদৰ্শনীতেই অসমৰ আগশাৰীৰ কাৰ্টুনিষ্ট অমল মেধীৰ কাৰ্টুন চিত্ৰকলা চোৱাৰ সুযোগ পাইছিলো।

সোণালী জয়ন্তী উদ্‌যাপনৰ শেষৰ দিনাখনৰ সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰণ কৰি অনা হৈছিল ধুবুৰীৰ লোকসংগীতৰ দল, গুৱাহাটীৰ চংচ এণ্ড ড্ৰামা আৰু প্ৰতিষ্ঠিত কণ্ঠশিল্পী বৰণ বিকাশক। সঁচাকৈ খুবেই ভাল লগা আছিল তেখেতসকলৰ অনুষ্ঠান। তিনিদিনীয়া সাংস্কৃতিক অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলেও গীত-নৃত্য পৰিবেশন কৰিছিল। বিশেষকৈ, ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত সংগীতানুষ্ঠানখনত গীত পৰিৱেশন কৰি মোৰ খুবেই ভাল লাগিছিল। জিতু-ৰিতুৰ কী বৰ্ড, বিল্টু দাৰ লীড় গীটাৰ, অলকেশ দাৰ ঢোল, খলিল দাৰ পেড়, অৰূপৰ কংগো উইথ ৰোটো আৰু সীমান্তদাৰ বেছ গীটাৰৰ উত্তাল ৰিড়ম আৰু সুৰৰ লহৰত সেইদিনা সাৰ পাই উঠিছিল নিশাটো আৰু আমিবোৰ উটি গৈছিলো। সুৰৰ ফেনিল জোঁৱাৰত ..........।



কল্যান শৰ্মা
উঃমাঃ ২ য় বৰ্ষ
(কলা শাখা)

১৯৫৫ চনৰ ৮ আগষ্টত স্থাপিত গোৱালপাৰা মহাবিদ্যালয়ে যোৱা ৮ আগষ্ট ২০০৫ তাৰিখে সোণালী জয়ন্তী বৰ্ষ পূৰ্ণ কৰিলে। (এই সুদীৰ্ঘ পঞ্চাশ বছৰীয়া সময়ছোৱাত মহাবিদ্যালয়লৈ শিক্ষা লাভৰ উদ্দেশ্যে বহুজন আহিল তথা শিক্ষা সামৰি আতৰিওঁ গ'ল। স্কুলীয়া জীৱনৰ অন্তত ছাত্ৰ-ছাত্ৰীয়ে যি মধুৰ সপোন বুকুত লৈ এই মহাবিদ্যালয়ত নামভৰ্ত্তি কৰে তাৰ মাজৰ বহুতৰে হয়তো সেই সপোন সফলো হৈছে। তেনে বহু ৰঙীন সপোনকে বুকুত সাবটি লৈ মইও এই মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিছিলো। মহাবিদ্যালয়ৰ এই সোণালী জয়ন্তী বৰ্ষৰ সময়ছোৱাত

ইয়াৰে ছাত্ৰ হিচাপে সোণালী জয়ন্তীৰ সমূহ অনুষ্ঠানতে অংশগ্ৰহণ কৰিব পাৰি মই নিজকে ধন্য মানিছো। সোণালী জয়ন্তী উপলক্ষে অনুষ্ঠিত সকলোবোৰ অনুষ্ঠান ইমানেই মনোগ্ৰাহী আছিল যে তাৰ স্মৃতি মোৰ মনত চিৰদিনৰ বাবে সজীৱ হৈ থাকিব। বিশেষকৈ গ্ৰন্থমেলা, প্ৰদৰ্শনী সাংস্কৃতিক অনুষ্ঠান তথা মুকলি সভাৰ কথা মোৰ আজীৱন মনত থাকিব। নানা বিত্তীয়, ব্যক্তিগত তথা ৰাজনৈতিক অসুবিধাৰ মাজেৰেও সোণালী জয়ন্তী অনুষ্ঠানখন অতি সুন্দৰকৈ চলাই নিয়াৰ বাবে মই আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, সমূহ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সদস্য আৰু সমূহ বৰ্ত্তমানৰ তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীলৈ মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত তথা মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ আৰু অধিক উন্নতিৰ কামনা কৰিলো।



**হাফিজুৰ ৰহমান**
উচ্চতৰ মাধ্যমিক
প্ৰথম বৰ্ষ (কলা)

গোৱালপাৰা চহৰৰ মাজ-মজিয়াত অৱস্থিত গোৱালপাৰা মহাবিদ্যালয়খন নামনি অসমৰ ভিতৰত এখন লেখত ল'বলগীয়া মহাবিদ্যালয়। এইখন মহাবিদ্যালয়ৰ জন্ম হয় ইং ১৯৫৫ চনত। স্থাপিত হোৱা দিনৰপৰা আজিলৈকে এই মহাবিদ্যালয়খনে নানা সংঘাতৰ মাজেৰে সুদীৰ্ঘ পঞ্চাছটা বছৰ অতিক্ৰম কৰিছে।

গোৱালপাৰা মহাবিদ্যালয়ৰ পঞ্চাশ বছৰ পূৰ্ণ হোৱা হেতু যোৱা আগষ্ট মাহৰ আৰম্ভণিতে এসপ্তাহযোৱা কাৰ্য্যসূচীৰে মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী সামৰণী উৎসৱ অনুষ্ঠিত হৈ যায়। গোৱালপাৰা মহাবিদ্যালয়ৰ এজন ছাত্ৰ হিচাপে মোৰ একান্ত ব্যক্তিগত অনুভৱৰ পৰা ক'ব বিচাৰো যে, সোণালী জয়ন্তী পালনৰ আটাইবোৰ কাৰ্য্যসূচীয়ে আমাক যথেষ্ট আনন্দ প্ৰদান কৰাৰ লগতে অনেক জ্ঞানৰ সম্ভাৰো যোগায়। এই সোণালী জয়ন্তীতে আমি সমগ্ৰ অসমৰ বহুতো বিজ্ঞ ব্যক্তিৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হওঁ। তেখেতসকলৰ মহামূল্যৱান উপদেশ বাণীয়ে আমাক যথেষ্ট উপকৃত কৰে। গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ জৰিয়তেও আমি যথেষ্ট লাভৱান হওঁ। তদুপৰি অসমৰ বিভিন্ন ঠাইৰ পৰা আমন্ত্ৰিত কবি-সাহিত্যিকসকলে সাহিত্যত লুকাই থকা মৌবসৰ সন্ধান দিয়ে আৰু সাহিত্য সম্বন্ধে বহুকথা আমাক জানিবলৈ দিয়ে। এক কথাত ক'বলৈ গ'লে, সোণালী জয়ন্তীৰ সুযোগতে ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকল একত্ৰিত হয় আৰু এই মহামিলনে মহাবিদ্যালয়ৰ পৰিৱেশ সুন্দৰ কৰি তোলে। গোৱালপাৰা মহাবিদ্যালয়ৰ এজন ছাত্ৰ হিচাপে নিজকে ভাগ্যৱান বুলি ভবাৰ লগতে গৰ্ব কৰোঁ এইকাৰণেই যে, সোণালী জয়ন্তী উদ্‌যাপিত বৰ্ষত এই মহাবিদ্যালয়ত মই বৰ্তমান।



**দীপাশ্ৰী বৰ্মন**
স্নাতক দ্বিতীয় বৰ্ষ
(কলা শাখা)

গোৱালপাৰা জিলাৰ উচ্চ শিক্ষাৰ লেখত ল'বলগীয়া শিক্ষানুষ্ঠান গোৱালপাৰা মহাবিদ্যালয়খনিয়ে পঞ্চাশটা বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তী সামৰণি উৎসৱ ইতিমধ্যে সমাপন কৰিলে। যোৱা ১ আগষ্ট, ২০০৫ ৰ পৰা ৮ আগষ্ট, ২০০৫ লৈকে ভিন্ন কাৰ্য্যসূচীৰে মনোগ্ৰাহী কৰি তোলা সোণালী জয়ন্তী উৎসৱৰ সেইদিন কেইটা হয়তো কেতিয়াবা পাহৰিব খুজিলেও পাহৰিব নোৱাৰিম। সোণালী জয়ন্তীৰ প্ৰথম দিনাখন অনুষ্ঠিত হোৱা শব্দৰ উৎসৱটো অধিক আকৰ্ষণীয় আছিল, কিন্তু দুখৰ বিষয় যে সেই অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সেমেকা আছিল। শব্দৰ উৎসৱ অনুষ্ঠানটোত বিশিষ্ট অতিথিবৃন্দ হীৰেণ ভট্টাচাৰ্য্য, দেবব্ৰত দাস, সনন্ত তাঁতী, উজ্জ্বল পাওগাম, চিত্তৰঞ্জন দাস, ৰঞ্জিত গগৈ আৰু অতনু ভট্টাচাৰ্য্য আটাইবোৰকে একেলগে লগ কৰাৰ সোণালী সুযোগ পোৱাৰ লগতে সাহিত্য সম্বন্ধে বহুতো নজনা কথা শিকাই থৈ যায়। এয়া মোৰ এক পাহৰিব নোৱাৰা অভিজ্ঞতা। ঠিক তেনেদৰে গ্ৰন্থ মেলা, প্ৰদৰ্শনী, মুকলি সভা, সাংস্কৃতিক সন্ধিয়া আদি অনুষ্ঠানবোৰেও আমাৰ সকলোৰে মনত দকৈ সাঁচ পেলায়। এই সোণালী জয়ন্তীতে উন্মোচন হোৱা স্মৃতিগ্ৰন্থখন গোৱালপাৰা মহাবিদ্যালয়ৰ দলিল বুলি ক'ব পাৰোঁ। কাৰণ এই স্মৃতিগ্ৰন্থখনৰ জৰিয়তে গোৱালপাৰা মহাবিদ্যালয়ৰ সৃষ্টি তথা ৫০ বছৰীয়া ইতিহাসৰ কথা আমি জানিব পাৰো। গতিকে সোণালী জয়ন্তী উৎসৱে আমাক দি থৈ গ'ল কিছুমান নজনা অভিজ্ঞতা আৰু বহুতো সোণালী স্মৃতি।



**মৃণাল পদ্ম দাস**
স্নাতক দ্বিতীয় বৰ্ষ
(কলা শাখা)

লিখিম লিখিম বুলি ভাবি থাকোতেই ইতিমধ্যে বহু সময় পাৰ হৈ গ'ল, কেনেকৈনো ব্যক্ত কৰো মই মোৰ সোণালী জয়ন্তীৰ অনুভৱ। তথাপি আলোচনী সম্পাদক ধননজ্যোতিৰ কথা ৰাখিবই লাগিব। সময় অমূল্য ধন। আৰু এই সময় কাৰো কাৰণে বৈ নাথাকে। ঠিক তেনেদৰে গোৱালপাৰা মহাবিদ্যালয়খনিও সময়ৰ সোঁতৰ লগত খোজ মিলাই পঞ্চাশটা বছৰ অতিক্ৰম কৰিলে আৰু পঞ্চাশ বছৰ হোৱা উপলক্ষে এক বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় "সোণালী জয়ন্তী সামৰণি উৎসৱ"। সোণালী জয়ন্তী উৎসৱ অনুষ্ঠিত হোৱাৰ তিনি মাহ মান আগৰপৰাই আমি সকলোৱে সামান্যও কৃপনালি নকৰাকৈ লাগি পৰিছিলো এই উৎসৱ সাফল্য মণ্ডিত কৰাৰ কাৰণে। কাৰণ ই আমাৰ সকলোৰে বাবে গৌৰৱোজ্জ্বল সৃষ্টিৰ ইতিহাস। বহুতো সমস্যা আৰু বাধা নেওচি যোৱা ১ আগষ্টৰ ৰাতিপুৱা পতাকা উত্তোলন তথা এটা সমৱেত সঙ্গীতেৰে আৰম্ভ হয় সোণালী জয়ন্তী সামৰণি উৎসৱ। তাৰ পিচত বিভিন্ন জনগোষ্ঠীও পোচাকেৰে আমি সকলোৱে উৎসাহেৰে সাংস্কৃতিক শোভাযাত্ৰাত অংশ গ্ৰহণ কৰোঁ। সোণালী জয়ন্তী উপলক্ষে এখনি প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয় আৰু মই ভূগোল বিভাগৰ পৰা প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰিছিলো। তাত ভূগোল বিভাগৰ লগত জড়িত বিভিন্ন হাতে সজা বস্তুবোৰ প্ৰদৰ্শন কৰাৰ লগতে সেই বস্তুবোৰৰ বিষয়ে বিভিন্নজনক বুজাইও দিব লগা হৈছিল। প্ৰায় গোটেই দিনটো আমি প্ৰদৰ্শনীতে ব্যস্ত থাকিব লগা হোৱাত আন আন অনুষ্ঠানবোৰ ভালদৰে উপভোগ কৰাৰ সময় নহ'ল। তথাপি যিখিনি উপভোগ কৰিছো সেইখিনিয়ে যথেষ্ট। ৫ আগষ্টৰ দিনা অসমৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱে তেওঁৰ বহুমূলীয়া ভাষণ দাঙি ধৰাৰ লগতে 'স্মৃতিগ্ৰন্থ'খনো উন্মোচন কৰে। এনেদৰে বিভিন্ন কাৰ্যসূচীৰ মাজেৰে সোণালী জয়ন্তী উৎসৱৰ অন্তিম পৰ্য্যায়ত উপস্থিত হ'ল। সোণালী জয়ন্তীৰ শেষৰ দিনা আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াই আমাৰ মন উৎফুল্লিত কৰে। আৰু আমিবোৰ সকলোৱে তালত তাল মিলাই খুউব নাচিছিলো। দুপৰ নিশা যেতিয়া সাংস্কৃতিক অনুষ্ঠান শেষ পৰ্য্যায়ত উপনিত হৈছিল তেতিয়া মনত দুখ লাগিছিল। সেই মুহূৰ্ত্তত ভাবিছিলো আৰু হয়তো কেতিয়াওঁ নাপাম এনেকুৱা দিন। সঁচাকৈয়ে, সেই আঠোটাদিন কোনোদিনাই পাঁহৰিব নোৱাৰিম, সদায় জীয়াই থাকিব মোৰ স্মৃতিৰ কোঠালিত।



**প্ৰীতি চক্ৰৱৰ্তী**
উঃমাঃ প্ৰথম বৰ্ষ
(বিজ্ঞান শাখা)

মই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ গোৱালপাৰা কলেজৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত ভৰ্ত্তি হোৱাৰ কেইদিনমানৰ পিছত কলেজে সোণালী জয়ন্তীৰ সামৰণি মহোৎসৱ উদ্‌যাপন কৰিছিল। স্বাভাৱিকতে কলেজৰ নতুন পৰিৱেশৰ মাজত এনে এটি উৎসৱৰ আয়োজনত বৰ উৎফুল্লিত হৈছিলোঁ।

উৎসৱৰ আৰম্ভণিতে পতাকা উত্তোলনৰ সময়ত কলেজৰ বহুতো প্ৰাক্তন ছাত্ৰ আৰু গণ্য-মান্য ব্যক্তিৰ লগত আমাক পৰিচয় কৰাই দিয়াত মনলৈ ভাব আহিছিল - ধন্য তুমি গোৱালপাৰা কলেজ, আজি অত বছৰে নিজৰ জ্ঞানৰ পোহৰেৰে তুমি শত সহস্ৰজনৰ জীৱন আলোকমণ্ডিত কৰিলা।

মহোৎসৱৰ সময়ত বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে আয়োজন কৰা প্ৰদৰ্শণী, গ্ৰন্থমেলা আদিয়ে আমাক

বহুতো নজনা কথা জানিবলৈ সুবিধা কৰি দিছিল। কিন্তু মোৰ সকলোতকৈ ভাল লাগিছিল বিভিন্ন কবি-সাহিত্যিকৰ লগত হোৱা মত-বিনিময় অনুষ্ঠানটি। তাত হীৰেণ ভট্টাচাৰ্য, দেৱব্ৰত দাস, অতনু ভট্টাচাৰ্য আদি বিশিষ্ট ব্যক্তি সকলৰ ৰসাল কথা শুনি বৰ আপ্লুত হৈছিলোঁ। বিশেষকৈ মোৰ প্ৰিয় কবি হীৰেণ ভট্টাচাৰ্যৰ লগত চিনাকি হোৱাৰ মুহূৰ্তটোক মোৰ জীৱনৰ আটাইতকৈ সুন্দৰ মুহূৰ্ত বুলিয়ে মই বিবেচনা কৰোঁ। অসমৰ বিভিন্ন ঠাইৰপৰা অহা ছাত্ৰ-ছাত্ৰীৰে আয়োজিত তৰ্ক প্ৰতিযোগিতা, প্ৰশ্নবান প্ৰতিযোগিতা আদিও বৰ আকৰ্ষণীয় হৈছিল।

অসম সাহিত্য সভাৰ সভাপতি কনকসেন ডেকা, প্ৰখ্যাত অৰ্থনীতিবিদ দিলীপ কুমাৰ বৰুৱা, দেৱেন দত্ত, অৰুন্ধতী দত্ত আদি মহৎ ব্যক্তিসকলৰ সুন্দৰ বক্তৃতা আৰু উপদেশমূলক বাণীসমূহ শুনি বৰ ভাল লাগিছিল। সন্ধিয়ালৈ আয়োজিত সাংস্কৃতিক সন্ধিয়াসমূহে সমগ্ৰ গোৱালপাৰাবাসীৰে মন জয় কৰিব পাৰিছিল।

গোৱালপাৰা কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত আয়োজিত সোণালী জয়ন্তী মহোৎসৱৰ ৰং বিৰঙৰ কাৰ্যসূচীৰ সাত দিনৰ অন্তত সামৰণি পৰিছিল। এই মহোৎসৱে যেন সমগ্ৰ গোৱালপাৰাবাসীকে একতাৰ ডোলেৰে বান্ধি পেলাইছিল। এই মহোৎসৱৰ আলোচনাচক্ৰ, বক্তৃতা, বিভিন্ন বিশিষ্ট ব্যক্তিৰ লগত হোৱা মত-বিনিময়, কবিতা-পাঠ আদিয়ে মোৰ স্মৃতিৰ মণিকোঠাত এক পাহৰিব নোৱাৰা স্থান অধিকাৰ কৰিছে।

ঐতিহাসিক সময়ৰে পৰা আজিৰ একবিংশ শতিকালৈ পৃথিৱীৰ মহান মনীষী সকলৰ অনেকেই সাধাৰণ মানুহৰ নিচিনাকৈ, সাধাৰণ জীৱিকাৰে পৃথিৱীত প্ৰখ্যাত হৈছে। সেয়েহে আমি ভবা অনুচিত যে কেৱল সোণৰ চামুচ মুখতলৈহে মানুহ বিখ্যাত হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগাবলৈ তেনেকুৱা মহান মনীষী সকলৰ নাম আৰু প্ৰাৰম্ভিক জীৱিকা বৃত্তিৰ এখন তালিকা আগবঢ়োৱা হ'ল।

| নাম | জীৱিকা |
|---|---|
| ইচ'প | দাস |
| ডান্টে | বৈদেশিক বিভাগৰ কেৰাণী |
| বেঞ্জামিন ফ্রেংকলিন | ছপাশালৰ মুদ্ৰক |
| জৰ্জ অৰৱেল | চিপাহী |
| গেৰিবল্ডি | মম তৈয়াৰ কৰোঁতা |
| হেনৰিক ইবচেন | ফাৰ্মাচিষ্ট |
| উইলিয়াম ফ'কনাৰ | পোষ্ট মাষ্টাৰ |
| ভেলেন্টিনা টেৰেচ্‌কোভা | কপাহৰ মিলৰ বনুৱা |
| ভাৰতবৰ্ষৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ | স্কুলৰ শিক্ষক |
| পি.বি. শ্যেলী | কেৰাণী |
| চাৰ্লচ্ ডিকেন্স | এজন উকীলৰ অফিচত কাম কৰা ল'ৰা |

সংগ্ৰাহক - মঞ্জিল ব্ৰহ্ম
উঃমাঃ প্ৰথম বৰ্ষ (কলা)










## ENGLISH SECTION

**Essay**


* Success - 111
* Swami Vivekananda and The Youth of India - 114
* Information Technology and Indian Students - 116
* About the Discovery of Yttrium and the Rare Earth Elements - 120
* Terrorism - Its True Face - 123
* Earthquake and Tsunami - 126
* Love Relation and Its Different Aspects - 132
* Rubber and Its Prospects in Goalpara - 134


**Story**


* Zinnia's Agony - 137


**Poetry**


* Beyond - 140

* Reports




# Success



**Jyoti Medhi**
B.Sc. 3rd year

Success or failure; more or less; beautiful or ugly these words are comparative. Winners don't have any extraordinary cherecter or they don't do any different things. Instead they have not any bad characters. bad habits which leads to the failure. Winners always follow some common principles which make them succesful. If we can adopt that and aply that principles consistently we shall be successful.

Now how do we define success ? How can we recognize a successful man?

If some people say success means wealth others say it is gud health, gud family, happiness, satisfaction, peace of mind.

Different kind of people have different views on success -

1) According to some people success is a continuous process not a destination. We never arrive. After achiving one goal, we go on to the next goal, and next, and next, and the next.

2) According to some others success is an internal feeling that have to feel from inside/. For example, if one people want to become a doctor and finally he achieve that goal then he can say that he is successful.

Everybody in this world want to be successful. But success never comes easily. Life is full of obstacles and triumphs as well. It depends upon us in what way we handle them. There is not a single person in this world who doesn't have any problem in his life. We all have problems and we feel discouraged some time. Discourage is nothing but a harmful behaviour of mind. According to the Buddhists in the indulgence of mental emotions

fear and anger both acts as devil. So, winners don't get disheartened.

"Winners never quit; quiters never win."

"A smooth sea never made a skillful mariner."

" Suicide is a permanent solution to a temporary problem."

*- Abigail Van Buren.*

**Qualities That Make a Person Successful :**

*Desire :*

Napoleon Hill wrote, "Whatever the mind of man can conceive and believe, the mind can achieve."

Success depends upon your burning desire to achieve something. So, first of all you have to decide what you have to do and then don't be relax until you don't achieve that. The man who do his tasks with half desire he will not achieve his goal although he have not any obstacles infront of him. And the man who do his works with 100% Willingness can achieve his goal overcoming lots of obstacles. Because will power is the supreme power.

*Positive Believing :*

If you want to succeed in life you should have a positive frame of mind. Now how can you differentiate positive and negative thinking. Just take one example of cricket. A batsman was very weak in his sweep shot. He got out several times offering that shot. This coach always suggest him not to play the sweep shot. In net practises the coach said, "Avoid the sweep shot." In the match also when the batsman entered the field the coach shouted, " Don't play the sweep shot." And what happened again the batsman did the same mistake and got out in the simillar fashion.

Then one another coach came to the batsman and suggest him to play with straight bat and at the same time he gave confidence to the batsman that his straight batted shots are very good. The batsman applied that and got the result.

You should play for win, not for not to lose. You should not have the fear to lose. Winners want to win everytime. They don't want to do any compromise with victory. A winning team or champion team don't have any extra talent. But their self believe is very high.

"Luck Always favour the breaves."

Positive believing improves when your preparation is good and good preparation comes from hard work.

*Hard Work :*

Success never comes accidently it is the result of consistant hard work in a perfect way. You should know exactly how much you have to work to achieve your goal. There is no shortcut to success. Work sincerely and the God will surely reward you. Everybody in this world want to win but it is necessary to put the 100% effort to succeed. Winning is not in our hand, but what in our hand is hard working.

*Character :*

It is only a recognization which is hard to define. Winners take characters which is a combination of self belief, personality, good reasoning power, understanding, unselfishness, boldness, courage loyalty and of course respect. Character reflects in our behaviour.

Character is such a thing which itself is a success, it does not need success. Character will not leave you till death which



starts from infancy. With character you become confident in your life. So we should build or develop our characters by correcting our faults.

*The Power of Persistance :*

Nothing will take the place of persistance. Talent will not :

Nothing is more common than unsuccessful people with talent. Genius will not :

Unrewarded, genius is a proverb. Education will not :

"The world is full of education derelicts. Persistence and determination alone are omnipotent."

*- Calvin Coolidge*

Persistance means commitment, dedication and determination. As for example players put lots of efforts and practice to do a little bit of improvement. You should be 100% dedicated to your work and to finish that your commitment should be high. You should have a definite goal, a definite purpose. Without purpose the movement of life becomes rendom. Persistance comes from purpose and life without purpose like a ship whose sailor never know where the shore is.

*Give More Than You Get :*

As it is important to have a definite goal or purpose in life, at the same time you should suppose to know how much you should have to work to achieve that. If you put the 100% effort to succeed, will you ready to give some extra effort, little bit of extra hard work which is excessive ? Winners always put 100% and than some more extra effort - with that extra effort you can make yourself more valuable than others, more confident and of course more knowledgeable. People will trust you as a leader and starts respecting you. This achievement is much more bigger than any degree.

The secret of success is prograssive character. Select your goal now and to achieve that, work hard and don't be relax till you don't achieve that.

Promise that you can do it.

(Reference : You can win (Shiv Khera)
Golden peak of Success (Del Karnegi)

Realy indeed are scientific discoveries made except as the result of a carefully thought programme of work. They come, if they do come, as the reward of months or years of systematic study and research in a particular branch of knowledge.

- C.V. Raman



# *Swami Vivekananda* AND THE YOUTH OF INDIA

*Compiled by the Courtesy of*
**Prasad K. Saha.**
*Lecturer, Dept. of Chemistry*

Swami Vivekananda, while he was wondering as a Perivrajaka throughout the length and breadth of India, came face to face with adject proverty of India. He was very much moved to see the appalling condition of Mother India, and he shed tears and Prayed to Mother India for the succour of the poor masses. To his searching mind, he found out the cause of the downfall of our Motherland - it is the educated and priviledged classes of people of India who have neglected the masses, deprived them of education and all sorts of social justices.

In one word, the majority of Indian masses were exploited by a handful of educated and rich people to the extend that the masses lost their individuality and were living next to brutes. So education is the panacea of removing all evils of the society.

Swamiji exhorted - "Education, Education, Education alone ! Travelling through many cities of Europe and observing the comforts and education of even the poor people there, it is brought to my mind the condition of our own poor people, and I used to shed tears. What made this difference ? Education was the answer -- I got. The only service to be done to our lower classes is to give them education, to develop their lost individuality. Give them ideas - that is the only help they require and then the rest must follow the effect. We want that education by which character is formed, strength of mind is increased, the intellect is expanded and by which one can stand on one's fact."

Swami Vivekananda pinned great hope on the youth of India and he bequeathed unto the youth the legacy of uplifting our motherland to the high pinnacle of glory. A Country's development, peace and prosperity depend much on fulfillment of aim and aspirations of the youth. Their minds are vibrant with enthusiasm and have not been tarnished selfish by the touch of worldliness. Young people are inspired by the ideals and are eager to mould their lives according to some great idea. In implementing the ideal in the practical life they are ready to sacrifice even their lives. Swami wanted - "Men, men, these are wanted - everything else will be ready, but strong, vigorous , believing young men, sincere to the backbone are wanted. A hundred such and the whole world become revolutionize."

